প্ৰসাদ চলিহা মহাবিদ্যালয়

# আলোচনী

5
1990-91




ম সংখ্যা
০-৯১ চন

সম্পাদকদ্বয় সৌৰভ ভাগৱতী
নাজিম হিকমত আলী আহমেদ

# উৎসৰ্গ

জন্ম :
ইং ৬-৮-৬৯



মৃত্যু :
ইং ৯-১২-৯১ সোমবাৰ

হেমন্ত কুমাৰ ৰাভা

প্ৰয়াত শিল্পী হেমন্ত কুমাৰ ৰাভা ইং ১৯৯০-৯১ শিক্ষা বৰ্ষত আমাৰ মহাবিদ্যালয়ৰ স্নাতক প্ৰথম বৰ্ষৰ বুৰঞ্জী বিষয়ৰ সন্মান পাঠ্যক্ৰমৰ ছাত্ৰ আছিল। আমাৰ বৰ্তমান সংখ্যা আলোচনীৰ বেটুপাতৰ প্ৰচ্ছদ-চিত্ৰই হেমন্তৰ শিল্পী প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে। মাতৃহাৰা হেমন্তৰ পিতৃ শ্ৰীযুত ক্ষিৰোদ ৰাভাদেৱ গোৱালপাৰা জিলাৰ ধুপধৰাৰ পৰা প্ৰায় ৮ কিঃমিঃ নিলগৰ 'অমুক' গাঁৱৰ বাসিন্দা আৰু অমুক এম. ভি. স্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক।

সন্ত্ৰাসবাদ দমনৰ নামত আমাৰ ৰাজ্যত চলি থকা 'অপাৰেশ্বন ৰাইনো'ৰ অধীনত যোৱা ইং ৮-১২-৯১ তাৰিখ দেওবাৰে সন্ধিয়া ৭-৩০ বজাত সামৰিক বাহিনীৰ লোকে হেমন্তক ঘৰৰ পৰা আটক কৰি লৈ যায়। ৰংজুলি শিবিৰত সামৰিক বাহিনীৰ অত্যাচাৰত নিৰপৰাধী হেমন্তই ইং ৯-১২-৯১ তাৰিখে অতি করুণ ভাবে মৃত্যুক সাবটি লয়। পিছদিনা সামৰিক বাহিনীৰ লোকে হেমন্তৰ মৃতদেহ পৰিয়ালবৰ্গক চমজাই দিয়ে। ইংৰাজী ১১-১২-৯১ তাৰিখ বুধবাৰে ৰাতি-পুৱা ১০-৩০ বজাত শোকাকুল পৰিয়ালবৰ্গই আত্মীয়স্বজন আৰু গুণমুগ্ধ ৰাইজৰ উপস্থিতিত 'মেখিকণা' পথাৰত হেমন্তৰ শেষকৃত্য সম্পন্ন কৰে।

হেমন্তৰ অকাল আৰু করুণ মৃত্যু উঠি অহা শিল্পীসমাজৰ বাবে এটি প্ৰচণ্ড আৰু মৰ্মান্তিক আঘাত। আমি হেমন্তৰ আত্মাৰ সদ্‌গতি কামনা কৰিছোঁ আৰু শোক-সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ আৰু আন্তৰিক সমবেদনা জ্ঞাপন কৰিছোঁ।

প্ৰয়াত হেমন্ত নিৰ্জু স্বভাৱ, শিল্পী-সুলভ আৰু অধ্যয়নশীল মনৰ গৰাকী আছিল। আমাৰ আলোচ্য সংখ্যা আলোচনীৰ প্ৰচ্ছদ-চিত্ৰই হেমন্তৰ শিল্পীসুলভ প্ৰতিভাৰ করুণ পৰিসমাপ্তিৰ সোঁৱৰণীৰে আমাক আমনি দি থাকিব।

সেয়ে আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আৰু প্ৰয়াত শিল্পী হেমন্তৰ স্মৃতিত আমাৰ বৰ্তমান সংখ্যা আলোচনী উৎসৰ্গ কৰিলোঁ।

—সম্পাদনা সমিতি

# ॥ শুভ-ইচ্ছা ॥

অধ্যাপক (ড°) মহম্মদ তাহেৰ,
অধ্যক্ষ,
মাধ্যমিক শিক্ষা পৰিষদ, অসম ।

বামুনীমৈদাম
গুৱাহাটী-৭৮১০২১
৯।৮।৯১

ছাত্ৰ-ছাত্ৰীৰ সৃজনধৰ্মী উদ্যমৰ এক বাস্তৱ-প্ৰকাশ হ'ল স্কুল-কলেজৰ আলোচনীবোৰ। এই আলোচনীবোৰে কুমলীয়া মনৰ লেখক-লেখিকাসকলক অকল সৃষ্টিৰ সুযোগেই নিদিয়ে, সৃজনৰ অনাবিল আনন্দও দিয়ে। এনে সৃষ্টিৰ সাৰ্থকতাই তেওঁলোকক নতুন নতুন সৃষ্টিৰ উদ্দীপনা যোগায়।

আমি জানিব পাৰি সুখী হৈছোঁ যে বিমলা প্ৰসাদ চলিহা কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ কলেজ আলোচনীখনৰ পঞ্চম সংখ্যা প্ৰকাশ কৰিবলৈ দিহা কৰিছে। মহাবাহু ব্ৰহ্মপুত্ৰৰ শ্যামল তীৰত অৱস্থিত ঐতিহ্যমণ্ডিত নগৰবেৰা অঞ্চলৰ যুৱক-যুৱতী সকলৰ সাহিত্যসৃষ্টিৰ এই প্ৰয়াসত মুক্ত প্ৰাকৃতিক পৰিবেশত গঢ়ি উঠা মানসিকতা আৰু কলা-কুশলতাৰ প্ৰতিফলন নিশ্চয় হ'ব আৰু নিশ্চয় অংকুৰিত হ'ব ভৱিষ্যত অসমৰ মুখ উজ্বল কৰিব পৰা কবি-সাহিত্যিক-গল্পকাৰৰ।

কলেজখনিৰ ছাত্ৰ-ছাত্ৰীসকলৰ এই মহৎ উদ্দেশ্য সাফল্যমণ্ডিত হওক আৰু আলোচনীখনে সাহিত্যসৃষ্টিৰ ক্ষেত্ৰত এক গৌৰৱোজ্জ্বল ভৱিষ্যতলৈ আগবাঢ়ক—এইয়ে আমাৰ আন্তৰিক কামনা।

মঃ তাহেৰ
৯।৮।৯১

সত্যমেৱ জয়তে

CHIEF MINISTER

**ASSAM**

দিনাংক, দিশপুৰ

১৩ আগষ্ট '৯১

# শুভেচ্ছা বাণী

নগৰবেৰাৰ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ বছৰেকীয়া মুখপত্ৰখনিৰ এইবেলিৰ সংখ্যাটো প্ৰকাশ কৰিবলৈ আয়োজন কৰা হৈছে বুলি জানিবলৈ পাই সুখী হৈছোঁ। আশাকৰোঁ মুখপত্ৰখনিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশত সহায়ক হোৱাৰ উপৰিও তেওঁলোকৰ মাজত ভ্ৰাতৃত্ব আৰু একাত্মতাবোধ বঢ়াই তোলাত সহায় কৰিব। মুখপত্ৰখনিৰ প্ৰকাশৰ সফলতা কামনা কৰি শুভেচ্ছা আগবঢ়ালোঁ।

ভৱদীয়
হিতেশ্বৰ শইকীয়া
মুখ্যমন্ত্ৰী, অসম

**DR. BHUMIDHAR BARMAN**
Minister, Education.
Assam, Dispur.
Guwahati--781006.

**D.O. No. এম-ই ৩/৯১/**
Date —১৩-৮-৯১

# ॥ শুভেচ্ছা বাণী ॥

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অলপতে বছৰেকীয়া মুখপত্ৰ এখনি প্ৰকাশ কৰিবলৈ যো-যা কৰা বুলি জানি সুখী হৈছোঁ। উক্ত আলোচনীখনে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশত অৰিহণা যোগাব বুলি আশা কৰিছোঁ।

শেষত আলোচনীখনৰ সৰ্বাত্মক উন্নতিৰ প্ৰতি আশা ৰাখিলোঁ।

ডাঃ ভুমিধৰ বৰ্ম্মন

শৰৎ বৰকটকী

ৰাজ্যিক মন্ত্ৰী,
গড়কাপ্তানী, প্ৰাথমিক আৰু
মাধ্যমিক শিক্ষা, অসম,
দিশপুৰ, গুৱাহাটী-৬

সত্যমেৱ জয়তে

ফোন—৬১৩০৪ (অফিচ)
৬২২৮৩ (আৱাসগৃহ)

# শুভেচ্ছা বাণী

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সৌজন্যত উদ্যোক্তা সকলে এখনি স্মৃতি গ্ৰন্থ প্ৰকাশৰ আয়োজন চলাইছে বুলি জানিব পাৰি মই সুখী হৈছোঁ।

এখনি স্মৃতি গ্ৰন্থৰ প্ৰকাশে এখনি শিক্ষানুষ্ঠান, ছাত্ৰ সমাজ আৰু পৰিবেশত বহুতো অৱদান দিব পাৰে। তাৰোপৰি এনে ধৰণৰ আলোচনীৰ জৰিয়তে আমি বহুতো সুপ্ত লিখক, কবিৰ সন্ধান পাওঁ। সেয়েহে আলোচনী প্ৰকাশ কৰাৰ প্ৰচেষ্টা সচাঁকৈয়ে শলাগিবলগীয়া।

মই আলোচনীখনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ।

শ্ৰীশৰৎ বৰকটকী



অধ্যক্ষ দেৱপ্ৰসাদ শইকীয়াদেৱ

ঃ কাৰ্যালয়ত উপবিষ্ট অৱস্থাত আলোক-শিল্পীৰ প্ৰস্তুত-সংকেতৰ প্ৰতি মিচিকিয়া হাঁহিৰে সঁহাৰি জনাইছে ঃ

# চকুলোৰে সুঁৱৰিছোঁ......

সেই নিষ্পাপ শিশুক—
যাৰ মৃত্যুত পিতৃ-মাতৃৰ বুকু শুদা হ'ল।
সেই কিশোৰ-কিশোৰী, যুৱক-যুৱতীক—
যাৰ মৃত্যুৱে একোটি পৰিয়ালৰ আশাৰ বন্তি
অকালতে নুমাই পেলালে।
সেই পিতৃ-মাতৃক,—যাৰ বিয়োগত একোটি পৰিয়াল
উছন গ'ল, সন্তান মাউৰা হ'ল।
সেই সকল মহান মনীষীক —
যিসকলৰ মৃত্যুত, সাহিত্য, অৰ্থনীতি, ৰাজনীতি,
শান্তি আৰু প্ৰগতিৰ গতি স্তব্ধ হ'ল।
সেই সকল মহান ছহিদক,—
যিসকল সত্যপথত আছিল, কিন্তু
যিসকল ব্যক্তি সন্ত্ৰাস আৰু ৰাষ্ট্ৰ সন্ত্ৰাসৰ
বলি হ'ল।
লগতে বিগত বছৰটোত মৃত্যুক আঁকোৱালি লোৱা
সমূহ খ্যাত-অখ্যাত স্বৰ্গগামী ব্যক্তিসকলক।

—সম্পাদকদ্বয়, আলোচনী।

# সোঁৱৰণ....

মৰহুম আফাজ উদ্দিন আহমদ

জন্ম : বঙ্গেশ্বৰী (নগৰবেৰা), ইং ১৯২১ চন । মৃত্যু : নগৰবেৰা, ইং ২২-১২-৯১ তাৰিখ, দেওবাৰ ।

সকৰে পৰা লিখা-পঢ়াত মেধা শক্তিৰ পৰিচয় দি অহা আফাজ চাহাবে ইং ১৯৪০ চনতে গোৱালপাৰা চৰকাৰী হাইস্কুলৰ পৰা কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত এণ্ট্ৰেন্স পৰীক্ষাত অৱতীৰ্ণ হৈ ২য় বিভাগত উত্তীৰ্ণ হোৱাৰ গৌৰৱ অৰ্জন কৰে। সেই কালৰ উচ্চ শিক্ষাৰ সীমিত সুবিধা আৰু নানান প্ৰতিকূল পৰিস্থিতিৰ বাবে তেখেতৰ শিক্ষাজীৱন সিমানতে অন্ত পৰে। তেতিয়াৰ বৃটিছ চৰকাৰে তেখেতক পোনপটীয়াকৈ 'দাৰোগা'ৰ দৰে অসীম কৰ্তৃত্ব আৰু লোভনীয় পদৰ চাকৰি যাচিছিল যদিও স্বাধীন-চেতীয়া মনৰ আফাজ চাহাবে 'বিদেশী চৰকাৰৰ গোলামী নকৰোঁ' বুলি সেই সুযোগ পোনছাটে প্ৰত্যাখ্যান কৰে। সেয়ে কৰ্ম-সংস্থানৰ বাবে তেখেতৰ পিতৃ মৰহুম শুকুৰ উদ্দিন আহমদ চাহাবে পূৰ্বৰে পৰা চলাই অহা কাপোৰ দোকানৰ ব্যৱসায়ত যোগ দিয়ে। অৱশ্যে স্থানীয় ৰাইজৰ অনুৰোধত নতুনকৈ স্থাপিত বঙ্গেশ্বৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক শিক্ষক হিচাপে তেখেতে অনুষ্ঠানটিৰ প্ৰতি কিছুদিন সেৱা আগবঢ়ায়।

ইং ১৯৪৩ চনৰ পৰা তেখেতে নগৰবেৰা গাঁৱৰ সোঁমাজতে স্থায়ীভাৱে বসবাস কৰিবলৈ লৈ নগৰবেৰা বজাৰত ব্যৱসায় চলোৱাৰ লগতে পিছপৰা নগৰবেৰা অঞ্চলৰ বিভিন্ন উন্নয়নমূলক কামত স্বৰ্গীয় পদ্মলোচন চৌধুৰী, স্বৰ্গীয় কমলাকান্ত দাস (মেনেজাৰ) আৰু শ্ৰদ্ধেয় কৃষ্ণকান্ত শৰ্মা 'হেড মাষ্টাৰ' প্ৰমুখ্যে সমাজকৰ্মী সকলৰ একান্ত সহযোগী হৈ পৰে। অসমীয়া সমাজ আৰু জন-জীৱনৰ ধাই সুঁতিত মিলি যোৱাৰ প্ৰক্ৰিয়াৰ দ্বাৰা তেখেতে দূৰদৰ্শিতা আৰু প্ৰগতিশীল দৃষ্টিভঙ্গীৰ উজ্জ্বল দৃষ্টান্ত স্থাপন কৰিছে। এনে দৃষ্টিভঙ্গীৰ স্বীকৃতি স্বৰূপে তেখেতে বৃহত্তৰ নগৰবেৰা অঞ্চলৰ অদ্বিতীয় উন্নয়নমূলক অনুষ্ঠান 'নগৰবেৰা আঞ্চলিক মৌজা কমিটি'ৰ ধনভঁৰালী হোৱাৰ উপৰিও নগৰবেৰা হিন্দু-মুছলিম সমাজ, নগৰবেৰা আঞ্চলিক মণ্ডল কংগ্ৰেছ, নগৰবেৰা আঞ্চলিক বজাৰ কমিটি, নগৰবেৰা আঞ্চলিক বজাৰ মছজিদ কমিটি, নগৰবেৰা আঞ্চলিক জমিয়তে উলামায়ে হিন্দ, নগৰবেৰা ঈদগাহ-কবৰস্থান পৰিচালনা সমিতি, নগৰবেৰা গাঁৱৰ মছজিদ আৰু মক্তব পৰিচালনা সমিতি প্ৰভৃতি সামাজিক আৰু ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিভিন্ন কাৰ্য-নিৰ্বাহকৰ সভাপতি আৰু সম্পাদকৰূপে গুৰি ধৰি অঞ্চলটোৰ সৰ্বাঙ্গীন উন্নয়নত অগ্ৰণী সেৱা আগবঢ়ায়। তদুপৰি স্থানীয় প্ৰায়বোৰ শিক্ষানুষ্ঠান পৰিচালনাৰ সৈতে জড়িত থকাৰ উপৰিও তেখেত আমাৰ 'মহাবিদ্যালয় স্থাপন প্ৰস্তুতি কমিটি' আৰু শেহতীয়াকৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰো সদস্য আছিল।

কিন্তু অতি আকস্মিক ভাৱে ইং ২২-১২-৯১ তাৰিখ দেওবাৰে পুৱা ১০-৩০ বজাত হৃদৰোগত আক্ৰান্ত হৈ তেখেতৰ পৰলোক-প্ৰাপ্তি ঘটাত সমগ্ৰ অঞ্চলটোতে গভীৰ শোকৰ ছাঁ বিৰাজ কৰা পৰিলক্ষিত হয়। পিছদিনা সোমবাৰে পুৱা একে সময়তে আত্মীয়-স্বজন আৰু বহু সংখ্যক গুণমুগ্ধ ৰাইজৰ সহযোগত শোকাকুল পৰিয়ালবৰ্গই তেখেতৰ ভেটি-মাটিতে যথোচিত সন্মান সহকাৰে তেখেতক সমাধিস্থ কৰে।

মৰহুম আফাজ উদ্দিন আহমদ চাহাবৰ বিয়োগত বৃহত্তৰ নগৰবেৰা অঞ্চলৰ ঐক্য-সমন্বয়, শান্তি আৰু প্ৰগতিৰ এজন অনন্য-অক্লান্ত সাধকৰ আসন শূন্য হ'ল। লগতে আমি হেৰুৱালোঁ অধ্যয়নপুষ্ট মন, প্ৰগতিশীল দৃষ্টিভঙ্গী আৰু নিৰপেক্ষ বিচাৰ-বিশ্লেষণ শক্তি আদি গুণৰাজিৰে বিভূষিত এজন নমস্য ব্যক্তিক।

আমি বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোক-সন্তপ্ত পৰিয়াল-পৰিজনলৈ গভীৰ আৰু আন্তৰিক সমবেদনা জ্ঞাপন কৰিছোঁ।

—সম্পাদনা সমিতি।

# অশ্রু-অঞ্জলি . . .

জন্ম :
ইং ১৫-১০-৬৯, সোমবাৰ



মৃত্যু :
ইং ২০-১০-৯১, সোমবাৰ

মৰিয়ম বেগম আহমেদ

কামৰূপ জিলাৰ সোণতলী মৌজাৰ অন্তৰ্গত বৌমাৰী গাঁৱৰ বাসিন্দা আৰু বৌমাৰী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক জোনাব আব্দুছ ছাত্তাৰ আহমেদ চাহাবৰ দ্বিতীয়া কন্যা মৰিয়মে প্ৰাথমিক শিক্ষা ৰৌমাৰী প্ৰাথমিক বিদ্যালয়তে গ্ৰহণ কৰে। মধ্য ইংৰাজী পৰ্যায়ৰ পৰা উচ্চতৰ মাধ্যমিক পৰ্যায়লৈকে শিক্ষা সোণতলী উচ্চতৰ মাধ্যমিক বিদ্যালয়তে গ্ৰহণ কৰি ইং ১৯৮৯ চনত মৰিয়ম আমাৰ মহাবিদ্যালয়ৰ স্নাতক মহলাত ভৰ্তি হয়। তেওঁ ইং ১৯৯১ বৰ্ষৰ স্নাতক ১ম খণ্ডৰ চূড়ান্ত পৰীক্ষাত শিক্ষা বিষয়ৰ সন্মানৰ পাঠ্যক্ৰমত পৰীক্ষা দি উত্তীৰ্ণ হয়। স্বভাৱসুলভ বিনয়ী, সদাচাৰী আৰু মিঠামুখীয়া মৰিয়মৰ ইতিমধ্যে যোৱা ইং ২২-২-৯০ তাৰিখে কামৰূপ জিলাৰ মালিবাৰী গাঁৱৰ আলহাজ আব্দুল আজিজ চাহাবৰ দ্বিতীয় পুত্ৰ, আমাৰ মহাবিদ্যালয়ৰে প্ৰাক্তন ছাত্ৰ, আৰবী বিষয়ৰ সন্মানৰ স্নাতক আৰু সম্প্ৰতি গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীত অধ্যয়নৰত আবু ছায়েদ আলি আহমেদৰ লগত শুভ-বিবাহো সম্পন্ন হয়। উল্লেখযোগ্য যে পথালিপাৰা ছোৱালী এম, ই, মাদ্ৰাছাৰ (সোণতলী) পৰিচালনা সমিতিৰ আমন্ত্ৰণক্ৰমে মৰিয়মে যোৱা ইং ১২-৫-৯০ তাৰিখে উক্ত মাদ্ৰাছাৰ এটি অতিৰিক্ত অনুমোদিত পদৰ বিপৰীতে সহ-শিক্ষয়িত্ৰীৰূপে যোগদান কৰি কৰ্মজীৱনৰ পাতনিও মেলে। অৱশ্যে ইং ১৫-৫-৯০ তাৰিখে মাদ্ৰাছাৰ কামৰ পৰা বিধিসম্মতভাৱে ছুটী লৈ মহাবিদ্যালয়ৰ শ্ৰেণীৰ পাঠ গ্ৰহণত নিয়মীয়া হৈ পৰে।

কিন্তু নিয়তিৰ নিষ্ঠুৰ আঘাতত ইং ১৪-১০-৯১ তাৰিখ মঙ্গলবাৰৰ পৰা ডায়েৰীয়া ৰোগত আক্ৰান্ত হোৱাত, উপযুক্ত চিকিৎসা-ব্যৱস্থা প্ৰদানৰ পিছতো ইং ২০-১০-৯১ তাৰিখ সোমবাৰে আবেলি ৩-৩০ বজাত মৰিয়মে মৃত্যুক সাবটি লয়। পিতৃগৃহৰ ভেটিমাটিতেই মৰিয়মক সমাধিস্থ কৰা হয়। মৰিয়মৰ দৰে এজনী কৃতি ছাত্ৰী, আদৰৰ জীয়ৰী, আৰু লখিমী বোৱাৰীৰ অকাল বিয়োগত আমি মৰ্মাহত হৈছোঁ। আমি স্বৰ্গগামী আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোক-সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ আৰু আন্তৰিক সমবেদনা জ্ঞাপন কৰিছোঁ।

— সম্পাদনা সমিতি

# অশ্রু-অঞ্জলি . . .

জন্ম :
ইং ২৬-১১-৭১

মৃত্যু :
ইং ২০-১২-৯০, বৃহস্পতিবাৰ

হীৰামণি মেধি

নগৰবেৰা সংলগ্ন কালুবাৰী গাঁৱৰ বাসিন্দা আৰু টিপলাই উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক শ্ৰীযুত চন্দ্ৰ মোহন মেধিদেৱৰ প্ৰথমা কন্যা হীৰামণি মেধি। শ্ৰীযুতা উষা মেধি হীৰাৰ মাতৃ। প্ৰাথমিক শিক্ষা সক কালুবাৰী প্ৰাথমিক বিদ্যালয়ৰ পৰা গ্ৰহণ কৰি, কালুবাৰীৰ শঙ্কৰদেৱ উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ হীৰাই আমাৰ মহাবিদ্যালয়ত অধ্যয়নৰতা হৈ আছিল। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ তিনিমাহ পূৰ্বে ইংৰাজী ২০-১২-৯০ তাৰিখ বৃহস্পতিবাৰে হীৰাই অকাল আৰু অস্বাভাৱিক মৃত্যুবৰণ কৰে। এটি উঠি অহা জীৱন আৰু সম্ভাৱনাময় ভৱিষ্যতৰ এনে অপ্ৰত্যাশিত বিয়োগত আমি মৰ্মাহত! আমি বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ আৰু আন্তৰিক সমবেদনা জ্ঞাপন কৰিছোঁ।

—সম্পাদনা সমিতি

# অসমীয়া বিভাগ

## বিষয়-সূচী

সম্পাদকীয় (পৃষ্ঠা ক, খ, গ)


প্ৰবন্ধমালা :

| | | |
|---|---|---|
| [চিন্তনীয়] সান্নিধ্য আৰু সন্ধান | ॥ ১ ॥ | অধ্যক্ষ দেৱপ্ৰসাদ শইকীয়া |
| পদ্মনাথ গোহাঞি বৰুৱা আৰু জাতীয়তা | ॥ ৭ ॥ | শ্ৰীধনেশ্বৰ দাস |
| 'অভিজ্ঞান শকুন্তলম্' : এটি পৰিচয় | ॥ ১১ ॥ | (প্ৰবক্তা) কল্যাণী দাস |
| ড্ৰাগ্‌ছ আৰু যুৱ মানসিকতা | ॥ ১৫ ॥ | শ্ৰীসৌৰভ ভাগৱতী |
| নগৰবেৰা : ইতিহাসৰ জলঙাৰে এভুমুকি | ॥ ১৮ ॥ | (প্ৰবক্তা) আব্দুছ ছামাদ আলি |
| মানৱ শিশুৰ সৰ্বাত্মক বিকাশত পৰিয়াল আৰু সমাজৰ ভূমিকা | ॥ ২৩ ॥ | নুৰুণ নাহাৰ বেগম |
| হৰিৰ তনবীৰৰ 'চৰণ দাস চোৰ' | ॥ ২৬ ॥ | (প্ৰবক্তা) বিপুল শৰ্মা বৰপূজাৰী |
| বিষ্ণুৰাভাৰ জীৱন আৰু চিন্তাধাৰা | ॥ ২৯ ॥ | শশী কলিতা |
| আধুনিক অসমীয়া দেশপ্ৰেমমূলক কবিতা : এটি বিহঙ্গম দৃষ্টি | ॥ ৩৩ ॥ | এম, ফজলুৰ ৰহমান |
| [বিজ্ঞান বিষয়ক] : বিজ্ঞান শিক্ষা আৰু ইয়াৰ সম্প্ৰসাৰণত অসম বিজ্ঞান সমিতিৰ ভূমিকা : | ॥ ৩৭ ॥ | (প্ৰবক্তা) নূৰ আলম হক |
| [ক্ৰীড়াঙ্গন] গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় ফুটবল টুৰ্ণামেণ্ট, ১৯৯০ এটি খতিয়ান | ॥ ৪১ ॥ | ড' আবুল বাহাৰ |
| [ভ্ৰমণ কাহিনী] মধ্য প্ৰদেশৰ 'কানহা' ৰাষ্ট্ৰীয় উদ্যানত এভুমুকি | ॥ ৪৭ ॥ | শ্ৰীহিতেশ চন্দ্ৰ নাথ |
| [কাব্য মঞ্জৰী] এই ভুল যেন নকৰা তুমাই | ॥ ৫১ ॥ | এম, তৈয়ব আলী |
| মানৱতা | ॥ — ॥ | দিলীপ কলিতা |
| এখন পৃথিৱী মোক লাগে | ॥ ৫২ ॥ | শ্বাহাব উদ্দিন আহমেদ |
| অন্তৰঙ্গ | ॥ — ॥ | অৰ্পণা দাস |
| আবেগ | ॥ ৫৩ ॥ | কন্দৰ্প দাস |
| হৃদয়ঙ্গম | ॥ — ॥ | হিতেশ চন্দ্ৰ নাথ |
| সংগ্ৰামী | ॥ ৫৪ ॥ | অৰূপ দাস |
| নৱ অনুভূতি | ॥ — ॥ | হেমন্ত কুমাৰ ৰাভা |

| | | |
|---|---|---|
| ইতিহাস | ॥ ৫৫ ॥ | নজৰুল ইছলাম বৰা |
| আকুলতা | ॥ — ॥ | সঞ্জীৱ কুমাৰ দাস |
| জীৱন মোৰ বাবে আশীৰ্বাদ | ॥ ৫৬ ॥ | (প্ৰবক্তা) আমদাজ হুচাইন |
| নিশাৰ সপোনটি | ॥ — ॥ | প্ৰবোধ পাটোৱাৰী |
| প্ৰতিশ্ৰুতি | ॥ ৫৭ ॥ | প্ৰনিতা চৌধুৰী |
| প্ৰতীক্ষা | ॥ — ॥ | সৌৰভ ভাগৱতী |
| প্ৰতীক্ষা | ॥ ৫৮ ॥ | (প্ৰবক্তা) প্ৰভাত চক্ৰৱৰ্তী |
| বিপ্লৱৰ স'তে মই | ॥ — ॥ | (প্ৰবক্তা) নীলকমল বৰদলৈ |
| দুৰ্জয় হুংকাৰ | ॥ ৫৯ ॥ | নাজিম হিকমত আলী আহমেদ |
| মেজিৰ জুই | ॥ — ॥ | (প্ৰবক্তা) নৱনীতা পাঠক |
| অম্বেষণ | ॥ ৬০ ॥ | (প্ৰবক্তা) নগেন্দ্ৰ নাৰায়ণ দেৱান |
| [লিমাৰিক] | | |
| পঞ্চ-লিমাৰিক | ॥ ৬১ ॥ | (প্ৰবক্তা) এম, হবিব উল্লাহ |
| [অনুবাদ কবিতা] | | |
| বসন্ত | ॥ ৬২ ॥ | [মূল উৰিয়া] : হৃষীকেশ পাণ্ডা |
| তৃষ্ণা | ॥ ৬৩ ॥ | '' (প্ৰবক্তা) হৃষীকেশ সিং |
| [গীত] | | |
| সমবেত সঙ্গীত | ॥ ৬৪ ॥ | (প্ৰবক্তা) ৰঞ্জিত কুমাৰ বৰা |
| [গল্প-গুচ্ছ] | | |
| টোপ | ॥ ৬৫ ॥ | কুলেন তালুকদাৰ |
| সেন্দুৰ | ॥ ৭১ ॥ | নয়নমণি কলিতা |
| অনিৰ্বাণ | ॥ ৭৬ ॥ | অৰ্পণা দাস |
| অবক্ষয় | ॥ ৮০ ॥ | সুৰেশ কলিতা |
| [অনুবাদ গল্প] | | |
| ছুচকুৰ এস্কাবত | ॥ ৮৪ ॥ | [মূল বঙলা] : অসিত মৈত্ৰ<br>অনুবাদক : কমল চন্দ্ৰ পাঠক |
| [সাক্ষাৎকাৰ] | | |
| অভিনেতা শ্ৰীযুত জীৱেশ্বৰ ডেকাদেৱৰ সৈতে কেইটিমান অন্তৰঙ্গ মুহূৰ্ত…………… | ॥ ৮৭ ॥ | সাক্ষাৎ গ্ৰহণত : সৌৰভ ভাগৱতী |
| [প্ৰতিবেদন-ৰাজি] | | |
| ছাত্ৰ একতা সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ বিষয়-ববীয়াসকলৰ প্ৰতিবেদন সমূহ | ॥ ৯২-১১৪ ॥ | |


□□□

# সম্পাদকীয়

**সাহিত্য আৰু সমকালীন সমাজ ঃ**

হিংসাৰ কলীয়া ডাৱৰেৰে বিশ্বৰ আকাশ আজি আচ্ছন্ন হৈ উঠিছে। হিংসাৰ জুইত বিপন্ন আজিৰ সভ্যতা। বিশ্বৰ প্ৰতিটো প্ৰান্তৰতে দেখা দিয়া সাম্প্ৰদায়িক সংঘৰ্ষ, ধৰ্মীয় সংকট, বৰ্ণবাদ, ঔপনিৱেশিকতাবাদ আদিৰ উপৰিও বিজ্ঞানৰ ধ্বংসাত্মক আৱিষ্কাৰসমূহে সৃষ্টি কৰিছে ত্ৰাস আৰু আতঙ্কৰ। বিশ্বৰ প্ৰতিটো প্ৰান্তৰৰ উপৰিও একালৰ শান্ত অসমৰ সমাজ জীৱনতো আজি অশান্তি আৰু হিংসাৰ প্ৰবৃত্তিসমূহ মূৰ দাঙি উঠিছে। অৰ্থনৈতিক অনগ্ৰসৰতাই সৃষ্টি কৰি অহা সমস্যাসমূহ সমাধানত দেশৰ বৰমূৰীয়া সকলৰ উদাসীন ভূমিকাই সমস্যাবোৰ ক্ৰমে জটিলৰ পৰা জটিলতৰ কৰি পেলাইছে। যাৰ ফলস্বৰূপে কিছুমানে হিংসাৰ পথ ল'বলৈ বাধ্য হৈছে। এইটো ঠিক যে কোনো সমস্যা হিংসাৰে সমাধান কৰিব পৰা নাযায়। কিয়নো হিংসাই সৃষ্টি কৰে প্ৰতিহিংসাৰ। প্ৰতিহিংসাই মানুহৰ মানৱীয় মূল্যবোধসমূহ নাশ কৰি মানুহক অমানুহ কৰি তুলি মানৱ সভ্যতাক পশ্চাদমুখী কৰে। সেয়ে জাতি-ধৰ্ম, বৰ্ণ আনকি চৰকাৰ নিৰ্বিশেষে সকলোৱে হিংসাৰ পথ পৰিহাৰ কৰি ধৈৰ্য আৰু সহনশীল মনোভাৱ গ্ৰহণ কৰি আলোচনা নাইবা আন্তৰিক বুজা-পৰাৰে সমস্যাসমূহ সমাধান কৰি দেশ তথা জাতিৰ অস্তিত্ব ৰক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰা অতি আৱশ্যক হৈ পৰিছে।

সমাজ জীৱনৰ বিশৃংখল পৰিৱেশত জাতি, ধৰ্ম নিৰ্বিশেষে জনগণৰ মনৰ পৰা সন্দেহ, সংশয়, অসূয়া, বিদ্বেষ আদি আঁতৰোৱাত সহায় কৰি পৰস্পৰৰ মাজত ভ্ৰাতৃত্ববোধ জগাই তুলি সুস্থ আৰু শান্তিপূৰ্ণ পৰিৱেশ ৰচনাত সাহিত্যই বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে। সাহিত্যিকসকলে তেওঁলোকৰ ৰচনাৰ যোগেদি সমাজ জীৱনৰ বিভিন্ন দিশ বিশ্লেষণ কৰি স্থায়ী ৰূপ দিয়াৰ লগতে সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰতো অৰিহণা যোগোৱাৰ থল আছে।

ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলেও তেওঁলোকৰ ৰচনাৰ যোগেদি এই ক্ষেত্ৰত অৰিহণা যোগাব পাৰে। ইয়াৰ বাবে তেওঁলোকে সমাজ জীৱন সম্পৰ্কত গভীৰভাৱে অধ্যয়ন কৰি নিজস্ব বিচাৰ-বিশ্লেষণেৰে এই দিশত অগ্ৰসৰ হ'ব লাগিব।

**আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সাহিত্য অনুশীলন ঃ**

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য অনুশীলনৰ সুবিধাৰ্থে এই মহাবিদ্যালয়ৰ এখনি বাৰ্ষিক পত্ৰিকা আৰু

প্ৰাচীৰ পত্ৰিকা 'কল্প'ৰ জন্ম। আমাৰ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলে ইয়াৰ জৰিয়তে তেওঁলোকৰ অভিজ্ঞতা, ভাব-চিন্তা আদি বিভিন্ন ৰূপত প্ৰকাশ কৰি সাহিত্য ক্ষেত্ৰত প্ৰৱেশ কৰিব পাৰে। মহাবিদ্যালয় আলোচনীৰ প্ৰথম সংখ্যাটি মহাবিদ্যালয় প্ৰতিষ্ঠাৰ পাঁচ বছৰ পিছত কৰ্তৃপক্ষ আৰু ছাত্ৰ-ছাত্ৰীৰ তৎপৰতাত ইং ১৯৭৬-৭৭ চনতহে প্ৰকাশ হয়। প্ৰথম সংখ্যা আৰু বৰ্তমান সংখ্যাৰ মাজৰ সময়ছোৱাত তেৰটা সংখ্যা প্ৰকাশ পাব লাগিছিল। কিন্তু অতি পৰিতাপৰ বিষয় মাত্ৰ তিনিটা সংখ্যাহে (১৯৭৮-৭৯,-১৯৮৩-৮৪আৰু ১৯৮৭-৮৮) প্ৰকাশ হৈছে। ইয়াৰ অন্তৰ্নিহিত কাৰণবোৰনো কি? আমাৰ বোধেৰে ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য সৃষ্টিৰ প্ৰতি আওকণীয়া মনোভাব, প্ৰয়োজনীয় পুঁজিৰ অভাৱ, ৰাজ্যৰ অশান্ত পৰিৱেশ আদিয়েই প্ৰধান। প্ৰবন্ধ-পাতিৰ অভাৱত আলোচনীৰ প্ৰকাশ বন্ধ ৰাখিবলগীয়া হোৱাটো অতি দুৰ্ভাগ্যজনক। মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'কল্প'ৰ জন্ম ইং ১৯৭৬-৭৭ চনতে। এতিয়ালৈ 'কল্প'ৰ মাত্ৰ কুৰিটামান সংখ্যা-ইহে আত্মপ্ৰকাশ কৰিছে। ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্যৰ অনুশীলন সজীৱ কৰি ৰখাৰ মানসেৰে 'কল্প'ৰ জন্ম যদিও তেওঁলোকৰ অনুৎসাহৰ বাবে 'কল্প'ও অনুৎসাহিত। মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী আৰু প্ৰাচীৰ পত্ৰিকা 'কল্প'ৰ গতি অব্যাহত ৰাখি প্ৰবন্ধপাতিৰে ন-ন-ৰূপত প্ৰকাশ কৰাৰ দায়িত্ব প্ৰধানকৈ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলৰহে। এই ক্ষেত্ৰত মাননীয় শিক্ষাগুৰুসকল আৰু কৰ্তৃপক্ষৰ উৎসাহ-উদ্দীপনাবো বিশেষ প্ৰয়োজন। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভাব, সাহিত্যৰ চিন্তাচৰ্চাৰ পৰিৱেশ ৰক্ষাৰ বাবে এটি সাহিত্য চ'ৰাৰো বিশেষ প্ৰয়োজন।

**বৰ্তমান সংখ্যা আলোচনী:**

আমি সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰি এখন সৰ্বাঙ্গসুন্দৰ আলোচনী ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলৰ হাতত তুলি দিয়াৰ মানস কৰিছিলোঁ। এইক্ষেত্ৰত কিমানদূৰ সফল হৈছোঁ। সেইটো সংশ্লিষ্ট আটাইৰে বিচাৰ্য। মহাবিদ্যালয় আলোচনী এখন পূৰ্ণাঙ্গ হ'বলৈ হ'লে বিভিন্ন বিষয়ক চিন্তাগধুৰ প্ৰবন্ধ, উৎকৃষ্টমানৰ গল্প, কবিতা, নাটিকা আদিৰ প্ৰয়োজন। অঞ্চলটোৰ আৰ্থ-সামাজিক উন্নয়নমূলক দিশ প্ৰতিফলিত হোৱাকৈ তথা দেশ আৰু বহিৰ্বিশ্বৰ সাহিত্য সংস্কৃতি, শিক্ষা, অৰ্থনীতি, ঐতিহাসিক আৰু ভৌগোলিক আদি ঘটনাপ্ৰবাহ সন্নিবিষ্ট হোৱাকৈ প্ৰবন্ধ-পাতিবো আৱশ্যক। ছাত্ৰ-ছাত্ৰীসকলৰ পৰা এনে লেখা বিচৰা হৈছিল। কিন্তু বন্ধু-বান্ধৱীসকলৰ পৰা আশানুৰূপ সঁহাৰি পোৱা নগ'ল। অতি কম সংখ্যক নিৰ্দিষ্টমানৰ লেখাৰেহে কামত আগবাঢ়োঁ। বেছিভাগ লেখাৰ ক্ষেত্ৰত ভাষাজ্ঞান আৰু সাহিত্য অনুশীলনৰ অভাৱ বাককৈয়ে পৰিলক্ষিত হয়। এনে পৰিস্থিতিত প্ৰয়োজনীয় প্ৰবন্ধ-পাতিৰ জোৰা মাৰি আলোচনীখন উন্নত মানৰ কৰিবলৈ মাননীয় অধ্যক্ষ আৰু শিক্ষক-

শিক্ষয়িত্রীসকলৰ পৰাও প্ৰবন্ধ-পাতিৰ অৱিহণা লোৱা হৈছে।

আমাৰ মহাবিদ্যালয়ৰ ঘাটি মঞ্জুৰী নোপোৱা বিজ্ঞান শাখাৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰা আৰু উত্তৰোত্তৰ উন্নতিৰ দিহা-পৰামৰ্শেৰে পুষ্ট এটি প্ৰবন্ধ সংযোগ কৰাৰ সংকল্প বাস্তৱায়িত কৰিব নোৱাৰাৰ দায়ত যেন নিজকে দায়ীবোধ কৰিছোঁ।

উচ্চতৰ মাধ্যমিক আৰু স্নাতক পৰীক্ষাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সদায়ে অতি সন্তোষজনক ফলাফল দেখুৱাই আহিছে। কেবাবছৰো ধৰি আলোচনী প্ৰকাশ নোপোৱাৰ বাবে এই সংখ্যাত বিগত কেইবছৰৰ পৰীক্ষাসমূহৰ ফলাফলৰ তালিকা সন্নিৱিষ্ট কৰাৰ ইচ্ছা কৰিছিলোঁ। কিন্তু সময়ৰ নাটনিত এই তালিকাসমূহৰ লগতে এটি মনোগ্ৰাহী মনোনীত গল্প আৰু এটি বিজ্ঞান বিষয়ক তত্ত্বগধুৰ ইংৰাজী প্ৰবন্ধ প্ৰকাশ কৰিব নোৱাৰাত আমি দুঃখিত।

**একান্ত ব্যক্তিগত দুআষাৰ :**

আমাৰ বৰ্তমান সংখ্যা আলোচনীৰ প্ৰুফ চোৱাৰ দায়িত্ব আমি জোৰকৈ জাপি দিছিলোঁ বিভাগীয় তত্ত্বাৱধায়কদ্বয়, মাননীয় অধ্যাপক এম, হবিব উল্লাহদেৱ আৰু মাননীয় অধ্যাপক নগেন্দ্ৰ নাৰায়ণ দেৱানদেৱৰ ওপৰত। তেখেত দুজনৰ অক্লান্ত শ্ৰমৰ বাবে আমি দুয়ো চিৰঋণী হোৱাৰ কথা অকপটে স্বীকাৰ কৰি গৌৰৱবোধ কৰিছোঁ। অৱশ্যে ছপাৰ বিভ্ৰাট নঘটাকৈ থকা নাই, আৰু সেয়া ঘটিছে তত্ত্বাৱধায়ক ছাৰদ্বয়ৰ সাময়িক ছুটীৰ সময়ছোৱাত ছপা হৈ ওলোৱা বিষয়বস্তুসমূহৰ অ'ত ত'ত বিক্ষিপ্তভাৱে। এনে অপ্ৰত্যাশিত ত্ৰুটি-বিচ্যুতিৰ বাবে আমি সংশ্লিষ্ট পঢ়ুৱৈৰ ওচৰত বিনম্ৰভাৱে ক্ষমা বিচাৰিছোঁ।

পৰৱৰ্তী সম্পাদক আৰু সম্পাদনা সমিতিয়ে আগত সংখ্যাটো বৰ্ণাশুদ্ধিশূন্য, নিখুঁত আৰু অধিক উন্নতমানৰ ৰূপত প্ৰকাশ কৰি উলিয়াওক— এই আন্তৰিক শুভেচ্ছা আমি এই ছেগতে আগবঢ়াই থলোঁ।

পৰিশেষত, আগত দিনবোৰ আমাৰ সকলোৰে বাবে কৰ্মমুখৰ আৰু সজীৱ হৈ উঠক, মানৱতাবোধ, সমন্বয়, সহনশীলতা আৰু বিশ্বজনীন ভ্ৰাতৃত্ববোধ জাগৰিত হৈ উঠক— এই শুভ কামনাৰে আমাৰ সম্পাদকীয় সামৰিছোঁ।

সৌৰভ ভাগৱতী
নাজিম হিকমত আলী আহমেদ
সম্পাদকদ্বয়, আলোচনী।
বৰদিন/২৫ডিচেম্বৰ '৯১ইং

# আলোচনী সম্পাদনা সমিতি

পঞ্চম প্ৰকাশ

বছৰ :—১৯৯০-৯১ ইং চন



বহি (বাওঁফালৰ পৰা) ঃ অধ্যাপক নগেন্দ্ৰ নাৰায়ণ দেৱান (তত্বাৱধায়ক), অধ্যাপক এম. হবিব উল্লাহ (তত্বাৱধায়ক), অধ্যক্ষ দেৱপ্ৰসাদ শইকীয়া (সভাপতি), অধ্যাপক শ্যামাচৰণ ঠাকুৰীয়া (উপদেষ্টা), অধ্যাপক নিৰ্মল চন্দ্ৰ ভোই(উপদেষ্টা),
থিয়হৈ (বাওঁফালৰ পৰা) ঃ শ্ৰীকন্দৰ্প দাস (সদস্য), শ্ৰীসুৰেশ কলিতা (সদস্য), শ্ৰীসৌৰভ ভাগৱতী (সম্পাদক), শ্ৰীনিভা কলিতা (সদস্যা), নাজিম হিকমত আলী আহমেদ (সম্পাদক), শ্ৰীসঞ্জীৱ কুমাৰ দাস (সদস্য), মীৰ্জা গৌছল আজম মুস্তাফী (সদস্য)।

[অধ্যাপক ভাৰত কলিতা (উপদেষ্টা) আলোক চিত্ৰত নাই।]

চিন্তনীয়

# “সান্নিধ্য আৰু সন্ধান”

অধ্যক্ষ দেৱ প্ৰসাদ শইকীয়া

কৰ্মজীৱনত সমাজৰ বিভিন্ন ধৰণৰ মানুহক লগ পোৱা যায়। সৰহ সংখ্যকৰে একোখন cover থাকে। তেওঁলোকৰ বাহ্যিক আচৰণ, কথা-বতৰা ইত্যাদি বিলাকৰ অন্তৰালত সোমাই থকা আচল মানুহটো জানিবলৈ অতি দুৰূহ। সৰহ ভাগৰে কথা আৰু কাৰ্যৰ মিল নাথাকে। Arm-chair critic মাত্ৰ। প্ৰাথমিক ধাৰণাত ভাব হ'ব এওঁ এগৰাকী পণ্ডিতেই। দৰিদ্ৰতা বা নিষ্পেষণৰ পৰা মুক্তিৰ বাবে যি আলোচনা আগবঢ়াব, ধাৰণা হ'ব এওঁ এজন মানব দৰদী। কিন্তু পৰ্যবেক্ষণত ধৰা পৰিব এওঁ প্ৰকৃততে এজন ভণ্ড আৰু শোষণকাৰীহে। গতিকে সেই সকলৰ উপস্থিতি সাধাৰণতেই উপেক্ষণীয়। কিন্তু তাৰ মাজতো কৰ্মত সঁচা মানসিকতাৰে প্ৰবৃত্ত থকা চিন্তাশীল এনে লোকো আছে, যি সকলৰ সাহচৰ্যত এটা অনিৰ্বচনীয় আনন্দ, শক্তি পোৱা যায় বা যাৰ অনুপস্থিতি বা অভাবটো মনে-প্ৰাণে উপলব্ধি কৰা হয়। সংখ্যাত তাকৰীয়া এই লোক সকলে কৰ্মক জীৱনৰ এক সংস্কৃতি বুলি ধৰি লৈছে।

নগৰবেৰালৈ কলেজখনৰ মুৰব্বী হৈ অহাৰ পাচত ইয়াৰ স্থানীয় প্ৰায় লোককে লগ পাইছোঁ। প্ৰায় লোকৰে হয়তো পৰোক্ষ বা প্ৰত্যক্ষ ভাবে সমাজৰ প্ৰতি বৰঙণি আছে। কিন্তু আজি মোৰ প্ৰবন্ধত সেইসকলৰ মাজৰ পৰা তিনিজন লোকক মই বাছি লৈছোঁ। মই জানোঁ, মোৰ মন্তব্য তেওঁলোকৰ ক্ষেত্ৰত হয়তো নিৰপেক্ষ আৰু সম্পূৰ্ণ নিৰ্ভৰযোগ্য নহ'ব। তথাপি ক্ষমা প্ৰাৰ্থনাৰে মোৰ বিহংগম দৃষ্টিত পৰা কপাৰে এখন চিনাকি চিত্ৰ আঁকিব বিচাৰোঁ। বৰ্ণাঢ্যতা বা গভীৰতা বিচাৰি নাপালেও মোৰ আন্তৰিকতা খিনি নিশ্চয় বিচাৰি পাব। স্বৰ্গীয় বেণুধৰ শৰ্মাদেৱে 'কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত' লিখি শিৱসাগৰৰ সমগ্ৰ চাৰিংখনকে জীয়াই ৰাখিলে। নাম নজনা শুনুনা নীৰৱ – নিভৃত বহু কৰ্মীক পুণৰ জীৱন দি গ'ল। মোৰো কথা—ৰাষ্ট্ৰীয়ই হওক বা ৰাজ্যিক পৰ্যায়ৰে হওক উন্নয়নৰ বুৰঞ্জী লিখোঁতে ৰাজনৈতিক মন্ত্ৰীপৰ্যায়ৰ নেতাসকলৰ কথা যিদৰে উচ্চাৰিত হ'ব তাত 'কলীয়া পানী' সদৃশ অঞ্চল এই নগৰবেৰাক প্ৰকৃতাৰ্থত আধুনিক জগতৰ লগত খাপ খাব পৰাকৈ আগবঢ়াই নিয়াত যিকেইজনৰ অক্লান্ত আশাশুধীয়া শ্ৰম আৰু ত্যাগ আছিল তেওঁলোকৰ হয়তো কোনো উল্লেখেই নাথাকিব। নগৰবেৰা দেশখনৰে এটা অংশ। ইয়াৰ হয়তো স্বতন্ত্ৰ বুৰঞ্জী নাই। উন্নয়নৰ নামত নগৰবেৰাতো এক সংগ্ৰাম চলি আছে। এই সংগ্ৰাম হয়তো চাকুস দৃষ্টিত ধৰা নপৰে। ইতিহাসত কোনো কালেই স্বৰ্ণ যুগ নাছিল। নগৰবেৰাতো নাছিল। কিন্তু স্বৰ্ণযুগ অনাৰ প্ৰবল হাবিয়াসৰ অন্ত নাই। সেয়ে মোৰ ধাৰণাত যি সকলক মই জানোঁ—জীৱিতই

হওক, দেহান্তৰীয়েই হওক—তেওঁলোকৰ কৰ্ম আৰু চিন্তাৰ স্বীকৃতি আমি কিবা দিয়া উচিত—আমাৰ সাহিত্য কৰ্মৰে, লিখনিৰে।

প্ৰথম যাৰ নাম ল'ম সেইজন নগৰবেৰাৰ সকলোৰে নমস্য ব্যক্তি শ্ৰীযুত কৃষ্ণকান্ত শৰ্মা। এই কৃষ্ণ শৰ্মা নামটোৰ প্ৰতি মোৰ স্বাভাৱিক শ্ৰদ্ধা আছে। প্ৰসংগতে মই অসমৰ, ৪২ ৰ স্বাধীনতা আন্দোলনৰ এজন প্ৰধান কাণ্ডাৰী কৃষ্ণ শৰ্মাৰ কথাও সুঁৱৰিছোঁ। প্ৰসংগ উল্লেখ কৰাৰ কাৰণ পাতত বৰ্ণাম। যিসকলে অন্ততঃ 'কৃষ্ণ শৰ্মাৰ ডায়েৰী' নামৰ প্ৰকাশন পৰিষদে প্ৰকাশ কৰা কিতাপখন পঢ়িছে, তাত তেওঁলোকে তেখেতৰ সংস্কাৰমুখী আৰু ত্যাগী মনৰ কিছু আভাস পাব। অন্তৰত সাহস আৰু দুৰ্দমনীয় চাৰিত্ৰিক সততা আৰু শক্তি নাথাকিলে কোনেও সংস্কাৰৰ কামত হাত দিব নোৱাৰে। এৰেই বোধহয় অসমত প্ৰথম, যিজনে ব্ৰাহ্মণ হৈয়ো নদীয়াল মানুহক গোঁসাই ঘৰত সোমোৱাই সমাজৰ পৰা এঘৰীয়া হ'বলৈ ভয় কৰা নাছিল। ড' হীৰেণ গোঁহাইৰ মতে, অথচ তেওঁৰেই সত সম্প্ৰদায়ৰ লোকে 'বিপুঞ্জয় স্মৃতি' নামৰ শাস্ত্ৰ প্ৰচাৰ কৰি আহোম কছাৰী প্ৰভৃতি জাতিক সামাজিক ভাবে হেয় প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰিছিল। সেই কৃষ্ণ শৰ্মাৰ লগত এই কৃষ্ণ শৰ্মাৰ হয়তো কোনো তুলনা নাই। কিন্তু বিভিন্ন সম্প্ৰদায়ৰ, বিভিন্ন ধৰ্মৰ বাসস্থান এই নগৰবেৰাত এখন বিদ্যালয় গঢ়ি ৰাইজৰ মধ্যমণি স্বৰূপ হৈ পৰিছিল তেখেতৰ ব্যক্তিত্ব আৰু কৰ্মৰ যোগেদি। সকলোকে সমজ্ঞান কৰি জন কল্যাণমূলক কামত হাত দি নিজৰ কৰ্ম জীৱনৰ সফল সমাপ্তি ঘটোৱা-টোৱেই পৰম কৃতিত্ব। নিয়মীয়া গুৰু, স্বাস্থ্যবান, বুদ্ধিদীপ্ত চকু, দৃঢ় প্ৰত্যয়পূৰ্ণ খোজ, সকলোকে সমানে বুজাই ৰাখিব পৰা অভিভাৱক সুলভ চেনেহ মিহলি এৰেৰ শাসন। এজন সভাগুণী পুৰুষ। মোৰ মনলৈ এটা সাধাৰণ তুলনা আহে-হাইস্কুলৰ কাষতে থকা ডাল পাতেৰে বিস্তৃত হৈ বিশালাকাৰ হৈ থকা কেন্দু গছ জোপাৰ দৰেই তেওঁৰ ব্যক্তিত্ব আৰু তাৰ ছাঁই যিদৰে ৰৌদ্ৰ তাপিত সৰু বৰ সকলোকে ছাঁ দি শীতল কৰে তেওঁৰো কৰ্ম আৰু চিন্তাই নগৰবেৰা আৰু কাষৰীয়া অঞ্চলৰ সকলোকে চুই গৈছে। একোজন মানুহৰ অক্লান্ত কৰ্মৰ বাবেই একোডোখৰ ঠাই বহুদূৰ আগবাঢ়ি যায়। কলীয়াপানী সদৃশ নগৰবেৰালৈ আহি (নগৰবেৰালৈ সেই সময়ত অহা যোৱা কৰা কাহিনী সচাঁই ৰোমাঞ্চকৰ) অকল নিজৰ চাকৰিৰ কাৰণে স্কুল পাতিয়েই ক্ষান্ত নাথাকিল। নিজে ওলাই গৈ ৰাস্তা তৈয়াৰ কৰা. হস্পিতাল. নানান অফিছ আদি পতা কামত তেওঁ আছিল অগ্ৰণী। তাতোকৈ ডাঙৰ কথা—তেওঁ এদল কৰ্মী উলিয়াইছিল—সেইসকলৰ যত্নৰ ফলতেই ইতিমধ্যে হৈ উঠা সম্পত্তিবোৰ ৰক্ষিত হৈছে আৰু নতুন নতুন সম্পদ আহি আছে। তেওঁলোকৰ পাতত দেখিছোঁ এটা Vacuum আহিব। সেয়ে কৃষ্ণ শৰ্মা নগৰবেৰাৰ এজন অপৰিহাৰ্য পুৰুষ।

নগৰবেৰাৰ ত্ৰিমূৰ্তিৰ,—স্বনামধন্য মৌজাদাৰ স্বৰ্গীয় পদ্মলোচন চৌধুৰী, স্বৰ্গীয় কমলা দাস (মেনেজাৰ), অন্যতম শ্ৰীকৃষ্ণ শৰ্মা। এই তিনিজনৰ মিলনত গঢ় লৈছিল নানান অনুষ্ঠান, প্ৰতিষ্ঠান। উত্তৰ কুলৰ চানতাৰ পৰা আহি দক্ষিণ কুলৰ নগৰবেৰাক কৰ্মক্ষেত্ৰ ৰূপে গ্ৰহণ কৰি এক আদৰ্শ স্থাপন কৰিলে।

কলেজৰ লগত জড়িত হোৱাৰ পৰাই মই তেখেতক ব্যক্তিগত ভাবে আৰু সামাজিক ভাবে লগ পাইছোঁ। নগৰবেৰাৰ লগত যেন তেওঁৰ অভিন্ন আত্মা। ইয়াৰ সকলো চুক কোণ তেওঁৰ পৰিচিত। তেওঁ নগৰবেৰা হাইস্কুলৰ হেড মাষ্টৰ নাছিল —নগৰবেৰাৰ হেড মাষ্টাৰহে। তেখেতৰ বহু কথা এতিয়াও সাধুকথাত পৰিণত হৈছে। মাছ আৰু গাখীৰেৰে প্ৰাচুৰ্য হৈ থকা এইথন ঠাইৰ কাহিনী শুনিলে এতিয়া অবিশ্বাস্য যেন লাগে। তেখেতৰ কথাকোৱাৰ এটা নিজস্ব ভংগী আছে। তেওঁৰ অলেখ ছাত্ৰ কৰ্মীৰ ভিতৰত সমাজৰ কামত আগভাগ লৈ থকা শ্ৰীউদয় ঠাকুৰীয়া, শ্ৰীঘনশ্যাম চৌধুৰী, শ্ৰীভূপেন দাস আদিক আলোচনা কৰি থাকোঁতে কেতিয়াবা মাজে মাজে তাল কাটিলে একোটা মৃদু মৰম মিহলি পিতৃত্ব সুলভ হৃদয়েৰে ধমকি দিয়ে। এনে দৃশ্যই মোক বহুবাৰ আমোদ দিছিল। তেওঁলোকেও ছাৰে কৈছে বুলি একান্ত বাধ্য ছাত্ৰৰ দৰে মাথোঁ শুনি গৈছিল।

নগৰবেৰাৰ বহুত দায়িত্ব তেওঁ ল'লে। বজাৰ, বজাৰ ডাক, কোনো মন্ত্ৰী বা কোনো বিশিষ্ট লোকৰ আগমনত, সভা সমিতিত কৃষ্ণ শৰ্মা অপৰিহাৰ্য। তেওঁক আগবঢ়াই দি বাকী বিলাক পৰম নিশ্চিন্ত।

মোৰ কলেজৰ কাৰ্যকালতো তেখেতৰ লগত অম্ল-মধুৰ অভিজ্ঞতা আছে। কলেজৰ প্ৰাৰম্ভিক অৱস্থাতে কলেজ পৰিদৰ্শনৰ বাবে এনে এজন ব্যক্তি আহিল যিজন বৰ Strict. অলপ হেৰ-ফেৰ হ'লেই কলেজে affiliation নাপাব। আমাৰ চেষ্টাৰ ত্ৰুটি নহ'লেও কেইটামান অসুবিধা আছিল। প্ৰথম হ'ল ছাত্ৰ সংখ্যা physical verification কৰিব গলেই বিপদ। শৰ্মা ছাৰ কাৰ্যকৰী সভাপতি। কথাটো তেওঁক কলোঁ। তেওঁ কিন্তু নিৰ্বিকাৰ। একোকে নক'লে। মোৰ ভয় হ'ল। পিছদিনা Inspector আহিল। আহিয়েই ৰাস্তাত পোৱা অসুবিধাবোৰৰ কথা কৈ যাবতীয় কাগজ-পত্ৰ বিচাৰিলে। ইতিমধ্যে শৰ্মা ছাৰৰ অফিচত প্ৰবেশ। চাহ—মিঠাই অনালে লগতে আৰম্ভ কৰিলে নগৰবেৰাৰ গাখীৰ, মাছ, মিঠাই, বুঢ়াগোসাঁই থান, গৌৰীনাথ সিংহ, চৰ অঞ্চলৰ বিষয়ে। এঘণ্টা পাৰ হ'ল। Inspector সচকিত হ'ল, কিন্তু সময় ১২ বাজি যায়। তেওঁ কৈ উঠিল — কি মোক Inspection কৰিব নিদিবই নেকি ? শৰ্মাছাৰে ক'লে: ভাত হ'লেই—খাই বৈ ধীৰে সুস্থিৰে জিৰাই-সতাই চাব। এতিয়া আমাৰ কলেজৰ নতুন siteটো চাই আহোঁগৈ বলক। এইবোৰ কৰোঁতে ২ বাজি গ'ল। পৰিদৰ্শক মহোদয় গুৱাহাটীলৈ ঘূৰিবৰে হ'ল। অৱশেষত শৰ্মা ছাৰে ক'লে - ছাৰ, আমি ৰাইজে কলেজ পাতিছোঁ। আমাৰ কি আছে, কি নাই তাক Principal ৰ Statement ত পাব। কিন্তু ৰাইজৰ আগ্ৰহ কিমান পালে তাকেই চাই যাওক। ইতিমধ্যে ভালেমান ৰাইজ গোট খাইছিলেই। পৰিদৰ্শক মহোদয়ো বিজ্ঞ আৰু চতুৰ মানুহ। তেওঁ মিচিকিয়াই হাঁহিলে আৰু কাগজ-পত্ৰ সকলো সামৰি লৈ মোক গুৱাহাটীলৈ যাব কৈ গৃহাভিমুখী হ'ল। এই ঘটনালৈ আমি পাছত বৰ আমোদ পাইছিলোঁ।

এখেত ৰাজ্যিক পুৰস্কাৰ প্ৰাপ্ত শিক্ষক। কিন্তু সেই পুৰস্কাৰতকৈ ডাঙৰ বস্তু এটা পালে

সেয়া হ'ল ইয়াৰ সৰ্বসাধাৰণ ৰাইজৰ শ্ৰদ্ধা ভক্তি আৰু মৰম।

তেখেতৰ প্ৰতি কিন্তু মোৰ ব্যক্তিগত অভিযোগ আছে। সেই কথা ইয়াত ব্যক্ত নকৰোঁ। মই, শিৱসাগৰৰ আৰু তেখেত কামৰূপৰ। কিন্তু মোক তেওঁ বহুত ওপৰত তুলি থৈ গ'ল। আজৰি সময় পালেই তেখেত মোৰ তালৈ আহিছিল। নিজেই একোটা বিষয় উলিয়াই নিজেই কৈ গৈছিল। আমি মাথোঁ নীৰৱে শুনি যাওঁ। কটন কলেজৰ অধ্যাপক লক্ষ্মী চেটাৰ্জীৰ তলত সংস্কৃত পঢ়ি অহা লোক। কালিদাস, ভাৰবী, আদিৰ নীতি শত শ্লোকৰ বচন মাতে। ধ্বনি বোলে তিনিবিধ। উদাত্ত, অনুদাত্ত, স্বৰিত। তেখেতে উদাত্ত কণ্ঠে শ্লোক আওৰায়। শ্লোকবোৰ পাহৰিলোঁ। কিন্তু তাৰে এটাৰ ভাবাৰ্থ মনত আছে।

কৈছিল —'পদ্মৰ পাপৰিৰ সুঘ্ৰাণ লবলৈ, মৌ আহৰণ কৰিবলৈ তাৰ সৌন্দৰ্যত মতলীয়া হৈ দূৰৰ পৰা মৌ-মাখি উৰি আহে আৰু চাৰিওফালে গুনগুনায়। কিন্তু তাৰ পাতৰ তলতে লুকাই থকা ভেকুলীয়ে সেই ফুলৰ ৰং, সুঘ্ৰাণ সৌন্দৰ্য এই বোৰ একোকে বুজি নাপায়'। সেই কাৰণে যাৰ প্ৰতিভা আছে, গুণ আছে তাৰ কাৰণে আৱশ্যক বোধ কৰা লোক সকল আহিবই। ফলে ফুলে জাতিস্কাৰ হৈ দাঁ থাটি থকা গছতে চৰাই চিৰিকতিয়ে বেছিকৈ আশ্ৰয় লয়।

সঁচা কথাই—কৃষ্ণ শৰ্মাৰ গুণ আৰু দক্ষতা আছে। সেয়ে তেওঁৰ কাষলৈ সকলো যাব আৰু তেওঁ ৰোৱা গছ জোপাৰ ডালে-পাতে সকলোতে মনস্থ আকুল পিয়াসী কুকিল ভাকৰ এতিয়াও অন্তহীন কাকলি।

দ্বিতীয়তে মই যি জনৰ কথা কম—সেই জীৱনৰ পাতনি মেলাৰে পৰা আলেখ ধুমুহাৰ মাজতো নিজকে স্থিৰেৰে ৰাখিব পৰা অত্যন্ত পৰিশ্ৰমী, সদাহিচাপী, নিৰহংকাৰ পৰিয়ালৰ ভৰণ-পোষণ দিবলৈ চাহ বাগিছাৰ চাকৰিৰে জীৱন আৰম্ভ কৰি শিক্ষকতাৰে দীৰ্ঘকাল চাকৰি কৰি সফল সমাপ্তি ঘটোৱা সেইজন শ্ৰীযুত হৰেন্দ্ৰ নাথ পাঠক। নিজৰ জীৱনত কঠোৰ ভাৱে discipline মানি চলা আৰু আনে ভঙ্গ কৰিলেও নিজৰ ক্ৰোধ, অসন্তুষ্টি প্ৰকাশ কৰিবলৈ ইতস্তত: নকৰে। যি সময়ত সাধাৰণ Matric পাচ কৰাৰ বাবেও চাকৰি এটাৰ অভাৱ নাছিল, সেই সময়ত Two pice বাহিৰা নথকা মাত্ৰ কেইটকা মান দৰমহা থকা শিক্ষক পদত সোমোৱাটো বহুতৰ বাবে মূৰ্খামীৰ কথা। শিক্ষকতা এটা বৃত্তি নহয়; কিন্তু তাকে সাৰোগত কৰি- নিষ্ঠা আৰু একাগ্ৰতাৰে শিক্ষকতা সমাপ্ত কৰি পৰা ছোৱালীক ভালদৰে শিক্ষা দি এটা আদৰ্শ পৰিয়াল ৰূপে পৰিগণিত হোৱাটো সঁচাই এটা গৌৰৱৰ বিষয়। আজি কালি শিক্ষকৰ সংখ্যা বাঢ়িল, ডিগ্ৰীধাৰী লোকৰ সংখ্যাও বাঢ়িল। কিন্তু এখেত সকলৰ দৰে শিক্ষকৰ অভাৱ—সকলোৱে অনুভৱ কৰে।

আৰভিং ষ্টোনৰ বিখ্যাত গল্প 'ৰিপ ভান উইংকল' গল্পটোত এটা চৰিত্ৰ আছে—যি জনৰ দিনটোত সূৰ্য্য উঠা নমাৰ লগে লগে নিৰ্দিষ্ট একোপা গছৰ তলত নিজৰ বহা অৱস্থান সাল সলনি হৈ থাকে। গাঁৱৰ লোকবিলাকে তেওঁৰ অৱস্থান চায়েই দিনটোৰ সময়ৰ তাৰতম্য নিৰ্ণয় কৰে। পাঠকচাৰেো সময় জ্ঞান এনে নিৰ্দিষ্ট আৰু নিৰূপিত যে তেখেতৰ বজাৰলৈ অহা-যোৱা নিৰীক্ষণ কৰি

সেই ঘৰৰ গৃহণী সকলে দিনৰ সময় বুজি নিজৰ কাম-কাজ চলায়। ইমানেই তেখেতৰ সময় নিষ্ঠা আৰু কৰ্তব্য জ্ঞান।

সৎ পথত, সৎ বৃত্তিৰে চলিলে, ভগৱানৰ কৰুণাৰ পৰা কোনো বঞ্চিত নহয়। তেৱেঁই তাৰ এটা উদাহৰণ। ভগৱানৰ ওপৰত তেওঁৰ অগাধ বিশ্বাস। বিচাৰিব জানিলে ভগৱানক পায়। তেওঁ প্ৰায়ে কয়—আমি যেন ভুল নকৰোঁ। সকলো সুন্দৰ সৃষ্টিৰ মূলতে আছে সংযম আৰু সাধনা। জীৱনটো পৰিশীলিত কৰিব লাগে।

এখেত এজন কবিতা চৰ্চাকাৰীও। কবিতা মানুহৰ আদিতম সৃষ্টি। ই অনুভূতিৰ বস্তু। বৈষয়িক জীৱনত যেতিয়া মানুহৰ জীৱন টকা-পইচাৰে জোখা হৈছে, মানুহৰ মূল্য যেতিয়া অকল্পনীয় ভাবে কমি গৈছে, সেই সময়ত তেওঁ যে কবিতাৰ সাধনা কৰিছে তেতিয়াই বুজিছোঁ তেওঁ অন্যতকৈ বহুত বেলেগ।

একেবাৰে শেষত মই যাৰ কথা ক'ব লৈছোঁ তেওঁ বহুতৰে বাবে বিতৰ্কিত আৰু জটিল ব্যক্তি। আমি নিজে ৰাজনীতি নকৰোঁ কাৰণে কোনো লোকৰ মাজত জটিলতা নেদেখোঁ। ৰাজনীতি কৰা মানুহৰ শত্ৰু থাকে-শ্ৰীউদয় ঠাকুৰীয়াৰো আছে। কিন্তু তেওঁক ভয়ো কৰে, শ্ৰদ্ধাও কৰে। ভয় কৰে এই কাৰণেই যে তেওঁ অত্যন্ত চতুৰ, কৌশলী আৰু জেদী। শ্ৰদ্ধা কৰে এই কাৰণেই যে তেওঁ মনেপ্ৰাণে নগৰবেৰাৰ প্ৰতিটো অনুষ্ঠান-প্ৰতিষ্ঠানৰ, ৰাইজৰ কথা চিন্তা কৰে।

আপুনি যদি উদয় ঠাকুৰীয়াক চিনি নাপায়, তেন্তে নগৰবেৰাৰ চাৰি আলিত ক্ষন্তেক ৰওক —নাইবা কাষৰ চাহ দোকান বা পান দোকানত কিছু সময় ৰওক। দেখিব বৰ পৰিপাটি নোহোৱা, ধুতি পাঞ্জাবী পিন্ধা, তেল নিদিয়া আধা পকা অবিন্যস্ত চুলি, ক্ষীণ, অনুজ্জল বৰণৰ, সামান্য আগফালে কুঁজাহৈ খোজ কঢ়া মানুহজনেই হ'ল শ্ৰীউদয় ঠাকুৰীয়া। বহুতৰ উদয় বাবু। হাতত হয়তো দুখনমান কাগজ—বোধহয় কিবা ৰাজহুৱা আবেদন। মানুহজন ক্ষীণ হলেও কিন্তু Steel Frame ৰ। মানসিক ভাবে অত্যন্ত শক্তিশালী। চমুকৈ ক'বলৈ গ'লে He will be destroyed but he will never bend. এই মানুহজনে অনবৰতে ভাবি থাকে –মনতে কিবা এটা Plan লৈ থাকে—কামটো পৰিপাটিকৈ নহ'লে মনতে গুমৰি থাকে। কোনো তত্ত্ববিদে কোৱামতে সামান্য কুঁজা হ'লে আৰু চকু দুটা সৰু হ'লে বৰ চতুৰ, শালিশিয়ান হয়। এওঁৰো চিকাৰী দৃষ্টিত মই কাকো সাৰি যোৱা দেখা নাই, শেন চৰাইৰ দৰে দৃষ্টি। চৰাই যিমান ওপৰলৈকে যাওক, তাৰ চকু নিজৰ বাহত থকাৰ দৰে উদয় ঠাকুৰীয়াৰ অন্তৰ সদায় নগৰবেৰাতহে—তেওঁ যলৈকে নাযাওক লাগিলে। সামান্য এটা উদাহৰণ–কলেজৰ ৰাস্তাৰে বহু লোক যায়। কিন্তু ঘৰ এটাৰ মুধচৰ বিন্ধা এটা বন্ধ' কৰি দিয়া নাই তাৰ ওপৰত চকু পৰে উদয় ঠাকুৰীয়াৰহে ; কোনোবা এটা বেপাৰীয়ে বগেজলৈ পলস থকা কাঠ আনিছে—তাকো বাটতে ওভতাইছে উদয় ঠাকুৰীয়াই। এয়া মাথোঁ কলেজৰহে কথা। অন্যৰ ক্ষেত্ৰতো বোধহয় তেনেকুৱাই ব্যৱহাৰ।

তেওঁৰ বিশ্লেষণী শক্তি তীক্ষ্ণ। ঘটনা এটাৰ পৰিণতি কি হ'ব পাৰে তাৰ আগতীয়া জ্ঞান তেওঁ অংক কৰি লয় আৰু দেখিছোঁ প্ৰায়ে

সেয়া অভ্ৰান্ত। অপৰিচিত মানুহ এজনে তেওঁক প্ৰথম দৰ্শনতে বা প্ৰথম বাক্য আলাপতে নিতান্তই হোজা বুলি ভাবিব—কাৰণ তেওঁ নিজৰ বিষয়ে কাকো সোনকালে জানিব নিদিয়ে। অন্তৰত খং ৰাখি হাঁহি মুখে কথা বতৰা পতা দেখিছোঁ। মুঠতে—'He is a hard nut to crack'. তেওঁৰ ভালপোৱা আদায় কৰিবলৈ এটা প্ৰাথমিক কাম আছে—সেয়া হ'ল তুমি নগৰবেবাক ভাল পোৱানে নাই? যদি তাৰ প্ৰমাণ দিব পাৰিছা তেন্তে তুমি ঠাকুৰীয়াৰ বুকুৰ কুটুম। তেওঁ আছিল কলেজৰ প্ৰতিষ্ঠাপক সম্পাদক সুদীৰ্ঘকাল। তেওঁৰ কোনো কলেজীয়া শিক্ষা নাছিল—কিন্তু ৰাইজে তেওঁক দায়িত্ব দিছিল এই কাৰণেই যে তেওঁৰ ওপৰত ৰাইজৰ অগাধ আস্থা আৰু বিশ্বাস।

এইখিনিতে এটা গল্প কওঁ—তেৰেই কোৱা। প্ৰয়াত প্ৰাক্তন মুখ্যমন্ত্ৰী চলিহাৰ ওচৰলৈ কোনো আবেদন লৈ গ'লে তেওঁৰ যদি কিবা মনঃপুত নহয়, তেওঁ লাহে লাহে চকীৰ তেলেঙ্গত তবলা বজাবলৈ আৰম্ভ কৰে, অৰ্থাৎ মুখেৰে যাবলৈ ক'ব ভাল নাপাই তেনে ধৰণে সংকেত দিয়ে। আপোনাৰ আবেদন-নিবেদন নাথোঁ অৱগত বোদন। লাহেকৈ উঠি আহক। একেদৰেই কিন্তু আপুনি যদি উদয় ঠাকুৰীয়াৰ ওচৰলৈ কিবা কথা লৈ যায় আলোচনাৰ বাবে—সেয়া যদি তেওঁৰ মনঃপুত নহয় বা আলোচনা কৰিব নোখোজে—তেনেহ'লে তেওঁৰ চকু দুটালৈ চাওক, মেকুৰীৰ দৰে চকু দুটা সৰু হৈছে আৰু যেন কিবা ধ্যানত নিমগ্ন হৈছে। তাৰ পাছত আৰু আপোনাৰ বক্তব্য নিষ্প্ৰয়োজন।

উদয় ঠাকুৰীয়াৰ শত্ৰু আছে, দেখা-নেদেখা। সেই সকলৰ লগত তেওঁৰ চিনাকিও আছে। মই অনুভৱ কৰোঁ সমাজৰ কাম কৰোঁতে আজিকালি তেওঁ ক্লান্তি অনুভৱ কৰে। নিঃসংগ নাৰিকৰ দৰে ছটফট্ কৰে। লগতে এইটোও ক'ব পাৰোঁ যে প্ৰত্যেকটো কথাতে কেৱল আনক দোষাৰোপ কৰি নিজৰ দায়িত্বৰ পৰা পলাই থাকিবলৈ যি চেষ্টা কৰে সি ক্ষমাৰ অযোগ্য। সমালোচনাৰ অন্ত নাই। কিন্তু এটা কথা ঠিক—তেওঁ এটা 'Living store house'. নগৰবেবাৰ পঞ্চায়তৰ পৰা আৰম্ভ কৰি ৰাস্তা, থানা, স্কুল, কলেজ, অফিচ, চৰ, বিজাৰ্ভ সকলোৰে ৰেকৰ্ড তেওঁৰ হাতত। কোনটো বিষয়ৰ বাবে কাৰ লগত যোগাযোগ কৰিব লাগিব তাৰ নিৰ্ভুল তথ্য উদয় ঠাকুৰীয়াৰ হাতত।

আজি গোটেই সমাজখনেই এনেকুৱা হৈ পৰিছে যে সততাক জীৱনৰ এটা স্বাভাৱিক কথা বুলি ভাবিবলৈ মানুহে পাহৰি পেলাইছে। তেনে অৱস্থাত সততাক মূলধন কৰি নিজৰ পুৰুষে নিজৰ অঞ্চলৰ কাৰণে চিন্তা কৰি আহিছে, খাটি আহিছে—তেওঁ সঁচাকৈয়ে এক বিৰল ব্যতিক্ৰম।

[ বিঃ দ্ৰঃ— উপৰ্যুক্ত চৰিত্ৰসমূহৰ চিত্ৰায়নত কেনোজনা ব্যক্তিলৈ অজানিত ভুল-ক্ৰটিৰ বাবে বা আঘাতৰ বাবে ক্ষমা প্ৰাৰ্থনাৰে—লেখক। ]

# পদ্মনাথ গোহাঞিঁ বৰুৱা আৰু জাতীয়তা

শ্ৰীধনেশ্বৰ দাস ।
স্নাতক, ২য় বৰ্ষ (কলা)

পদ্মনাথ গোহাঞিঁ বৰুৱাৰ সাহিত্য চৰ্চা সম্পৰ্কে কিছুমান মুখৰোচক গল্প শুনা যায়। কোৱা হয়, তেওঁ কলিকতাত পঢ়ি থকা অৱস্থাত কেবাখনো নাটক লেখিছিল। সেইবোৰ লেখাৰ প্ৰেৰণা আছিল 'জোৰ জবৰদস্তি'। তেওঁৰ সহ-যোগী ছাত্ৰসকলে তেনে দাবী কৰে এখন নাটক বা উপন্যাস লিখি দিব লাগে। যদি গোহাঞিঁ বৰুৱাই অলপ ইকাল সিকাল কৰে, তেতিয়াহ'লে হোষ্টেলৰ কোনোবা এটা কোঠাত তেওঁক সুমুৱাই থয় আৰু লেখা শেষ নহয় মানে দুৱাৰ খুলি নিদিয়ে।

আচলতে গোহাঞিঁ বৰুৱা, বেজবৰুৱাৰ কালখিনি কেৱল আধুনিক অসমীয়া সাহিত্যৰেই নহয়, আধুনিক অসমীয়া ভাষাৰো নিৰ্মাণ কাল আছিল। কলিকতাত পঢ়ি থকা অৱস্থাত ছাত্ৰই মনতে এটা নীচাত্মিকা মনোভাৱত ভুগিব লগীয়া হৈছিল, সহ-পাঠী বঙালী ছাত্ৰ সকলৰ সন্মুখত। তেওঁলোকে বঙলা সাহিত্যক লৈ হকে-বিহকে গৌৰৱ কৰিছিল। আনহাতে গৌৰৱপূৰ্ণ সু-প্ৰাচীন অসমীয়া সাহিত্যৰে অসমীয়া ভাষা পৰিপূৰ্ণ হোৱা স্বত্বেও আধুনিক অসমীয়া সাহিত্যৰ শূন্য প্ৰায় ভঁৰাল লৈ, চাই তেওঁলোকৰ ঠাট্টা-মস্কৰা সহ্য কৰিব-লগীয়াত পৰিছিল। এনে পৰিস্থিতিত অস-মীয়া সাহিত্যৰ ত্ৰিমূৰ্তি লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী আৰু চন্দ্ৰকুমাৰ আগৰৱালাই অসমীয়া আধুনিক সাহিত্যৰ শিলান্যাস কৰিলে। ত্ৰিমূৰ্তিৰ নিস্বাৰ্থ প্ৰচেষ্টাত ১৮৮৯ চনত 'জোনাকী' নামৰ এখন আলোচনী প্ৰকাশ হয়। কালক্ৰমত এওঁলোক অসমীয়া সাহিত্যৰ নৱন্যাস যুগৰ প্ৰতিষ্ঠাতা হৈ পৰিল। এওঁলোকে পাঠ্য-পুথিৰ পৰা আৰম্ভ কৰি কবিতা, গল্প, নাটক, উপন্যাস, প্ৰবন্ধ, সমালোচনা আদি সকলোতে হাত দিছিল। কেৱল ইমানেই নহয়, অসম এছোচিয়েচন, অসম সংৰক্ষণী সভা আদিকে ধৰি পিছৰ কংগ্ৰেছ মহাসভালৈকে প্ৰতিটো ৰাজনৈতিক অনুষ্ঠানতো এওঁলোক জড়িত আছিল, ইয়াৰ মূলতে আছিল অসমীয়া জাতীয় অস্তিত্ব সংৰক্ষণৰ সংকল্প। প্ৰায় চাৰি দশক জুৰি ঐতিহ্যপূৰ্ণ অসমীয়া ভাষাকেই যেতিয়া ঐতিহ্যহীন কৰি তুলিছিল তাৰ পিছৰ পৰ্যায়ত নিশ্চয় অসমৰ ৰাজনৈতিক অস্তিত্ব বিপন্ন হোৱাটোৱেই স্বাভাৱিক আছিল।

এনে পৰিপ্ৰেক্ষিতত পদ্মনাথ গোহাঞিঁ বৰুৱাও উপৰ্যুক্ত সকলো দিশতে জড়িত হৈ পৰিছিল। তেওঁ পাঠ্য-পুথিৰ পৰা আৰম্ভ কৰি 'শ্ৰীকৃষ্ণ'ৰ দৰে মহৎ সাহিত্যৰ সৃষ্টি কৰিছিল। আনহাতে অসম সাহিত্য সভাৰ দৰে মহৎ অনুষ্ঠানৰ জন্ম দি তেওঁ অসমীয়া জাতিৰ সুৰক্ষাৰ আটাইতকৈ গভ্ৰ-গজীয়া আৰু চিৰযুগমীয়া স্তম্ভটো থিয় কৰিছিল। ইয়াৰ কাৰণেই অসমীয়া জাতি তেওঁৰ ওচৰত চিৰ

# পদ্মনাথ গোহাঞি বৰুৱা আৰু জাতীয়তা

শ্ৰীধনেশ্বৰ দাস।
স্নাতক, ২য় বৰ্ষ (কলা)

পদ্মনাথ গোহাঞি বৰুৱাৰ সাহিত্য চৰ্চা সম্পৰ্কে কিছুমান মুখৰোচক গল্প শুনা যায়। কোৱা হয়, তেওঁ কলিকতাত পঢ়ি থকা অৱস্থাত কেবাখনো নাটক লেখিছিল। সেইবোৰ লেখাৰ প্ৰেৰণা আছিল 'জোৰ জবৰদস্তি'। তেওঁৰ সহযোগী ছাত্ৰসকলে হেনো দাবী কৰে এখন নাটক বা উপন্যাস লিখি দিব লাগে। যদি গোহাঞি বৰুৱাই অলপ ইফাল সিফাল কৰে, তেতিয়াহ'লে হোষ্টেলৰ কোনোবা এটা কোঠাত তেওঁক সুমুৱাই থৈ আৰু লেখা শেষ নহয় মানে দুৱাৰ খুলি নিদিয়ে।

আচলতে গোহাঞি বৰুৱা, বেজবৰুৱাৰ কালখিনি কেৱল আধুনিক অসমীয়া সাহিত্যৰেই নহয়, আধুনিক অসমীয়া ভাষাৰো নিৰ্মাণ কাল আছিল। কলিকতাত পঢ়ি থকা অৱস্থাত তাৰেই সততে এটা নীচাত্মিকা মনোভাৱত ভুগিব লগীয়া হৈছিল, সহ-পাঠী বঙালী ছাত্ৰ সকলৰ সন্মুখত। তেওঁলোকে বঙলা সাহিত্যক লৈ হকে-বিহকে গৌৰৱ কৰিছিল। আনহাতে গৌৰৱপূৰ্ণ সু-প্ৰাচীন অসমীয়া সাহিত্যৰে অসমীয়া ভাষা পৰিপূৰ্ণ হোৱা স্বত্বেও আধুনিক অসমীয়া সাহিত্যৰ শূন্য প্ৰায় ভঁৰাল লৈ চাই তেওঁলোকৰ ঠাট্টা-মস্কৰা সহ্য কৰিবলগীয়াত পৰিছিল। এনে পৰিস্থিতিতে অসমীয়া সাহিত্যৰ ত্ৰিমূৰ্ত্তি লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী আৰু চন্দ্ৰকুমাৰ আগৰৱালাই অসমীয়া আধুনিক সাহিত্যৰ শিলান্যাস কৰিলে। ত্ৰিমূৰ্ত্তিৰ নিস্বাৰ্থ প্ৰচেষ্টাত ১৮৮৯ চনত 'জোনাকী' নামৰ এখন আলোচনী প্ৰকাশ হয়। কালক্ৰমত এওঁলোক অসমীয়া সাহিত্যৰ নৱন্যাস যুগৰ প্ৰতিষ্ঠাতা হৈ পৰিল। এওঁলোকে পাঠ্য-পুথিৰ পৰা আৰম্ভ কৰি কবিতা, গল্প, নাটক, উপন্যাস, প্ৰবন্ধ, সমালোচনা আদি সকলোতে হাত দিছিল। কেৱল ইমানেই নহয়, অসম এছোচিয়েচন, অসম সংৰক্ষণী সভা আদিকে ধৰি পিছৰ কংগ্ৰেছ মহাসভালৈকে প্ৰতিটো ৰাজনৈতিক অনুষ্ঠানতো এওঁলোক জড়িত আছিল, ইয়াৰ মূলতে আছিল অসমীয়া জাতীয় অস্তিত্ব সংৰক্ষণৰ সংকল্প। প্ৰায় চাৰি দশক জুৰি ঐতিহ্যপূৰ্ণ অসমীয়া ভাষাকেই যেতিয়া ঐতিহ্যহীন কৰি তুলিছিল তাৰ পিছৰ পৰ্যায়ত নিশ্চয় অসমৰ ৰাজনৈতিক অস্তিত্ব বিপন্ন হোৱাটোৱেই স্বাভাৱিক আছিল।

এনে পৰিপ্ৰেক্ষিতত পদ্মনাথ গোহাঞি বৰুৱাও উপৰ্যুক্ত সকলো দিশতে জড়িত হৈ পৰিছিল। তেওঁ পাঠ্য-পুথিৰ পৰা আৰম্ভ কৰি 'শ্ৰীকৃষ্ণ'ৰ দৰে মহৎ সাহিত্যৰ সৃষ্টি কৰিছিল। আনহাতে অসম সাহিত্য সভাৰ দৰে মহৎ অনুষ্ঠানৰ জন্ম দি তেওঁ অসমীয়া জাতিৰ সুৰক্ষাৰ আটাইতকৈ গভ-গভীয়া আৰু চিৰযুগমীয়া স্তম্ভটো থিয় কৰিছিল। ইয়াৰ কাৰণেই অসমীয়া জাতি তেওঁৰ ওচৰত চিৰ

কৃতজ্ঞ।

তেওঁৰ সাহিত্য সাধনা সম্পৰ্কে চৰ্চা কৰিলে আমি এটা কথা স্পষ্ট ভাবে দেখা পাওঁ যে তেওঁ কলেজীয়া জীৱনতেই নিজৰ সাহিত্যিক প্ৰতিভাৰে প্ৰতিভাত হৈ উঠিছিল। ১৮৯০ চনত প্ৰৱেশিকা পৰীক্ষা পাছ কৰি তেওঁ কলিকতালৈ গৈ এফ. এ. পঢ়ে। ১৮৮৯ চনত জন্ম হোৱা জোনাকীৰ অন্তৰ্দ্ধানৰ পাছত একেদৰেই কলিকতাৰ প্ৰবাসুৱা ছাত্ৰ সকলে লগ লাগি ১৮৯০ চনত 'বিজুলী' নামৰ আন এখনি আলোচনী প্ৰকাশ কৰে। ইয়াৰ দ্বিতীয় বছৰৰ সম্পাদক আছিল গোহাঞি বৰুৱা। বিজুলীৰ পিছত ১৯০৭ চনত 'উষা' আলোচনী সম্পাদনা কৰি কেবাবছৰো চলায়। 'অসম বন্তি' নামৰ বাতৰি কাকতো নানা আহুকালৰ মাজেদি কেবা বছৰো চলাইছিল।

এইদৰেই ১৮৯০ চনত তেওঁ যি লেখা আৰম্ভ কৰিলে সি ১৯৪১ চন পৰ্যন্ত অব্যাহত থাকে। তেওঁৰ সাহিত্য সম্ভাৰ এনে ধৰণৰ আছিল।

'ভানুমতী' উপন্যাস ১৮৯০-৯১ চন; 'লাহৰী' উপন্যাস ১৮৯১; 'গাওঁবুঢ়া' নাটক ১৮৯৭ চন; 'লীলাকাব্য' ১৮৯৯ চন; 'জুৰণি' কাব্য ১৯০০ চন; 'জয়মতী' নাটক ১৯০০ চন; 'গদাধৰ' নাটক ১৯০৭ চন; 'টেটোন তামুলী' ১৯০৯ চন; 'সাধনী' নাটক ১৯১১ চন; 'লাচিত বৰফুকন' ১৯১৫ চন; 'ভূত নে ভ্ৰম' ১৯২৪ চন; 'বাণৰজা' নাটক ১৯৩২ চন; 'শ্ৰীকৃষ্ণ' ১৯৩৩ চন; 'জীৱনী সংগ্ৰহ' ১৯৩৩ চন; 'গীতাসাৰ' ১৯৩৫ চন; 'ফুলৰ চানেকী' (কবিতা পুথি) ১৯৪১ চন।

এই সাহিত্য গ্ৰন্থ সমূহৰ উপৰিও নীতিশিক্ষা আদি পাঠ্য পুথি ৰচনা কৰি ছাত্ৰ-ছাত্ৰীৰ অভাৱ পূৰণ কৰিছিল। 'অসমৰ বুৰঞ্জী' তেওঁৰ আন এখন উল্লেখযোগ্য গ্ৰন্থ। গোহাঞি বৰুৱাৰ মৃত্যুৰ পিছত জন্ম শতবাৰ্ষিকী উৎসৱ উপলক্ষে 'জীৱন সোঁৱৰণ' (১৯৭১) প্ৰকাশ কৰা হয়।

তেওঁৰ ৰচনা সমূহৰ পৰা এইটো স্পষ্ট ভাবে দেখা যায় যে একালে তেওঁ অসমৰ পুৰণি ইতিহাসক তেওঁৰ উপন্যাস আৰু নাটকৰ জৰিয়তে সমাজ পিন্ধাই অসমীয়া লোকৰ মাজত জাতীয়ত্ব ভাৱৰ সৃষ্টি কৰিবলৈ বিচাৰিছিল। আনহাতে গাওঁবুঢ়া, ভূত নে ভ্ৰম, টেটোন তামুলী আদিৰ দ্বাৰা ৰক্ষণশীল আৰু অন্ধ বিশ্বাসী সমাজখনক প্ৰত্যাহ্বান জনাইছিল ব্যঙ্গ নাটকীয় ব্যাখ্যাৰে। ড° সত্যেন্দ্ৰ নাথ শৰ্মাই গোহাঞি বৰুৱাৰ 'শ্ৰীকৃষ্ণ'ক অসমীয়া পদ্য ৰচনাৰ মাইল স্তম্ভ স্বৰূপ বুলি কৈছে। সেই কালত অসমীয়া ভাষাত গীতাৰ সৰল ব্যাখ্যাৰ পুথি নাছিল। গোহাঞি বৰুৱাই সেই অভাৱ পূৰণৰ বাবে গীতাসাৰ গ্ৰন্থ লিখি উলিয়াইছিল।

এই দৰে দেখা যায় গোহাঞি বৰুৱাৰ সমূহ ৰচনাই প্ৰয়োজন সাপেক্ষ আছিল যদিও এই গ্ৰন্থ সমূহে অসমৰ অতীত গৌৰৱৰ প্ৰতি অসমীয়া জাতিক সজাগ কৰি দিছিল। ইয়াৰ লগে লগে অন্ধ বিশ্বাসী আৰু কু-সংস্কাৰ পূৰ্ণ সমাজখনক নতুন দৃষ্টি দিয়াৰ সংকল্পও তেওঁৰ আছিল।

গোহাঞি বৰুৱাৰ জাতীয় ভাৱৰ চেতনাও

প্ৰবল আছিল। 'জাতীয় ভাৱ' নামৰ প্ৰবন্ধত তেওঁ কৈছে—"দেশ, কাল আৰু অৱস্থাৰ প্ৰভেদানুসাৰে ইয়াৰ (জাতীয় ভাৱৰ) হীন-দেঢ়ি ঘটিলেও জাতীয় ভাৱ সমূহ স্বাভাৱিক গুণ: মানুহৰ আত্মাৰ সৃষ্টিৰ লগে লগেই ইয়াৰ সৃষ্টি"।

গোহাঞি বৰুৱা আছিল ১৯১৭ চনৰ ২৬ ডিচেম্বৰত শিৱসাগৰত বহা অসম সাহিত্য সভাৰ প্ৰথম অধিবেশনৰ সভাপতি।

গোহাঞি বৰুৱাৰ মতে কোনো এটা জীৱন্ত ভাষাক ধ্বংস কৰিব নোৱাৰি। কোনো বলী জাতিয়ে যদি বল প্ৰয়োগ কৰে তথাপিও ই সম্ভৱ নহয়। অসমত আহোম অভ্যুদয়ৰ বহু আগৰে পৰা কামৰূপী ভাষাৰ প্ৰচলন আছিল আৰু আহোম ৰাজেও প্ৰজাৰ মাজত নিজৰ ভাষা চলাবলৈ পোনতে চেষ্টা নকৰি এনে নাছিল। কিন্তু দূৰদৰ্শী আহোম ৰাজপুৰুষ সকলে যেতিয়া দেখিলে যে প্ৰজাৰ জীয়া ভাষা এটা উভালি তাৰ ঠাইত নতুন ৰাজভাষা কৰলৈ যোৱাটো বৃথা চেষ্টা আৰু তাৰ দ্বাৰা ৰাজকাৰ্য নিয়াৰিকৈ সম্পাদিত হোৱাৰ সম্ভাৱনা নাই; তেতিয়াই সেই প্ৰচেষ্টা এৰি দি প্ৰজাৰ অসমীয়া ভাষাকেই গ্ৰহণ কৰিলে।

আহোমৰ অভ্যুদয় আৰু শংকৰদেৱৰ অভ্যুদয় এই দুই শক্তি অসমীয়া জাতি নিৰ্মাণত প্ৰমুখ্য আছিল। আহোমে সাত ৰাজ মাৰি এক ৰাজ কৰিলে। আনহাতে সম্পূৰ্ণ আহোম আৰু কোঁচ ৰাজ্যক সামৰি এখন ধৰ্ম ৰাজ্যৰ মাজত দুই ৰাজ্যৰ আটাইকে সামৰি ল'লে। এই দুটা মহান ঘটনা নঘটা হ'লে অসমৰ ৰাজনৈতিক বুৰঞ্জী বা ভৌগোলিক পৰিসীমা কি হ'লহেঁতেন, এই ভূমিভাগৰ কোন খণ্ড কোন দেশৰ সীমাৰ ভিতৰত থাকিলেহেঁতেন কোৱা টান। আহোমে অসমক জাতীয়ৰ দিলে আৰু শংকৰদেৱে অসমক ভাৰতীয় মহাজাতিৰ সাংস্কৃতিক অংগ হিচাপে গঢ়ি তুলিলে। অসমৰ বঙালী পণ্ডিত পদ্মনাথ বিদ্যা বিনোদনৰ অনুমোদনমূলক উক্তিৰ উদ্ধৃতি দি সেয়েহে গোহাঞি বৰুৱাই কৈছিল "অসমীয়া ভাষা এইদৰে জীয়াই থকাৰ কাৰণেই যে অসমীয়া জাতি আজি টনকিয়াল হৈ জীয়াই আছে, সেইটো ওপৰত দিয়া যুক্তিৰ দ্বাৰা বুজা যায়"।

গোহাঞি বৰুৱাই প্ৰায়ে কৈছিল যে ভাষা হ'ল জনসাধাৰণৰ বস্তু, তাক আনি কৃত্ৰিম কৰিবলৈ চেষ্টা কৰিব নালাগে। গোহাঞি বৰুৱাৰ মতে তেনে কৰিলে জাতীয় জীৱন খীনাবলৈ ধৰে আৰু শেষত তাৰ অস্তিত্ব লোপ হৈ যোৱাটোও একো অসম্ভৱ কথা নহয়। যিহেতু সাহিত্য জনজীৱনৰ কাৰণে ৰচিত, গতিকে ই জনজীৱনৰ ভাষাতেই ৰচিত হ'ব লাগিব। কৃত্ৰিম ভাবে গঢ়ি লোৱা ভাষাৰ দ্বাৰা নহয়।

গোহাঞি বৰুৱাৰ উক্তি সমূহ সুঁৱৰি আনি ক'ব পাৰোঁ অসমীয়া ভাষা আজি এচাম অসমীয়া মানুহৰ বাবে এলাগী হৈ পৰিছে। অসমীয়া ভাষাৰ কাৰণে এহাতে আমি জাতীয় অস্তিত্ব সংগ্ৰামৰ জৰিয়তে যুঁজিছোঁ আনহাতে নিজৰ ল'ৰা ছোৱালীক ইংৰাজী মাধ্যমৰ স্কুলত পঢ়ুৱাই জাতীয় ভাব-

ধাৰাৰ পৰা ভাবী পুৰুষক আঁতৰাই পঠিয়াব ধৰিছো। জাতীয় জীৱনৰ লগত জড়িত ভাষা সম্পৰ্কেও গোহাঞি বৰুৱাই বিভিন্ন মত দাঙি ধৰিছিল। তেওঁ কৈছিল "পোন প্ৰথমে আৰ্য জাতিৰ সৈতে ভাৰতবৰ্ষত সঞ্চাৰিত হওঁতেই পশ্চিমে সিন্ধু নদীৰ পাৰত যেতিয়া খৃষ্টপূৰ্ব ডেৰ হাজাৰ বছৰৰ পূৰ্বে আৰ্য ভাষা সংস্কৃতিৰ বেদ-ধ্বনি শুনা গৈছিল, তেতিয়াই পূবে ব্ৰহ্মপুত্ৰ নদৰ পাৰতো তাৰ প্ৰতিধ্বনি হৈছিল। বৰ্তমানৰ ভাৰতীয় আৰ্য ভাষা সম্পৰ্কীয় তথ্যৰ বিপৰীতে তেওঁ কৈছিল যে সংস্কৃতৰ পৰা কালক্ৰমত প্ৰাকৃত অৰ্থাৎ মাগধী, কামৰূপী আদি প্ৰাকৃত ভাষাৰ সৃষ্টি হয়। গতিকে কামৰূপী ভাষা 'সংস্কৃত'ৰ পৰা উদ্ভৱ হৈছে; মাগধীৰ পৰা নহয়।

প্ৰথম অসমীয়া ভাষাৰ বুৰঞ্জী লেখক ডিম্বেশ্বৰ নেওগ দেৱে এনে মতহে দাঙি ধৰিছে। গোহাঞি বৰুৱাৰ কৰ্মৰাজিৰ আলোচনাৰ পৰা প্ৰতীয়মান হয় অসমৰ সমাজ জীৱনৰ প্ৰয়োজনীয় মুহূৰ্তত সাহিত্য গ্ৰন্থ ৰচক, আলোচনী-বাতৰি কাকতৰ সাংবাদিক-সম্পাদক, বুৰঞ্জী আৰু পাঠ্য পুথিৰ লেখক ভাষা বিষয়ক আলোচক, অ. ভা. উ. সা. সভা আদিৰ দৰে অনুষ্ঠানৰ উদ্যোক্তা আৰু ন লেখকক পোহৰলৈ আনোঁতা হিচাপে বিশিষ্ট ঐতিহাসিক ভূমিকা গ্ৰহণ কৰি জাতীয়তা ভাবৰ উন্মেষেৰে অসমৰ জাতীয় জীৱনক বিশেষ শক্তি প্ৰদান কৰিছে। ★★

[ প্ৰবন্ধটো যুগুতাওঁতে বিভিন্ন গ্ৰন্থৰ সহায় লোৱা হৈছে — লেখক। ]

"হমতেৱাজো হজৰতো বল্লো,
আলম যাতা ৰহা।
গম পৰা ইতনা কে অৱ,
এহশাসে গম পাতা ৰহা" ॥

[দুখ, বেদনা, হাঁহি আৰু কান্দোন একাকাৰ হৈ গৈছে মোৰ জীৱনৰ পৰা। হঠাৎ যদি বেদনাৰ অৱসান ঘটে সেইটোৱেই হ'ব মোৰ কাৰণে সকলোতকৈ বেছি বেদনাদায়ক।]

# ‘অভিজ্ঞান শকুন্তলম্’ ঃ এটি পৰিচয়

অধ্যাপিকা কল্যাণী দাস
জ্যেষ্ঠ প্ৰবক্তা, মুৰব্বী ইংৰাজী বিভাগ

মানৱ সভ্যতাৰ পাতনিৰ পৰা বৰ্তমান যুগলৈ যি সকল মহান কবিয়ে পৃথিৱীত জন্ম গ্ৰহণ কৰিছে, তেওঁলোকৰ ভিতৰত সংস্কৃত সাহিত্যৰ অদ্বিতীয় কবি কালিদাসৰ স্থান অন্যতম। কালিদাসে ছকুৰিৰো অধিক পুথি ৰচনা কৰা বুলি উল্লেখ আছে। কিন্তু কালিদাস মানুহজন কোন আছিল, তেওঁ কোন শতিকাত বাস কৰিছিল, সেই বিষয়ে পণ্ডিতসকলৰ মত বিৰোধৰ শেষ নাই। প্ৰচলিত বিশ্বাসৰ পৰা ধৰি লোৱা হয়, কালিদাস আছিল **ৰজা বিক্ৰমাদিত্যৰ ৰাজ সভাৰ** এজন বিখ্যাত **কবি-নৱৰত্নৰ ভিতৰৰ** এজন। জাৰ্মান পণ্ডিত মেক্সমুলাৰে কালিদাস খৃষ্টীয় চতুৰ্থ শতিকাৰ লোক বুলি আখ্যা দিছে। ভাৰতীয় পণ্ডিতসকলৰ মতে কালিদাস খৃষ্টপূৰ্ব প্ৰথম শতিকাৰ লোক। কালিদাসৰ লিখনিৰ পৰা উদ্ধৃত হোৱা বুলি যি কেইখন কিতাপক আখ্যা দিয়া হৈছে সেই কেইখন হ'ল –১) অভিজ্ঞান শকুন্তলম্, ২) বিক্ৰমোৰ্বশীয়, ৩) মালবিকাগ্নিমিত্ৰ, ৪) ৰঘুবংশ, ৫) কুমাৰ সম্ভৱ, আৰু ৬) মেঘদূত। ইয়াৰ প্ৰথম তিনিখন নাটক, পিছৰ তিনিখন কাব্য। সমালোচক সকলে এই কেইখন পুথি কালিদাসৰ ৰচনা বুলি একে মুখে স্বীকাৰ কৰিছে।

‘শকুন্তলা’ নাটকক মহাকবি কালিদাসৰ শ্ৰেষ্ঠ সৃষ্টি বুলি আখ্যা দিয়া হয়। এই প্ৰবন্ধটোত উক্ত নাটক খনিৰ সৈতে আমাৰ ছাত্ৰসকলক পৰিচিত কৰাৰ প্ৰয়াস কৰা হৈছে।

ইংৰাজ কবি চেক্সপীয়েৰৰ দৰে কালিদাসে তেওঁৰ নাটকৰ কাহিনীভাগ নিজে উদ্ভাৱন কৰাৰ পৰিৱৰ্তে পুৰণি কাহিনীৰ পৰা গ্ৰহণ কৰিছিল। শকুন্তলা নাটকৰ কাহিনীভাগো তেওঁ আনৰ পৰা লোৱা। মহাকাব্য মহাভাৰতৰ আদি পৰ্ব আৰু পদ্ম পুৰাণত শকুন্তলাৰ উপাখ্যান পোৱা যায়। মহাভাৰতৰ কাহিনীভাগ অতি পুৰণি। কিন্তু পদ্মপুৰাণ যথা সম্ভৱ কালিদাসৰ পৰৱৰ্ত্তী যুগৰ ৰচনা। সেই বাবে মহাভাৰতৰ কাহিনী ভাগ ইয়াত অৱতাৰণা কৰা হ'ল।

চন্দ্ৰ বংশীয় ৰজা দুষ্যন্ত চিকাৰলৈ গৈ, কণ্বমুনিৰ আশ্ৰমত উপস্থিত হ'ল। সেই সময়ত মুনি আশ্ৰমত নথকা বাবে তেওঁৰ পালিতা কন্যা শকুন্তলাই ৰজাক অভ্যৰ্থনা জনালে। পৰম সুন্দৰী শকুন্তলাৰ ৰূপত মুগ্ধ ৰজাই শকুন্তলাৰ পৰাই জানিব পাৰিলে যে তেওঁ ক্ষত্ৰিয় কুলত জন্মা কন্যা। ৰজাই শকুন্তলাক গন্ধৰ্ব বিবাহৰ প্ৰস্তাৱ দিয়াত শকুন্তলাই জনালে যে তেওঁৰ সন্তান যদি ৰাজ সিংহাসনৰ উত্তৰাধিকাৰী হয় তেন্তে ৰজাক গ্ৰহণ কৰিবলৈ তেওঁ প্ৰস্তুত। ৰজা এই প্ৰস্তাৱত সন্মত হ'ল। দুয়োজন বিবাহপাশত আবদ্ধ হ'ল। কিছুদিন শকুন্তলাৰ লগত কটোৱাৰ পিছত ৰজাই ৰাজধানী হস্তিনাপুৰলৈ উলটি গ'ল। কণ্বমুনিৰ ভয়ত ৰজাই শকুন্তলাৰ খবৰ নকৰিলে। মুনিয়ে অৱশ্যে জীয়েকৰ পছন্দক অনুমোদন কৰি

প্ৰথমতে জীয়েকক ঘৰত ৰাখিলে। শকুন্তলাৰ ল'ৰা এটা উপজিল। ৰজাৰ কোনো খবৰ নাই। কেবা বছৰৰো পিছত শকুন্তলাক ৰজাৰ ওচৰলৈ পঠোৱাত জনবৱৰ ভয়ত ৰজাই তেওঁক গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল। পিছত দৈৱবাণী শুনি ৰজাই সপুত্ৰে ভাৰ্যাক গ্ৰহণ কৰিলে।

মাত্ৰ চাৰিটা চৰিত্ৰৰে গঠিত মহাভাৰতৰ কাহিনী ভাগ নিৰস। কালিদাসৰ নাটকত বিচিত্ৰ ধৰণৰ বিভিন্ন চৰিত্ৰ দেখা যায়। এই চৰিত্ৰ সমূহ হ'ল— শকুন্তলাৰ সখী কথা কোৱাত পাকৈত প্ৰিয়ম্বদা, গহীন স্বভাৱৰ অনসূয়া, ৰজাৰ বুকুৰ কুটুম বিদূষক মাধব্য, তপস্বী কণ্বমুনি, খঙাল মুনি দুৰ্বাসা, আশ্ৰমৰ মাতৃ স্বৰূপা গৌতমী, কণ্বমুনিৰ শিষ্য খঙাল স্বভাৱ শাঙ্গৰৱ আৰু শান্ত স্বভাৱৰ শাৰদ্বত, ৰজাৰ সুখ-দুখৰ ওপৰত চকুৰখা মহাৰাণী বসুমতী, এবাৰ প্ৰণয় যাচি ৰজাই আওহেলা কৰা ৰাণী হংসপাদিকা, পুৰোহিত, দ্বাৰী, ৰথচালক, সেনাপতি, ৰাজ-কৰ্মচাৰী, মাছমৰীয়া, অপ্সৰা সানুমতী, ইন্দ্ৰৰ ৰথচালক মাতালি, মাৰীচি মুনি আৰু অদিতি, পৰাভৃতিকা, মধুকাৰিকা, চতুৰিকা ইত্যাদি। কালিদাসৰ অমৰ লিখনিৰ পৰশত প্ৰতিটো চৰি-ত্ৰই সজীৱ, প্ৰতিজনৰে ব্যক্তিগত বৈশিষ্ট্য পৰি-স্ফুট হোৱা দেখা যায়। উক্ত চৰিত্ৰৰ উপৰিও প্ৰকৃতিয়ে এই নাটকত এক বিশেষ ভূমিকা গ্ৰহণ কৰিছে। কুঁহিপাতৰ ৰঙীণ আভাৰে সুশোভিত ওঁঠজুৰি, গছৰ কোমল শাখাৰ দৰে বাহুযুগল, সদ্য প্ৰস্ফুটিত ফুলৰ দৰে কোমল আভাৰে বিভুষিত যৌৱন মণ্ডিত শৰীৰৰে শকু-ন্তলা প্ৰকৃতিৰ জীয়াৰী। কুসুমিতা বনজ্যোৎস্না লতিকাৰ কিশলয় শোভিত আম গছৰ লগত মিলন হোৱা দেখি তেওঁ আনন্দ পায়, মাতৃহাৰা হৰিণাৰ পোৱালিক তেওঁ সন্তানৰ দৰে প্ৰতি পালন কৰে। কুলি, ভোমোৰা, চক্ৰবাক, শিখী পোৱালি আনকি জড় আঙঠি এটাও নাটকত বিশেষ স্থান লাভ কৰিছে। বনবাসী নগৰবাসী আৰু স্বৰ্গবাসী চৰিত্ৰৰ সমাবেশে নাটকখনিক এক বিশিষ্ট ৰূপ দান কৰিছে।

চৰিত্ৰ সৃষ্টিৰ উপৰিও ঘটনা বিন্যাসত কালিদাসৰ নাটক মহাভাৰতৰ উপাখ্যানৰ পৰা পৃথক। মহাভাৰতত শকুন্তলাৰ জন্ম বৃত্তান্ত তেওঁ নিজ মুখে ৰজা দুষ্মন্তৰ আগত ব্যক্ত কৰিছে কালিদাসৰ নাটকত এই কাম শকুন্তলাৰ সখী-য়েকহঁতে কৰিছে।

ৰজাই শকুন্তলাক পাহৰি যোৱাৰ কাৰণ হিচাপে কালিদাসে অৱতাৰনা কৰিছে, দুৰ্বাসাৰ অভিশাপ। ৰাজকীয় গুণেৰে বিভুষিত দুষ্মন্ত চৰিত্ৰৰ প্ৰণয় ক্ষেত্ৰত থকা শিথিলতা এই অভিশাপে মোচন কৰিছে।

বিষয় বস্তুৰ ফালৰ পৰা কালিদাসৰ নাটকৰ পৰিধি মূলতকৈ ব্যাপক। শকুন্তলা নাটকত দেহজ প্ৰেম, ধৈৰ্য, সাধনা আৰু অনু-তাপৰ অগনিৰে পৰিশোধিত হৈ অতিন্দ্ৰীয় প্ৰেমত ৰূপান্তৰিত হৈছে।

শকুন্তলা নাটক খনি সাতোটা অঙ্কত বিভক্ত। প্ৰথম তিনিটা অঙ্কত প্ৰেম আৰু পতন ব্যক্ত কৰিছে। নাটকৰ আৰম্ভনিতে ধনু-বাঁন লৈ হৰিণ বধিবলৈ ওলোৱা ৰজাক কোৱা হৈছিল— 'হে মহাৰাজ, এইটো আশ্ৰমৰ হৰিণ ইয়াক নামাৰিব, নামাৰিব'। হৰিণৰ দৰে শকু-ন্তলাও অৰক্ষিতা, বিশেষকৈ প্ৰণয়ৰ খেলত পৰিপক্ক ৰজা দুষ্মন্তৰ কাষত। শকুন্তলাৰ

ৰাশি দেখি দুষ্মন্তই ভাবিছিল "এওঁৰ ৰূপ অনাঘ্ৰাত ফুলৰ দৰে নখচিহ্ন নোহোৱা কুঁহিপাতৰ দৰে, বিদ্ধ নোহোৱা মণিৰ দৰে, সোৱাদ নোলোৱা মৌৰ দৰে আৰু পুণ্যৰাশিৰ অখণ্ড ফলৰ দৰে"। ৰজাক দেখাৰ লগে লগে শকুন্তলাৰ মনত খেলি-মেলি লাগিল "এওঁক দেখাৰ পৰা দেখোন মোৰ মনত আশ্ৰম বিৰোধী ভাৱৰ উদয় হৈছে"।

শকুন্তলাৰ পতনত বাসনাৰ প্ৰভাৱ কিমান কালিদাসে অকণো লুক-ঢাক কৰা নাই। মালিনী নদীৰ পাৰত লতাকুঞ্জত সখীয়েকহঁতে ফুলেৰে সজাই দিয়া শয্যাত কামনা জৰ্জৰিত শৰীৰৰ উত্তাপ কমাবলৈ আশ্ৰয় লোৱা শকুন্তলাই তাৰ পৰিচায়ক।

চতুৰ্থ অঙ্কত কালিদাসে অৱতাৰণা কৰিছে দুৰ্বাসাৰ অভিশাপ আৰু শকুন্তলাৰ পতিগৃহ গমনৰ বাবে আশ্ৰমৰ পৰা বিদায় লোৱা দৃশ্য। কণ্বমুনিয়ে তপোবনৰ গছ লতিকাক সম্বোধন কৰি কৈছিল, "তোমালোকক পানী নিদিয়াকৈ আহাৰ গ্ৰহণ নকৰা, পিন্ধিবৰ হেঁপাহ থকা স্বত্বেও পাত নিছিঙা, ফুল ফুলিলে ৰঙত মতলীয়া হোৱা শকুন্তলা আজি স্বামী গৃহলৈ যায়, তোমালোকে তেওঁক বিদায় দিয়া"।

প্ৰকৃতিৰ লগত শকুন্তলাৰ নিবিড় সম্পৰ্ক ইয়াত প্ৰকাশ পাইছে। বিদায়ৰ সময়ত শকুন্তলাই কণ্বমুনিক কৈছিল, "পিতা তপ জপ কৰি তোমাৰ কলেৱৰ ক্ষীণাই গৈছে, মোৰ কথা ভাবি নিজকে আৰু ক্ষীণ নকৰিবা"। জীয়েকৰ আসন্ন বিদায়ৰ কথা ভাবি বিচলিত হৈ পৰা কণ্বমুনিয়ে ভাবিছে গৃহী সকলৰ কথা—ছোৱালী উলিয়াই দিয়াৰ সময়ত তেওঁলোকৰ কিমান কষ্ট হয়। বহুতো সমালোচকৰ মতে নাটখনিৰ দৃশ্য সমূহৰ ভিতৰত শকুন্তলাৰ বিদায়ৰ দৃশ্যটোৱেই আটাইতকৈ মধুৰ।

পঞ্চম অঙ্কৰ পাতনিতে ৰজাৰ প্ৰণয়িনী হংসপাদিকাই ৰজাৰ ভ্ৰমৰ চঞ্চল প্ৰণয়ক গানেৰে মৃদু তিৰস্কাৰ কৰিছে। ৰাণী হংসপাদিকাক এবাৰ প্ৰণয় নিবেদন কৰি ৰজাই পিছত তেওঁৰ কথা পাহৰি গৈ মহাৰাণী বসুমতীৰ লগতে নিজকে ব্যস্ত ৰাখিছে। এই গীত ৰজাই শকুন্তলাক প্ৰত্যাখ্যান কৰা নিষ্ঠুৰ ঘটনাৰ পাতনি স্বৰূপ। দুষ্মন্তই শকুন্তলাক কৰা প্ৰত্যাখ্যান যেনিবা পুষ্পৰাশিৰ ওপৰত দাবানল। আগৰ অঙ্কত বাজি উঠা প্ৰণয়ৰ মধুৰ সঙ্গীতৰ যৱনিকা পৰিল। কবি কালিদাসে এই অঙ্কত ভয়, লাজ, অভিমান, তিৰস্কাৰ, বিলাপ আদিৰ সমাবেশ ঘটাই ইয়াক বিচিত্ৰ কৰি তুলিছে। ভালপোৱাৰ পাত্ৰৰ প্ৰতি থকা সবল বিশ্বাসেই শকুন্তলাক এদিন পতিত কৰাইছিল, দুখৰ দিনত এই বিশ্বাসে তেওঁক ৰক্ষা কৰিছে। কালিদাসে ৰজাই প্ৰত্যাখ্যান কৰা শকুন্তলাক কণ্বমুনিৰ আশ্ৰমলৈ ঘূৰাই নিয়া নাই। এইটো তেওঁৰ অসাধাৰণ কবি প্ৰতিভাৰ পৰিচায়ক। শ্ৰেয়ঃ লাভৰ বাবে শকুন্তলাই তপস্যা কৰাৰ প্ৰয়োজন। মৰীচি মুনিৰ আশ্ৰমত যাপন কৰা কঠোৰ জীৱনে শকুন্তলাক শ্ৰেয়ঃ লাভৰ উপযুক্ত কৰি তুলিছে।

ষষ্ঠ অঙ্কত আমি অনুতাপ জৰ্জৰিত দুষ্মন্তক দেখা পাওঁ। মাছমৰীয়াৰ হাতত শকুন্তলাক উপহাৰ দিয়া আঙুঠি দেখি দুষ্মন্তৰ পূৰ্বৰ ঘটনা বাজি স্মৰণ হ'ল। তেওঁৰ প্ৰাসাদত

বসন্ত উৎসৱ পালনত বাধা আৰোপ কৰা হ'ল। শকুন্তলাৰ চিত্ৰ আঁকি তাকে সচাঁ মানুহজনী বুলি ভাবি ৰজাই কথা ক'বলৈ ধৰিলে। সেই বুলি দুষ্মন্তই নিজৰ কৰ্তব্যক অৱহেলা কৰা নাই। দুষ্মন্তৰ ওচৰলৈ ইন্দ্ৰৰ সাৰথি মাতালি আহিল। স্বৰ্গৰাজ্য দুৰ্জয় নামৰ দানৱৰ আক্ৰমণত দুৰ্যোগৰ সন্মুখীন হৈছে। গতিকে দুষ্মন্তই স্বৰ্গৰাজ ইন্দ্ৰক সহায় কৰিব লাগে। দুষ্মন্তই এই প্ৰস্তাৱ তত্তালিকে গ্ৰহণ কৰিলে।

সপ্তম অঙ্কত পোৱা যায় সন্তান আৰু পত্নীৰ সৈতে দুষ্মন্তৰ মিলন। স্বৰ্গৰাজ্য বিপদ মুক্ত কৰি আহি হেমকুট পৰ্বতত জিৰণি লওঁতে দুষ্মন্তই মৰীচি মুনিৰ আশ্ৰম পালে। পুতেক সৰ্বদমনৰ সৈতে তপস্বিনীৰ ব্ৰত পালন কৰি শকুন্তলা তাতে আছিল। মৰীচি মুনিৰ আশীৰ্বাদ শিৰত লৈ ৰজাই পত্নী আৰু পুত্ৰক লগত লৈ নিজ ৰাজ্যলৈ উভতি গ'ল।

শকুন্তলা নাটকৰ চেক্সপীয়েৰৰ টেম্পে[ষ্ট] নাটকৰ লগত এক সাদৃশ্য আছে। শকুন্তলা প্ৰ[তি]পালিত হৈছিল তপোবনত, মিৰাণ্ডা [ডাঙৰ] হৈছিল নিৰ্জন দ্বীপত। দুয়োখন নাটকত প্ৰথ[ম] দৃষ্টিত ওপজা প্ৰেমৰ অৱতাৰণা কৰা হৈছে। মিৰাণ্ডা আৰু শকুন্তলা দুয়ো প্ৰকৃতিৰ বু[কুত] ডাঙৰ-দীঘল হোৱা, তথাপি দুয়োখন নাটক[ত] প্ৰকৃতিৰ লগত মানুহৰ সম্পৰ্ক একে ধা[ৰাৰে] অঙ্কিত কৰা হোৱা নাই। টেম্পেষ্টত দেখা যা[য়] প্ৰকৃতিৰ ওপৰত বল প্ৰয়োগ কৰি প্ৰকৃতিৰ আয়ত্তৰ ভিতৰলৈ অনাৰ প্ৰচেষ্টা, শকুন্তলা[ত] দেখা যায় প্ৰকৃতিৰ লগত মানুহৰ নিবিড় সম্পৰ্ক। টেম্পেষ্টৰ পৰিসৰ শকুন্তলাৰ দৰে ব্যাপক নহয়। শকুন্তলাৰ তুলনাত টেম্পেষ্টৰ যৱনিকা আ[ৰু] বাটতে হোৱা যেন লাগে।

জাৰ্মান বিজ্ঞলোক, কবি গোটেই 'শকুন্তলাৰ' বিষয়ে সমালোচনা কৰিবলৈ গৈ তলত উল্লেখ কৰাৰ দৰে আগবঢ়োৱা কাব্যিক প্ৰকাশ, সাৰ্থক মন্তব্য বুলি আমি নিঃসন্দেহে ক'ব পাৰোঁ।

"Wouldst thou the young year's blossoms
and the fruits of its decline,
And all by which the soul is charmed,
enraptured, feasted, fed ?
Wouldst thou the earth and heaven itself
is one sole name combine ?
I name thee O Sakuntala, and at once
is said."

(Translated from German by Mr. E. B. Eastwick)

# ড্ৰাগ্‌ছ আৰু যুৱ মানসিকতা

শ্ৰীসৌৰভ ভাগৱতী
স্নাতক, ২য় বৰ্ষ (কলা)

বৰ্তমান সময়ত আমাৰ দেশৰ প্ৰতিটো প্ৰান্ততে যুৱ সমাজত এটা বিৰাট পৰিৱৰ্তনে দেখা দিছে। ক্ৰমবৰ্দ্ধমান যুৱক-যুৱতীৰ ওপৰত এই পৰিৱৰ্তনে গা কৰি উঠা দেখিবলৈ পোৱা যায়। চলিত যুগৰ বহু সংখ্যক যুৱক-যুৱতীৰ মনৰ মানবীয় মূল্যবোধ, নৈতিকতা, সামাজিক চেতনাসমূহ বিলুপ্ত হোৱাৰ উপক্ৰম হৈছে। ফলস্বৰূপে তেওঁলোকে নানা অসামাজিক কামত লিপ্ত হৈছে। চৌদিশে আজি ধৰ্ষণ, লুণ্ঠন হত্যা আদি বিয়পি পৰিছে। সুবিধাবাদী, ধুৰন্ধৰ ব্যক্তি কিছুমানৰ সংস্পৰ্শত পৰি যুৱক-যুৱতীসকলে ড্ৰাগ্‌ছ ব্যৱহাৰ কৰিব ধৰিছে। সেই ড্ৰাগছৰ কবলত পৰি আজিৰ যুৱক যুৱতী সকল গভীৰ নিচাসক্ত হৈ পৰিছে। তদুপৰি অশ্লীল বোলছবিবোৰে যুৱ সমাজক বিপথগামী কৰি তুলিছে।

এইখিনিতে, আমাৰ মনত এটা প্ৰশ্ন উদয় হয়, ড্ৰাগছনো কি আৰু ইয়াৰ উৎপত্তি কেনেকৈ হ'ল? ড্ৰাগছৰ আৱিষ্কাৰৰ বিষয়ে সঠিক ভাবে জনা নাযায়। মানৱ সভ্যতাৰ আৰম্ভণিৰে পৰা মদ বা সুৰা ব্যৱহাৰ কৰাৰ সম্ভেদ পোৱা যায়। লগতে সেই যুগৰ মানুহে গছৰ পৰা পোৱা আঠাজাতীয় বস্তু কিছুমান ড্ৰাগছ হিচাপে ব্যৱহাৰ কৰিছিল। এনে ড্ৰাগছৰ প্ৰত্যক্ষ উদাহৰণ হ'ল আফিং। প্ৰকৃততে সুৰাও এবিধ ড্ৰাগছেই। কিন্তু বৰ্তমান যিবিলাক পদাৰ্থ সুবিধাজনক ভাবে কঢ়িয়াব পৰা যায় অথচ অতি কম পৰিমাণে সেৱন কৰিলে অধিক নিচা সৃষ্টি হয়, সেইবিলাক পদাৰ্থকে ড্ৰাগ্‌ছ বুলি কোৱা হয়।

প্ৰকৃততে ড্ৰাগ্‌ছ বিলাক সৃষ্টি কৰা হৈছিল মানৱ জাতিৰ সেৱাৰ বাবেহে। উদাহৰণ স্বৰূপে 'ডালফা ড্ৰাগ্‌'ৰ নাম উল্লেখ কৰিব পাৰি। কিন্তু সময় বাগৰাৰ লগে লগে আমূল সামাজিক পৰিৱৰ্তন আহিল। মদ জাতীয় পদাৰ্থক নিচা হিচাপে ব্যৱহাৰ কৰা ব্যক্তিসকলক সমাজে ঘৃণাৰ চকুৰে চাব ধৰিলে। তদুপৰি এনে পদাৰ্থই উৎকট দুৰ্গন্ধৰ সৃষ্টি কৰে আৰু ইবিলাকৰ খৰচো বেছি। কিন্তু অভিজ্ঞতাৰ ফালৰ পৰা মানুহে বিশেষকৈ ডেকাচামে কিছুমান ড্ৰাগ, যিবোৰ সংকামৰ বাবে আৱিষ্কাৰ কৰা হৈছিল, মাত্ৰাতকৈ বেছি পৰিমাণে ব্যৱহাৰ কৰি নিচা সৃষ্টি কৰিব ধৰিলে। ফলস্বৰূপে নিজৰ বাবে আৰু মানৱ জাতিৰ বাবে অভিশাপ নমাই আনিলে। এনে কিছুমান ড্ৰাগ্‌ছ আছে যিবোৰৰ অতি সামান্য পৰিমাণ নাইবা টেবলেট এটা ব্যৱহাৰ কৰিলে অত্যাধিক নিচা হয়। কিন্তু তেওঁলোকে এইটো কথা গম নাপায় যে দেহৰ, মগজুৰ স্নায়ু বিলাক দুৰ্বল কৰি দিয়াৰ

বাবেহে এনে নিচা হয়। মগজুৰ কিমান যে ক্ষতি হয় ধৰিব নোৱাৰে। আনকি মানুহৰ যৌন ক্ষমতা, লিভাৰৰ কাৰ্যকাৰিতা আদিও ধ্বংস প্ৰাপ্ত হ'বলৈ ধৰে। তদুপৰি ড্ৰাগছ বিলাকে মানৱ শৰীৰৰ ভিতৰত কিছুমান বিক্ৰিয়া কৰি মানৱ দেহৰো পৰিৱৰ্তন ঘটায়।

চলিত যুগত নগৰ-চহৰ, গাওঁ-ভূঁইৰ বহু ব্যক্তিয়েই নিচাত আসক্ত হোৱা দেখা যায়। চহৰ অঞ্চলত নিচাযুক্ত দ্ৰব্যবোৰ যেনে - মদ, ভাং, কানি ইত্যাদিৰ চাহিদা বাঢ়িছে। অৱশ্যে গাওঁ অঞ্চলত ড্ৰাগছে মহামাৰী ৰূপ ধৰিব পৰা নাই। চহৰাঞ্চলত প্ৰায়বোৰ বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় আদিত ড্ৰাগছৰ প্ৰচলন অবাধ গতিত চলি আছে। নিচাশক্তি প্ৰবল গতিত প্ৰৱাহিত হোৱাত যুৱসমাজৰ মাজত এক ব্যাপক ধৰণৰ অৱনতিয়ে দেখা দিছে। এক সুবিধাবাদী ব্যৱসায়ী গোষ্ঠীয়ে সুবিধা লৈ নানা অসামাজিক কাৰ্য-কলাপত লিপ্ত হৈছে আৰু নিজৰ স্বাৰ্থ পূৰণ কৰিছে। মদ, ভাং, কানি আৰু ড্ৰাগছ সেৱনৰ ফলত যুৱক-যুৱতীৰ মনত লাজ ভয় নোহোৱা হৈ পৰিছে। যুৱশক্তিৰ এই আচৰণে সমাজত বিশৃংখলা আৰু শিক্ষানুষ্ঠানৰ শৈক্ষিক পৰিৱেশ নষ্ট কৰিব ধৰিছে। শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত থাকিবলগীয়া সদ্ভাৱ আৰু সুসম্বন্ধ নোহোৱা হৈ পৰিছে। প্ৰায় ক্ষেত্ৰতে ছাত্ৰ-ছাত্ৰীয়ে শিক্ষক-শিক্ষয়িত্ৰীক অসন্মান কৰা দেখা যায়।

আজি ড্ৰাগছ এচাম যুৱক-যুৱতীৰ প্ৰধান উপভোগৰ বস্তু হৈ পৰিছে। কোনো আহাৰ্য বস্তু নোহোৱাকৈ থাকিব নোৱাৰাৰ দৰে যুৱ সমাজ নিচাসক্ত নোহোৱাকৈ থাকিব নোৱাৰা হৈছে। ড্ৰাগছৰ দ্বাৰা নিচাসক্ত হ'বলৈ যুৱক-যুৱতীয়ে এচামে বিভিন্ন পন্থা অৱলম্বন কৰিব ধৰিছে। কোনোবাই ইনজেকচনৰ সহায়ত আন কোনোবাই হয়তো সেৱনৰ জৰিয়তে নিচাসক্ত হৈছে। ফলস্বৰূপে কোটি কোটি টকাৰ হিৰোইন, ব্ৰাউন চুগাৰ আদি চোৰাংভাৱে আমাৰ দেশলৈ আমদানি হৈছে।

অশ্লীল বোলছবি প্ৰদৰ্শনে ন-যুৱসমাজক বিশেষ ভাৱে গা কৰি উঠিছে। ক'লা বজাৰত বেচা-কিনা কৰা 'ব্লু ফিল্ম' বোৰে যুৱসমাজক কবাল গ্ৰাসত পেলাইছে। ফলত ধৰ্ষণ, যৌনতা আদি বৃদ্ধি পাইছে।

কিন্তু এইবোৰ কাম কৰিবলৈ যুৱক যুৱতীসকলে টকা-পইচা পায় ক'ৰপৰা? এই প্ৰশ্নটো আমাৰ মনত উদয় হ'লে এটা বিশেষ উত্তৰৰ প্ৰয়োজন নহ'ব। কাৰণ অৰ্থ নৈতিক দিশত পিছপৰা দেশ এখনৰ অমূলকভাৱে ব্যয় কৰাৰ দিশটোৰ মূলতে আছে ক'লা টকা। সদাহতে ছাত্ৰ-ছাত্ৰীসকলৰ টকা পইচাৰ উৎস হ'ল অভিভাৱক সকল। পঢ়াৰ নামত খোৱা টকা-পইচাই হ'ল তেওঁলোকৰ উৎস। তদুপৰি ড্ৰাগছৰ মহামাৰীয়ে তেওঁলোকক পৰিয়ালৰ বা আন কোনো ব্যক্তিৰ জেপ লুককিবলৈও শিকাইছে। আন কিছুমান যুৱক-যুৱতীয়ে টকা পইচা সংগ্ৰহৰ বাবে হত্যা, লুণ্ঠন, স্মাগলিং আদি অসামাজিক কাৰ্যত লিপ্ত হৈছে।

আজি ড্ৰাগছ নাইবা নিচাযুক্ত ঔষধৰ ব্যৱহাৰে আমাৰ সমাজখন ধ্বংস কৰিবলৈ

উপক্ৰম কৰিছে। সমাজত দেখা দিয়া কলুষ-কালিমাবোৰ ধুই নিকা কৰাৰ দায়িত্ব ছাত্ৰ আৰু যুৱসমাজৰ। "উপদেশতকৈ আৰ্হি শ্ৰেষ্ঠ" এই আদৰ্শেৰে অনুপ্ৰাণিত হৈ যুৱসমাজত গঢ় লৈ উঠা কু-প্ৰবৃত্তিবোৰ ত্যাগ কৰি আনৰ কু-প্ৰবৃত্তিবোৰ আঙুলিয়াই দিয়াৰ দায়িত্ব যুৱ-সমাজৰেই। সেয়ে প্ৰতিজন যুৱক-যুৱতীৰ সমাজৰ প্ৰতি মৰম থাকিব লাগিব। উঠি অহা যুৱক-যুৱতী, ছাত্ৰ-ছাত্ৰীৰ সমাজ প্ৰীতিৰ ওপৰতে নিৰ্ভৰ কৰে একোখন দেশৰ ভৱিষ্যৎ। আজিৰ যুৱ সমাজৰ মনত সমাজ প্ৰেমেই শীৰ্ষস্থান পোৱা উচিত। নিজৰ সমাজখনৰ স্বাধীনতা আৰু সন্মান ৰক্ষাৰ বাবে শক্তি উৎসৰ্গা কৰাটোৱেই প্ৰকৃত সমাজ প্ৰেম। জীৱ-নতকৈ প্ৰিয় বস্তু একো নাই, তথাপি সমাজ প্ৰেমৰ ওচৰত জীৱন অতি তুচ্ছ। বহলভাৱৰ সমাজ প্ৰেমে আমাৰ গোটেই মানৱ জাতিকেই ভাল পাবলৈ শিকায়।

'চেষ্টাৰ অসাধ্য একো নাই'। সম্ৰাট অশোক, মহাত্মাগান্ধী আদি মহাপুৰুষ সকলে পৃথিৱীৰ মানৱ জাতিৰ নৈতিক চৰিত্ৰৰ উন্নতিৰ কাৰণে বহু ত্যাগ কৰিছিল। আমিও তেওঁ-লোকৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ সমাজ সংস্কাৰ কৰিবলৈ নিজেই নিজৰ ওপৰত প্ৰতিশ্ৰুতিবদ্ধ হোৱা আৱশ্যক। মহাত্মাগান্ধীয়ে সমাজক অস্থিৰ কৰি তোলা মাদক দ্ৰব্য নিবাৰণত অধিক গুৰুত্ব দিছিল। মদ, ভাং, কানি, ড্ৰাগ্ছ আদিয়ে যাতে সমাজ জীৱনত শিপাব নোৱাৰে তাৰ প্ৰতি প্ৰত্যেকজন সমাজৰ ব্যক্তিয়ে সচে-তন হ'ব লাগিব। সমাজৰ প্ৰতিজন ব্যক্তিয়ে সমাজত শিপাই লৈ ঘূৰি ফুৰা ড্ৰাগ্ছ তথা মদ ব্যৱসায়ী সকলৰ অবাধ বিচৰণ বন্ধ কৰিব লাগিব। এইক্ষেত্ৰত অৱশ্যে চৰকাৰেও সহায় আগবঢ়াব লাগিব।

★☆★

"এজন হিংসুকে আন এজন হিংসুকৰ বা এজন শত্ৰুৱে আন এজন শত্ৰুৰ যিমান অনিষ্ট কৰিব পাৰে, বিপথগামী চিত্তই তাতোকৈ অধিক ক্ষতি কৰিব পাৰে"।

ধম্মপদ (বৌদ্ধ ধৰ্মৰ প্ৰধান শাস্ত্ৰ ত্ৰিপিটকৰ অন্তৰ্গত)

# নগৰবেৰা ঃ

## ইতিহাসৰ জলঙাৰে এভুমুকি।

আব্দুছ ছামাদ আলী
জ্যেষ্ঠ প্ৰবক্তা আৰু মুৰব্বী, বুৰঞ্জী বিভাগ।

নগৰবেৰাৰ ভৌগোলিক অৱস্থান অতি মন কৰিবলগীয়া। নগৰবেৰা কামৰূপ জিলাৰ দক্ষিণ পশ্চিম অঞ্চলৰ কামৰূপ, গোৱালপাৰা আৰু বৰপেটা জিলাৰ সঙ্গম স্থলত অৱস্থিত। আনহাতে নগৰবেৰাক চৰ-চাপৰিয়ে উত্তৰ ফালে আগুৰি আছে। তাৰোপৰি কৰনৈ আৰু জলজলি নৈয়ে নগৰবেৰাৰ নিচেই কাষেদি কুলু কুলু সুৰেৰে অবিৰাম গতিত ভাটিৰ পিনে বৈ গৈছে। এই জলৰাশিয়ে এক অপৰূপ দৃশ্যৰ সৃষ্টি কৰে। ভৰ বাৰিষা নগৰবেৰাৰ প্ৰাকৃতিক সৌন্দৰ্য্য অতিশয় মনোৰম হৈ পৰে। লানি নিছিগা সৰু বৰ ঢৌৰ তৰঙ্গমালাই দৰ্শকৰ মন-প্ৰাণ আকৰ্ষিত কৰে। আন আন গাওঁ, নগৰ, চহৰ আদিৰ দৰে নগৰবেৰা চাৰি আবেষ্টনিৰ মাজত সীমাবদ্ধ। পূব প্ৰান্তত চিৰ প্ৰবাহিত জলজলি নৈ, পশ্চিমে মেখিপাৰা, দক্ষিণ প্ৰান্তত জামলাই, কল্যাণপুৰ, উত্তৰে জলজলি নৈ। বৰ্ত্তী প্ৰসিদ্ধ সোৱনশিৰী আৰু কলং নৈৰ পাৰৰ গাওঁবোৰৰ দৰে নগৰবেৰা জলজলি নৈৰ পাৰত অৱস্থিত।

অসমৰ বিভিন্ন ঠাইৰ পৰা নগৰবেৰাৰ মানুহবোৰ আহিছে। মোগলৰ আক্ৰমণৰ সময়ত মুছলমান সকল হাজোৰ পৰা নগৰবেৰালৈ আহে। এওঁলোক নগৰবেৰাৰ আটাইতকৈ পুৰণি অধিবাসী। প্ৰায় ৪০০ বছৰ ধৰি মুছলমান মানুহবোৰ নগৰবেৰাত বসতি কৰি আছে। তেওঁলোকৰ মাজত বদিৰুদ্দিন পণ্ডিত আৰু ৰোস্তম আলি চৌধুৰী উল্লেখযোগ্য ব্যক্তি আছিল।

মুছলমান সকলৰ উপৰিও দোকুছি আৰু পথালিপাৰাৰ মানুহবোৰ সোণতলীৰ পৰা নগৰবেৰালৈ আহে বুলি জনা যায়। মেখিপাৰা, মালক্ষা আৰু কালুবাৰীৰ অধিবাসী সকল ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ বৰপেটাৰ ওচৰৰ মন্দিয়াৰ পৰা আহে।

কথিত আছে যে অসম ৰজাৰ বিষয়া খোৱা মানুহ দলৈ, তালদাৰ বা তালুকদাৰ আৰু কটকী আদিয়ে নগৰবেৰাত বাস কৰিছিল। নগৰবেৰা এটি জনবহুল অঞ্চল। এই অঞ্চলত বিভিন্ন ধৰ্মীয় আৰু ভাষিক জনগোষ্ঠীৰ মানুহ যুগ যুগ ধৰি অতি মিলাপ্ৰীতিৰে বাস কৰি আছে। ইয়াৰ মানুহবিলাক বৰ শান্তি প্ৰিয়। কোনো কোনো প্ৰান্তত অনেক অপ্ৰীতিকৰ সাম্প্ৰদায়িক আন্দোলন, মৰামৰি আদি সংঘটিত হৈ গৈছে। কিন্তু বৰ সুখৰ কথা যে নগৰবেৰাত কোনো দিন সাম্প্ৰদায়িক কাজিয়া পেচাল হোৱা নাই যদিও ইয়াত ভিন ভিন জনগোষ্ঠীৰ বসতি।

নগৰবেৰা অঞ্চলৰ বেছি ভাগ মানুহ কৃষিজীৱী। চাকৰিজীৱী লোকৰ সংখ্যাও এক-

বাৰে তাকৰ নহয়। এই অঞ্চলৰ উচ্চ শিক্ষিত ব্যক্তি আছিল স্বৰ্গীয় মহিম বৰা, দ্বিতীয়জন শিক্ষিত ব্যক্তি হ'ল শ্ৰীৰজনী পাঠক। প্ৰথম জন আছিল বি.এ আৰু দ্বিতীয়জন হ'ল বি.এ, বি, এল।

নগৰবেৰা আঞ্চলিক মৌজা কমিটি এটি উল্লেখ যোগ্য প্ৰতিষ্ঠান। স্বৰ্গীয় কমলা মেনেজাৰ, পদ্মলোচন চৌধুৰী, নৈমুদ্দিন মুন্সি, বদিৰুদ্দিন পণ্ডিত, শ্ৰীহৰেশ্বৰ পাঠক, হৰিমল ঠাকুৰীয়া, *কাচিম দেৱানী আৰু বাহাৰ আলী আদি ব্যক্তি সকলৰ ঐকান্তিক চেষ্টাৰ ফলত উক্ত নগৰবেৰা মৌজা কমিটি প্ৰতিষ্ঠা হয়। তাৰোপৰি সেই সময়ত এই অঞ্চলত গণ্য মান্য ব্যক্তি সকলেও নগৰবেৰা আঞ্চলিক মৌজা কমিটিৰ গঠনমূলক কামত পূৰ্ণ সহযোগিতা আগবঢ়ায়। এই মৌজা কমিটি শান্তি, সম্প্ৰীতি, সংহতি আৰু ঐক্যৰ সমন্বয়। তাৰোপৰি এই অনুষ্ঠানটো কলা, সংস্কৃতি বিকাশৰ ঘাই উৎস আৰু প্ৰাণকেন্দ্ৰ। নগৰবেৰা মৌজা কমিটিৰ অৱদান অতি মহান। উল্লিখিত মৌজা কমিটিৰ সৌজন্যত বহুতো অনুষ্ঠান-প্ৰতিষ্ঠান গঢ়ি উঠিছে। সেইবোৰৰ ভিতৰত নগৰবেৰা আঞ্চলিক কালীমন্দিৰ, ৰাসমন্দিৰ, নগৰবেৰা আঞ্চলিক বজাৰ মছজিদ, নগৰবেৰা আঞ্চলিক তৰুণ সংঘ আৰু পুথিভঁৰাল, নগৰবেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়, নগৰবেৰা ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়, শংকৰদেৱ উচ্চ মাধ্যমিক বিদ্যালয়, কালুবাৰী, ভগুৱাদিয়া পাহাৰ পাৰা উচ্চ মাধ্যমিক বিদ্যালয়, বঙ্গেশ্বৰী উচ্চ মাধ্যমিক বিদ্যালয়, জামলাই উচ্চ মাধ্যমিক বিদ্যালয় আৰু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আদি অনুষ্ঠানবোৰ উল্লেখনীয়। চক্ৰ বিষয়াৰ কাৰ্যালয়, ছমৰীয়া উন্নয়ন খণ্ড, নগৰবেৰা আৰক্ষী চকী, নগৰবেৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, পশু চিকিৎসালয়, বন বিষয়াৰ কাৰ্যালয় ডাকঘৰ, গড়কাপ্তানী পৰিদৰ্শন ভৱন আদি চৰকাৰী অনুষ্ঠানবোৰ প্ৰতিষ্ঠা হোৱাত নগৰবেৰা আঞ্চলিক মৌজা কমিটিৰ প্ৰচেষ্টা অতি প্ৰশংসনীয়।

নগৰবেৰা ঐতিহ্যপূৰ্ণ ঘটনাৰে অতি চমকী আৰু গৌৰৱমণ্ডিত, যিবোৰৰ বিষয়ে আমি আজিও সবিশেষ জানিবৰ অৱকাশ নাই। ঐতিহ্যপূৰ্ণ স্মৃতি আৰু ঘটনাবোৰ সুপ্ত অৱস্থাত, নজনাকৈ বৈ আছে। সেই ঐতিহ্যপূৰ্ণ বিষয় কেইটামানৰ কথা তলত চমুকৈ বৰ্ণনা কৰা হ'ল।

ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামত নগৰবেৰা বাসীৰ ত্যাগ আৰু অৱদান অতি মহান আৰু উল্লেখনীয়। ভাৰতবৰ্ষক বিদেশী ইংৰাজৰ কবলৰ পৰা মুক্ত কৰিবলৈ ভাৰতৰ বিভিন্ন প্ৰান্তত ইংৰাজ বিৰোধী আন্দোলন ব্যাপক ৰূপত গঢ়ি উঠিছিল। ভাৰতৰ তথা অসমৰ অইন অইন অঞ্চলৰ জন সাধাৰণৰ দৰে নগৰবেৰাৰ স্বাধীনতা প্ৰেমী জন সাধাৰণেও এই আন্দোলনত পূৰ্ণ সহযোগিতা আগবঢ়াইছিল। আন্দোলনত লিপ্ত হোৱা মানুহবোৰক ধৰি আনি ইংৰাজ সকলে নগৰবেৰাৰ কৰনৈ নৈৰ পানীত বান্ধি ভীষণ শাস্তি দিছিল। স্বৰ্গীয় অতুল মেধি, গজেন্দ্ৰ নাৰায়ন ঠাকুৰীয়া আৰু গোপাল দাস 'প্ৰমুখ্যে ইংৰাজ

বিৰোধী আন্দোলনকাৰী সকলে অকথ্য নির্যাতন ভুগিবলগীয়া হৈছিল। এই মহান স্মৃতি যাউতি-যুগীয়া কৰি ৰখাৰ উদ্দেশ্যে কৰনৈ নৈৰ পূব পাৰে আৰু নগৰবেৰাৰ পুৰণি বাজিক চিকিৎসালয়ৰ সন্মুখত ৰাইজে এটি 'স্মৃতি স্তম্ভ' নির্মাণ কৰিছে। প্ৰত্যেক বছৰে স্বাধীনতা দিৱসৰ দিনা জনতাই উক্ত পবিত্ৰ স্মৃতি স্তম্ভত প্ৰণাম জনাই স্বাধীনতা সংগ্ৰামত প্ৰাণ আহুতি দিয়া ছহিদ সকলক শ্ৰদ্ধাৰে সোঁৱৰে। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসত উক্ত স্মৃতি স্তম্ভই নগৰবেৰাৰ স্বাধীনতা প্ৰেমী সকলৰ অমৰ আৰু মহান ত্যাগৰ এটি জ্বলন্ত চানেকি দাঙি ধৰিছে।

নগৰবেৰা অঞ্চল শিক্ষা-দীক্ষাত ৰাস্তা-ঘাট, আৰু অৰ্থনৈতিক দিশত তুলনামূলক ভাবে অইন অঞ্চলতকৈ পিছপৰা হ'লেও পুৰণি ঐতিহ্যৰ ক্ষেত্ৰত ই অতি প্ৰসিদ্ধ আৰু অসম বুৰঞ্জীত এক গৌৰৱমণ্ডিত স্থান অধিকাৰ কৰি আছে। অসম বুৰঞ্জীত কুখ্যাত মানৰ আক্ৰমণৰ সময়ত আহোম স্বৰ্গদেউ গৌৰীনাথ সিংহই সৈন্য সামন্ত লৈ ভাটিৰফালে ভটিয়াই যোৱাৰ সময়ত নগৰবেৰালৈ আহি নগৰবেৰাত নগৰ পাতি কিছুদিনৰ বাবে আশ্ৰয় লৈ আছিল। তেতিয়াৰ পৰা এই ঠাইখনৰ নাম 'নগৰবেৰা' নামেৰে জনাজাত। আহোম ৰজাই নগৰবেৰাত পুখুৰী খান্দিছিল ১৭৯২ চনত। পাহাৰপাৰা আৰু পুখুৰী পাৰাৰ পুখুৰী দুটাই তাৰ জলন্ত প্ৰমাণ। নগৰবেৰাৰ উত্তৰ পশ্চিম ফালে অসম বুৰঞ্জী খ্যাত ফুলবা-চতলা, হাদিৰা চকী আৰু মানাহ বা বৰনদীৰ অৱস্থান। এই হাদিৰা চকীত প্ৰতাপী আহোম ৰজা আৰু মোগল সেনাৰ মাজত তুমুল যুদ্ধ সংঘটিত হৈছিল। আহোম ৰজাৰ হাতত মোগলৰ সৈন্যই শোচনীয় পৰাজয় বৰণ কৰি সন্ধি কৰে। তেতিয়াৰ পৰা বৰনদী আহোম আৰু মোগল সাম্ৰাজ্যৰ সীমা নির্ধাৰিত হয়। নগৰবেৰাৰ মুছলমান পাৰা পুৰণি কলীয়া স্মৃতিৰে অতি চহকী। নগৰবেৰাৰ পুৰণি মছজিদৰ ওচৰত 'মাই থান' অতি প্ৰসিদ্ধ। এই অঞ্চলৰ হিন্দু সকলেও 'মাই থানক' ধৰ্মীয় পবিত্ৰ স্থান বুলি গণ্য কৰে। নগৰবেৰাৰ পুৰণি মছজিদত পিপৰা ফকিৰ নামৰ এজন অতি জ্ঞানী, গুণী, শিক্ষিত সাধক পুৰুষ আছিল। এনিশা পিপৰা ফকিৰে কাষৰ জলজলি নদীয়েদি ভাহি অহা দুটা ঢোলৰ এটা ধৰি ৰখাৰ ইঙ্গিত পায়। পিছ দিনা পুৱা ফকিৰে ৰাইজক তেওঁৰ সপোনৰ কথা বিৱৰি ক'লে আৰু ৰাইজক ঢোলটো ধৰিবলৈ নদীৰ পাৰলৈ যাবলৈ নিৰ্দেশ দিলে। ফকিৰৰ নিৰ্দেশমতে ৰাইজে বৰ আগ্ৰহেৰে নদীৰ পাৰত ঢোলৰ অপেক্ষাত থিয় হৈ থাকে, আৰু কিছু সময় পাছত সঁচাকৈয়ে দুটা ঢোল ভাহি অহা দেখিলে। তাৰে এটি নদীৰ কাষেদি আৰু আনটো নদীৰ সোঁমাজেৰে ভাহি অহা দেখা পায়। বৰ আনন্দৰ কথা যে তেওঁলোকে নদীৰ কাষেদি ভাহি অহা ঢোলটো ধৰিলে কিন্তু আনটো ঢোল উটি গ'ল। উক্ত ঢোলটো নগৰবেৰা মুছলমান পাৰাৰ মছজিদত এতিয়াও আছে। নানা ঠাইৰ মানুহে ঢোলটো চাবলৈ নগৰবেৰাৰ মছজিদলৈ আহে। এই ঢোলটো

আজিও এক আপুৰুগীয়া বস্তু হৈ আছে।

নগৰবেৰাৰ পূব ফালে পাহাৰ পাৰাত অৱস্থিত বুঢ়াগোঁসাই বা সদাশিৱৰ থানখন অসমৰ এখন পুৰণি থান। থানখনৰ বৈশিষ্ট্য আৰু বিশেষত্ব মন কৰিবলগীয়া। নগৰবেৰাৰ অঞ্চল বাসীৰ মাজত এই থানখন 'সদা-শিৱৰ থান' নামেৰে পৰিচিত। আদিতে থানখন নগৰবেৰা পাহাৰৰ টিলাৰ ওপৰত আছিল বুলি শুনা যায়। নগৰবেৰা পাহাৰ আৰু ইয়াৰ নামনি হাবি-বননিৰে ভৰি আছিল। ইয়াত মানুহৰ বসতি নাছিল। কথিত আছে যে এজন গাৱৰ মানুহে সপোনৰ নিৰ্দেশমতে কেইজনমান মানুহ লগত লৈ হাবি-বননি কাটি বাট উলিয়াই পাহাৰত গৈ উপস্থিত হয়। তেওঁ তাত আশ্ৰম পাতি পূজা-পাতল কৰি থাকে। ইয়াৰ কিছুদিন পাছত আকৌ সপোনত সদা-শিৱে গাৱঁৰ জনক ক'লে —"মই পাহাৰৰ ওপৰত আছোঁ।" লগতে তালৈ কেনেকৈ যাব লাগে তাৰো উপায় বুজাই দিয়ে। তেওঁ পাহাৰৰ ওপৰলৈ আৰোহণ কৰে। তাত তেওঁ দীৰ্ঘদিন পূজা পাতল কৰি থাকে। গাৱঁৰজন বৃদ্ধ হোৱাত তেওঁ সদাশিৱৰ ওচৰত প্ৰাৰ্থনা জনালে যে "মই পাহাৰৰ ওপৰলৈ গৈ আপোনাক পূজা-পাতল দিবলৈ অক্ষম।" সদাশিৱে আকৌ সপোনত নিৰ্দেশ দিলে—"তুমি আজিৰ পৰা পাহাৰৰ ওপৰলৈ আহিব নেলাগে আৰু কালি ৰাতিপুৱা গা-পা ধুই শুচি হৈ পাহাৰৰ নামনিত থকা কটা বাঁহ জোপাৰ ওচৰলৈ গৈ বাঁহ জোপাক ঠেলামাৰি দিবা। বাঁহ জোপা পৰি গ'লে তাৰ গাতত মই আবিৰ্ভাৱ হ'ম। তুমি তাত পূজা-পাতল কৰি থাকিবা।" তেতিয়াৰ পৰাই উক্ত ঠাইত সদাশিৱৰ পূজা-পাতল দুইবেলা নিয়মিত ভাবে চলি আছে। তাৰোপৰি বছৰে বছৰে দৌল যাত্ৰা, শিৱৰাত্ৰি আৰু সকলো বিহুত তাত নাম-কীৰ্ত্তন হৈ থাকে। মন্দিৰৰ প্ৰায় চাৰি ফুট মান তলত সদাশিৱ পাৰ্বতী, গনেশৰ শিলৰ মূৰ্ত্তি বৰ্ত্তমান। কথিত আছে যে আহোম ৰজা স্বৰ্গদেউ গৌৰীনাথ সিংহই থানৰ পানীৰ অভাৱ মোচনাৰ্থে এটা ডাঙৰ পুখুৰী খান্দি দিয়ে। [ইং ১৯৮৮ চনত নগৰবেৰা নিবাসী শ্ৰীপঞ্চানন মেধি দেৱৰ জ্যেষ্ঠ পুত্ৰ শ্ৰীমহানন্দ মেধিয়ে এটা পকী মন্দিৰ সজাই দিয়াত থান খনৰ গাম্ভীৰ্য আৰু আকৰ্ষণীয়তা অধিক বৃদ্ধি পাইছে।]

নগৰবেৰাৰ পশ্চিম প্ৰান্তত অৱস্থিত 'মালঙ্গা সত্ৰ' অসমৰ এখন পুৰণিকলীয়া বুৰঞ্জী প্ৰসিদ্ধ সত্ৰ। অসমৰ ধৰ্মীয় ইতিহাসত মালঙ্গা সত্ৰই বিশেষ স্থান অধিকাৰ কৰি আছে। গুৰুজনাই বৈকুণ্ঠ লাভ কৰাৰ প্ৰায় সাতবছৰ পূৰ্বে বৰপেটা সত্ৰ আৰু পাটবাউসী সত্ৰৰ দায়িত্ব তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱক গতাই দি প্ৰতাপী কোঁচৰজা নৰনাৰায়ণৰ ৰাজ সভাত আশ্ৰয় লয়গৈ। উল্লেখ আছে যে ঠিক সেই সময়ত মালঙ্গা সত্ৰৰ পৰা কংসাৰী ভূঞা নামৰ এজন সৎ ব্যক্তি ডাহু ধানৰ বিধান বিচাৰি জনিয়া নিবাসী নাৰায়ণ দাস ঠাকুৰ আতাৰ ঘৰ নাৱেৰে গৈ পায়। আতাৰ ঘাটত নাও লগাই ৰাতি নাৱত তেওঁ 'ভক্তি ৰত্নাৱলী' নামৰ পুথিখন অতি মনোযোগেৰে সুৰ

লগাই পঢ়ি থাকে। ঠাকুৰে তেওঁৰ পত্নীক সুধিলে যে কোনে ইমান সুৰলা সুৰেৰে পুথি পঢ়ি আছে? আৰু তেওঁক সিধা দিয়া হৈছে নে নাই? ঠাকুৰে গৈ কি পুথি পঢ়িছে সুধিলে। পাছত ঠাকুৰে আকৌ ভূঞাক সুধিলে যে তেওঁ পুথি ৰচক জনক স্বচক্ষে দেখিছেনে? দেখা নাই যদি ইচ্ছা কৰিলে তেওঁক চাব পাৰে। কংসাৰী ভূঞাক আতাই লগত লৈ বৰপেটালৈ যায়। তাত শ্ৰীমাধৱ দেৱৰ দৰ্শন লাভ কৰি কংসাৰীয়ে তেওঁৰ ওচৰত শৰণ লয়। শৰণ লোৱাৰ পাছত তেওঁৰ গুৰু মাধৱ দেৱক দক্ষিণ পাৰলৈ এবাৰ আহিবলৈ টানি অনুৰোধ জনায়। শ্ৰীমাধৱদেৱে কংসাৰী ভূঞাক মালঞ্চালৈ উভতি গৈ তাত এটি কীৰ্ত্তন ঘৰ সাজি ভকত সকলক লৈ হৰিৰ নাম গাই থাকিবলৈ উপদেশ দিয়ে। কংসাৰী ভূঞাই বৰপেটাৰ পৰা মালঞ্চালৈ আহি ৰাইজক শ্ৰীমাধৱদেৱৰ কথা বিৱৰি ক'লে আৰু লগতে তেওঁৰ গুৰু শ্ৰীমাধৱ দেৱক নিমন্ত্ৰণ জনাই অহাৰ কথাও ক'লে. শ্ৰীমাধৱ দেৱে এটি কীৰ্ত্তন ঘৰ সাজি নামকীৰ্ত্তন কৰি থাকিবলৈ কোৱাৰ কথাও ক'লে। কংসাৰী ভূঞাৰ কথা শুনি মালঞ্চাৰ ৰাইজে বৰ আগ্ৰহেৰে যথা-যথ ব্যৱস্থা কৰিলে। আনুমানিক খৃঃ ষোড়শ শতিকাৰ শেষ ভাগত মহাপুৰুষ শ্ৰীমাধৱদেৱ মালঞ্চালৈ আহে। মালঞ্চা সত্ৰত গুৰুজনে নিজ হাতে গুৰু-বন্তি প্ৰজ্বলিত কৰে। মাধৱ দেৱে 'নৃসিংহ যাত্ৰা' ভাওনা আদি সম্পাদনা কৰি জনসাধাৰণক আনন্দ প্ৰদান কৰে। যাবৰ সময়ত কংসাৰী ভূঞাক 'বৰ বিষ্ণু আতা' নাম দি সত্ৰাধিকাৰ পাতি থৈ যায়। কথিত আছে যে সেই সময়ত মাৰাত্মক মহামাৰীয়ে দেখা দিয়ে আৰু অনেক মানুহ ইয়াৰ কবলত পৰি মৃত্যু হোৱাত বৰ বিষ্ণু আতা মালঞ্চাৰ পৰা সোণতলীলৈ গৈ তাত সত্ৰ পাতি থাকে। পিছত বিশেষ কাৰণ বশতঃ সোণতলী সত্ৰ ত্যাগ কৰি চমৰীয়ালৈ গৈ তাত সত্ৰ পাতি নিগাজীকৈ থাকে। [কালৰ গতিত মালঞ্চা সত্ৰ ধ্বংস প্ৰাপ্ত হৈ যায় যদিও মৰা গছত নতুন পাত মেলাৰ দৰে উক্ত মালঞ্চা সত্ৰৰ কাৰ্য পুনৰ আৰম্ভ হয় ইং ১৯৩২—৩৩ চনত। বৰ্তমানে সত্ৰৰ নামত বাৰ বিঘা মাটি আছে। পুৰণা ভেটিত পুনৰ নামঘৰ এটি নিৰ্মাণ কৰা হৈছে। বৰপেটা নিবাসী শ্ৰীভাৰত চন্দ্ৰ দাসদেৱে বৰ্তমান স্থানীয় আঞ্চলিক ৰাইজৰ সহযোগত সত্ৰৰ নতুন গৃহৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰিছে। সত্ৰৰ নিৰ্মাণ কাৰ্যই ভালেখিনি অগ্ৰগতি লাভ কৰিছে। সত্ৰৰ লগতে পুখুৰী এটিও আছে। বছৰে বছৰে মাঘী পূৰ্ণিমাত বৰ বিষ্ণু আতাৰ তিথিত সত্ৰত উৎসৱ উদ্‌যাপন কৰা হয়। তদুপৰি দুয়োবেলা নাম কীৰ্ত্তন হৈ থাকে। চমৰীয়া সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীঅচ্যুতানন্দ অধিকাৰী দেৱৰ ৰচিত পুথিত মালঞ্চা সত্ৰৰ কথা আছে। ন-দি ক'ব পাৰি ৰাইজৰ পূৰ্ণ সহযোগিতা আৰু যত্নত মালঞ্চা সত্ৰ এসময়ত অসমৰ এখন লেখত ল'বলগীয়া সত্ৰলৈ উন্নীত হ'ব।]

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে নগৰবেৰা ঠাইখনত নানা ধৰণৰ ঐতিহাসিক, ধৰ্মীয় অনুষ্ঠান, প্ৰতিষ্ঠান বিৰাজমান। এইবোৰে নগৰবেৰাৰ সৌন্দৰ্য, স্থানীয় বৈশিষ্ট্য আৰু গৌৰৱ প্ৰতিপন্ন কৰে। নগৰবেৰা গৌৰৱমণ্ডিত অতীতেৰে অসম বুৰঞ্জীত উজলি আছে আৰু ভৱিষ্যতেও জোতিমান হৈ ৰওক!

* * *

# মানৱ শিশুৰ সৰ্বাত্মক বিকাশত
# পৰিয়াল আৰু সমাজৰ ভূমিকা

নূৰুণ নাহাৰ বেগম
স্নাতক, ২য় বৰ্ষ (কলা)

সৰু গুটিৰ এটিৰ পৰা যিদৰে গজালি মেলি সময়ত গৈ গা-গছত পৰিণত হয় আৰু ফলেফুলে চৌদিশ ৰমক-জমক কৰি বিশ্ব প্ৰকৃতিৰ কল্যাণ সাধে, ঠিক সেইদৰেই এটি নৱজাত শিশুৰ বিৱৰ্তিত ক্ৰমবিকাশতো নিহিত হৈ থাকে গোটেই মানৱ জাতিৰ অনাগত ভৱিষ্যৎ উন্নতিৰ সম্ভাৱনা। যাৰ বাবেই সন্তান জন্মৰ লগে লগে পিতৃ-মাতৃৰ লগতে অইন-লোকেও আনন্দ লাভ কৰে আৰু সেইবাবেই নৱজাতকে মাতে নতুন পৃথিৱী, সুন্দৰ সমাজ গঢ়িব পাৰে তাৰ কাৰণে পৰিয়ালে শিশুৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশৰ বাবে যথাৰীতি যত্ন লয়। এটি মানৱ শিশুৰ পূৰ্ণ বিকাশ নিৰ্ভৰ কৰে পৰিয়াল আৰু সমাজৰ সুদৃষ্টিৰ ওপৰত।

মনস্তত্ত্ববিদসকলে শিশুৰ শাৰীৰিক আৰু মানসিক বিকাশৰ বাবে সততেই বিশেষ গুৰুত্ব দিয়া দেখা যায়। শিশুৰ শাৰীৰিক বৃদ্ধি (Growth) আৰু মনৰ বিকাশ (Mental Development) দুটা দিশত নিৰ্ভৰ কৰে। এহাতে বংশানুক্ৰমে লাভ কৰা গুণ (heridity) আনহাতে পাৰিপাৰ্শ্বিক অৱস্থা (Environment)-ৰ প্ৰভাৱ। এই দুটাৰ সংমিশ্ৰণেই শিশুৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা দেখা যায়। এই ক্ষেত্ৰত ফ্ৰান্সৰ প্ৰখ্যাত মনীষী ৰুছ'ই শিশুৰ ক্ৰমবিকাশ চাৰিটা ভাগত ভাগ কৰি দেখুৱাইছে। তেওঁৰমতে মানৱ জীৱনৰ জন্মৰ পৰা ৫/৬বছৰ বয়সলৈ শৈশৱ (infancy); ৬ ৰ পৰা ১২ বছৰলৈ বাল্য কাল (Childhood), ১২ ৰ পৰা ১৮ বছৰলৈ বয়ঃসন্ধি (adolescence) আৰু ১৮ বছৰৰ পিছৰ ছোৱা পূৰ্ণ বয়স্ক বা প্ৰাপ্ত বয়স্ক (maturity) কাল। শিশুৰ ক্ৰমবিকাশৰ লগত শিক্ষাৰ সম্পৰ্ক অতি নিবিড়, কিয়নো ক্ৰম বিকাশৰ সময়ত যি শিক্ষা দিয়া যাব সেই শিক্ষাই শিশুৰ ভৱিষ্যৎ জীৱনত সুদূৰ প্ৰসাৰী প্ৰতিক্ৰিয়া কৰিব। পৰীক্ষা মূলক ভাবে বিচাৰ কৰিলে দেখা যায় যে শিশুৰ বিকাশত শিক্ষাৰ ক্ষেত্ৰত বংশগত গুণাৱলীতকৈ পাৰিপাৰ্শ্বিক অৱস্থাই অধিক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে যদিও দুয়ো পৰস্পৰৰ পৰিপূৰক।

প্ৰতিজন শিশুৰ বাবেই মাকেই হ'ল প্ৰথম আৰু প্ৰধান অভিভাৱক। অৱশ্যে এই ক্ষেত্ৰত পিতৃৰ দায়িত্বও কম নহয়। ভূমিষ্ঠ হোৱা কালৰে পৰা শৈশৱ কাল পৰ্যন্ত মাকৰ ওচৰতেই শিশুৱে কাল কটায় আৰু এই সময়-

ছোৱাত সকলো ক্ষেত্ৰতে শিশু পৰনির্ভৰশীল হৈ থাকে। আত্মকেন্দ্ৰিক প্ৰৱণতা এই সময়ত শিশুৰ প্ৰধান বৈশিষ্ট্য। যাৰ বাবে ভোক লাগিলে কান্দে আৰু যথা সময়ত নাপলে ভেন কৰে। সেয়ে এই সময়ত পিতৃ-মাতৃ, বাই-ভনী সকলোৱে সুনজৰ দিয়া অতীব আৱশ্যক। এই সময়ত যদি কাৰোবাৰ প্ৰতি বিৰূপ মনোভাবৰ সৃষ্টি হয় সি ভৱিষ্যতে অতি মাৰাত্মক ব্যাধি ৰূপে দেখা দি শিশুৰ মানসিকতাত আঘাত হানিব পাৰে।

এই সময়ছোৱাতে শিশু অধিক অনুকৰণ প্ৰিয় হয়। অনুকৰণৰ বাবেই শিশুৱে মাটিৰ ঘৰ সজোৱা, ৰন্ধা-বঢ়া কৰা, দৰা-কইনা সজা ইত্যাদি কামবোৰ কোনেও শিকাই নিদিয়াকৈ আপোনাআপুনি কৰে। এনে পৰিবেশৰ মাজেদিয়েই শিশুৱে নিজৰ সংগঠন প্ৰবৃত্তিৰ পৰিচয় দিয়ে। সেয়ে "মণ্টেছৰীয়ে মন্তব্য কৰিছে যে শিশুক এই সময়ত খেল-ধেমালিৰ মাজেদিয়ে শিক্ষা দিয়া সমীচীন। শিশুৰ শাৰীৰিক আৰু মানসিক বিকাশৰ এয়ে উপযুক্ত সময়। এই সময়ত শিশুৱে স্বাধীন ভাবে খোজ কাঢ়িব বিচাৰে, বিভিন্ন বিষয় জানিবৰ বাবে অবান্তৰ প্ৰশ্নৰো অৱতাৰণা কৰা দেখা যায়। সেয়ে এই কোমলমতীয়া শিশুৰ আহাৰ-বিহাৰৰ পৰা আৰম্ভ কৰি সকলো প্ৰকাৰৰ শিক্ষা-দীক্ষাতেই সতৰ্কতা অৱলম্বন কৰা অতীব প্ৰয়োজন।

এই দৰেই শিশুৱে শৈশৱ, বাল্যকাল আৰু বয়ঃসন্ধি কাল অতিক্ৰম কৰি পূৰ্ণ মানৱ জীৱনত পদাৰ্পণ কৰে আৰু স্তৰ বিকাশৰ ক্ষেত্ৰত শিশুৱে বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেদি জীৱন গঢ়িব লগীয়া হয়। সেয়ে বিভিন্ন ঘাত-প্ৰতিঘাত অতিক্ৰমি যাতে পূৰ্ণ মানৱ ৰূপত এজন সু-নাগৰিক হ'ব পাৰে তাৰ বাবে পৰিয়ালৰ লগতে সমাজেও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলগীয়া হয়। দাৰচলতে ঘৰখনে বা পৰিয়ালেই হৈছে শিশুৰ প্ৰধান আৰু গুৰুত্বপূৰ্ণ শিক্ষা অনুষ্ঠান। মাক-বাপেকৰ লগতে পৰিয়ালৰ সকলো সদস্যই এনে অনুষ্ঠানৰ শিক্ষক। জীৱনৰ প্ৰথম শিক্ষা শিশুৱে এই অনুষ্ঠান অৰ্থাৎ পৰিয়ালৰ পৰাই পায়। —অনুকৰণ প্ৰিয়তাৰ যোগেদি মাত-কথা আয়ত্ব কৰাৰ লগতে পৰিয়ালৰ লোকে কৰা আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, ভাল-বেয়া আদৰ্শাদিও শিশুৱে অনায়াসে আয়ত্ব কৰি লয়। সেই বাবেই পৰিয়ালক কেন্দ্ৰ কৰিয়ে পোনতে ব্যক্তিগত অভিজ্ঞতা আদি প্ৰদৰ্শন কৰে। এই ক্ষেত্ৰত মাক বাপেক বা পৰিয়ালৰ লোকে যদি বেয়া বৃত্তি, অসৎ আচৰণ আদি কৰে তাৰ প্ৰভাৱে শিশুৰ ভৱিষ্যৎ জীৱনতো অংকিত নোহোৱাকৈ নাথাকে। এনে প্ৰসংগত ঘৰখনৰ প্ৰতিজন ব্যক্তিয়ে সং আচৰণ আৰু মৰম-স্নেহৰ অনুশাসনৰ জৰিয়তে শিশুক গঢ় দিবলৈ যত্নপৰ নহৈ যদি অতি মৰম আৰু অতি কঢ়া হয় তেন্তে শিশুৰ স্বাভাৱিক বিকাশ বাধাপ্ৰাপ্ত হয় আৰু ভৱিষ্যৎ জীৱন নষ্ট হোৱাৰ সম্ভাৱনা থাকে। সেয়ে মানৱ শিশুৰ বিকাশৰ প্ৰতিটো স্তৰতেই পৰিয়ালৰ প্ৰত্যেকেই সুনজৰ দিয়াতো একান্ত বাঞ্ছনীয়। অন্যথাই শিশুৰ ভৱিষ্যৎ জীৱন অন্ধকাৰৰ আৱৰণে ছানি ধৰাৰ সম্ভাৱনা থাকে।

Man is a social animal. সেয়ে সমাজ মানুহৰ বৰ প্ৰিয়। আদিম কালৰে পৰা মানুহৰ বিভিন্ন সমস্যা সমাধানৰ বাবে সামূহিক ভাৱে প্ৰচেষ্টা চলোৱা দেখা গৈছে। ইয়াৰ লগে লগেই সৃষ্টি হৈছে সমাজৰ আৰু মানৱ সভ্যতাৰ ক্ৰমবিকাশ। শিশু সমাজ এই ক্ৰমবিকাশৰ অন্যতম। কিয়নো মানৱ সভ্যতাৰ সম্পূৰ্ণ ভৱিষ্যৎ নিৰ্ভৰ কৰে কণ কণ শিশুৰ ওপৰতেই। সমাজৰ বঞ্চিত আদৰ্শেৰে শিশুৰ সৰ্বাত্মক বিকাশৰ অন্যতম পন্থাই হ'ল শিক্ষা ব্যৱস্থা। এই ব্যৱস্থা অনুযায়ী আনুষ্ঠানিক ভাবে স্কুল, কলেজ আদিৰ লগতেই আনুষ্ঠানিক ভাবে পুথিভঁৰাল, সংস্থা, সংঘ, পৰিবেশ ইত্যাদিৰ প্ৰয়োজন। মানুহ যিহেতু সমাজৰ অন্যতম উপাদান স্বৰূপ সেয়ে আনুষ্ঠানিক শিক্ষা বিদ্যালয় আদিৰ জৰিয়তে দিয়াৰ লগতেই সমাজৰ আদৰ্শ, জীৱনধাৰা, সংস্কৃতি, পৰিবেশ আদিৰ আনুষ্ঠানিক শিক্ষা দিয়া উচিত।

আজিৰ বিশ্বত জটিল সন্ধিক্ষণৰ সমাজ ব্যৱস্থাত জীৱিকাৰ সমস্যাই যিহেতুকে সৰ্বস্তৰতে স্পৰ্শ কৰিছে, সেয়ে সকৰেপৰা শিশুক কৰ্মঠ আৰু সুনাগৰিক কৰি গঢ়ি তোলাৰ বাবে বৃত্তিমূলক আৰু বাস্তববাদী শিক্ষা দিয়াটো জৰুৰী হৈ পৰিছে। এই ক্ষেত্ৰত পৰিয়ালৰ লগতেই সমাজৰ সচেতন ব্যক্তি মাত্ৰেই পাঠ্যক্ৰম প্ৰস্তুতৰ পৰা আৰম্ভ কৰি সকলো দিশতেই গঠনমূলক পৰামৰ্শ দিয়াটো আৱশ্যকীয় কৰ্তব্য বুলি গণ্য হ'ব লাগে। বিশ্লেষণাত্মক দৃষ্টিৰে বিচাৰ কৰিলে দেখা যায় যে আনুষ্ঠানিক শিক্ষাই এক ক্ষুদ্ৰ অংশহে পূৰণ কৰিবলৈ সমৰ্থ হয়। বাস্তৱ জীৱনৰ শিক্ষা সমাজৰ পৰিবেশ আৰু পাৰিপাৰ্শ্বিক অৱস্থাৰ ওপৰত অধিক নিৰ্ভৰ কৰে। সেইবাবেই বাস্তৱ জগতত শিশুৰ শিক্ষাৰ ক্ষেত্ৰ সমাজৰ সৎ-অসৎ জ্ঞানৰ প্ৰয়োগৰ ওপৰতো নিৰ্ভৰশীল। সমাজক দেখি, শুনি, অনুকৰণ কৰি শিশুৱে বাস্তৱ জীৱনৰ পূৰ্ণ বিকাশৰ অনেক অংশ পূৰণ কৰে বাবেই সমাজৰ প্ৰভাৱো অপৰিসীম।

যিহেতু সমাজৰ প্ৰচলিত ৰীতি-নীতি, চাল-চলনৰ প্ৰভাৱে শিশুক প্ৰভাৱান্বিত কৰে। সেয়ে যদি কোনো সমাজ বা সমাজবাসী সৎ আদৰ্শবান হয়, তাৰ শিশু সকলো নিতান্তই আদৰ্শবান হ'ব বুলি আশা কৰিব পাৰি। আনহাতে অনুকৰণ প্ৰিয় শিশু সুলভ স্বভাৱ হেতু যদি কোনো শিশুৱে সততেই হাই-কাজিয়া, হুলস্থূল, অসৎ বৃত্তি আৰু আচৰণ আৰু সৎ আলোচনাৰ পৰিবৰ্তে সততে চিঞৰ-বাখৰ কৰা দেখিবলৈ পায়, সেইজন শিশু স্বাভাৱিকতেই উদণ্ড হ'ব বুলি অনুমান কৰা হয়। এই শিশু সকলৰ ওপৰতেই কোনো গোষ্ঠী, জাতি, সমাজ বা ৰাষ্ট্ৰৰ ভৱিষ্যৎ নিৰ্ভৰশীল, সেয়ে আমি প্ৰতিজন ব্যক্তিয়েই শিশু সকলক ভৱিষ্যতে সুনাগৰিক হিচাপে গঢ়ি তুলিবলৈ যত্ন কৰা উচিত। ইয়াৰ দ্বাৰা কেৱল এটা গোষ্ঠী বা জাতি বা ৰাষ্ট্ৰৰে মঙ্গল কামনা কৰা নহ'ব, গোটেই মানৱ জাতিৰেই মঙ্গল কামনাৰ লগতে বিশ্বত এখন সুস্থ, সৎ সমাজ কামনা কৰা হ'ব। আৰু এই কামনা প্ৰতিজন ব্যক্তিৰেই থকাটো অতি আৱশ্যক।

★★★

# হবিব তনবীৰৰ 'চৰণ দাস চোৰ'

বিপ্লৱ শৰ্মা বৰপূজাৰী
প্ৰবক্তা, বুৰঞ্জী বিভাগ

উৎপত্তি আৰু ক্ৰমবিকাশ যেনে ভাবেই নহওক লাগিলে নাটকৰ অভিনয়ে যে আনন্দৰ খোৰাক যোগাই সেইটো অনস্বীকাৰ্য। শাৰীৰিক পুষ্টি সাধনৰ লগে লগে মানুহৰ মানসিক বিকাশৰ বাবে খোৰাকৰ প্ৰয়োজন আছে, সেইটো সকলোৱে স্বীকাৰ কৰে। মানুহৰ মনৰ খোৰাক যোগোৱাৰ অন্যতম উপাদান হ'ল নাটক। বৰ্তমানে নাটক অকল আনন্দ প্ৰদানৰ আহিলা হৈ থকা নাই। ই এটি উত্তম গণমাধ্যমত পৰিণত হৈ পৰিছে। দৃশ্য আৰু শ্ৰব্যৰ গুণযুক্ত নাটকৰ জৰিয়তে অতি সহজেই জনতাৰ মাজত সোমাই পৰিব পৰা হৈছে। বৰ্তমানৰ নাট্য আন্দোলন জনমত গঠনৰ সহজ প্ৰক্ৰিয়া হৈ পৰিছে। এই আলোচনাটিত নাটক সম্পৰ্কীয় কথাবোৰৰ অধিক ভিতৰলৈ গতি নকৰি এগৰাকী প্ৰসিদ্ধ নাট্যকাৰ, পৰিচালক তথা অভিনেতাৰ দ্বাৰা পৰিচালিত বিশেষ এখন নাটকৰ বিষয়ে আলোচনা কৰিব খুজিছোঁ। 'নয়া থিয়েটাৰ' নামৰ নাট্যানুষ্ঠানটিৰ জৰিয়তে বিশ্বৰ নাট্য জগতত সুপৰিচিত হৈ পৰা হবিব তনবীৰৰ 'চৰণ দাস চোৰ' নামৰ বিখ্যাত নাটকখনৰ অভিনয় চাই মনলৈ অহা কিছু কথা এই লেখাটিত সামৰিবলৈ প্ৰয়াস কৰিছোঁ। এইখিনি পঢ়ুৱৈ সকলক কাহিনী ভাগৰ লগত চিনাকি কৰি দিব খুজিছোঁ। চমুকৈ নাট খনি কাহিনীটো হ'ল —

চৰণ দাস নামৰ দুৰ্ধৰ্ষ চোৰটোক কৰায়ত্ত কৰিবৰ বাবে চিপাহী-চন্তৰী সদায় পিছত লাগি আছে। তথাপি সি নিত্য নতুন ফন্দিৰে প্ৰেপ্তাৰৰ হাত সাৰি আছে। এনে অৱস্থাতে সি এগৰাকী সাধুৰ দ্বাৰা প্ৰভাৱান্বিত হ'ল। তথাপি সি সাধুৰ ইচ্ছানুসৰি চৌৰ্য বৃত্তি ত্যাগ কৰিবলৈ মান্তি নহ'ল। তাৰ পৰিবৰ্তে চৰণ দাসে সাধুৰ ওচৰত আন কেইটামান প্ৰতিজ্ঞাহে কৰিলে। কাহানিও মিছা কথা নোকোৱা, হাতীৰ পিঠিত উঠি শোভাযাত্ৰাত অংশ গ্ৰহণ নকৰা, সোণৰ পাত্ৰত ভোজন নকৰা, ৰজা নোহোৱা আৰু কোনো কাৰণতে দেশৰ ৰাণীক বিয়া নকৰোৱাৰ শপত লোৱাত সাধু গৰাকী চৰণ দাসৰ ওপৰত বহু পৰিমাণে আশ্বস্ত হ'ল। সাধু গৰাকীয়ে ধৰি লৈছিল যে এটা চোৰে মিছা কথা নোকোৱা মানে চৌৰ্য বৃত্তি ত্যাগ কৰা। কিন্তু প্ৰতিজ্ঞা ভঙ্গ নকৰাকৈ অথচ চুৰি কাৰ্য সুকলমে চলাই থাকি সাধুৰ সকলো

হিচাপ-নিকাচ আউল লগাই দিলে চৰণ দাসে। চৰণ দাসৰ চুৰি কাৰ্য কমক চাৰি ছুগুণে চৰিলহে। এশ গৰু মাৰিলে বাঘৰো মৰণ হোৱাৰ দৰে চৰণ দাসৰো দুৰ্দিন সমাগত হ'ল। ৰাজকোষত হাত দিওঁতে চৰণ দাস ৰাজকোষ ৰক্ষকৰ হাতত ধৰা পৰিল। চৰণ দাসক বিচাৰৰ বাবে ৰাণীৰ সমুখত হাজিৰ কৰা হ'ল। চৰণ দাসৰ দোষ হ'ল সি ৰাজকোষৰ সমুদায় মুদ্ৰা চুৰি কৰিছে। চৰণ দাসে এই অভিযোগৰ আংশিক সত্যতা স্বীকাৰ কৰি ৰাণীৰ ওচৰত আবেদন জনালে যে সি ৰাজকোষত থকা মুদ্ৰাৰ এক নিৰ্দিষ্ট পৰিমাণৰ মুদ্ৰাহে চুৰ কৰিছে। বাকী থকা মুদ্ৰাখিনি ৰক্ষকসকলে ভগাইলৈ সমুদায় ধন চুৰিৰ বদনাম তাৰ ওপৰত জাপি দিছে। এটা চোৰে কোৱা কথাৰ সত্যতাত সন্দেহ কৰি তাৰ কথাত গুৰুত্ব দিয়া হোৱা নাছিল। কিন্তু সি বাৰম্বাৰ কৰা অনুৰোধ উপেক্ষা কৰিব নোৱাৰি ৰাণীৰ হুকুম মতে ৰাজকোষ ৰক্ষকৰ গা তালাচী চলাই তাৰ কথা মতেই মুদ্ৰাখিনি পোৱা গ'ল। গতিকে এনে এগৰাকী সত্যবাদী চোৰ পাই ৰাণী আচৰিত হ'ল। তাক দোষৰ পৰা মুক্তি দি সন্মান জনোৱাৰ উদ্দেশ্যে হাতী সহিতে শোভাযাত্ৰা কৰাৰ দিহা কৰা হ'ল। কিন্তু পূৰ্ব প্ৰতিজ্ঞা সুঁৱৰি চৰণ দাসে তেনে কৰিবলৈ অমান্তি হ'ল। ৰাণীয়ে এই মহান চোৰজনাৰ ক্ষুধা নিবাৰণৰ বাবে সুমিষ্ট আহাৰ যোগান ধৰিলে। যিহেতু খাদ্যৰ পাত্ৰটো সোণৰ আছিল সেয়ে চৰণ দাস আহাৰ গ্ৰহণৰ পৰা বিৰত থাকিল। তাৰ প্ৰতিজ্ঞা পালনৰ একাগ্ৰতাই ৰাণীক বাৰুকৈয়ে অভিভূত কৰিলে. আৰু সেয়ে চৰণ দাসক ৰাজ্যৰ সিংহাসন যচা হ'ল। কিন্তু প্ৰতিজ্ঞাবদ্ধ চৰণ দাসে তেনে কাৰ্যৰ পৰা অব্যাহতি বিচাৰি ৰাণীৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলে। চৰণ দাসৰ ওপৰত সন্তুষ্ট ৰাণীয়ে এনে বিৰল গুণৰ অধিকাৰী ব্যক্তি গৰাকীক স্বামী হিচাপে বাঞ্ছা কৰিলে আৰু চৰণ দাসক এই প্ৰস্তাৱ আগবঢ়ালে। সি এই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিলে। প্ৰতিজ্ঞা পালনৰ সবল মানসিকতাই তাৰ জীৱনলৈ দুৰ্যোগ মাতি আনিলে। ৰাণীৰ পাণি গ্ৰহণৰ প্ৰস্তাৱত সন্মত নোহোৱা বাবে ৰাণীক অপমান কৰা বুলি ধৰি ল'লে। নিজকে লাঞ্চিতা হোৱা বুলি ধৰি লৈ তেওঁৰ প্ৰেম প্ৰত্যাখ্যান কৰি চৰম স্পৰ্ধা প্ৰদৰ্শন কৰাৰ দোষত চৰণ দাসৰ প্ৰতি মৃত্যুদণ্ডৰ আদেশ জাৰি কৰা হ'ল। তথাপি চৰণ দাসৰ প্ৰতিজ্ঞা নললিল। ৰাণীৰ ক্ৰোধৰ বলি চৰণ দাসক মৃত্যুদণ্ড দিয়া হ'ল। চৰণ দাসে হাঁহিমুখে এইদণ্ড গ্ৰহণ কৰিলে। গুৰুৰ আগত কৰা প্ৰতিজ্ঞা পালনৰ বাবেই যে এজন সাধাৰণ চোৰে মৃত্যুকো হাঁহি মুখে আঁকোৱালি ল'ব পাৰে তেনে দৃষ্টান্তই ৰাণীৰ লগতে সমস্ত দেশবাসীক চমক খুৱালে। চৰণ দাসৰ প্ৰতি শ্ৰদ্ধাত সকলোৰে শিৰ নত হ'ল আৰু চৰণ দাসৰ প্ৰতি অতি উচ্চ সন্মান প্ৰদৰ্শন কৰা হ'ল।

এই চমু কাহিনীটোৱেই 'চৰণ দাস চোৰ' নামৰ নাটখনিৰ মূল কথা। উত্তৰ ভাৰতৰ ঠায়ে ঠায়ে চলি থকা এই মুখ বাগৰি অহা কিম্বদন্তীটোকে নাট্যৰূপ দি হবিব তনবীৰৰ পৰিচালনাৰে তেওঁৰেই নয়া থিয়েটাৰে প্ৰায় দহ বছৰৰো অধিক কাল প্ৰাণ পৰশা অভিনয়ৰ দ্বাৰা ভাৰতৰ ভিতৰে বাহিৰে ইয়াক

প্ৰদৰ্শন কৰি ভূয়সী প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে। এই নাটকখনি যিয়ে অন্ততঃ এবাৰ চাইছে তেওঁ ইয়াৰ পৰা বহু কথাই নিশ্চয় শিকিছে। চাবলৈ গ'লে নাটকীয় কাহিনী ভাগত বিশেষ এনে কোনো কথা নাই যিয়ে দৰ্শকৰ হৃদয়ত গভীৰ ৰেখাপাত কৰিব পাৰে, নাট উপস্থাপন ৰীতি, অভিনেতা অভিনেত্ৰীৰ প্ৰাণঢালি কৰা অভিনয়, দক্ষ পৰিচালকৰ দক্ষতা আদিয়েই দৰ্শকৰ মনত প্ৰভাৱ পেলোৱাৰ মূল সোপান। ন্যূনতম মঞ্চ সজ্জাৰে সাধাৰণ সঙ্গীত আৰু পোহৰক বিশেষ প্ৰাধান্য নিদিয়াকৈ পৰিচালকে নাটকখন এখনি মঞ্চ সফল নাট হিচাপে উপস্থাপন কৰিছে। নাটখন উপস্থাপন কৰোঁতে লোককলাৰ প্ৰতি বিশেষ মনযোগ দিয়াটো বাককৈয়ে পৰিলক্ষিত হয়। নাটকৰ কাহিনী চলি থকাৰ লগে লগে গীতৰ মাধ্যমেৰে ঘটনা সমূহৰ বৰ্ণনাভঙ্গীয়ে নাটকখন অধিক প্ৰাণবন্ত কৰি তুলিছে। নাটকৰ ভাষাই দৰ্শকক নাটক বুজি পোৱাত যে হেঙাৰ হৈ দেখা নিদিয়ে সেইটোৰ স্পষ্ট স্বাক্ষৰ চৰণ দাস চোৰে বহন কৰিছে। তদুপৰি সংলাপ মুখস্থ কৰিলেই যে এগৰাকী অভিনেতা বা অভিনেত্ৰী হ'ব নোৱাৰি তাৰ সুন্দৰ আভাস ইয়াত পোৱা যায়। শিল্পী সকলৰ উৎসাহ, উদ্দীপনা, একাগ্ৰতা আৰু শিকাৰ মানসিকতা থাকিলেহে এখন সফল নাট আশা কৰিব পাৰি। 'নয়া থিয়েটাৰ'ৰ প্ৰতি গৰাকী শিল্পীয়েই একো গৰাকী সফল নাট্যকৰ্মী। শাৰীৰিক কচৰতৰ পৰা আৰম্ভ কৰি গীত, নৃত্য আদি সকলোতে প্ৰতি গৰাকী শিল্পীয়েই সমানে পাৰদৰ্শিতা দেখুৱাব পৰাটো কম কথা নহয়। আটাইতকৈ মন কৰিবলগীয়া কথা এইটোৱেই যে প্ৰত্যেক গৰাকী শিল্পীয়ে আনৰ সহায় নিবিচৰাকৈ মঞ্চ সজ্জাৰ পৰা আৰম্ভ কৰি সকলোখিনি নিঃসংকোচে কৰিবলৈ যোৱাটো। নাটকখনৰ ক্ষেত্ৰত আন এটা কথা উল্লেখ নকৰিলে দোষ হ'ব, সেইটো হ'ল মূক অভিনয়। নাটকখনৰ কেইবা ঠাইতো মূক অভিনয়ৰ সফল প্ৰয়োগ কৰিছে। মূক অভিনয় ঠিকমতে প্ৰদৰ্শন কৰিব নোৱাৰিলে কাহিনীৰ গতিত আউল লগাৰ ভয় থাকে। 'নয়া থিয়েটাৰ'ৰ শিল্পীসকল সম্পৰ্কে আন এটা কথা হ'ল - এই শিল্পীসকল উচ্চ প্ৰশিক্ষণ প্ৰাপ্ত পেশাদাৰী শিল্পী নহয়। সৰহ সংখ্যক শিল্পীয়েই গ্ৰাম্যাঞ্চলৰ। আজীৱন নাট্যকৰ্মী হ'লেও তেওঁলোকে শস্য সিঁচা আৰু শস্য চপোৱাৰ সময় ছোৱাত পথাৰত কাম কৰে। আৰু বাকীছোৱা সময় নাটকৰ লগত জড়িত হৈ থাকে। অতি সামান্য পাৰিশ্ৰমিকেৰে নাট্যকৰ্মী সকলে দীৰ্ঘদিন ধৰি একোটা পৰিয়ালৰ দৰে চলি আহিছে।

শেষত ইয়াকে ক'ব পাৰি যে হবিব তনবীৰৰ দৰে নাট্যকাৰ, পৰিচালক তথা অভিনেতা এজনৰ সৃষ্টিক সমালোচনা কৰিবলৈ যোৱাটো আমাৰ পক্ষে ধৃষ্টতাহে। তেখেতে নিজৰ ধৈৰ্য আৰু সৃষ্টিশীল মানসিকতাৰ দ্বাৰাই এই নাট্যদলটি হ্ৰৰণ-ভগন নোহোৱাকৈ জীয়াই ৰাখিব পাৰিছে। মুঠৰ ওপৰত বিশ্বনাট্য আন্দোলনলৈ হবিব তনবীৰৰ উল্লেখযোগ্য অৱদান আছে। নাট্য জগতৰ লগত প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে জড়িত সকলৰ বাবে হবিব তনবীৰ প্ৰেৰণাৰ উৎস হৈ ৰওক। ★★★

# ঃবিষ্ণুৰাভাৰ জীৱন আৰু চিন্তাধাৰাঃ

শশী কলিতা
উঃ মাঃ, ২য় বৰ্ষ (কলা)

বিষ্ণু ৰাভাদেৱ আছিল একেধাৰে শিল্পী, কবি, গীতিকাৰ, সুৰকাৰ, গায়ক, নৃত্যবিদ, নাট্যকাৰ, বাগ্মীবৰ, খেলুৱৈ, অভিনেতা, মঞ্চ পৰিচালক, চিত্ৰ পৰিচালক, ইতিহাসবিদ, চিত্ৰকৰ, ৰাজনীতিজ্ঞ ইত্যাদি। তেখেতৰ শিল্পী সত্বা নিজৰ ব্যক্তি সত্বাৰ লগত বিলীন হৈ গৈছিল। সংস্কৃতি সমালোচক হেমাঙ্গ বিশ্বাসে ৰাভাদেৱৰ শৈল্পীক চেতনাক মূল্যায়ণ কৰি কৈছিল –"শিল্পীসত্বা আৰু ব্যক্তি সত্বাৰ সমন্বয়তেই ৰাভা আছিল মহান তথাপি তেওঁৰ ব্যক্তিত্বই তেওঁৰ শিল্পী সত্বাক ঢেৰ পেলাইছে"। বিষ্ণু ৰাভা সংগ্ৰামী বৈপ্লৱিক শিল্পী আছিল। তেখেতে নিজেই কৈ গৈছে—"সংগ্ৰাম বাদ দিলে মোৰ জীৱন দুৰ্বিসহ"।

কলাগুৰু বিষ্ণু ৰাভাৰ জন্ম হয় ১৯০৯ চনৰ ৩১ জানুৱাৰীত। তেখেতৰ জন্মস্থান হ'ল বাংলাদেশৰ ৰাজধানী ঢাকা। দেউতাকৰ নাম আছিল গোপাল ৰাভা আৰু মাকৰ নাম আছিল গেথি ৰাভা। দেউতাক আছিল আসাম ৰাইফল্ছ বাহিনীৰ চুবেদাৰ মেজৰ। দেউতাকে ১৯১৭ চনত অৱসৰ লৈ স্থায়ীভাবে তেজপুৰত থাকিবলৈ লয়।

বিষ্ণুৰাভাই ঢাকাতে প্ৰাথমিক শিক্ষা শেষ কৰি তেজপুৰত চতুৰ্থ শ্ৰেণীত ভৰ্ত্তি হয়। ১৯২৬ চনত তেজপুৰৰ পৰা প্ৰথম বিভাগত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতাৰ চেণ্টপল কলেজত I Sc. শ্ৰেণীত নাম ভৰ্ত্তি কৰে। তাত ৰাভাদেৱে থাকোঁতে খেলুৱৈ হিচাপে সুন্দৰ খেল প্ৰদৰ্শন কৰিছিল। ফলস্বৰূপে সেই কলেজৰ ক্ৰিকেটৰ কেপ্তেইন নিৰ্বাচিত হৈছিল। ১৯২৮ চনত I.Sc. পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতাৰ ৰিপন কলেজত B.Sc. পঢ়িবলৈ লয়। সেই কলেজত উচ্চমানৰ খেল প্ৰদৰ্শন কৰি ভূয়সী প্ৰশংসা লাভ কৰে। নিজ প্ৰতিভাৰ বলতেই সেই কলেজতো ফুটবলৰ কেপ্তেইন হিচাপে নিৰ্বাচিত হৈছিল। কলিকতাৰ কলেজত অসমীয়া ছাত্ৰৰ পক্ষে এয়া আছিল প্ৰথম সন্মান। কিছুদিন পাছত তেখেত

কোঁচবিহাৰৰ ভিক্টোৰিয়া কলেজলৈ আহিল। কোচবিহাৰত থাকোঁতেই আকৃষ্ট হ'ল স্বদেশী আন্দোলনৰ প্ৰতি আৰু ছাত্ৰ সমাজৰ নেতা হৈ পৰিল। বিষ্ণু ৰাভাই ১৯৩১ চনত কোচ বিহাৰত ৰাজভৱনৰ প্ৰধান দুৱাৰ মুখত ৰিজেণ্ট হাচিন্দাৰ আৰু দেবাল খাস্ত-গীৰৰ বিৰুদ্ধে চাৰিশাৰী বঙলা কবিতা লেখি আঁৰি দিলে —

"ৰাজ্যে আছে দুইটি পাঠা
একটি কালো একটি চাদা
ৰাজ্যেৰ যদি মঙ্গল চাও
দুইটি পাঠাই বলি দাও" ॥

এজন অসমীয়া ছাত্ৰই এনে সুন্দৰ কবিতা লেখি প্ৰহৰীৰ চকুত ধূলি মাৰি একেবাৰে ৰাজদুৱাৰত আঁৰি অহাটো ভাবিব নোৱাৰা কথা। ১৯৩৩ চনৰ পৰা ১৯৪০ চনলৈ ৰাভাদেৱৰ ধ্যান ধাৰণা আছিল অসমীয়া সংস্কৃতিক পুনৰ উজ্জীৱিত কৰা। ৰংপুৰৰ মহাবিদ্যালয়ৰ এটা অনুষ্ঠানত তলত দিয়া গীতটো গাই ভূয়সী প্ৰশংসা লাভ কৰিছিল। গীতটো হ'ল—

"ৰাঙিয়ে দিয়ে যাওগো এবাৰ
যাবাৰ আগে, আপন ৰাগে,
গোপন ৰাগে
তৰুণ, হাঁসিৰ করুণ ৰাগে"

যৌৱনৰ উত্তাল উৰ্মিত ৰাভাদেৱে এগৰাকী গাভৰুক গভীৰ ভাবে অন্তৰ ভৰি ভাল পাইছিল কিন্তু সেইভাল পোৱাৰ উদ্দেশ্য বিবাহ বা দৈহিক মিলন নাছিল। গাভৰু গৰাকীৰ প্ৰেৰণাৰে তেওঁ সেদিনা প্ৰথমে এটি গীত—

"নাহৰ ফুলে নুশুৱায়
তগৰ ফুলে শুৱাব,
তগৰ ফুলে নুশুৱায়
কপৌ ফুলে শুৱাব"।

অসমীয়াৰ অতীতৰ শৌৰ্য-বীৰ্য সম্ভ... সৌৰৱাই দি শংকৰদেৱৰ আদৰ্শেৰে ন... পুৰুষক অসম গঢ়িবলৈ আহ্বান জনাই গৈ... ছিল এই গীতটো—

"অ' অসমীয়া ডেকা দল
আজি তোৰ তেজাল বদন
মলিন কিয় হ'ল"

ৰাভাদেৱৰ সংগ্ৰামী চেতনা আছি... বস্তুবাদী জ্ঞানেৰে পৰিপুষ্ট। বিষ্ণুৰাভা কেৱ... অসম আৰু ভাৰতৰে নহয়, সমগ্ৰ বিশ্ব... শান্তি আৰু প্ৰগতিশীল মানৱৰ সংগ্ৰা... প্ৰতীক। এখন শ্ৰেণীহীন সমাজ গঠন কৰা আছিল ৰাভাৰ অভিনৱ দৰ্শন। মানৱ স... জত দুটা পৰস্পৰ বিপৰীত শ্ৰেণী আছে শো... আৰু শোষিত। তেখেতে শোষিতৰ মাজত আ... দিব বিচাৰিছিল এক বৈপ্লৱিক চেতনা... সেয়েহে ৰাভাদেৱে সাংস্কৃতিক ভাবে প্ৰকৃতা... শিক্ষিত পৈণত হৈ দিহিঙে দিপাঙে, গাঁৱে ভূঁএে ঘূৰি ফুৰি জনতাক জাগ্ৰত কৰিছি... শাসক শ্ৰেণীৰ বিৰুদ্ধে। তেখেতে কৈছিল— "যিবিলাক ধনী, জমিদাৰ, পুঁজিপতি, ...

বাগিছাৰ মালিক, তেওঁলোকে অসমৰ কৃষ্টি-সংস্কৃতিক উপহাস কৰি নিষ্ঠুৰ আনন্দ লভে। কিন্তু তেওঁলোক জানো অসমীয়া? তেওঁলোক জানো ভাৰতৰ নাগৰিক? তেওঁলোক অসমীয়া নহয়, ভাৰতৰ নাগৰিকো নহয়। পৃথিৱীৰ আন আন দেশৰ এই একে শোষক সম্প্ৰদায়ভুক্ত তেওঁলোক; যাৰ জাতি নাই, দেশ নাই। তেওঁলোকৰ ৰচনা, তেওঁলোকৰ বক্তৃতা, তেওঁলোকৰ সৃষ্টি কেৱল ভুৱা, কেৱল ফাঁকি। তেওঁলোকৰ টকা আছে, ছপাশাল কিনিছে আৰু তাৰেই নিজৰ পক্ষ সমৰ্থনত প্ৰচাৰ কাৰ্য চলাইছে। তেখেতৰ মতে খাটি খোৱা মানুহৰ জীৱন ভিত্তিক শিল্পীৰ প্ৰসাৰৰ সুবিধা হ'লেহে দুৰৱস্থা আঁতৰিব। সৰ্বসাধাৰণে আহল-বহল পৃথিৱীৰ বুকুত চিৰমুক্ত, চিৰ স্বাধীন হৈ উমলি ফুৰিব পাৰিব।

কবি সাহিত্যিক সকল সমাজ নিৰ্মাতা। কবি সাহিত্যিকৰ সাহসৰ দৰকাৰ। সাহসে সাহিত্যৰ ভৱিষ্যতে সু-আদৰ্শ ফুটাই তুলিব পাৰে। সেয়ে জুভিনালে কবিতাৰ প্ৰসঙ্গত কৈছিল—"Anger makes verse." সমাজত যিবোৰ অন্যায় অবিচাৰ চলে তাকে দেখি কবিয়ে তেওঁৰ বুকুত যি ক্ৰোধৰ আবেগ অনুভৱ কৰে তাৰেই তাড়নাত কবিতাৰ সৃষ্টি হয়। ৰাভাদেৱে তলত দিয়া কবিতাটোৰ মাজেদি অন্যায়ৰ প্ৰতিথকা ক্ৰোধৰ উদ্গীৰণ ঘটাইছে—

"ভাঙ, ভাঙ, ভাঙ, ভাঙ,
লোহাৰ শিকলি ভাঙ,
ছিঙ, ছিঙ, ছিঙ, ছিঙ,
দাসৰ বান্ধোন ছিঙ।"

কলাগুৰু ৰাভাদেৱে সোতৰটা ভাষা জানিছিল। সেই ভাষা সমূহ হ'ল- হিন্দি, বঙলা, বড়ো, মিছিং, ৰাভা, কাৰ্বি, নেপালী, গাৰো, খাছিয়া, নগা, ফৰাছী, আৰবী, উৰিয়া, মণিপুৰী, ভূটিয়া, উৰ্দু আৰু সংস্কৃত।

ৰাভাদেৱে মাৰ্ক্সবাদ আৰু লেলিনবাদ পঢ়ি জাতীয়তাবাদৰ পৰা আন্তঃৰাষ্ট্ৰীয়বাদলৈ উৰ্ধগামী হোৱাৰ লক্ষ্য বহন কৰে। তেখেতৰ গীতৰ ভাষাৰেই—

"বিশ্বৰ ছন্দেছন্দে মহানন্দে আনন্দে
নাচা নাচা অনোহৰ দেউ নাচা।..."

দুৰদৰ্শী বিষ্ণুৰাভাই অসমীয়া সংস্কৃতিৰ মোল বুজি গোড়া জাতীয়তাবাদৰ পৰা-মুক্ত হৈ বৃহৎ অসমীয়া জাতি গঢ়াৰ সপোন দেখিছিল। সেয়ে ৰাভাদেৱে এই সংহতি পূৰ্ণ কথা দোহাৰিছিল— "আজি প্ৰত্যেক অসমীয়াই সংকল্প কৰা উচিত অসমক মৰিবলৈ নিদিওঁ, অসমীয়াক জীণ যাবলৈ নিদিওঁ, অসমীয়া সংস্কৃতিক লুপ্ত হবলৈ নিদিওঁ। অসমৰ বুকুত বৈচিত্ৰ্যৰ মাজত ঐক্যৰ ডোলেৰে জুনাই শক্তিশালী অসমীয়া জাতি গঢ়ি শক্তিমান ন-অসম গঢ়ি সমন্বিত শক্তিৰে সুন্দৰতম ন-অসমীয়া সংস্কৃতি ৰচোঁ আৰু বিদেশীৰ কবলৰ পৰা মাতৃভূমিক মুক্ত কৰোঁ।"

স্বেচ্ছাই বিলাসী জীৱন বিসৰ্জন দিয়া ৰাভাদেৱৰ গাৰ্হস্থ্য জীৱন আছিল অভাৱ ক্লিষ্ট। তথাপি জীৱনত কেতিয়াও অভাৱ অনুভৱ নকৰি জনগণৰ জীৱন ধাৰাৰ সতে মিলি গৈছিল স্বভাৱ সুলভ সৰলতাৰে। তেখেতে অসমৰ গাৱেঁ-ভূঞে গৈ নিস্পেষিত গ্ৰাম্য জীৱনৰ পৰা বুটলি আনিছিল কলা- কৃষ্টি, সংস্কৃতিৰ সঁফুৰা। সাধাৰণ মানুহৰ মাজত থাকি গান গাইছিল, ঢোল, মাদল, খোল বজাইছিল, চিফুঙৰ সুৰে সুৰে নাচিছিল, ৰসাল বক্তৃতা দিছিল। এনেদৰে যুৱক-যুৱতী, বুঢ়া-বুঢ়ী সকলোকে আপোন কৰি লৈ তেওঁ অসমীয়া কৃষ্টি-সংস্কৃতিক মৰ্মে মৰ্মে অনুভৱ কৰিছিল। সেই সন্দৰ্ভত ৰাভাই কৈছিল “এনে এটা বিৰাট জাতিৰ কৃষ্টি, সংস্কৃতি সভ্যতাৰ দান সামান্য নহয়, যথেষ্ট। কিন্তু এই কৃষ্টি সংস্কৃতি ধনী অসমীয়াৰ হাতত নাই, চকল নগৰীয়া প্ৰাণত নাই, আছে দুখীয়া হজুৱা, হালোৱা, বনুৱা অসমীয়া গাৱঁলীয়া হিয়াৰ অন্তঃস্থানত।”

১৯৬৮ চনৰ শেষৰ ফালে ৰাভাদেৱ কৰ্কট ৰোগৰ দ্বাৰা আক্ৰান্ত হয়। সেই চনৰে ২৮ ডিচেম্বৰ তাৰিখে তেখেতক বোম্বাইৰ টাটা কেন্সাৰ ইনষ্টিটিউটত ভৰ্ত্তি কৰা হয়। ১৯৬৯ চনত মে' মাহৰ শেষ সপ্তাহৰ কোনো তাৰিখে কাৰোবাৰ বিয়াৰ নিমন্ত্ৰণী চিঠি খনৰ পিছপিনে লেখি থৈ যোৱা এই গীতটোৱেই ৰাভাৰ কলমৰ অন্তিম গীত।

“এয়ে মোৰ শেষগান
মোৰ জীৱন নাটৰ শেষ ৰাগিণী
কল্যাণ থৰ মান”

বোম্বাইৰ পৰা দুমাহ পিছত ৰাভাদেৱক গুৱাহাটীলৈ অনা হয় আৰু কেইদিনমান পিছত তেখেতক তেজপুৰৰ নিজা ঘৰলৈ নিয়া হয়। কিন্তু নিজা বাসভৱনৰ পৰাই নিষ্ঠুৰ নিয়তিয়ে ১৯ জুনৰ ২-৫০ বজাত কাঢ়ি লৈ গ'ল অসম মাতৃৰ বুকুত ফুলি থকা এপাহি সুগন্ধি ফুল, নুমাই গ'ল জ্বলি থকা এক শিল্পী জীৱনৰ বন্তি। আই অসমীৰ ডিঙিৰ পৰা এটি উজ্জ্বল মণি ছিগি পৰিল। স্তব্ধ হৈ গ'ল কৃষ্টিৰ এটি বোঁৱতী নিজৰা। বিষ্ণু ৰাভা আৰু নাই কিন্তু তেওঁৰ কালজয়ী স্মৃতি, সৌৰভ ৰৈ গ'ল। তেখেতৰ সৃষ্টিৰ মাজতেই আমি বিচাৰি পাম এক নতুন বিষ্ণুক।

★★★

[প্ৰবন্ধটো যুগুতাওতে কেইখনমান কিতাপ আৰু আলোচনীৰ সহায় লোৱা হৈছে]

# আধুনিক অসমীয়া দেশপ্ৰেমমূলক কবিতা ঃ এটি বিহঙ্গম দৃষ্টি

এম, ফজলুৰ ৰহমান
স্নাতক ৩য় বৰ্ষ (কলা)

কবিতা কবিৰ মানস সৃষ্টি। কবিয়ে যেতিয়া তেওঁৰ আবেগ অনুভূতিক শব্দৰ মায়াজালেৰে আবদ্ধ কৰি পাঠকৰ অন্তৰ স্পৰ্শ কৰিবলৈ সক্ষম হয় তেতিয়াই তেওঁৰ লেখাই কবিতা আখ্যা পায়। কবিৰ লগত মানৱ সমাজৰ অতি নিবিড় সম্বন্ধ। মানৱ সমাজৰ বিভিন্ন কাৰ্যকলাপ, আচাৰ-ব্যৱহাৰ, ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক বা আন কোনো আবেগিক ভাব আদি বিভিন্ন দিশ কবিৰ ভাষাত আত্মপ্ৰকাশ কৰে। যেতিয়া কবিৰ সেই ভাবধাৰা সমাজে অন্তঃকৰণেৰে গ্ৰহণ কৰে তেতিয়াই কবিৰ বাণী সমাজৰ কাৰণে মহৎ বাণী হৈ পৰে। কবিতাৰ এটি প্ৰধান সুৰ হ'ল দেশপ্ৰেম। কবিয়ে স্বদেশৰ প্ৰতিথকা প্ৰেম কবিতাৰ মাজেৰে প্ৰকাশ কৰি পাঠককো দেশ প্ৰেমত উদ্বুদ্ধ কৰিবলৈ প্ৰয়াস কৰে।

অসমীয়া ভাষাতো যথেষ্ট সংখ্যক দেশপ্ৰেমমূলক কবিতা ৰচিত হৈছে। এই কবিতা সমূহে কবিতাৰ ভঁৰাল চহকী কৰাৰ লগতে কবিৰ দেশপ্ৰেমেৰে পাঠক-হৃদয়ো আলোড়িত কৰি আহিছে। এই প্ৰবন্ধটিত আধুনিক কালত অসমীয়া ভাষাত ৰচিত দেশপ্ৰেমমূলক কবিতাক বিহঙ্গম দৃষ্টিৰে চাব খোজা হৈছে।

খৃঃ ঊনবিংশ শতিকাৰ প্ৰায় মাজ ভাগত খৃষ্টান মিছনেৰী সকলৰ দ্বাৰা প্ৰকাশিত 'অৰুণোদই' কাকতৰ যোগেদি আধুনিক অসমীয়া সাহিত্যৰ ভেটি স্থাপন হয়। অৱশ্যে প্ৰকৃত আধুনিক সাহিত্যৰ সৃষ্টি হয় হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আদিৰ যোগেদিহে। সেই সময়ৰ পৰা সাম্প্ৰতিক কাললৈকে সাহিত্যৰ আন আন অঙ্গৰ লগতে কবিতাৰো বিকাশ ঘটিছে। সেই সময়ৰ পৰা বৰ্তমানলৈকে দেশপ্ৰেমমূলক কবিতাৰ এটি ধাৰা প্ৰবাহিত হৈ আছে।

আধুনিক যুগৰ তুৰাৰডলিৰ কবি গৰাকী হ'ল অৰুণোদয়তে সাহিত্যিক জীৱন আৰম্ভ কৰা কমলাকান্ত ভট্টাচাৰ্য। তেখেত প্ৰথমতে এজন দেশপ্ৰেমিক তাৰ পিছতহে কবি। তেখেতৰ কবিতাৰ ভাবধাৰা এয়ে যে দেশৰ অতীতৰ কথালৈ জনগণক আঙুলিয়াই দি তাৰ দ্বাৰা জনগণক দেশপ্ৰেমত উদ্বুদ্ধ কৰা। 'চিন্তানল' আৰু চিন্তাতৰঙ্গ' কবিতাৰ পুথিত ভট্টাচাৰ্যদেৱৰ কবিতা সমূহ সন্নিবিষ্ট হৈছে। এই কবিতাবোৰ কবিৰ স্বদেশ প্ৰীতিৰ অগ্নিস্ফুলিঙ্গ স্বৰূপ। কবিয়ে অতীতৰ প্ৰতি শ্ৰদ্ধা নথকা শিক্ষিত সমাজক কুশিক্ষিত বুলি কৈছে আৰু জাতীয় চৰিত্ৰৰ অৱনতি বুলি

আক্ষেপ কৰিছে ঃ

কুশিক্ষিত আজি ভাৰত-সন্তানে
পঢ়িবলৈ এই বুৰঞ্জী আখৰ ;
নিচিনি আপোন পৰক শলাগে !
ই হেন দুৰ্ভাগ্য হায় ভাৰতৰ।

অসমবাসীৰ দুৰৱস্থা দেখি নিজকে ধিক্কাৰ দি কৈছে—

অসম সন্তান হেৰুৱাই জ্ঞান
যেন মৃতপ্ৰায় এমাহ-খাটত।

'অৰুণোদই'ৰ পিছতে 'জোনাকী'ৰ যোগেদি আত্মপ্ৰকাশ কৰা অন্যতম কবি হ'ল চন্দ্ৰকুমাৰ আগৰৱালা। স্বদেশপ্ৰীতিমূলক কবিতা সংখ্যাত কম যদিও আগৰৱালাদেৱৰ স্বদেশ প্ৰীতি অতি গভীৰ আৰু অপৰিসীম বুলি ক'লে সত্যৰ অপলাপ নহয়। কাৰণ অসমৰ প্ৰতি, অসমীয়া ভাষাৰ প্ৰতি গভীৰ অনুৰাগ আৰু শ্ৰদ্ধাৰ ভাৱ থকাৰ বাবেই তেখেতে দেহে কেহে অসমীয়া সাহিত্যক সমৃদ্ধ কৰিবলৈ চেষ্টা কৰিছিল। 'অসমা-সুষমা' গীতটোৰ মাজেদিয়েই কবিৰ গভীৰ স্বদেশপ্ৰীতিৰ পৰিচয় পোৱা যায় ঃ

অসমা-সুষমা-কানকৰ্পা
জয়তু জননী ধৰিত্ৰী-দুহিতা !
হিমাচলোত্তুঙ্গ উদীচি দিশা
জীমূত-ভূত-সলিলা
লোহিত্য-মধ্য-প্ৰৱাহ শীলা
জয়তু জননী ধৰিত্ৰী-দুহিতা ..........

অসমীয়া সাহিত্য আকাশৰ এক উজ্জ্বল নক্ষত্ৰ হ'ল লক্ষ্মীনাথ বেজবৰুৱা। "বেজবৰুৱাৰ সাহিত্য কৃতিতকৈয়ো তেওঁৰ ব্যক্তিত্বই অসমীয়া ভাষা সাহিত্যৰ গতিপথ 'সুজান কাণ্ডাৰী' ৰূপে প্ৰায় আঢ়ৈ কুৰি বছৰ নিৰ্ণয় কৰিছিল"। বেজবৰুৱাৰ আটাইবোৰ ৰচনাৰ মূল সুৰ হৈছে জাতীয়তাবোধ। তেখেতৰ কেবাটাও কবিতাৰ মাজেদি গভীৰ স্বদেশপ্ৰীতি প্ৰকাশ পাইছে। তেখেতৰ 'বীণ বৰাগী' নামৰ কবিতাত জাতীয়তাবোধ আৰু আশাবাদৰ অপূৰ্ব সমন্বয় ঘটিছে। তেনে ভাৱ সাহিত্যত দ্বিতীয়বাৰ পাবলৈ নাই। তেখেতে কৈছে —

যদিহে গাইছ,
বদন ফুকনে
কেনেকৈ আনিলে মান ?
কেনেকৈ মৰাণে
আসাম ধ্বংসিলে,
যদিহে গাইছ গান ?
মণিৰাম পিয়লিৰ
মৰণ বাতৰি
যদি তোৰ বীণে গায় ?
মানা কৰ তাক
বৰাগী ককাই ঐ।
শোকে মোক উথলায়।

শেষত গভীৰ আশাৰে সামৰণি মাৰিছে এইদৰে

নতুন প্ৰাণৰ
ন চকুযুৰি
দীপিতি ঢালি দে তাত;
পুৰণি পৃথিৱী
ন-কৈ চাইলওঁ
হে বীণ এবাৰি মাত।

বেজবৰুৱাদেৱৰ পিছতে দেশপ্ৰেমমূলক কবিতাৰ কবি হিচাপে খ্যাতি লাভ কৰা কবি হ'ল অম্বিকাগিৰি ৰায় চৌধুৰী। তেখেতৰ 'অনুভূতি', 'স্থাপন কৰ, স্থাপন কৰ' 'বেদনাৰ উল্কা' আদি কবিতা পুথিৰ কবিতাৰ

মাজেৰে ৰহস্যবাদৰ লগতে স্বদেশপ্ৰীতিও প্ৰকাশ পাইছে। কবি ৰায় চৌধুৰীয়ে কবিতাৰে পৰাধীনতাৰ গ্লানিৰে হতাশাগ্ৰস্ত, দলিত আৰু নিৰ্যাতিত দেশবাসীক মৃত সঞ্জীৱনী সুধাৰে জাগ্ৰত কৰি তুলিবলৈ চেষ্টা কৰিছে। তেখেতৰ কবিতাত এনে ভাৱ ফুটি উঠিছে যে তেখেত যেন অসমীয়া জাতিটোক দেশৰ উন্নতিৰ হকে জগাই তুলিবলৈ দায়বদ্ধ। তেখেতে কৈছে—

শ্ৰান্তি বিহীন কৰ্মধাৰাত
তেজটুপি তোৰ ঢালি ঢালি
সোণ সাৰুৱা কৰি
জন্মভূমিৰ ধূলি বালি
পথাৰ কেথন বীৰ দৰ্পেৰে
তোল সোণেৰে গঢ়ি।

দেশপ্ৰেমমূলক কবিতা ৰচা এগৰাকী আগশাৰীৰ মহিলা কবি হ'ল নলিনী বালা দেৱী। তেখেত মূলতঃ অতীন্দ্ৰিয়বাদী কবি। অতীন্দ্ৰিয়বাদী কবিতাৰ লগতে বহু দেশপ্ৰেমমূলক কবিতাও ৰচিছে। তেখেতৰ কবিতা পুথিত বিশেষকৈ 'জাগৃতি' আৰু 'যুগদেৱতা'ৰ বেছিভাগ কবিতাই স্বদেশানুৰাগেৰে ৰঞ্জিত। তেখেতে জন্মভূমিৰ প্ৰতি থকা গভীৰ অনুৰাগ প্ৰকাশ কৰিছে এইদৰে—

মেলিলোঁ প্ৰথম চকু
তোমাৰ কোলাতে আই
জনমৰ আদিম পুৱাত
মুদিম আকৌ চকু
তোমাৰ কোলাতে শুই
জীৱনৰ শেষ সন্ধিয়াত।

অসমীয়া কাব্য সাহিত্যত প্ৰসন্নলাল চৌধুৰীদেৱৰ বৰঙণি উল্লেখযোগ্য। তেখেতৰ প্ৰায়বোৰ কবিতাই বিদ্ৰোহ ভাবাপন্ন আৰু সেই বিদ্ৰোহৰ অন্তৰালত আছে কবিৰ স্বদেশপ্ৰেম। তেখেতৰ কবিতাৰ ভাৱ যেনে তীব্ৰ ভাষাও তেনে শক্তিশালী। তেখেতে আহ্বান জনাইছে এইদৰে—

তোমাৰ হাতৰ যাদু পৰশেদি
দেখিছোঁ তীক্ষ্ণ ফালৰ আগেদি
যত আৱৰ্জনা পচা দল খাৰ
কৰি দিয়া ভূমি সম্পদ সাৰ
বোকাত ফুলোৱা মৰকত জোতি
সোণৰ ভাৰ!
সমৃদ্ধি শতধাৰ!!

প্ৰখ্যাত কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতা সমূহতো দেশপ্ৰেম বা জাতীয় ভাবধাৰা সুস্পষ্ট ভাবে আমাৰ চকুত পৰে। বৰুৱাদেৱে লেখা 'আগীয়াঠুটিৰ বীৰ' নামৰ কবিতাৰ কথাকে উল্লেখ কৰিব পাৰি। তেখেতৰ দেশপ্ৰেম তথা জাতীয় ভাবধাৰা তলৰ কবিতাফাকিৰ দ্বাৰাই বুজিব পাৰি:

আগিয়াঠুটিৰ গড়ৰ কামত
দৰঙী কোঁৱৰে পাতিছে ৰণ,
হয়বা মৰিব নহ'লে মাৰিব
অসমৰ বীৰে কৰিছে পণ।
দিল্লীপতিৰ অলেখ সেনানী
কত ৰাজপুত পাঠান বীৰ,
কৰোঁ বুলি জয় অসমৰ সেনা
কৰি দিছে আগ আপোন শিৰ।

সেইদৰে 'হে জননী ভাৰতবৰ্ষ' নামৰ কবিতাত কৈছে—

হে জননী ভাৰতবৰ্ষ!
তুমি মোৰ জন্মভূমি, কৰ্মভূমি, তীৰ্থভূমি,
তুমি মোৰ মৰতৰ স্বৰ্গ।

স্বাধীনতা আন্দোলনৰ সময়ত ৰাজনীতিত সক্ৰিয়ভাবে অংশ গ্ৰহণ কৰিও কিছু জাতীয়ভাবৰ কবিতা লেখা কবিজন হ'ল দেৱকান্ত বৰুৱা। স্বদেশৰ প্ৰতি থকা কবিৰ প্ৰীতি এই কবিতা সমূহৰ মাজেৰে সুন্দৰকৈ প্ৰকাশ পাইছে। উদাহৰণ স্বৰূপে কবিৰ 'মোৰ দেশ মানুহৰ দেশ' কবিতাৰ এটি ফাকি উল্লেখ কৰা হ'ল —

মোৰ দেশ মানুহৰ দেশ
উত্তৰে উত্তুঙ্গগিৰি, দক্ষিণে সাগৰ,
শত নদী বুকুৰে বাগৰে
পাৰে পাৰে সাজে ভাঙে কত ইতিহাস
ব্ৰহ্মপুত্ৰ, গোদাবৰী, শিপ্ৰা আৰু গঙ্গা যমুনা
সুন্দৰী ভাৰতবৰ্ষ, ৰূপহী অসম।

অসমীয়া সাহিত্যলৈ দীৰ্ঘকাল ধৰি সাহিত্য চৰ্চাৰে অৱদান আগবঢ়োৱা এগৰাকী বিখ্যাত সাহিত্যিক হ'ল চৈয়দ আব্দুল মালিক। তেখেতে বহুকেইখন সাৰ্থক উপন্যাস লেখাৰ লগতে কিছু সাৰ্থক কবিতাও ৰচিছে। কেইটিমান কবিতাৰ মাজেদি তেখেতৰ গভীৰ স্বদেশানুৰাগ প্ৰকাশ পাইছে। অসম আৰু অসমবাসীৰ প্ৰতি তেখেতৰ ভালপোৱা অসীম। 'আমাক কোনে মাৰে' নামৰ কবিতাৰ যোগেদি অসমবাসীৰ প্ৰতি থকা গভীৰ ভালপোৱা সুন্দৰকৈ ফুটি উঠিছে—

অসমীয়া মৰা নাই, অসমীয়া মৰা নাই,
কোনো কালে নোৱাৰে মৰিব:
লুইতৰ সোঁতে ক'ব, অতীতৰ ভূতে ক'ব
অসমীয়া চিৰঞ্জীৱী চিৰদিন জীৱ।

অসমীয়া কবিতাৰ জগতখন এতিয়া বহুদূৰ আগবাঢ়িছে। পৰিচিত কবিসকলৰ উপৰিও নতুন কবিৰ জন্মলাভ হৈছে আছে। কবিতাৰ মাজেৰে স্বদেশ প্ৰীতি আৰু জাতীয় ভাবধাৰাৰ পৰিসৰো বৃদ্ধি পাইছে। এইখিনিতে ক'ব পাৰি কবিতা হ'ল মুখ্যতঃ হৃদয়ৰ আবেগ, অনুভূতি জড়িত এক অন্তৰৰ বস্তু। সাৰ্থক কবিতা ৰচিবলৈ গভীৰ চিন্তাচৰ্চা আৰু সাধনাৰ প্ৰয়োজন। বৰ্তমান সময়ৰ বহু কবিতা ৰচকৰ লেখাত এনে চিন্তাচৰ্চাৰ অভাৱ পৰিলক্ষিত হয়। সাম্প্ৰতিক কালৰ সাৰ্থক কবিসকলৰ ভিতৰত জনপ্ৰিয় কবি হ'ল শব্দৰ কাৰিকৰ হীৰেণ ভট্টাচাৰ্য। তেখেতৰ কবিতাত বৈপ্লৱিক চিন্তা আৰু গভীৰ স্বদেশানুৰাগ বিদ্যমান। ভট্টাচাৰ্যদেৱৰ এফাকি কবিতাৰে দেশপ্ৰেমমূলক কবিতাৰ এই আলোচনাটি সামৰিব খুজিছোঁ।

মোৰ প্ৰাণৰো প্ৰাণৰ,
মোৰ গানৰো গানৰ, মোৰ দেশ
প্ৰতিটো কামে, মোৰ প্ৰতিটো চিন্তাই
এই দেশৰ বুকুত ৰচে
শইচ সোণোৱালী ভৱিষ্যতৰ সপোন।
মোৰ জীৱনৰ আঁহে আঁহে,
মোৰ যৌৱনৰ কোঁহে কোঁহে,
সেই সপোনৰ কলৰোল।

★★★

# ঃ বিজ্ঞান শিক্ষা আৰু ইয়াৰ সম্প্ৰসাৰণত অসম বিজ্ঞান সমিতিৰ ভুমিকা ঃ

মঃ নুৰ আলম হক
প্ৰৱক্তা আৰু মুৰব্বী, উদ্ভিদ বিজ্ঞান বিভাগ

বিজ্ঞান শিক্ষা মূলতঃ নিস্বাৰ্থ অনুসন্ধিৎসাৰ অভিব্যক্তি। মানুহৰ জিজ্ঞাসাৰ যি প্ৰবৃত্তি, তাৰ পৰিণামতে একালত বিজ্ঞানৰ জন্ম হৈছিল আৰু এই প্ৰবৃত্তিয়েই বিজ্ঞানক আজি আকাশলঙ্ঘী উচ্চতালৈ উন্নত কৰিছে। বিজ্ঞানৰ জন্ম তথা বিকাশৰ মূলতে থাকে সামাজিক প্ৰয়োজনীয়তা।

পুৰণি কালত বিজ্ঞান শিক্ষাক কেৱল পাঠ্যপুথি আৰু গৱেষণাগাৰৰ বিষয় বস্তু হৈ থকাটো বিচাৰিছিল। বিজ্ঞানে শিক্ষা আৰু সংস্কৃতিৰ মাজত সোমাই দুয়োটাকে কলুষিত কৰিব বুলি ভবা হৈছিল। আনকি এটা সময়ত বিজ্ঞান সংস্কৃতিৰ অন্তৰায় হ'ব বুলিও তাতানিৰ সংস্কৃতিৰ বাহকসকল চিন্তিত হৈ পৰা পৰিলক্ষিত হৈছিল।

বিজ্ঞানক গতিস্ৰষ্টা বুলি জানিলেও মানুহে বিভিন্ন সময়ত ইয়াক সেই ৰূপে গ্ৰহণ কৰিবলৈ অনিচ্ছুক হৈছিল। ২য় মহাযুদ্ধ সমাপ্তিৰ পিছত যেতিয়া 'UNESCO' ৰ কল্পনা কৰা হৈছিল, তেতিয়া সংস্থাটো 'UNECO' নামেৰেহে নামকৰণ কৰা হৈছিল- তাত 'S' (scientific) বৰ্ণতো নাছিল। পিছলৈ অৱশ্যে প্ৰবল প্ৰতিৰোধ থকা স্বত্বেও যুক্তৰাষ্ট্ৰৰ প্ৰতিনিধি আৰু 'আৰ্কিবাল্ড ম্যাকলীশ' নামৰ বৈজ্ঞানিক এজনৰ প্ৰভাৱত লণ্ডনৰ প্ৰস্তুতি সমিতিত 'S' বৰ্ণটো সন্নিবিষ্ট কৰা হয়। তেতিয়াৰ পৰাই বিজ্ঞান শিক্ষা সাৰ্বজনীন হৈ পৰে।

বিজ্ঞান শিক্ষা বুলিলে কেৱল মাত্ৰ ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে পঢ়িব বিচৰা পঢ়াশলীয়া পাঠ্যবিষয়কে নুবুজায়। ইয়াৰ পৰিসৰ ইমানেই যে ইয়াৰ শিক্ষাৰ প্ৰকৃতিয়েই সলনি কৰি দিয়ে। বিজ্ঞান শিক্ষাৰ উদ্দেশ্য হ'ল বিজ্ঞানক নিজৰ জীৱন যাত্ৰাত আকোৰালি লোৱা বা বৈজ্ঞানিক দৃষ্টিভঙ্গী সম্পন্ন হোৱা। বিজ্ঞানে প্ৰকৃতিৰ এক সম্পূৰ্ণ অভিনৱ ৰাজ্যৰ দৃশ্য উন্মোচন কৰিছে যাৰ মূল্য নিৰূপণ আৰু প্ৰকাশভঙ্গীৰ বিষয়ে কবি, সাহিত্যিক আৰু শিল্পী সকলে পৰীক্ষা নিৰীক্ষা চলাই যাব ধৰিছে। স্বনামধন্য পৰলোকগত বিজ্ঞানী 'Sir Richard Gregory' ৰ মতে "বিজ্ঞানে কোনো বিশেষ বিশ্বাসক যেনেকৈ তৎকালে গ্ৰহণ নকৰে তেনেকৈ পৰিত্যাগো নকৰে। প্ৰাকৃতিক জগতৰ যিখিনি ইয়াৰ সন্মুখত উপাপিত হয় তাকেই সমালোচকৰ দৃষ্টি-ভঙ্গীৰে পৰীক্ষা কৰি যিটো স্পষ্ট হয় তাকেই লুক-ঢাক বা যোগ-বিয়োগ নকৰাকৈ প্ৰকাশ কৰে"।

সামাজিক প্ৰয়োজনীয়তাৰ খাতিৰতে বিজ্ঞানক আজি ভিন ভিন দিশত অধ্যয়ন কৰিবলৈ লোৱা হৈছে। ফলত পৃথিৱীৰ বিভিন্ন ঠাইত নতুন নতুন শিল্পোদ্যোগ গঢ়ি উঠিছে; বিজ্ঞানৰ লগত ইয়াৰ সম্পৰ্ক নিবিড় হৈ পৰিছে। ওঠৰ শতিকাত ইংলণ্ডত শিল্প বিপ্লৱ গঢ়ি নুঠা হ'লে বিজ্ঞান জগতত সেই সময়ত ইংৰাজ সকলৰ প্ৰতিপত্তি নাথাকিলহেঁতেন। আজি আমেৰিকা যুক্তৰাষ্ট্ৰ, জাপান, আৰু ছোভিয়েত ৰাছিয়াই বিজ্ঞান শিক্ষাত ইমান উন্নতি কৰিব পৰাৰ মূলতে সেই দেশ বিলাকত হোৱা ঔদ্যোগিক প্ৰগতি। ই হ'ল বিজ্ঞান শিক্ষাৰ ব্যৱহাৰিক প্ৰয়োগৰ এটা দিশ। বিজ্ঞানে নাথোঁ ব্যাখ্যা কৰিয়েই সন্তুষ্ট থকা নাই; ই অভাৱনীয় ভাবে পৃথিৱীখনক সলনি কৰি পেলাইছে। একালত ৰজা মহাৰজা সকলে যি সুখ স্বাচ্ছন্দ্যত বাস কৰিছিল তাতোকৈ বহু বেছি স্বাচ্ছন্দ্য এজন উচ্চমধ্যবিত্ত লোকে পাব পৰা হৈছে একমাত্ৰ বিজ্ঞানৰ যাদুকৰী প্ৰভাৱৰ বলতেই।

বিজ্ঞানৰ আন এটা ব্যৱহাৰিক প্ৰয়োগৰ দিশো আছে—আৰু অতিশয় পৰিতাপৰ কথা যে ওপৰত উল্লেখ কৰা দিশটো যিমানেই উজ্জ্বল সেইদৰে উল্লেখ কৰিব খোজা দিশটো সিমানেই এন্ধাৰ আৰু ভয়াবহ। বিজ্ঞান শিক্ষাৰ প্ৰভাৱতেই আজি মানুহে মানুহক হত্যা কৰিব পৰাটো এটা সহজ কাম হৈ পৰিছে। সম্ভৱ হৈ উঠিছে এনে মাৰণাস্ত্ৰ তৈয়াৰ কৰা যাৰ দ্বাৰা এখন চহৰ নিমিষতে ধূলিসাৎ কৰি পেলাব পাৰে, হেজাৰ হেজাৰ লোকক মৃত্যু মুখলৈ ঠেলি পঠাব পাৰে অৱশ্যে এই আধুনিক মাৰণাস্ত্ৰ সমূহ বিজ্ঞানৰেই অৱদান। ইয়াৰ বাবে দায়ী বিজ্ঞান নহয়, দায়ী বিজ্ঞানক কুকামত লগোৱা ৰাজনীতিজ্ঞ নামধাৰী এচাম ধুৰন্ধৰ ব্যক্তিহে। গোটেই বিশ্বত আজি যিটো সময়ত 'Green house' প্ৰতিক্ৰিয়াৰ কাৰণে বিভিন্ন প্ৰকাৰৰ ক্ষতি সাধনৰ সম্ভাৱনাই দেখা দিছে—বায়ুমণ্ডলত এঙাৰগেচ ($CO_2$) ৰ পৰিমাণ বৃদ্ধিয়ে প্ৰজাতিবোৰক জীয়াই থাকিব নোৱাৰাৰ ভাবুকি দিছে; বিশ্বৰ বিভিন্ন প্ৰান্তত প্ৰাকৃতিক দুৰ্যোগ, বানপানী আদিয়ে প্ৰলয়ৰ ৰূপ লৈছে, পাৰিপাৰ্শ্বিক অৱস্থাৰ ভাৰসাম্য ৰক্ষাৰ নিয়মৰ ব্যতিক্ৰম হ'ব ধৰিছে, গোটেই বিশ্বই আজি এক শক্তি সংকটৰ সন্মুখীন হ'ব লগা হৈছে; আনকি জীৱনৰ আবিৰ্ভাৱ আৰু স্থিতি লোৱা গ্ৰহটোত প্ৰজাতি সমূহ ধ্বংস হোৱাৰ উপক্ৰম হৈছে - ঠিক সেইটো সময়তে আমি মানুহ নামৰ সুদক্ষ মগজু আৰু ভাল বেয়া বিচাৰ কৰিব পৰা গুণ থকা সুবিধাবাদী প্ৰাণীবোৰে সৰুসুৰা কথাতে সঘনে যুদ্ধবিগ্ৰহত মাৰাত্মক মাৰণাস্ত্ৰ প্ৰয়োগকৰি আৰু একালৰ চিৰ সেউজী বিনন্দীয়া বনভূমি জধে মধে কাটি সঙ্কুচিত কৰি আজি পাৰিপাৰ্শ্বিকতাৰ ভাৰসাম্য বিনষ্ট কৰিবলৈয়ো কুণ্ঠাবোধ কৰা নাই।

উল্লেখযোগ্য যে এনেকুৱা পৰিবৰ্তন বিলাকৰ কাৰণেই আজি পৃথিৱীৰ বিভিন্ন ঠাইত অতিবৃষ্টি-অনাবৃষ্টিয়ে দেখা দিছে। ঠায়ে ঠায়ে এচিড বৰষুণ (Acid rain) হৈ মাটিৰ উৰ্বৰা শক্তি নাশ কৰিছে। এই ক্ষেত্ৰত ইৰাক, কুৱেইটৰ কথা উনুকিয়াব পাৰি।

পৰিকল্পনাহীন ভাবে যেনিতেনি বিভিন্ন উদ্যোগ গঢ়ি তোলাৰ বাবে বিশ্বৰ ভিতৰতে আজি নেদাৰলেণ্ড (Netherland) বেছিকৈ প্ৰদূষণৰ (Pollution) বলি হ'ব লগা হৈছে। সময়ে বিজ্ঞান শিক্ষাক নীতিভিত্তিক সুপৰিকল্পিত ৰূপত সজাই তুলিলেহে বিজ্ঞান শিক্ষা হ'ব শান্তিৰ তথা প্ৰগতিৰ।

বিজ্ঞান শিক্ষাক শান্তি, প্ৰগতিশীল তথা জনমুখী কৰিবৰ কাৰণে অসম বিজ্ঞান সমিতিয়ে সময়ৰ ঘটনা প্ৰৱাহৰ লগত সংগতি ৰাখি অহোপুৰুষাৰ্থ কৰি আছে। ১৯৫৩ চনত প্ৰতিষ্ঠা হোৱাৰ পিছৰে পৰা বিজ্ঞানক মানুহৰ দৈনন্দিন জীৱন যাত্ৰাত জনপ্ৰিয় কৰি তোলাৰ হকে কাম কৰি গৈ আছে। যোৱা তিনিটা দশকত এই স্বেচ্ছাসেৱী অনুষ্ঠানটোৱে ইয়াৰ বিভিন্ন কৰ্মৰাজিৰ যোগেদি ৰাইজৰ অনুষ্ঠান ৰূপে গণ্য হ'বলৈ সমৰ্থ হৈছে। সমিতিখনে বিজ্ঞান শিক্ষাৰ মানদণ্ডৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। বিজ্ঞানৰ বিশেষ বিশেষ জটিল সমস্যাবোৰ সহজসাধ্য কৰি ছাত্ৰ-ছাত্ৰী তথা সৰ্বসাধাৰণ ৰাইজৰ মাজত প্ৰচাৰ কৰিবৰ কাৰণে বিজ্ঞান সম্বন্ধীয় কিতাপ, আলোচনী, গণিত, সমাজ বিজ্ঞান আদি পুস্তিকা হিচাপে প্ৰকাশ কৰি আছে। এই ক্ষেত্ৰত "বিজ্ঞান জেউতি," 'Journal of the Assam Science Society' ইত্যাদিৰ কথা উল্লেখ কৰিব পাৰি। বিজ্ঞান শিক্ষাক জনমুখী কৰিবৰ কাৰণে ইতিমধ্যে গ্ৰামাঞ্চলৰ শিক্ষানুষ্ঠান সমূহত চাৰি শ মান বিজ্ঞান সংঘ (Science Club) স্থাপন কৰিছে। মেধাৱী ছাত্ৰ-ছাত্ৰী সকলে নিজে ভালপোৱা বিষয় সমূহৰ ওপৰত কাম কৰি যোৱাৰ সুবিধাৰ কাৰণে এটা 'Hobby centre' স্থাপন কৰিছে। সমিতিখনে প্ৰতি বছৰে ছাত্ৰ-ছাত্ৰীৰ মাজত 'বিজ্ঞান প্ৰতিভা অনুসন্ধানৰ' (Science talent search) লেখীয়া বৃত্তিমূলক পৰীক্ষা আদিৰ ব্যৱস্থা কৰিছে। কেন্দ্ৰীয়ভাৱে এটা পুথিভঁৰাল স্থাপন কৰি মূল্যবান বিজ্ঞান সম্বন্ধীয় কিতাপ আলোচনীৰ যোগান ধৰি ছাত্ৰ-ছাত্ৰী তথা সাধাৰণ ৰাইজক বিজ্ঞানৰ ওচৰ চপাই নিবলৈ প্ৰয়াস কৰিছে। বিদ্যালয়, মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী তথা শিক্ষক সকলৰ মাজত কৰ্মশালাৰ আয়োজন কৰি প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা হাতত লৈছে।

ইয়াৰ বিভিন্ন শাখা সমিতিবোৰে নিয়মিত ভাবে বিজ্ঞান শিক্ষাক জনপ্ৰিয়, সহজসাধ্য তথা উদ্দেশ্যমুখী কৰি গঢ়ি তুলিবৰ কাৰণে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত প্ৰশ্নোত্তৰ, আকস্মিক বক্তৃতা, ৰচনা তথা তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰি আহিছে। তদুপৰি বিভিন্ন আলোচনা চক্ৰ (Seminar) তথা বিজ্ঞান সম্বন্ধীয় প্ৰদৰ্শনীৰ (Exhibition on science) আয়োজন কৰি বিজ্ঞান শিক্ষাক সম্প্ৰসাৰণ কৰাৰ প্ৰচেষ্টা লৈছে। বৰ্তমান বিশ্বই সন্মুখীন হোৱা সমস্যাবোৰৰ লগত ৰজিতা খুৱাই সেই সমস্যাবোৰ ছাত্ৰ-ছাত্ৰী তথা সৰ্বসাধাৰণ ৰাইজৰ মাজত সহজ ভাৱে বুজাই দি সেইবোৰৰ নিৰাময়ৰ পন্থা কিছুমান হাতত লৈছে। সমিতিখনে উদ্যোগ লোৱা

এনেকুৱা কেইটিমান দিশৰ কথা উল্লেখ কৰা হ'ল—

১। কেন্দ্ৰীয় সমিতিখনে ইয়াৰ শাখা সমিতিবোৰৰ যোগেদি বিভিন্ন শিক্ষানুষ্ঠানবোৰত পৰিবেশ উন্নয়ন শিবিৰৰ (Eco. development camp) আয়োজন কৰি স্বাস্থ্য ৰক্ষাৰ নিয়মাৱলী যেনে খোৱা পানীৰ প্ৰতি ল'ব লগা সাৱধানতা, মহামাৰী, বানপানী আদি দুৰ্যোগবোৰৰ পৰা কেনেকৈ হাত সাৰিব পাৰি তাক অৱগত কৰি এইবোৰৰ প্ৰতি সচেতন কৰাৰ ব্যৱস্থা হাতত লৈছে।

২। জিলা তথা ৰাজ্যিক পৰ্যায়ত 'National drug policy' ৰ ওপৰত বিভিন্ন তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰা।

৩। বৰ্তমান বিশ্বই সন্মুখীন হোৱা ভয়াবহ পৰিবেশ প্ৰদূষণৰ প্ৰতি সজাগ হোৱা তথা প্ৰাকৃতিক সম্পদখিনিক সৰ্বসাধাৰণ ৰাইজে ব্যৱহাৰ কৰি কেনেকৈ উপকৃত হ'ব পাৰে তাৰ বাবে পৰিবেশ উন্নয়ন শিবিৰ (Eco. development camp) ৰ আয়োজন কৰি পৰিবেশ সংৰক্ষণ (Conservation of Ecology) ৰ বিভিন্ন উপায়ৰ দিহা দিয়া।

৪। বিজ্ঞান তথা কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত গোটেই উত্তৰ পূৰ্বাঞ্চলে সন্মুখীন হোৱা সমস্যাৰাজিৰ অধ্যয়ন তথা গৱেষণা কৰিবৰ কাৰণে ISSAT (Institute of Advanced Study in Science and Technology) নামৰ গৱেষণা কেন্দ্ৰ স্থাপন। ইয়াত ছাত্ৰ-ছাত্ৰী তথা শিক্ষক সকলৰ গৱেষণাৰ কাৰণে ECIL-micro. 32 কম্পিউটাৰ সংস্থাপন কৰিছে।

অসম বিজ্ঞান সমিতিয়ে বিজ্ঞানক নীতিভিত্তিক শান্তি, প্ৰগতিৰ বাবে তথা প্ৰায়োগিক দিশত ব্যৱহাৰ কৰি কেনেকৈ জাতীয় স্তৰত উন্নয়ন সাধন কৰিব পাৰি তাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। সমিতিখনে অসম চৰকাৰৰ শিক্ষা বিভাগ, কলিকতাৰ বিৰলা ঔদ্যোগিক আৰু প্ৰায়োগিক সংগ্ৰহালয় তথা গুৱাহাটী আঞ্চলিক বিজ্ঞান কেন্দ্ৰৰ যুটীয়া উদ্যোগত বিজ্ঞান শিক্ষা, স্বাস্থ্যৰক্ষা, পৰিবেশ প্ৰদূষণ আৰু সংৰক্ষণ, বিভিন্ন আৰ্থসামাজিক সমস্যাসমূহৰ জৰীপ কৰি তাৰ অধ্যয়নৰ দিহা কৰি বিজ্ঞান শিক্ষাৰ সম্প্ৰসাৰণ ঘটাইছে। নীতিভিত্তিক হোৱা বাবেই সমিতিখনে আজি জাতীয় স্তৰত বিজ্ঞান আন্দোলন (National People's Science Movement) ৰ অংশীদাৰ হ'বলৈ সমৰ্থ হৈছে। ★★★

[ প্ৰবন্ধটি যুগুতাওঁতে—'Assam forest bulletin', 'Assam forest'—A profile, 'Science makes sense'— by Ritchie Calder. Hand book of 'Assam Science Society' পুস্তিকা সমূহৰ সহায় লোৱা হৈছে। ]

# গুৱাহাটী বিশ্ববিদ্যালয়

# আন্তঃ মহাবিদ্যালয় ফুটবল টুৰ্ণামেণ্ট, ১৯৯০

## এটি খতিয়ান

ড০ আবুল বাচাৰ
প্ৰৱক্তা, ৰসায়ন বিভাগ

১৯৫২ চনৰে পৰা 'All Assam College Football Competition' আৰম্ভ হয় যদিও বৰ্তমান ইয়াক 'Gauhati University Inter-College Football Tour. nament' বুলিহে জনা যায়। উক্ত প্ৰতিযোগিতাৰ জৰিয়তে খেলুৱৈ বাছনি কৰি গুৱাহাটী বিশ্ববিদ্যালয়ে ১৯৫২ চনত সৰ্ব ভাৰতীয় আন্তঃ বিশ্ববিদ্যালয় ফুটবল প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে আৰু নাগপুৰ বিশ্ববিদ্যালয়ৰ হাতত ২-১ গ'লৰ ব্যৱধানত পৰাজয় বৰণ কৰি 'ৰাণাৰ্চ আপ ট্ৰফী' লাভ কৰে। ইয়াৰ পিছত বিশ্ববিদ্যালয়খনে উল্লেখযোগ্য স্থান লাভ কৰিব পৰা নাই।

প্ৰকৃততে সঙ্গীতৰ দৰে প্ৰত্যেক খেলৰে আন্তৰ্জাতিক ভাষা আছে; ইয়াৰ জৰিয়তে ভাতৃত্ববোধ, সহানুভূতি আদি গঢ়ি উঠে বিভিন্ন ভাষাভাষী, বিভিন্ন অঞ্চলবাসী আৰু বিভিন্ন জাতিৰ মাজত।

নগৰবেৰাৰ নাম বুৰঞ্জীৰ পাততো পোৱা যায়; যদিও বৰ্তমান এই অঞ্চলৰ ৰাইজৰ আৰ্থিক অৱস্থা সন্তোষজনক নহয়। আনহাতেদি, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ৰীড়া আৰু যুৱকল্যাণ পৰিষদে নগদ ১৫,০০০'০০ (পোন্ধৰ হাজাৰ) টকা দিয়ে খেলখন চলাবলৈ। প্ৰতিখন মহাবিদ্যালয়ে খোৱা বাবদ হিচাপে দিয়ে ২৫০'০০ (দুশ পঞ্চাছ) টকাকৈ; মুঠ পৰিমাণ হয় গৈ ২৩,০০০'০০ (তেইশ হাজাৰ) মানহে। কিন্তু সপ্তাহ জোৰা খেল চলাবলৈ, খেলুৱৈ তথা এক ডজনমান বেফাৰীৰ থকা, খোৱা আদিৰ হিচাপ কৰি দেখা গৈছিল যে প্ৰায় এক লাখ টকাৰ প্ৰয়োজন। তথাপি মহাবিদ্যালয় কৰ্তৃপক্ষই টুৰ্ণামেণ্টখন চলোৱাৰ দায়িত্ব লৈছিল এই অঞ্চলৰ ৰাইজৰ সহায় সহযোগিতাৰ ওপৰত বিশ্বাস কৰি আৰু ৰাইজে আশা কৰাতকৈ অধিক সহযোগিতা আগবঢ়োৱা দেখা গৈছিল। কেৱল মাত্ৰ এই কামতে নহয় স্থানীয় মহাবিদ্যালয়খনক এই অঞ্চলৰ ৰাইজে যিকোনো কামতে সক্ৰিয় সহযোগিতা আগবঢ়াই আহিছে।

টুৰ্ণামেণ্টখন চলাবলৈ শ্ৰীযুত পঞ্চানন মেধিক সভাপতি, অধ্যক্ষ শ্ৰীযুত দেৱ প্ৰসাদ শইকীয়াক কাৰ্যকৰী সভাপতি, শ্ৰীযুত-

উৎসৱানন্দ দাসক সম্পাদক হিচাপে আৰু অন্য কিছুমান গণ্যমান্য ব্যক্তিক লৈ এখন অভ্যৰ্থনা কমিটি গঠন কৰা হৈছিল। টুৰ্ণামেন্টৰ যাৱতীয় কাম সুচাৰুৰূপে পৰিচালনা কৰিবলৈ এই অঞ্চলৰ কিছুমান সংগঠনৰ, কাৰ্যালয়ৰ আৰু অন্যান্য কিছুমান ব্যক্তিক অভ্যৰ্থনা কমিটিৰ সভ্য হিচাপে লোৱা হয়। অভ্যৰ্থনা কমিটিখনক কিছুমান উপ-কমিটি (Sub-Committee)ত বিভক্ত কৰা হয়। এই উপ-কমিটি বিলাক হ'ল-Finance and Fund Collection, Accomodation, Coupon Counter, Food and Civil Supplies, Dining Hall Management, Tournament, Field and Drinks, Health and Medical Care, light and Electricity, Music and Cultural, Transport and Volunteer Force, Gate and Pendal Sub committee and Advertisement and Printng sub Committee. উপ-কমিটিবিলাকৰ ভিতৰত আটাইতকৈ আমোদজনক উপ-কমিটি হ'ল Law and Order and Overall Discipline Maintenance. এই উপ-কমিটিখন নিবোদ বৰণ দাস (জ্যেষ্ঠ প্ৰবক্তা আৰু মুৰব্বী, অৰ্থনীতি বিভাগ) মহাশয়ক সভাপতি হিচাপে লৈ গঠন কৰা হয়। উপ-কমিটিবিলাকক সহায় কৰাৰ বাবে ১২৫ জন ছাত্ৰ-ছাত্ৰীক স্বেচ্ছা-সেৱক স্বেচ্ছাসেৱিকা হিচাপে লোৱা হয়।

উল্লেখযোগ্য যে এই উপ-কমিটিবিলাক গঠন কৰা হয় স্থানীয় জ্যেষ্ঠ খণ্ড উন্নয়ন বিষয়া এম. মকিবৰ ৰহমানৰ পৰামৰ্শ মৰ্মে। টুৰ্ণামেন্টৰ সময়ত তেখেতৰ ভূমিকা আছিল স্মৰণীয়। তেখেতৰ সহযোগিতাতহে আমি বাৰ-জন ৰেফাৰী যোগাৰ কৰিবলৈ সক্ষম হৈছিলোঁ।

টুৰ্ণামেন্টৰ সময়ছোৱাত এইখন মহা-বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী সকলে দিনে নিশাই যি কষ্ট স্বীকাৰ কৰিব-লগীয়া হৈছিল তাক কলমৰ দ্বাৰা প্ৰকাশ কৰিব নোৱাৰি। ডাঃ প্ৰহ্লাদ পাঠক, শ্ৰীযুত নৰেণ ডেকা (ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া, নগৰবেৰা থানা) শ্ৰীযুত জগদীশ দাস আৰু নগৰবেৰা অঞ্চলৰ বিভিন্ন বিদ্যালয়ৰ খেল-ধেমালিৰ ভাৰপ্ৰাপ্ত শিক্ষকসকল চিৰ স্মৰণীয় হৈ থাকিব তেওঁলোকৰ অকুণ্ঠ সহযোগিতাৰ বাবে। নগৰবেৰা থানাৰ আটাইবিলাক বিষয়াই শান্তি-শৃংখলা বজাই ৰাখি মহাবিদ্যা-লয় কৰ্তৃপক্ষক যাবতীয় সহায় কৰিছিল। আনকি সীমান্ত নিৰাপত্তা বাহিনী (B.S.F.) ও মটন কৰি ৰখা হৈছিল। নগৰবেৰা প্ৰাথমিক চিকিৎসালয়ৰ ডাক্তৰ তথা অন্যান্য কৰ্মচাৰী সকলেও টুৰ্ণামেন্টলৈ উল্লেখযোগ্য বৰঙণি আগ-বঢ়াইছিল। দিন ৰাতিক তুচ্ছ-জ্ঞান কৰি তেওঁ-লোকে কেম্প পৰিদৰ্শন কৰিছিল। আঘাতপ্ৰাপ্ত খেলুৱৈক অমূল্য সেৱা আগবঢ়াই আহিছিল। কেতিয়াবা Pain Killer লৈ ডাক্তৰ আৰু নাৰ্চক খেলপথাৰৰ মাজলৈ দৌৰি যোৱাও লক্ষ কৰিছিলোঁ। টুৰ্ণামেন্টখনৰ উল্লেখযোগ্য এটা দিশ হ'ল যে ইয়াত কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা ঘটা নাছিল। খেলপথাৰ আৰু কেম্পতো খেলুৱৈসুলভ পৰিৱেশ গঢ়ি উঠিছিল। টুৰ্ণামেন্টখন আৰম্ভ হৈছিল ১৬ চেপ্তেম্বৰ '৯০ তাৰিখৰ পৰা। এইখন মহাবিদ্যা-

লয়ে ইয়াত অংশ গ্ৰহণ কৰিছিল । শেষ মুহূৰ্তত অন্যান্য কেবাখনো মহাবিদ্যালয় যোগদান কৰিবলৈ আহিল যদিও তেওঁলোকক অংশ গ্ৰহণ কৰিবৰ সুবিধা দিব পৰা হোৱা নাছিল সময়ৰ অভাৱত । এইখিনিতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ Sports authorityৰ কাম-কাজৰ হেমাহিক অনিচ্ছা স্বত্বেও উল্লেখ নকৰি নোৱাৰিলোঁ । টুৰ্ণামেণ্টখন আৰম্ভ হোৱাৰ মাত্ৰ এক সপ্তাহ আগতহে তেওঁলোকে খেলৰ স্থান আৰু তাৰিখ ঘোষণা কৰিছিল । কিন্তু এই সপ্তাহটোৰ ভিতৰতে যাৱতীয় ব্যৱস্থা আৰু অতিৰিক্ত ৬৭,০০০'০০ টকা যোগাৰ কৰাটো স্বাভাৱিকতে অসম্ভৱ কাম । তদুপৰি বহুত মহাবিদ্যালয়ে উপযুক্ত সময়ত খবৰ নোপোৱা বাবে খেলত অংশ গ্ৰহণৰ পৰা বঞ্চিত হ'ল, তেওঁলোকৰ ইচ্ছা আৰু অনুশীলনখিনিও অথলে গ'ল ।

টুৰ্ণামেণ্টখনৰ আন এটা বিষয় চকুত পৰিছিল যে, যিখন বজালী মহাবিদ্যালয় আগৰ বছৰত চেম্পিয়ন হৈছিল সেইখন মহাবিদ্যালয়ক প্ৰথম ৰাউণ্ডৰ খেলত খেলিবলৈ দিয়াটো । বজালী মহাবিদ্যালয়ে এই বিষয়ে আপত্তি তোলাত খেলৰ সঞ্চালকজনে গুৱাহাটীৰ পৰা তাঁৰবাৰ্তা পঠাই খেলৰ Fixture খন পৰিবৰ্তন কৰিছিল টুৰ্ণামেণ্ট আৰম্ভ হোৱাৰ দিনটোতহে । এই বিলাক কাৰণত নগৰবেৰা মহাবিদ্যালয়ৰ টুৰ্ণামেণ্ট কমিটি যথেষ্ট বিমোৰত পৰিবলগীয়া হৈছিল । মোৰ বিশ্বাস অসমৰ Sports authority ৰ এনেধৰণৰ মানসিকতাই অসমখন খেলাধূলাত পিছপৰি থকা কাৰণবিলাকৰ ভিতৰত এটা ।

টুৰ্ণামেণ্টখন চলাবলৈ এই অঞ্চলৰ ৰাইজ তথা বিভিন্ন সংগঠন সমূহে যি আৰ্থিক সহায় আগবঢ়াইছিল তাক প্ৰকাশ নকৰাৰ কৃপণালি কৰাৰ মোৰ ক্ষমতা নাই ! টুৰ্ণামেণ্ট কমিটিৰ অৰ্থ পুঁজিলৈ শ্ৰীযুত গৰ্গৰাম দাসে সৰ্বাধিক ৪০৫০'০০ টকা আগবঢ়ায় । সৰ্বনিম্ন বৰঙণি ৫'০০টকা আগবঢ়োৱা ব্যক্তি তিনিজন হ'ল মোঃ কাজিৰ আলী, মোঃ এছ উদ্দিন আৰু শ্ৰী এছ সাহা । উক্ত পাঁচ টকা পৰিমাণৰ ফালৰ পৰা যিয়েই নহওঁক কিয় ইয়াৰ পৰাই বুজা যায় এই অঞ্চলৰ ৰাইজৰ অকুণ্ঠ সহযোগিতাৰ কথা । নগৰবেৰা আঞ্চলিক মৌজা কমিটিয়ে এটা শকত পৰিমাণ ৪০০০'০০ টকা আৰু শ্ৰীযুত পঞ্চানন মেধিয়ে ৩০০০'০০ টকা বৰঙণি হিচাপে আগবঢ়ায় । ইয়াৰ উপৰিও যি সকল ব্যক্তিয়ে একোসাজ ভাতৰ বাবে তিনি হাজাৰ টকাকৈ আগবঢ়ায় সেইসকল ব্যক্তি হ'ল সৰ্বশ্ৰী দেৱপ্ৰসাদ শইকীয়া, অৰুণ তালুকদাৰ আৰু সহকৰ্মীবৃন্দ, আমজাদ আলী মণ্ডল, সদানন্দ দাস, গুৰুপদ সাহা, প্ৰবক্তা ভাৰত কলিতা আৰু প্ৰবক্তা পদ্মিনী ঠাকুৰীয়া (কলিতা) আৰু মাৰোৱাৰী এছোচিয়েচন (নগৰবেৰা) । অঞ্চলটোৰ চাহ বাগিচা আৰু ফৰেষ্ট ৰেঞ্জ অফিচৰ পৰা আৰম্ভ কৰি গাওঁপঞ্চায়তলৈ আটাইবিলাক সংগঠন তথা অনুষ্ঠান প্ৰতিষ্ঠানৰ পৰা এহাজাৰৰ পৰা ডেৰ হাজাৰ টকালৈ বৰঙণি হিচাপে আগবঢ়াই টুৰ্ণামেণ্ট কমিটিক আৰ্থিক দিশত উল্লেখনীয় ভাবে আগুৱাই নিয়ে । এইটো অঞ্চলৰ ৰাইজৰ লগত নগৰবেৰা মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰী সকলেও আৰ্থিক দিশত স্মৰণীয় বৰঙণি

আগবঢ়ায়। পৰিমাণৰ ফালৰ পৰা নগৰবেৰা মহাবিদ্যালয়ৰ অধ্যক্ষ, শ্ৰীদেৱ প্ৰসাদ শইকীয়াদেৱৰ পিছৰ স্থান হ'ল শ্ৰীনিৰোদ বৰণ দাস দেৱৰ।

টুৰ্ণামেণ্টখনৰ আন এটা উল্লেখনীয় দিশ হ'ল ইয়াৰ 'স্মৰণিকা'খন। গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় ফুটবল টুৰ্ণামেণ্ট, ১৯৯০ (নগৰবেৰা) ৰ স্মৰণিকাখন এম, হবিব উল্লাহ (জ্যেষ্ঠ প্ৰবক্তা আৰু মুৰব্বী, আৰবী বিভাগ) আৰু শ্ৰীনগেন্দ্ৰ নাৰায়ণ দেৱান (প্ৰবক্তা, অসমীয়া বিভাগ)ৰ সম্পাদনাত প্ৰকাশ কৰা হয়। তেওঁলোকে অতি খৰধৰ কৰি হ'লেও স্মৰণিকাখন প্ৰকাশ কৰি উলিয়াই টুৰ্ণামেণ্টৰ ফলাফলকে আদি কৰি যাৱতীয় স্মৃতিবোৰ চিৰদিনৰ বাবে খোদিত কৰিলে।

নগৰবেৰা টুৰ্ণামেণ্ট আৰম্ভ হোৱাৰ মাত্ৰ এমাহ আগতে এইখন মহাবিদ্যালয়ত চাকৰিত সোমাওঁ। নগৰবেৰাৰ ওপৰত তেতিয়াও মোৰ সম্যক জ্ঞান নাছিল। এবাৰ সুধিছিলোঁ পেণ্ডেলৰ ২০/২৫ বাণ্ডল টিনপাত, টিউবৱেল আদি মূল্যবান বস্তুবিলাকৰ বাবে ৰাতি পহৰাৰ ব্যৱস্থা নকৰে নেকি? এজনে উত্তৰ দিলে নগৰবেৰাত অনুষ্ঠান-প্ৰতিষ্ঠানৰ বস্তু সাধাৰণতে চুৰি নহয়। আৰু এইটো মই স্বচক্ষে প্ৰমাণো কৰিছিলোঁ। এনেকুৱা সামাজিক ব্যৱস্থা ভাৰতবৰ্ষত বৰ কমেই আছে বুলি মোৰ দৃঢ়বিশ্বাস। ধন্যবাদ এই অঞ্চলৰ মানুহবিলাকৰ সামাজিক সচেতনতাক।

এতিয়া খেলপথাৰলৈ দৃষ্টিপাত কৰা যাওক। আগতেই উল্লেখ কৰিছোঁ যে টুৰ্ণামেণ্টত মুঠতে ৩৪ খন মহাবিদ্যালয়ে অংশ গ্ৰহণ কৰিছিল। ১৬ চেপ্তেম্বৰত উদ্বোধনী খেলখন আছিল নগৰবেৰা মহাবিদ্যালয় আৰু ছয়গাওঁ মহাবিদ্যালয়ৰ মাজত; কিন্তু ছয়গাওঁ মহাবিদ্যালয় অনুপস্থিত থকাত নগৰবেৰা মহাবিদ্যালয়ক জয়ী বুলি ঘোষণা কৰা হয়। উদ্বোধনী খেলখন চাবৰ বাবে হেঁচুৱাৰ পৰা আৰম্ভ কৰি শিমলীতোলাৰ দৰ্শক আহি মহাবিদ্যালয় প্ৰাঙ্গণ জনসাগৰত পৰিণত কৰিছিল। সেয়েহে দৰ্শকৰ মনোৰঞ্জনৰ বাবে আমাৰ মহাবিদ্যালয় আৰু ৰত্নপীঠ মহাবিদ্যালয়ৰ মাজত এখন প্ৰীতি খেলৰ আয়োজন কৰা হয়। এই খেলখনো তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ মাজেৰে ১-১ গ'লত অমীমাংসিত ভাবে শেষ হয়।

উদ্বোধনী খেলখন অমীমাংসিত ভাবে শেষ হোৱাৰ দৰে টুৰ্ণামেণ্টখনৰ সৰ্বমুঠ ৩০ খন খেলৰ ভিতৰত এখন ছেমিফাইনেল আৰু ফাইনেলকে আদি কৰি ৭ খন খেল নিৰ্দিষ্ট সময়ত অমীমাংসিত হৈ থকা বাবে টাইব্ৰেকাৰ (tie breaker)ৰ জৰিয়তে সিদ্ধান্ত ল'ব লগা হৈছিল। খেলসমূহক নগৰবেৰা উচ্চতৰ মাধ্যমিক আৰু মহাবিদ্যালয় খেল পথাৰত সমভাবে চলাবলগীয়া হৈছিল। তথাপি দুয়োখন খেল পথাৰত দৰ্শক উবুৰি খাই পৰিছিল। ২৩চেপ্তেম্বৰত ছেমিফাইনেল খেলদুখন হয় — নলবাৰী বনাম টংলা মহাবিদ্যালয় আৰু কোকৰাঝাৰ বনাম উত্তৰ গুৱাহাটী। নলবাৰীয়ে টংলা মহাবিদ্যালয়ক টাইব্ৰেকাৰৰ মাজেৰে ৭-৬ আৰু কোকৰাঝাৰে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ক একমাত্ৰ গ'লৰ দ্বাৰা পৰাজিত কৰি ফাইনেল খেল খেলিবৰ যোগ্যতা অৰ্জন কৰে। ন

: ১৯৯০ চনৰ গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় ফুটবল টুৰ্ণামেণ্টৰ
সামৰণি উপলক্ষে ইংৰাজী ২৩-৯-৯০ তাৰিখে অনুষ্ঠিত বঁটা বিতৰণী অনুষ্ঠানৰ দৃশ্য :



: গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া আৰু যুৱ কল্যাণ পৰিষদৰ সঞ্চালক ড° প্ৰবীন কুমাৰ দাস
দেৱৰ পৰা চূড়ান্ত বিজয়ী নলবাৰী মহাবিদ্যালয় একাদশৰ খেলুৱৈয়ে বঁটা গ্ৰহণ কৰিছে :



: গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া আৰু যুৱকল্যাণ পৰিষদৰ সঞ্চালক ড° প্ৰবীন কুমাৰ দাসদেৱে বিজিত কোকৰাঝাৰ মহাবিদ্যালয় একাদশৰ খেলুৱৈক বঁটা প্ৰদান কৰিছে :

বাৰী মহাবিদ্যালয়ে ইতিমধ্যেই পাণ্ডু মহাবিদ্যা- লয়ক ৩-২ গ'লত, বিলাসী পাৰা মহাবিদ্যালয়ক ৭-১ গ'লত বি.বৰুৱা মহাবিদ্যালয়ক ৩-২ গ'লত আৰু বজালী মহাবিদ্যালয়ক ২-১ গ'লত পৰাজিত কৰি উভতাই পঠিয়াইছিল । কোকৰাঝাৰ মহাবিদ্যালয়েও মঙ্গলদৈ মহাবিদ্যা- লয়ক ৬-০, হাফলং আৰু বিজনী মহাবিদ্যালয়ক ৫-০ আৰু বৰনা মহাবিদ্যালয়ক ৫-২ গ'লৰ ব্যৱধানত পৰাজিত কৰি ফাইনেলত প্ৰবেশ কৰিছে ।

প্ৰকৃততে ছেমিফাইনেল চলি থকা অৱস্থাতে মই দিল্লীলৈ যাবলগীয়া হৈছিল । দিল্লীত গৈ অসমৰ ছাত্ৰ-ছাত্ৰী সকলৰ আগত মই প্ৰচাৰ কৰি দিলোঁ যে, কোকৰাঝাৰ মহা- বিদ্যালয় জয়ী হৈছে: কাৰণ এ, ডি পি, হাফলং, টংলা মহাবিদ্যালয়কে আদি কৰি কিছুমান ভাল দল ইতিমধ্যেই কেম্পৰ পৰা বিদায় লৈছে । বহুতেই অনুমান কৰিছিল, কোকৰাঝাৰ মহাবিদ্যালয় Unbeatable দল ।

পূজাৰ বন্ধৰ পিছত দিল্লীৰ পৰা উভতি এদিন মই উচপখাই উঠিলোঁ যেতিয়া কথা প্ৰসঙ্গত মোৰ এজন সহকৰ্মীৰ পৰা জানিব পাৰিলোঁ যে, কোকৰাঝাৰ মহাবিদ্যালয় নলবাৰী মহাবিদ্যালয়ৰ হাতত পৰাজয় বৰণ কৰিছে । বহুত প্ৰশ্ন কৰিলোঁ তেওঁক । সাৰমৰ্ম হিচাপে জানিব পাৰিলো যে ফাইনেল খেলৰ দিনা ভীষণ বৰষুণ আছিল খেল পথাৰত পানী আৰু বোকা আছিল বাবে কোকৰাঝাৰ দলে আশানুৰূপ খেল প্ৰদৰ্শন কৰিব নোৱাৰিলে । এজন প্ৰাক্তন খেলুৱৈ হিচাপে সিদ্ধান্তত আহিলোঁ যে, সকলো বতৰত অনুশীলন নথকা বাবে এনে এটা সংযমী দল আশাতীত ভাবে 'ৰাণাৰ্চআপ' ট্ৰফী লৈ উভতি যাব লগা হ'ল । কোকৰা- ঝাৰ মহাবিদ্যালয় ১৯৭৪, ১৯৭৬, ১৯৭৭, ১৯৮১, ১৯৮২, আৰু ১৯৮৪ চনত চেম্পিয়ন হৈছিল । অৱশ্যে নলবাৰী মহাবিদ্যালয়েও যথেষ্ট ভাল খেলা বুলি শুনিছিলোঁ । ফাই- নেল খেলখন ১১ গ'লত ড্ৰ' হোৱা বাবে টাইব্ৰেকাৰৰ দ্বাৰা সিদ্ধান্ত ল'ব লগা হৈছিল । ৭-৬ গ'লৰ ব্যৱধানত নলবাৰী মহাবিদ্যালয় প্ৰথমবাৰৰ বাবে 'চেম্পিয়ন' হয় ।

এটা কথা মই লক্ষ্য কৰিছিলোঁ যে যি সকল খেলুৱৈ ভাল স্বাস্থ্যৰ অধিকাৰী আৰু সংযমশীল তেওঁবিলাকেই সুস্থ খেল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে । তেওঁলোকক খেল আৰম্ভ হোৱা তিনিঘণ্টা আগত আৰু পিছত ধূম-পান কৰা দেখা নগৈছিল । তেওঁ- লোকে কথা কম কয়, আৰু জ্যেষ্ঠক, নিজৰ শিক্ষকক, প্ৰশিক্ষক (Coach) ক সন্মান কৰে, খেল আৰম্ভ হোৱাৰ আগত আশীৰ্বাদ লয়; নিজৰ ইষ্ট দেৱতাক স্মৰণ কৰে ।

এই আন্তঃমহাবিদ্যালয় টুৰ্ণামেণ্টে প্ৰমাণ কৰিলে যে ৰাইজৰ সহযোগিতা নোহোৱাকৈ কোনো ডাঙৰ কাম সমাধা কৰাটো সম্ভৱ নহয় । আমাৰ মহাবিদ্যালয়ে এনে এটা গুৰু দায়িত্ব লৈ এক অভিলেখ সৃষ্টি কৰিলে ; সৃষ্টি কৰিলে এই অঞ্চলত এক খেলাৰ পৰিবেশ । কেৱল এই মহাবিদ্যালয়ৰে নহয়, অঞ্চলটোৰ সুনাম টুৰ্ণামেণ্টৰ ইতিহাসত

জিলিকি থাকিব।

মোৰ এজন সহকৰ্মীৰ লগত হোৱা আলোচনাখিনি উল্লেখ কৰিয়ে লেখাৰ দাবি টানিব খুজিছোঁ। তেওঁৰ মতে টুৰ্ণামেণ্টৰ সপ্তাহটোত মহাবিদ্যালয়খনৰ আশে-পাশে যথেষ্ট সংখ্যক অস্থায়ী দোকান পোহাৰ, হোটেল আদি বহিছিল। তাৰেই সাক্ষ্য হিচাপে মহাবিদ্যালয় 'গেট'ত এতিয়াও এখন নতুন চাহৰ দোকান বৈ আছে। সেই সময়ছোৱাত মানুহৰ মুখত শুনিবলৈ পোৱা গৈছিল যে কোকৰাবাৰ, নলবাৰী, এ ডি.পি., টংলা আদি মহাবিদ্যালয়ৰ খেল কেতিয়া আৰু কোনখন খেলপথাৰত? গোটেই মহাবিদ্যালয় 'কেম্পাছ' লোকে লো ৰণ্য হৈ পৰিছিল, এক হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হৈছিল। কেম্পত সততে তবলাৰ শব্দ, হাৰমণিয়ামৰ 'আৱাজ', বাঁহীৰ সুৰ আদি শুনিবলৈ পাইছিলোঁ। স্বেচ্ছাসেৱক, ছাত্ৰ-ছাত্ৰীৰ পৰা আৰম্ভ কৰি শিক্ষক শিক্ষয়িত্ৰী সকলে আনকি অধ্যক্ষ মহোদয়ো নিজৰ নিজৰ কামত উৎফুল্লতাৰে ব্যস্ত হৈ পৰিছিল। ৰাতিপুৱা পাঁচটাৰ পৰা আৰম্ভ কৰি ৰাতি বাৰটা/এটালৈ কোনো কৰ্মী বহিব পৰা নাছিল। অংক বিভাগৰ এজন প্ৰবক্তা হেনো অচেতন হৈ পৰিছিল শাৰীৰিক ক্লান্তিৰ বাবে। আনকি মই নিজে ৰাতি পৰিশ্ৰান্ত দেহলৈ কোৱাৰ্টাৰলৈ ঘূৰি ভৰি দুখন গৰম পানীত সোমাই ৰাখি কথমপি ৰক্ষা পৰিছিলোঁ। তথাপি তেওঁ লোকে যথেষ্ট উদ্যমেৰে কাম কৰি আছিল। ফাইনেল শেষ হ'ল টুৰ্ণামেণ্ট শেষ হ'ল। পিছদিনাৰ পৰা পূজাৰ বন্ধ। খেলুৱৈ দল বোৰ জয় পৰাজয়ৰ অভিজ্ঞতা আৰু আমেজ লৈতে ঘৰমুৱা হ'ল। কেম্প খালি হ'ল। দোকানীবিলাকে নিজৰ নিজৰ বস্তু-বাহানি লৈ গুচি গ'ল। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলো গ'ল। দূৰ-দূৰণিৰ কৰ্মচাৰীসকলে বাছত বহি টোপনি মাৰি মাৰি আৰু টুৰ্ণামেণ্টৰ স্মৃতি বুকুত বান্ধি লৈ যাব ধৰিলে নিজৰ নিজৰ পৰিয়ালবৰ্গক লগ পোৱাৰ আশাৰে। যিয়েই নহওক, দুদিনমান পিছতেই পূজা চা পাৰিব; টুৰ্ণামেণ্টৰ স্মৃতিক পাহৰি থকাৰ এটা অৱলম্বন পাব। কলেজ কেম্পাছ, মৰিশালিত পৰিণত হ'ল। কেম্পাছত থাকিল বিক্ৰি শূন্যপ্ৰায় হৈ দুখন চাহৰ দোকান, কেইজনীমান গাইগৰু, চুৰাপাতনিত ভুকি থকা কুকুৰবোৰ, কা-কা কৰি থকা কাউৰী এজাক আৰু মহাবিদ্যালয়ৰ ৰখীয়া হৈ থাকিল 'সুধনা কা'। ★★★

[প্ৰবন্ধ লেখক আলোচ্য টুৰ্ণামেণ্টত যোগদান কৰা বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় একাদশৰ প্ৰশিক্ষক আৰু পৰিচালক আছিল।]

# মধ্যপ্ৰদেশৰ 'কান্‌হা' ৰাষ্ট্ৰীয় উদ্যানত এভুমুকি

শ্ৰীহিতেশ চন্দ্ৰ নাথ
স্নাতক, ২য় বৰ্ষ (কলা)

১৯৮৫ ইং চনৰ কথা। তেতিয়া মই দশম শ্ৰেণীৰ ছাত্ৰ। হঠাতে সন্ধিয়াৰ আঞ্চলিক বাতৰিত শুনিবলৈ পালোঁ মোৰ নামটো। হঠাতে তেনেকৈ মোৰ নামটো ৰেডিঅ'ত শুনি আচৰিত হৈছিলোঁ। পিছদিনা 'দৈনিক অসম' আৰু Assam Tribune'ত দেখিবলৈ পালোঁ মই ৰচনা প্ৰতিযোগিতাত (বন্য প্ৰাণী সপ্তাহ উপলক্ষে পতা ৰচনা প্ৰতিযোগিতা) অসমৰ ভিতৰত দ্বিতীয় স্থান লাভ কৰিছোঁ। প্ৰথম স্থান লাভ কৰিছিল কটন কলেজিয়েট স্কুলৰ ছাত্ৰ শ্ৰীদীব্যজ্যোতি গগৈয়ে।

সেই সময়ত অসমৰ মুখ্যমন্ত্ৰী মাননীয় শ্ৰীহিতেশ্বৰ শইকীয়া দেৱ। তেওঁ গুৱাহাটীৰ চিৰিয়াখানাত বিজয়ী প্ৰতিযোগীসকলৰ মাজত বঁটা বিতৰণ কৰে আৰু সেই সভাতে ঘোষণা কৰে যে পুৰস্কাৰ প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক অসম চৰকাৰৰ দ্বাৰা ভাৰত ভ্ৰমণলৈ নিব। মই এই কথা শুনি খুব আনন্দিত হৈছিলোঁ। আমাক ভাৰত ভ্ৰমণলৈ নিয়াৰ মুখ্য উদ্দেশ্য হ'ল— মধ্য প্ৰদেশৰ KANHA NATIONAL PARK দেখুওৱা।

১৯৮৫ চনৰ ফেব্ৰুৱাৰী মাহৰ ৩ তাৰিখে আমাৰ যাত্ৰা আৰম্ভ হয়। আমি অসমৰ পৰা মুঠ ১৬ জন ছাত্ৰ-ছাত্ৰী ভ্ৰমণলৈ যাওঁ।

আমাৰ লগত মুখ্য বন সংৰক্ষক, আৰক্ষী অধীক্ষক, এজন ডাক্তৰ আৰু দুজন পুলিচো গৈছিল। সেইদিনা আবেলি ২-৩০ বজাত 'এলাহাবাদ এক্সপ্রেছ' ৰেলখনত, গুৱাহাটীৰ পৰা আমি বাওনা হওঁ মধ্যপ্রদেশলৈ। প্রথমে মোৰ খুব ভয় লাগিছিল। পাছত যেতিয়া ছাৰ আৰু বন্ধু-বান্ধৱী সকলৰ লগত চিনাকি হৈছিলোঁ, তেতিয়া অৱশ্যে ভাল লাগিছিল। খিৰিকিৰে নতুন নতুন ঠাইবোৰ দেখি আৰু বেছি আনন্দিত হৈছিলোঁ। এটাৰ পাছত এটা ষ্টেচন পাৰ হৈ, নিশা প্রায় ৮-৩০ বজাত আমি পশ্চিমবঙ্গৰ আলিপুৰদুৱাৰত উপস্থিত হওঁ। তেতিয়া ৰাস্তাৰ কাষৰ Street লাইটবোৰ জ্বলি আছিল। লাইটৰ পোহৰত দাৰ্জিলিঙৰ চাহ বাগিছাবোৰ দেখি সঁচাকৈয়ে বৰ ভাল লাগিছিল।

৬ ফেব্রুৱাৰীত আমি মধ্যপ্রদেশৰ জব্বলপুৰত উপস্থিত হওঁ। ৰেলৰ পৰা বেডিংপত্র নমাই আমি প্রেটকৰ্মৰ Guest Houseত ক্ষন্তেক জিৰণি লৈ ১২-৩০ বজাত জব্বলপুৰৰ ৰাজহংস হোটেলত দুপৰীয়াৰ আহাৰ খাওঁ। আবেলি ৫-৩০ বজাত আমি বাছেৰে মধ্যপ্রদেশৰ কান্‌হা ৰাষ্ট্ৰীয় উদ্যানলৈ যাত্রা কৰোঁ। ৰাতি ১ বজাত আমি কান্‌হা ৰাষ্ট্ৰীয় উদ্যানৰ টুৰিষ্ট হাউচত উপস্থিত হওঁ। ছাৰে ঘৰ আৰু কোঠাৰ নম্বৰ কৈ দিয়ে আৰু সেইমতে আমি তালৈ গৈ শুই পৰোঁ।

৭ ফেব্রুৱাৰীৰ দিনা ৰাতিপুৱা ৮ বজাত তিনিখন জীপ গাড়ীৰে আমি Kanha Park চাবলৈ যাওঁ। ১০ বজাত আমি কান্‌হা উদ্যানত উপস্থিত হওঁ। প্রথমে আমি উদ্যানৰ অফিচলৈ গৈ জব্বলপুৰৰ বন সংৰক্ষকক ধৰোঁ আৰু কান্‌হা উদ্যানৰ মিউজিয়াম আৰু কানাহা উদ্যানৰ মেপ চাই বন সংৰক্ষক জনৰ লগত কান্‌হা উদ্যান চাবলৈ যাওঁ।

কান্‌হা উদ্যানৰ ভিতৰত সোমোৱাৰ আগতে দুডাল প্রকাণ্ড শাল গছৰ গেট পাওঁ। এই শালগছ দুডালৰ নাম 'King' আৰু 'Queen'. ইয়েই কান্‌হা পাৰ্কৰ দুৱাৰ মুখ। ১১-৩০ মান বজাত আমি পুনৰ অতিথি গৃহলৈ উভতি যাওঁ। ১২-৩০ বজাত আমি দুপৰীয়াৰ আহাৰ খাই আমি পুনৰ ২-৩০ বজাত কান্‌হা উদ্যান চাবলৈ যাওঁ। আমি কান্‌হা উদ্যানত চাৰি দিন থাকোঁ।

ভাৰতবৰ্ষৰ আন আন ডাঙৰ ৰাষ্ট্ৰীয় উদ্যানবোৰৰ ভিতৰত কান্‌হাও এখন লেখত ল'বলগীয়া ডাঙৰ ৰাষ্ট্ৰীয় উদ্যান। এই উদ্যানৰ প্রাকৃতিক সৌন্দৰ্য অতি মনোৰম। এই উদ্যানত প্রধানকৈ বাঘ, সিংহ, বাইচন (Bison) বনৰীয়া ম'হ, বনৰীয়া কুকুৰ, বনৰীয়া মেকুৰী, নীলগাই, ক'লা হৰিণ, ময়ূৰ চৰাই, নানা ধৰণৰ বান্দৰ আদি দেখিবলৈ পোৱা যায়। মূল্যবান গছ-গছনিৰ ভিতৰত শাল আৰু চেগুনেই প্রধান। কান্‌হা ৰাষ্ট্ৰীয় উদ্যানৰ কিছুমান ঠাইত অতি ঠাণ্ডা আৰু কিছুমানত অতি গৰম ; এই পৰিবৰ্তন এক দুই কিলোমিটাৰৰ দূৰে দূৰে ধৰিব পাৰি। কান্‌হা উদ্যানৰ কিছুমান ঠাই সমতলৰ পৰা বহু ওপৰত।

তেনে এখন ঠাইৰ নাম হ'ল বামুনী দাইদ। এই ঠাইখন সমতলৰ পৰা ২৮০০০ মিটাৰ ওপৰত। ই ভাৰতৰ ভিতৰতে এখন ওখ ঠাই। আবেলি এই ঠাইখনলৈ সূৰ্যাস্ত চাবলৈ বহুত মানুহ যায়। এই ঠাইখিনিলৈ সৰু গাড়ীহে যাব পাৰে। ইয়াত জিৰণি ঘৰ, বন বিভাগৰ কাৰ্যালয়, আৰু দুই এটা মানুহৰ ঘৰ আছে।

১০ ফেব্ৰুৱাৰীত জব্বলপুৰৰ বন সংৰক্ষকে গোটেইবোৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এটা বক্তৃতা দিয়ে আৰু কান্‌হা উদ্যানৰ বিষয়ে বহু কথা কয়। তেওঁ আমাক কান্‌হা উদ্যানৰ বিষয়ে নানা প্ৰশ্নও সোধে। সেইদিনা সন্ধিয়া আমাক জীৱ-জন্তুৰ বিষয়ে এখন চিনেমাও দেখুৱায়। আৰু তাৰ পাছত আমি ৰাতিৰ আহাৰ খাই শুই থাকোঁ।

কান্‌হা ৰাষ্ট্ৰীয় উদ্যান সঁচাকৈয়ে অতি মনোৰম আৰু ডাঙৰ উদ্যান। এই উদ্যান চাবলৈ প্ৰতি বছৰে বহু ঠাইৰ পৰা বহু মানুহ আহে। ভাৰতৰ বাহিৰেও আন বিদেশী ৰাষ্ট্ৰৰ পৰা কান্‌হা উদ্যান চাবলৈ বহু মানুহ আহে। আমি যোৱাৰ সময়ত আমেৰিকাৰ এটা পৰিয়াল লগ পাইছিলোঁ। তেওঁলোকৰ লগত আমি আটায়ে চিনাকি হৈছিলোঁ। তেওঁলোকে লগত এটা কুকুৰো আনিছিল। তেওঁলোকৰ লগত চিনাকি হৈ খুব ভাল লাগিছিল। ১১ ফেব্ৰুৱাৰীত আমি পুনৰ অমনলৈ যাত্ৰা কৰোঁ। বাটতে আমি 'Hot Friend' নামৰ এখন ঠাই চাবলৈ যাওঁ। এই ঠাইখনত এটা ডাঙৰ পুখুৰী আছে। এই পুখুৰীটোৰ পানী ঠাণ্ডা দিনত সদায় গৰম। সেই কাৰণেই হয়তো ঠাইখনৰ নাম 'Hot Friend'. এই ঠাইখন চাই আমি পুনৰ জব্বলপুৰলৈ যাত্ৰা কৰোঁ। দুই বজাত আমি জব্বলপুৰ পাওঁ। জব্বলপুৰলৈ গৈ আমি নৰ্মদা নদীৰ জলপ্ৰপাত আৰু মাৰ্বল পাথৰ চাবলৈ যাওঁ। এই ঠাইখিনি মাৰ্বল শিলৰে পৰিপূৰ্ণ আৰু মাৰ্বল শিলৰ নানা মূৰ্তি, অলঙ্কাৰ আদিৰ সৰু উদ্যোগ গঢ়ি উঠিছে। ইয়াত প্ৰতিদিনে হাজাৰ হাজাৰ মানুহৰ সমাগম হয়। তাৰ পাছত আমি নৰ্মদা নদীখন দুখন পাহাৰৰ মাজেৰে যোৱা ঠাইখন চাবলৈ যাওঁ। ইয়াৰ পিছত আমি পুনৰ জব্বলপুৰ বন্য সংমণ্ডললৈ যাওঁ আৰু তাতে আমাৰ থকাৰ ব্যৱস্থা কৰা হয় কিন্তু মই আৰু মোৰ তিনিজন বন্ধু জব্বলপুৰৰ সম্ৰাট হোটেলত থাকোঁ। পিছদিনা আমি জব্বলপুৰ চহৰখন চাই এলাহাবাদলৈ যাওঁ। ৰাতি দহ বজাত আমি গৈ এলাহাবাদ চহৰ খন পাওঁ। এলাহাবাদৰ 'পূৰ্ণিমা' হোটেলত আমি ৰাতি থাকোঁ। পিছদিনা ৰাতিপুৱা আমি এলাহাবাদ চহৰখন চাওঁ। তাৰপাছত আমাৰ দলটো দুভাগ হৈ এটা ভাগে প্ৰয়াত প্ৰধান মন্ত্ৰী 'ইন্দিৰা গান্ধী'ৰ ঘৰ চাবলৈ যায় আৰু এটা ভাগে (য'তময়ো আছিলোঁ) ত্ৰিবেণী সংগমলৈ যাওঁ।

ত্ৰিবেণী সংগম এলাহাবাদৰ পৰা এক কিলোমিটাৰ মান দূৰত। ই তিনিখন নদীৰ

সঙ্গম স্থল। নদী তিনিখন হ'ল গঙ্গা যমুনা আৰু সৰস্বতী। তিনিখন নদীৰ পানীৰ বৰণ বেলেগ। সংগমৰে পানী ঘোলা, যমুনাৰ পানী নীলা বৰণৰ আৰু সৰস্বতীৰ পানী ফট্‌ফটীয়া। এই ত্ৰিবেণী সঙ্গম ধৰ্ম ক্ষেত্ৰৰ মিলন ভূমি। প্ৰতিদিনে ত্ৰিবেণী সংগম দৰ্শন আৰু তাতস্নান কৰিবলৈ হাজাৰ হাজাৰ মানুহৰ সমাগম হয়। আমিও ত্ৰিবেণী সংগমত স্নান কৰি গংগা নদীৰ পাৰৰ 'হনুমান মন্দিৰ' আৰু 'অক্ষয় বট' চাবলৈ যাওঁ। অক্ষয় বট হ'ল এডাল ডাঙৰ বটগছ। ইয়াৰ তলত (মাটিৰ তলত) অসংখ্য শিলৰ মূৰ্তি আছে। এই গছডালৰ তলত এজন পুৰোহিত থাকে। এই ঠাইখিনি সুৰঙ্গৰ নিচিনা এইবোৰ চাই আমি পুনৰ এলাহাবাদ চহৰ-খন চাবলৈ যাওঁ। তাৰ পাছত আবেলি ৩-৩০ বজাত আমি এলাহাবাদ এক্স'প্ৰেছ ৰেলত উঠি গুৱাহাটীলৈ ৰাওনা হওঁ ২২ ফেব্ৰুৱাৰীত। নিশা ৮ মান বজাত আমি গুৱাহাটী পাওঁ। এনেদৰে মোৰ কুৰি দিনীয়া ভ্ৰমণৰ অন্ত পৰে; কিন্তু সেই যাত্ৰাৰ স্মৃতি মোৰ মনত আজিও সজীৱ হৈ আছে।

★★★

## মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্য নিৰ্বাহক সমিতি

বছৰ : ১৯৯০-৯১ ইংৰাজী



বাওঁফালৰ পৰা (বহি) : আবু খ্বহিদুল ইছলাম (উপ-সভাপতি), অধ্যাপক বিপুল শৰ্মা বৰপূজাৰী (তত্বাৱধায়ক, লঘু-খেল বিভাগ), অধ্যাপক নিবোদ বৰণ দাস (কাৰ্যকৰী - সভাপতি), অধ্যক্ষ দেৱপ্ৰসাদ শইকীয়া (সভাপতি), অধ্যাপক বিপ্লৱ নাগ (তত্বাৱধায়ক, সাধাৰণ ক্ৰীড়া বিভাগ), অধ্যাপক নিৰ্মল কলিতা (তত্বাৱধায়ক, সাংস্কৃতিক বিভাগ), অধ্যাপক শৰৎ চন্দ্ৰ মেধি (তত্বাৱধায়ক, তৰ্ক আৰু আলোচনা), শ্ৰীসুৰেশ কলিতা (সাধাৰণ সম্পাদক)।

বাওঁফালৰ পৰা (থিয় হৈ) : দীপক চৌধুৰী (সম্পাদক, তৰ্ক আৰু আলোচনা বিভাগ), সৌৰভ ভাগৱতী (সম্পাদক, সাহিত্য আৰু আলোচনী বিভাগ), অনুপ সাহা (শ্ৰেণী প্ৰতিনিধি, স্নাতক ১ম বৰ্ষ, বিজ্ঞান শাখা) কন্দৰ্প দাস (শ্ৰেণী প্ৰতিনিধি, স্নাতক ১ম বৰ্ষ, কলাশাখা) শ্বাহ ইউনুছ ৰহমা-তুল্লাহ (সহঃ সাধাৰণ সম্পাদক), শৈলেন ঠাকুৰীয়া (সম্পাদক, সাধাৰণ ক্ৰীড়া বিভাগ), ধৰ্ম কান্ত ঠাকুৰীয়া (সম্পাদক, ক্ৰিকেট), ভুৱনেশ্বৰ মেধি (সম্পাদক, সঙ্গীত বিভাগ), ৰৌফ চাহাব আলী (সম্পাদক, সাংস্কৃতিক বিভাগ), ধীৰাজ বৰ্মণ (সম্পাদক, গুৰু খেল বিভাগ), হোমেন মেধি (সম্পাদক, সমাজ সেৱা বিভাগ), আকন্দ চাহজাহান আলী (সম্পাদক, লঘু খেল বিভাগ) নাজিম হিকমত আলী আহমেদ (সম্পাদক, সাহিত্য আৰু আলোচনী বিভাগ), মোঃ আইনাল হক (শ্ৰেণী প্ৰতিনিধি, উঃ মাঃ ১ম বৰ্ষ, কলাশাখা) মোঃ চাহাব উদ্দিন (সম্পাদক, ছাত্ৰ জিৰণি কোঠা)।

# আলোক চিত্ৰত নথকাসকল

তত্বাৱধায়ক অধ্যাপক-অধ্যাপিকাসকল ক্ৰমে৹ — ৰঞ্জিত কুমাৰ বৰা, এম, হবিব উল্লাহ, গধূলি ঠাকুৰীয়া (কলিতা), নগেন্দ্ৰ নাৰায়ণ দেৱান, বীৰব্ৰত দাস চৌধুৰী, ডঃ আবুল বাছাৰ, আমজাদ হুছাইন, টিকেন পাটোৱাৰী, ।

ছাত্ৰ-ছাত্ৰী বিষয় ববীয়াসকল ক্ৰমেঃ— দীপেন মেধি, ৰোহিলা বেগম, নজৰুল ইছলাম, নুৰুল হক, ধনেশ্বৰ দাস, দুৰ্গেশ্বৰ তালুকদাৰ, আব্বাচ আলী, প্ৰহ্লাদ কলিতা, হিমাদ্ৰী পাঠক ।



# এই ভুল যেন নকৰা দুনাই

(অযোধ্যাৰ ৰাম জনম-ভূমি বাবৰি মছজিদ প্ৰসঙ্গত)

এম, তৈয়্যব আলী
উঃ মাঃ, ২য় বৰ্ষ (কলা)

বন্ধু! তুমিতো জানাই ভগৱান লুকাই আছে
তোমাৰেই অন্তৰৰ নিভৃত কোণত,
তেন্তে কিয় বাক বিচাৰি যোৱা
মন্দিৰ, মছজিদ ?
কোনোবা 'বাবৰে'
ভাঙিলেই যোনবা এটি মন্দিৰ ;
শতাব্দীৰ পিছত আজি কিয় ক্ৰুদ্ধ হোৱা ?
এটা শিলৰ মন্দিৰহে বাবৰে ভাঙিলে,
তোমাৰ 'অন্তৰৰ মন্দিৰ' জানো
কোনোবাই ভাঙিব পাৰিব ?
তেন্তে মছজিদ ভাঙি লাভ ?
সাম্প্ৰদায়িক বিভেদ বহু পুৰণা।
আক ১৯৪৬ ৰ সেই বীভৎস দিনৰ পুনৰাবৃত্তি,
ভুল নকৰিবা, তোমাৰোতো বিবেক আছে,
তুমিতো জানাই হিন্দু মুছলমান
একে মাতৃৰ সন্তান॥ □

[১৯৮৯ ইং চনৰ 'মহাবিদ্যালয় সপ্তাহ' উপলক্ষে পত্‌ কবিতা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত]

# মানৱতা

দিলীপ কলিতা
উঃ মাঃ, ১ম বৰ্ষ (কলা)

প্ৰত্যুষতে বতৰা দিলে সমীৰণে
এক অভিশপ্ত বিগত ৰজনীৰ
সহস্ৰ জনমানৱৰ সৰিছে নয়নৰ নীৰ
মত্তাও বাক হয়নে ইমান নিষ্ঠুৰ ?
স্বাৰ্থৰ জোখেৰে পৰৱীৰ তুলাচনীত
জুখিছা কিয় মানৱতাক ?
কৰি শক্তিকাৰ উন্নত বৌদ্ধিক চেতনাই
মানৱতাক কাঁচী কাঠত ওলোমাই
সঁচাকৈয়ে বাক চিৰদিনে থাপিব'লে
মাগো সন্ত্ৰাসবাদ ?
হে বিজ্ঞান !
নিতে নৱসৃষ্টিৰ অৱদানেৰে
তুমি হেনো জগতৰ
সাধিছা কল্যাণ !
কল্যাণৰ পৰিমাত আজি
ধ্বংসৰ কালিমা সানি
তুমি জানো কৰা নাই উন্নতি
জীৱ শ্ৰেষ্ঠকেই চৰম অপমান ?
প্ৰশ্ন জাগিছে মোৰ,
মানৱ প্ৰেমলা যদি'হয়
ইমানেই মূল্যহীন,
পশুশক্তিৰ প্ৰয়োগ যদি হয়
আক্ৰোশ চৰিতাৰ্থৰ আহিলা
হৃদয়হীন, বিবেকশূন্য
হে কাপুৰুষৰ দল !
আজিও কৰিবানে গৌৰৱ
আমিয়েই শ্ৰেষ্ঠ সৃষ্টি
'মানুহ' বুলি ? □

# এখন পৃথিৱী মোক লাগে

চাহাব উদ্দিন আহমেদ
স্নাতক, ২য় বৰ্ষ (কলা)

এখন পৃথিৱী মোক লাগে
মই জীয়াই থাকিবলৈ,
শীতৰ হিমে ঢকা
এইখন পৃথিৱীত মোৰ স্পৃহা নাই
মই বিচাৰিছো অন্য এক পৃথিৱী
জনতাৰ অশ্ৰু বিননিত উঠা
প্ৰশান্ত মহাসাগৰৰ ঢৌ
মই চাবলৈ বিচৰা নাই।
সভ্যতা, সমাজ যাক কয়
তাত ভাওধৰা ভাৱৰীয়া
ভাও মই চাবলৈ বিচৰা নাই
বিচাৰিছোঁ মাথো—
এখন পৃথিৱী, মই অকলে থাকিবলৈ।
এইখন মানুহৰ সমাজো বিচৰা নাই
পৃথিৱীৰ কোলাহলত
আৰু ভয়াৰহ প্ৰেতাত্মাৰ লগত
মই সহযাত্ৰী হ'বলৈ ভয় কৰোঁ,
মোক লাগে এখন নীৰৱতাৰ পৃথিৱী,
আৰু লাগে অন্ধকাৰৰ অত্যাচাৰ খেদিবলৈ
এটি দীপ্তিময়ী জ্যোতি।
সেই পৃথিৱীত মই জীয়াই থাকিম
বহু কামনাৰে
আৰু সেইখন পৃথিৱী মোক লাগে॥ □



# অন্তৰঙ্গ

অৰ্পণা
স্নাতক, ২য় বৰ্ষ

ওপৰত সুমথিৰা ৰ'দ
আধা শিকা গানৰ কলি এটি গুণগুণাই
মই মোৰ মনৰ মাজত;
কেতিয়াও নেদেখা আলহীক দেখি
মই সুধিছিলোঁ, "আপোনাৰ ঘৰ ক'
—ঘৰ ?,
মোৰ কাণে দুহাত মেলি দি
হুচকুৰে জনাইছিল তেওঁৰ ঘৰৰ ঠিক

এতিয়া মোৰ দুহাত তেওঁৰ বুকুৰ মাজ
বিশ্বাসত ফুলি উঠা মোৰ সকু অন্তৰ
আৰু আবেগত কঁপি উঠা শেতা ওঁঠ
আমাৰ মৰমবোৰ গলি গলি নিজৰা
অস্ফুট সুৰেৰে গানৰ বাকীখিনি
গুণাই আছিল মোৰ কঁপি থকা
ওঁঠ দুখনিৰ মাজেৰে.... □

# আৱেগ

কন্দৰ্প দাস
স্নাতক, ১ম বৰ্ষ (কলা)

যদি মই পালে হেঁতেন
এখনি মুকলি আকাশ
সোণালী আখৰেৰে
মনৰ ভাষাৰে —
আৰু
হৃদয় তুলিকাৰে
লেখিলে হেঁতেন এখনি চিঠি ।
মোৰ ভাষ্যবোৰ
জোন, বেলি, তৰা হ'লহেঁতেন ।
সাগৰৰ বুকুত
কতনা জোৱাৰ —
আহে আৰু যায়
মোৰ ভাৱনাৰ আহ্বানত
কল্পনা মধুময় হয় ।
আত্মসম্বৰণ কৰোঁ কিদৰে
এই চিঠি লেখাৰ হেঁপাহ
পত্নজিৰ দুবৰিৰ দৰে । □

# হৃদয়ঙ্গম

হিতেশ চন্দ্ৰ নাথ
স্নাতক, ২য় বৰ্ষ (কলা)

হাঁহিছে সিহঁতে
হাঁহিবলৈ দিয়া বন্ধু !
হাঁহি উঠে ব্যতিক্ৰমত
কিন্তু বাস্তৱতো হাঁহে সিহঁতে
কিয় জানা ?
নবকে ভাবে কুকুৰাডাকত
ৰাতি পুৱায় :
কুক্ষ্ণই চক্ৰেৰে সূৰ্য ঢাকি
সন্ধিয়া নমায়,
কৌৰৱে ভাবে সঁচা সন্ধিয়া
কিন্তু নহয় ।
তুমিও বন্ধু আজি নুবুজিবা ;
দ্ৰৌপদীৰ বস্ত্ৰ হৰণত
ভীমসেনৰ সংকল্প লোৱা,
তেতিয়া বুজিবা
আৰু মোক ক'বা । □

# জীৱন মোৰ বাবে আশীৰ্বাদ

আনজুমান হুচাইন
প্ৰৱক্তা, শিক্ষা বিভাগ

মোৰ বাবে প্ৰতিটো দিনেই আনন্দৰ
প্ৰতিটো প্ৰভাতেই উপাহৰ
জীৱন মোৰ বাবে এক আশীৰ্বাদ ।
বনজুয়ে পুৰি যোৱা নঠঙা পাহাৰটোৰ দৰে
বহুবাৰ মোৰ আশাবোৰ পুৰি নিঃশেষ হৈ গৈছে ।
ঘূৰ্ণী বতাহত পাক খোৱা গছপাতবোৰৰ দৰে
জীৱনৰ পাল মোৰ উৰি ফুৰিছে ।
নিশা নৱবধূৱে বুকু নিয়া কুমলীয়া
গাভৰু ডবাৰ দৰে
মোৰ কুমলীয়া দেহাটো বহুবাৰ
পিহি নিয়া হৈছে ।
তথাপি মোৰ জীৱন মোৰ বাবে আশীৰ্বাদ ।
নঠঙা পাহাৰত গজি উঠা নতুন
শ্যাম গছবোৰৰ দৰেই
প্ৰতিটো দিনতেই মই মন দাঙি উঠোঁ ।
বতাহৰ লগত শান্ত প্ৰকৃতিৰ দৰেই
মই খোজ দিও সমুখলৈ
মৰতি যোৱা গাভনিয়ে পোখা মেলাৰ দৰে
পোখা মেলোঁ চৌদিশে ।
খহটা শিলৰ ওপৰেৰে নাচি বাগি
বৈ যোৱা নিজৰাৰ দৰে
বৈ থাকিয়েই মোৰ ভাল লাগে
কি এক মোহময়ী ছন্দোবদ্ধ গতি
যাৰ প্ৰতিটো ছন্দই জীৱনৰ
উপলব্ধিক গভীৰ কৰি তোলে । □



# নিশাৰ সপোনটি

প্ৰবোধ পাটোৱাৰী
প্ৰাক্তন ছাত্ৰ।

নিৰ্জন দ্বীপ কিম্বা মৰুভূমিত
বাস কৰোঁ। যেতিয়া
শ্ৰৱণেন্দ্ৰিয়ই সঘনে জোকায়
(তুমি) কবিতা লেখি যোৱা এটা,
ভাষা ছন্দৰ মালাধাৰী
তেতিয়াহে —
কল্পনাৰ এৰাতি,
জোনাকৰে ৰাতি
কোনে মোক আহি
দিয়ে কবিতা গাঁথি
অশ্ৰুসিক্ত কণ্ঠে
নীৰৱে —
হৈ আছোঁ কলীয়া পানী
ঘাত প্ৰতিঘাত
সংঘাতে মোৰ বন্ধু,
অনামিকা !
তুমি ?
শিল্পী নহওঁ, আঁকিব নেজানো
খনিকৰ নহওঁ, গঢ়িব নেজানো
আবেগ ভৰা অনুভূতি
মই কল্পনাত বন্দী ... □

## প্ৰতিশ্ৰুতি

প্ৰণিতা চৌধুৰী
স্নাতক, ২য় বৰ্ষ (কলা)

জীৱনৰ বাটত
খোজত খোজ মিলাবলৈ
সকলোৰে যেন এক অবিৰত প্ৰচেষ্টা
কিন্তু সম্ভৱ জানো ?
দায়ী বাৰু কোন ?
জীৱশ্ৰেষ্ঠ মানৱেই নহয় জানো ?

অনুভূতিৰ এক বিশাল সাগৰত
মই যেন ভাহিছোঁ অকলে
ভয় হয়, জানোচা
উটুৱাই নিয়ে প্ৰবল সোঁতে !
মনত পৰিছে মোৰ
তুমি দিয়া প্ৰতিশ্ৰুতিলৈ
য'ত আছে সৃষ্টিৰ আনন্দ
নাই কোনো যন্ত্ৰণা আৰু বৈষম্যৰ চিন
আছে মাথোঁ —
এখন পৃথিৱী আৰু এটা সূৰ্য
অনেক তৰা আৰু ফুল
যিয়ে আনে সমভাৱ
এক নৱ উকমি । □



## প্ৰতীক্ষা

গৌৰৱ ভাগৱতী
স্নাতক, ২য় বৰ্ষ (কলা)

বন্ধু !
সূৰ্যোদয়লৈ প্ৰতীক্ষা কৰা
চৌদিশে এতিয়াও ঘোপমৰা এন্ধাৰ !
শোষণ, বঞ্চনাৰে ভাৰাক্ৰান্ত সমাজ
কপটতা, ভণ্ডামিৰে ভগ্ন কামিহাড় !
হিংসাৰ লেলিহান শিখাই ধৰিছে জানি
খাণ্ডৱ-দাহলৈ বেছি পৰ নাই
ৰক্তপাতৰ খেল হৈছে আৰম্ভ
উদযাপিত হৈছে নৰমেধ যজ্ঞ !
ৰাজপথত সেয়া কাৰ উচুপনি ?
দেশৰ ভৱিষ্যৎ আজি শিশু পৰিচয়হীন !
সভ্যতাৰ কি যে নিৰ্মম উপহাস !
বন্ধু !
সূৰ্যোদয়লৈ আৰু নাই বেছি পৰ
অমানিশাৰ এন্ধাৰ আঁতৰি
কেঁচুজালি দিবহে হ'ব... □

# প্ৰতীক্ষা

প্ৰভাত চক্ৰৱৰ্তী
প্ৰবক্তা আৰু মুৰব্বী,
পৰিসংখ্যা বিজ্ঞান বিভাগ

মানুহবোৰে বাটকুৰি বাইছে
ৰৈ থকা নাই
বহুতো পথ
তথাপিতো মানুহবোৰ
আজি আৰু পথিক হৈ থকা নাই
যেনিবা কোনোবা চহৰৰ
ব্যস্ততম পথটো এৰি
ফুটপাথতে বাহি লৈছে
আৰু
চাৰি আলিত হঠাতে থমকি ৰৈছে
পথৰ নতুন নিয়ম মানি
সিপাৰৰ ফুটপাথলৈ যোৱাৰ
চিগনেল কেতিয়ালৈ পাব
এয়া যেনিবা
তাৰেই প্ৰতীক্ষা। □



# বিপ্লৱৰ স'তে মই

নীলকমল ...
প্ৰবক্তা, ভূগোল ...

বৰ্তমান কৰা এই সময়ৰ স'তে
মই মুখামুখি হ'ব খোজোঁ।
চাপৰিলেও মেঘ নাকৰে!
বহুযুগৰ নিপীড়নে গঢ়িলে মোৰ
শিলাময় বুকু, বজ্ৰকঠিন হৃদয়
যাৰ মাজেৰে ফটিক নিজৰা বয়
বঞ্চিত জনৰ বাবে...।
মোৰ স'তে হাতত ধৰি আহা আগুৱাই
যি সকলে কাঢ়ি নিলে আমাৰ ভৰিষ্যত
সোণালী সপোন শিলৰ দেহৰ ৰস
ৰণ কুৰুলীয়া হাঁহি
সিহঁতক মই চিনাই দিম,
মই চিনাই দিম স্বাৰ্থান্ধতাৰ অন্ধগলিত
যি সকলে বন্দী কৰি থ'লে আমাৰ
বাসন্তী যৌৱন।
সিহঁতক ক্ষমা কৰাৰ বাবে মই এতিয়া
পৰাঙুখ!
আহা আগুৱাই আহা হাতত হাত ধৰি
তাৰ বাবেই মই চিনাকি হওঁ
ক্ষমাহীন সংগ্ৰাম আৰু বিপ্লৱৰ স'তে
গৰিষ্ঠজনৰ সঁচা মুক্তিৰ বাবে... □।

# দুৰ্জয় হুংকাৰ

নাজিম হিকমত আলী আহমেদ
স্নাতক, ১ম বৰ্ষ (কলা)

মই প্ৰহেলিকা
মই প্ৰচণ্ড উল্কা
আহিছোঁ বসুধাভূমিলৈ
দুৰ্বাৰ গতিৰে ।

দেশৰ বৈষম্য
দূৰীকৰণৰ অৰ্থে
আহিছোঁ নামি
দুৰ্জয় হুংকাৰে ।

দুহাত ভৰাই
আগ্নেয়াস্ত্ৰ লৈ
দুৰ্দান্ত দানৱক,
কৰিম ধ্বংস
মেদিনী কঁপাই
বিপ্লৱ হুংকাৰে
অগনি জ্বলাই
গঢ়িম নতুনত্ব ।

মই প্ৰচণ্ড উল্কা
ধুমুহা বেগেৰে
আহিছোঁ লৰি
ধৰাৰ বকুলৈ ।

নিৰ্মূল কৰিম
হিংসাৰ দেৱাল
নাথাকিব তাত
কোনো ভেদাভেদ । □



# মেজিৰ জুই

নৱনীতা পাঠক
প্ৰৱক্তা, প্ৰাণী বিজ্ঞান বিভাগ

বন্ধু !
শুনুৱিবা তুমি মোৰ আচল পৰিচয়
শুনুৱিবা মোৰ ভোগালীৰ খবৰ
শুনুৱিবা আঘোনৰ পথাৰৰ সোণবোৰ
কাঢ়ি নিলে মহাজনে মোৰ
সুখ শান্তিৰ টোপোলাটো ।

ভোগালীৰ সান্দহ-পিঠা
একেবাৰেই বনোৱা নাই,
পথাৰতো মেজি জ্বলা নাই
ভোকৰ যন্ত্ৰণাত
মাতৃৰ দুগ্ধ বিহীন স্তনত
চুহি থকা শিশুটিৰ মুখখন দেখি মোৰ বুকুত
মাতৃৰ গৰ্ভজাত সন্তান হিচাপে
একুৰা মেজিৰ জুই জ্বলিছে □

# অন্বেষণ

নগেন্দ্ৰ নাৰায়ণ দেৱান
প্ৰৱক্তা, অসমীয়া বিভাগ

ক'ত পাওঁ তোমাক !

কাষতে পাই নীৰৱতাক সুধিলোঁ
তোমাৰ খবৰ
একো সমিধান নাপাই
কাণ পাতি ৰলোঁ
বতাহৰ গুণ-গুণনিত শুনোনেকি
তোমাৰ শব্দ ...

নৈখনিলৈ চালোঁ
তাতো নেদেখিলোঁ
তোমাৰ ছাঁয়া
আকাশলৈ চালোঁ
মূৰ তুলি
আকাশেও মোলৈ চাই ৰ'ল
থৰ লাগি ...

শূন্যতাকে লগত লৈ উলালোঁ
তোমাক বিচাৰি... □



লিমাৰিক

# ॥ পঞ্চ-লিমাৰিক ॥

[অধ্যক্ষ প্ৰমুখ্যে সংশ্লিষ্ট সহকৰ্মীবৃন্দৰ ওচৰত ক্ষমা প্ৰাৰ্থনাৰে—
'লিমাৰিক' ৰচনাৰ এটি বিনম্ৰ প্ৰয়াস ]

এম, হবিব উল্লাহ
জ্যেষ্ঠ প্ৰবক্তা আৰু মুৰব্বী, আৰবী বিভাগ

[১]

অধ্যক্ষ দেৱপ্ৰসাদ শইকীয়া
গৈয়েই পাবা নিজ আসনত আছে উপবিষ্ট
'নীট এণ্ড ক্লীন' আছেতো চব 'ফাইল-পত্ৰ' !
প্ৰবক্তাৰ ক্লাছ হয় যদি ক্ষতি
জুই-বৰষা চকু হাল চাবালো কি !

[২]

'হিষ্ট্ৰী'ৰ মুৰব্বী আব্দুচ্ছ ছামাদ আলি
ছাত্ৰ-ছাত্ৰীক শিকায় যি ইতিহাসৰ কাহিনী—
'গ্ৰেট' হৈয়ো 'নেপোলিয়ন' পৰাজিত হয় 'ওৱাটাৰলু'ত !
খং-ৰাগ, দাবি-ধমকি নাই কদাচিৎ
সভা-সমিতিত যাৰ ভাষণ জানিবা নিশ্চিত !

[৩]

উমেশ দাস মুৰব্বী 'জিয়োগ্ৰাফী'ৰ
'শনিবাৰে' গুৱাহাটীলৈ যাবই এবাৰ !
'সোমবাৰে' ক্লাছত জৰুৰ হাজিৰ
এম. এচ চি. ৰ ডিগ্ৰীধাৰী—' ৬৫ ৰ
তাতিকে' আপোন 'দাদা' সমূহ সহকৰ্মীৰ !

[৪]

'ইংলিচ'ৰ মুৰব্বী কল্যাণী দাস
বিশ্বাৰে কলেজলৈ কৰে আহ-যাহ
বছৰত এটিও ক্লাছ নহ'ব যে 'মিচ্' ।
'ৰিজাল্ট বোৰ্ড'ত অতি 'লিবাৰেল'
সাৰি যাব সোণহত যদি পায় 'বিশ' !

[৫]

'ইকনমিক্স'ৰ প্ৰবক্তা উৎসৱানন্দ দাস
বুদ্ধিদীপ্ত চকুহাল কৰিছানে মন !
'নৰাগত'ই চাগে' উচপ খায় 'হাই ডেচিবেল'ৰ মাত শুনি !
'লেক্‌চাৰ'তো যতি নপৰে, উঠে প্ৰতিধ্বনি—
'মিতা'ৰী ডাৰ ইউটিলিটি ডাৰ গ্ৰোথ-ডিষ্ট্ৰিবিউশ্বন ০ ০ ০' ★

★ [ আহি কৰি : নৰকান্ত বৰুৱা ]

# বসন্ত

মূল (উড়িয়া) ঃ হৃষীকেশ পাণ্ডা

হঠাৎ বসন্ত আহিল এদিন
পাহাৰ-পর্বত মাঠ-চপৰৰ ওপৰেৰে
শৈশৱৰ খেলাঘৰ ভাঙি
মাটিৰ পুতলা নাচুৱাই দি ।

গছে-গছে পাতৰ মেলা
আকাশত তৰাৰ জিলিকনি
অসংখ্য শব্দেৰে শব্দায়িত
নিস্পন্দ শৰীৰী সময় ।

প্ৰাণৰ উত্তেজনাৰে ফুলিল
থোপাথোপে ফুল
বন্ধ্যা শিমলৰ গৰ্ভ ভেদি
প্ৰসৱিলে অদ্ভুত নিজৰা ।

ঋতুমতীৰ স্বৰে কোঁৱাল লাগি
বাট হেৰুওৱা অন্ধ নৌ-যাত্ৰী ।

কৃষ্ণচূড়াৰ ৰক্তিম ওঁঠত
বসন্তৰ নিৰ্লজ্জ স্বাক্ষৰ ;
মলিয়ন কুঁহাৰ যৌৱন
পৰিলা উৰাৰ মনত
থলিৰে আহৰা হাতবায়া ৰঙৰ
ৰণ ৰন ধ্বনি
তুমোৰ কণৰ নূপুৰ
লিতে বোল আৰু প্ৰণয়ৰ গীত ।

হঠাৎ বসন্ত উভতি গ'ল
লগতলৈ সকলো ঐশ্বৰ্য

আতঙ্কৰ প্ৰলম্বিত জিভাৰে
চেলেকি নিলে ইচ্ছাৰ আয়ুস ;
কামনাৰ তপত নিশ্বাসত
শুকাল ভৰা নৈৰ হিয়া
নাবৰ প্ৰণৰ ওঙ্কাৰ
নিৰ্বাপিত মঙ্গল শিখা ।

বসন্ত আহিব আকৌ
নিবন্তীৰ উদাস বাঁহীত
বিধবাৰ বগা সাজত
জোনাকৰ ঢৌ খেলি
অবৈধ ইচ্ছাত
পাগলৰ বেসুৰা গীতত
কবিৰ কবিতাত
বিবাহিতা প্ৰেমিকাৰ অপ্ৰকাশিত চিঠিৰ দ...
অথবা ফকিৰৰ কটা চোলাত ।

বসন্ত আহিব আকৌ
মাতৃকান্তা দেহোপজীৱিনীৰ
গভীৰ নিদ্ৰাত ।

বসন্ত উভতি যাব
মৰণোত্তৰ পৰীক্ষা-গৃহত
দলিয়াই দি সময়ৰ মৃতদেহ ।

বসন্তই গোটাই নিব
অশান্তিৰ সকলো স্মৃতি
আৰু বসন্তই এৰি যাব
তুষৰ সকলো উচ্ছিষ্ট
যাতনাৰ বা-মাৰলী
আৰু ব'হাগৰ উত্তাপ । ☆

☆ [ কবিতাটি অসমীয়ালৈ অনুবাদ কৰিছে সন্মিলিত ভাবে ভূগোল, ইংৰাজী আৰু অসমীয়া বিভাগৰ প্ৰৱক্তা ক্ৰমে নীলকমল বৰদলৈ, নিৰ্মলচন্দ্ৰ ডেকা আৰু নগেন্দ্ৰ নাৰায়ণ দেৱানে । ]

# তৃষ্ণা

মূল (উৰিয়া) : হৃষীকেশ সিং
প্ৰবক্তা, ইংৰাজী বিভাগ

কুঁৱলীৰ জংঘলত –
লাজুকীলতাৰ হাতৰ তলুৱা
ঘামত তিতি উঠে
মকৰাৰ পাগিতিক জালত ;

নিজৰাৰ যত তৃষ্ণা
জলন্ত পাহাৰৰ তৃপ্তি
সকলোখিনি বৈ যায়
বিস্তাৰিত জোপোহাৰ কাইট-হাতিত । *

* ভাষান্তৰঃ হৃষীকেশ সিং
প্ৰবক্তা, ইংৰাজী বিভাগ
আৰু
নগেন্দ্ৰ নাৰায়ণ দেৱান
প্ৰবক্তা, অসমীয়া বিভাগ

[গীত]

# সমবেত সঙ্গীত

ৰঞ্জিত কুমাৰ বৰা
জ্যেষ্ঠ প্ৰৱক্তা আৰু মুৰব্বী,
অসমীয়া বিভাগ

আজিৰ যুগৰ নতুন ধ্বনি
    শুনাচোঁ (ন) কাণ পাতি
দেশে দেশে উৰিছে পতাকা
    বিজ্ঞানৰ জয়যাত্ৰা
আমিও জানো থাকিম পৰি
পুৰণি অলীক কাহিনী শুনি।
    অজ্ঞান তমসাই
    নোৱাৰে ৰোধিব (আজি)
প্ৰগতিৰ নতুন গতি
    পুৰণি মূল্যবোধ
    যাওক আঁতৰি
    চিৰকাই মলাওক স্মৃতি।
গান্ধীয়ে ক'বৰ দৰে
যদি সত্যই হয় ভগৱান
তেনে সেই সত্যৰ (হ'ল)
একনিষ্ঠ পূজাৰী
এই পৃথিৱীৰে বিজ্ঞানী।
    যুগৰ সঞ্চিত এলাঙ্ক
    আজি মাৰিবৰ হ'ল
    মনৰ যত আশঙ্কা
    (আজি) দূৰ কৰিবৰ হ'ল
    চৌদিশে আজি উঠক বাজি
    বিজ্ঞানৰ নতুন বাঁহী।

বিঃ দ্ৰঃ [ বিৰলা প্ৰসাদ চলিহা মহাবিদ্যালয়ত বিজ্ঞান শাখা খোলাৰ শুভাৰম্ভৰ দিনটিত অনুষ্ঠিত হোৱা মুকলি সভাত গীতটো বিশেষভাৱে ৰচনা কৰি পৰিৱেশন কৰা হয়। ]



# টোপ

কুলেন তালুকদাৰ
প্ৰাক্তন ছাত্ৰ

ডলুকাচিঙা গাওঁৰ মাজেৰে বৈ যোৱা নাওকটা নদীৰ বঙা খিৰ গড়াটোৰ ওপৰত মতলেব গোটেই দিনটো বহি থাকে। তাৰ নিৰস, নিষ্প্ৰাণ চকুহটা নিবিষ্ট থাকে তাৰ সমুখৰ পানীখিনিৰ ওপৰত। ভাহি থকা কুঁহিলাৰ পুঙা কেইটাৰ ওপৰত। সেইখিনি সময়ত তাৰ যেন অইন কথা ভাবিবৰ আহৰি নাই। তাৰ দৃষ্টি পুঙা কেইটাৰ ওপৰেৰে একাষৰ পৰা আন কাষলৈ বাগৰি যায়। সমুখৰ নীলাভ পানীখিনিৰ উশৃংখল ঢৌ বোৰে তাৰ মনৰ মাজতো ঢৌৰ সৃষ্টি কৰি থৈ যায়। তাৰ বৰশীৰ টোপ কেইটিৰে সংলগ্ন কুঁহিলাৰ পুঙা কেইটাও ঢৌত নাচি থাকে। বছৰটোৰ কোনোবা এটা সময়ৰ কেইটামান দিন মতলেব যেন খুব ব্যস্ত হৈ পৰে, তাৰ সযতনে তৈয়াৰ কৰি লোৱা বৰশী কেইটিক লৈ। বৰশী বায়েই তাৰ সৰু পৰিয়ালটিৰ বাবে এমুঠি উলিয়াব লগা হয়। এই কেইমাহ তাৰ যেন ব্যস্ততাৰ সীমা নাই। বৈণীয়েক আবিদা আৰু দুই পুত্ৰ, পাঁচ বছৰীয়া ৰহিম আৰু তিনিবছৰীয়া দিলৱাৰক এমুঠি খুৱাই

জীয়াই ৰখাৰ বাবেই তাৰ এই ব্যস্ততা। তাৰ এই সংগ্ৰাম তেনেই গতানুগতিক। ঘৈণীয়েকেও লোকৰ ঘৰত বন কৰে। কিন্তু কাম কৰা অনুপাতে মানুহে দিব নোখোজে। দিনকাল যেনেহে হৈছে, টানি আজুৰিও সংসাৰ চলোৱাটো মতলেবহঁতৰ দৰে মানুহ-খিনিৰ পক্ষে কঠিন হৈ পৰিছে।

কান্ধত বৰশীৰ বোজাটো লৈ সি ৰাতি-পুৱাই যি ওলাই আহে নদীৰ পাৰলৈ, সন্ধিয়াহে ঘূৰে। কান্ধৰ বোজাটোৰ সন্মুখ-ভাগত ওলমি থাকে মাছখোৱা বাঁহৰ খৰা-হীটো। যিদিনা মাছ নাপাই সুদাহাতে ঘৰলৈ উভতিব লগা হয়, সেইদিনা তাৰ খৰাহীটো ৰচিডালত ইফালে সিফালে দুলি থাকে। কেতিয়াবা মাছেৰে ঠাহখাই ভৰি পৰা সেই খৰাহীটো কান্ধৰ বোজাটোৰ ৰচি ডালত সগৌৰৱে ওলমি থাকে। সেইদিনা তাৰ মুখত ঘন ক'লা ডাৱৰৰ মাজেৰে খন্তেকৰ বাবে জোনটোৱে ভুমুকি মৰাৰ দৰে এটা সেঁতা হাঁহি বিৰিঙে। আৰু যিদিনা সুদাহাতে তাৰ ভঙা পঁজাটিলৈ উভতে সেইদিনা ভোকত কল-মলাই থকা সন্তানহুটিৰ মুখকেইখনিৰ বিবৰ্ণ ছবিখনিয়ে তাৰ হৃদয়খনো ধূসৰ কৰি তোলে। সি যেন ঘৰলৈ উভতিবলৈ মনোবল হেৰুৱায়। ৰাতিপুৱাই বাহী ভাত কেইটামান খাই দিন-টোলৈ ওলাই আহে। গোটেই দিনটো বৰশী বাই পোৱা মাছখিনি ভলুকাচিঙা গাৱঁত বেচি বাৰিবাৰ এই কেইমাহ অন্ততঃ দুবেলা দুমুঠি যোগাৰ কৰিবলৈ বিশেষ টান নাপায়। দৈন্যই ছানি ধৰা ঘৰখনৰ কথা ভাবি থাকে। তেই কেতিয়াবা বৰশীৰ পুঙা কোনোবাই পানীৰ তলত অদৃশ্য হৈ পৰে। দুহাতেৰে বৰশীটো জোৰেৰে বামলৈ মাৰি পঠিয়ায়। তাৰ মনত ক্ষন্তেক আনন্দৰ জোৱাৰ তুলি বৰশীৰ টোপত বিন্ধিখৰা মাছটোৱে এই সময়ত পানীৰ যুঁৱলিত ৰাখি থোৱা বাঁহৰ খৰাহী টোত নিৰাপদে আশ্ৰয় লয়। ফটা-চিটা চাৰি ঠাইত টাপলিমৰা চোলাটোৱে প্ৰখৰ সূৰ্যৰ তাপৰ পৰা তাৰ জঁকাসদৃশ শৰীৰটোৰ ৰক্ষা কৰিব নোৱাৰে। কোটৰগত চকুযুৰিৰ সেঁতা দৃষ্টিয়ে পুনৰ পুঙাকেইটাৰ ওপৰেৰে এফালৰ পৰা বাগৰি যায়।

পৰহিলৈ ঈদ। নতুন চোলা কাপোৰ সন্তানহুটাক দিয়াৰ কথা মতলেবে ভুলতো ভাবিব নোৱাৰে। সিহঁতৰো চোলাত তাপলি পৰিছে। আনকি ঈদ উপলক্ষে আবিদাৰ সাধাৰণ যা-যোগাৰ খিনিও দিবলৈ সি অক্ষম। তথাপি আজি ভাব হ'ল খোদাই যদি ৰহম কৰে ডাঙৰ মাছ এটিওতো তাৰ চিকাৰ হ'ব পাৰে। সি দেখোন তেতিয়া ভৰাতকৈও সৰহকৈ ঈদৰ যোগাৰখিনি আবিদাক যোগান ধৰিব পাৰিব। আল্লাহই এইখিনি কৃপা কৰি-বও পাৰে! এইবোৰ আশাৰ মৰীচিকা খেদি খেদি নিদ্ৰাদেৱীৰ কোলাত আশ্ৰয় ল'লে এটা সময়ত।

ৰাতিপুৱা শুই উঠিয়েই সি আবিদাক ক'লে —"তই ৰহমত দেৱানীৰ ঘৰলৈ যা। কিবা কৰিব পাৰ যদি কৰ আৰু যদি

একো নাপাব, কিবা অলপ খুজি মাগিয়েই লৈ আহগৈ যা। পিছত থাটি দিম বুলি কবি। নহ'লে দেখোন বিপদেই। কাইলৈ ঈদ। মৰো ওলাই যাওঁ; কি কৰিব পাৰোঁ। চাওঁ"। এইবুলি আবিদাই বান্ধি দিয়া শুকানকটি তুখন আৰু কান্ধত বৰশীৰ বোজাটো লৈ দিনটোৰ বাবে ওলাল।

আবিদা ৰহমত দেৱানীৰ ঘৰলৈ গ'ল নে নাই সি গম নাপায়। হঠাতে বৰশীৰ এটা পুভা অদৃশ্য হৈ পৰাত তাৰ চিন্তাত আউল লাগিল। তুহাতেৰে বৰশীৰ চিপটো পাৰলৈ মাৰি পঠিয়াবলৈ উদ্যত হ'ল। কিন্তু সি দেখোন বৰশীত লাগি ধৰা অদৃশ্য বস্তুটো পাৰলৈ দাঙি আনিব পৰা নাই! কপালত ঘাম বিৰিঙি উঠিল। শৰীৰৰ সমস্ত শক্তি প্ৰয়োগ কৰি বেছি জোৰেৰে বৰশীটো টানিব ধৰিলে। বিদ্যুৎ গতিৰে ভাবৰ ঢৌবোৰ মনৰ মাজেৰে বাগৰি যাব ধৰিলে। কোনোবা এটা মুহূৰ্তত মতলেবক আচৰিত কৰি এটা ডাঙৰ ৰৌ মাছ পাৰলৈ ঘহ্‌মহ্‌কৈ উঠি আহিল। সি যেন ঘটনাটো তৰ্কিবই নোৱাৰিলে। তাৰ স্ফুৰ্তিৰ সীমা নোহোৱা হ'ল। পাৰত চট্‌ফটাই থকা মাছটোৰ পিনে সি কিছুসময় চাই ৰ'ল। নৈৰ পাৰৰ হুডাল দীঘল ক'ভুৱাবন উঘালি আনি টানকৈ মাছটোৰ কোৱাৰিত গাঁঠি দি থ'লে। তাৰ দুই ওঁঠৰ ফাঁকেৰে এটা সন্তুষ্টিৰ হাঁহিৰ ৰেঙনি বাগৰি গ'ল। পঞ্চাশ-যাঠি ....বেৎতেৰি বেছি হ'ব... নিশ্চয় বেছি হ'ব.... এশ-ডেৰশমান পাব লাগে। কাৰণ যোৱা শনিবৰীয়া হাটত ইয়াতকৈ কিছুডাঙৰ ৰৌ এটা এশ আশী টকাত বিক্ৰী হোৱা নিজেই দেখিছে।

আঠ বছৰ আগতে তাৰ পৈতৃক ভেটিটোৰ সামান্য অংশ এটা ৰহমত দেৱানীৰ তাত বেচি দিওঁতে পোৱা খমখমীয়া এশ টকীয়া নোট কেইখন চুই চুই সি কম তৃপ্তি পাইছিলনে! সেই দিনধৰি এখনো এশ টকীয়া নোট হাতেৰে চুই পোৱা নাই। আজি পুনৰ তেনে এখন বা তুখন নোট তাৰ হাতত পৰাৰ সম্ভাব্য মুহূৰ্তটোৰ কথা মনত পৰাৰ লগে লগে তাৰ কিযে এক পুলক অনুভূত হ'ল। ৰহিম-দিলোৱাৰৰ চোলাৰ নামত সেইকেইটা ভঙালেও অন্ততঃ কিছুসময়ৰ বাবেতো সি সেই টকাৰ অধিকাৰী হৈ ৰ'ব। পিছমুহূৰ্ততে মতলেবে ভাবিলে-ছিঃ কিবোৰ যে ভাবিব ধৰিছে সি। গাৱঁৰ কথা ধৰিব নোৱাৰি। চিনাকি মানুহক যেই সেই দামতে দিব লাগিব। কিন্তু বজাৰততো সি ন্যায্য দামেই পাব। পুনৰ সি বৰশীত টোপ লগাব খুজিলে। আল্লাহই যিখিনি দিছে তাতেই সন্তুষ্টি লভাটো মানুহৰ ধৰ্ম। বেছি বিচৰাটো যত অনৰ্থৰ মূল। মতলেবে ঠিকেই বুজিলে যে গধূলিৰ পিছত যদি বজাৰত উপস্থিত হয়, তেতিয়া হয়তো মাছটোৰ ন্যায্য দামৰ পৰা বঞ্চিত হ'ব লাগিব।

বৰশীকেইটা বোজা কৰি বান্ধি কান্ধত লৈ সি ভলুকাচিঙা গাঁৱৰ মূৰত থকা সাপ্তাহিক বজাৰখনলৈ বেগাই লৰ দিলে। বৰশীৰ বোজাটোৰ আগত তাৰ কৃতিত্ব জাহিৰ কৰি ওলমি থাকিল ৰৌ মাছটো। ৰতনবাবুৰ দোকানৰ সমুখত ওলোমাই থোৱা নানান জোখৰ ৰং বিৰঙৰ চোলাবোৰ মতলেবৰ চকুৰ আগত ভাঁহি উঠিল। সি ভাবিলে মাছটো

বিক্ৰী কৰি পোৱা টকাৰে সি অন্ততঃ দুটা চোলা কিনিব পাৰিব ল'ৰা দুটাৰ বাবে। নিজৰ বা অবিদাৰ বাবে একো নহলেইবা! ল'ৰা-ছোৱালীক ভাল খুৱাব-পিন্ধাব পাৰিলে মাক-বাপেকৰ তাতেই আনন্দ। তাতে কাইলৈ ঈদ। ধনী-দুখীয়া সকলো এক হৈ নতুন কাপোৰ পিন্ধি কাইলৈ ঈদগাহৰ ময়দানত সমবেত হ'ব। তাৰহে চিন্তা হৈছিল। পিছে আল্লাহই তাক চকু মেলি চালে। সি আল্লাহলৈ শতবাৰ 'চুকৰীয়া' জনালে। থৰাহীৰ মাছকেইটা আজি বিক্ৰী নকৰিলেও চলিব। সি চোন ইমানদিনে মাছ মাৰি অইনকেই খুৱালে। এনে কত যে ভাবে তাৰ মন সাগৰত ঢৌ খেলি নগ'ল! কথাবোৰ ভাবি ভাবি গৈ থাকোঁতেই বজাৰৰ এটা মূৰ গৈ পালে।

ভলুকাচিঙা গাঁৱৰ এমূৰৰ এই সাপ্তাহিক বজাৰখনলৈ মতলেব সাধাৰণতে মাছ বিক্ৰী কৰিবলৈ আহিবলগা নহয়। গাঁৱৰ মানুহৰ তাতে বিক্ৰী কৰি থৈ সি গুচি যায়। পিছে আজি এই বজাৰখনলৈ অহাৰ কাৰণ দুটা। প্ৰথম, ইমান ডাঙৰ মাছ এটা গৃহস্থ মানুহে কিনি খাবলৈ ইচ্ছা নকৰিব। অৱশ্যে ভোজ-ভাত খালে কথাটো সুকীয়া। দ্বিতীয়তে, যদি মাছটো বজাৰত বিক্ৰী কৰি দুটা টকাও বেছি পায় সেই দুটা টকাও আজি তাক লাগে।

মাছৰ বজাৰখনৰ ঠিক সমুখেদি ৰতনবাবুৰ কাপোৰৰ দোকানখন। আজি দোকানখনত আনদিনাতকৈ বেছি ভিৰ হোৱা মতলেবৰ চকুত পৰিল। ঈদ উপলক্ষেই যে মানুহবোৰৰ দোকানখনত কাপোৰ-কানি কিনাৰ ধুম উঠিছে সি বুজি পালে। ওপৰত ওলোমাই থোৱা ৰং-বিৰঙৰ চোলা-পেণ্টবোৰ তাৰ চকুত পৰিল। মনতে ভাবিলে মাছটো বিক্ৰী কৰি পোৱা পইচ… কেইটা হাতত লৈ সিও অলপ পিছতেই ৰত… বাবুৰ দোকানত গ্ৰাহক হৈ সোমাব। ৰহি… আৰু দিলৱাৰৰ বাবে দুটা চোলা কিনিব। সেই সুখানুভূতিয়ে তাৰ মনৰ আনন্দখিনি আৰু বঢ়াই তুলিলে!

সামান্য ঠাই এডোখৰ উলিয়াই সি মাছটো কলপাত এখনৰ ওপৰত পেলাই থলে। মাছটোৱে সমগ্ৰ মাছ বজাৰৰে মানুহৰ দৃষ্টি আকৰ্ষণ কৰিলে। সেইটোৰ নিচিনা ডাঙৰ মাছ সেইদিনা বজাৰত অইন কাৰোৰেই নাছিল। মাছটো কলপাতখনৰ ওপৰত থোৱাৰ লগে লগে গোটেই বজাৰ খনতেই এটা মৃদু গুণ-গুণনি উঠিল "বাঃ মতলেবকাই! ইমান ডাঙৰ ……… ক'ত, কেনেকৈ মাৰিলিঅ'! ……… ইমান ডাঙৰ বৌ খোৱা দূৰৰ কথা আজি কেবাবছৰো চকুৰে দেখাই নাই দে…" ইত্যাদি। কথাবোৰ মতলেবৰ কাণত পৰিল যদিও সি ইচ্ছা কৰিয়েই নুশুনাৰ ভাও জুৰিলে। তেনে গ্ৰাহকৰ তাৰ প্ৰয়োজন নাই। সি বিচাৰে উচিত দামত কোনোবাই সোনকালে মাছটো কিনি নিয়ক। তাৰ দৃষ্টি এবাৰ মাছটোৰ ওপৰত আৰু এবাৰ দোকানত ওলোমাই থোৱা চোলা কেইটাৰ ওপৰত পৰিব ধৰিলে। মাছটোৰ পাবলগা দাম আৰু দুটা চোলাৰ সম্ভাব্য দামৰ এটি তুলনামূলক হিচাপ মনতে কৰি চালে। ঈদৰ যোগাৰখিনি আৰু ল'ৰা দুটিৰ বাবে দুটা চোলা কিনাৰ সমান পইচা সি মাছটো বিক্ৰী কৰি পাবই।

হিচাপটো ঠিকে মিলাব পাৰিলে কিছু ৰাহিও হ'ব পাৰে।

বহু সময় বাট চাইও যেতিয়া মাছটো বিক্ৰী নোহোৱাকৈ থাকিল তথাপি সি নিৰাশ নহ'ল। কাৰণ সি জানে গধূলি হোৱাৰ ঠিক আগমুহূৰ্ত্ততহে মানুহে মাছৰ বজাৰত উথপ্‌থপ্ লগায়। আৰু এটা কথা, এই প্ৰকাণ্ড মাছটো সপ্তাহত এপোৱা মাছখোৱা গ্ৰাহকে কিনি খাব নোৱাৰে। গধূলি অফিছ-কাছাৰি সামৰি যেতিয়া অফিচাৰ সকল বজাৰত সোমাব তেতিয়া থাউকতে তাৰ মাছটো বিক্ৰী হৈ যাব। এই ভাবিয়েই মতলেব পৰম আশ্বস্তহৈ বহি থাকিল।

বজাৰৰ পশ্চিমমূৰে বিৰাট হলঘৰটো। আজি তাত বহুত মানুহ গোট খাইছে। তাত হেনো সভা এখন হ'ব। নিৰ্বাচনী সভা। কেই দিন মানৰ পিছতেই দেশত নিৰ্বাচন। মতলেবে এইবোৰ বেলেগৰ মুখত শুনা কথা। দেশৰ খবৰ ৰাখিবলৈ তাৰ দৰে নিঃকিনৰ সময়ে বা ক'ত? মাইকযোগে গোটেই বজাৰতেই জনাই দিয়া হৈছে—খন্তেক পিছতেই মন্ত্ৰী মহোদয় আহিব। সভাত মন্ত্ৰীয়ে ভাষণ দিব। এম. এল. এও আহিব। গতিকে ৰাইজৰ উপস্থিতি বিচৰা হৈছে। একেখিনি কথাকেই বাৰে বাৰে কৈ থকা বাবে মতলেব বৰ বিৰক্ত হ'ল।

এটা সময়ত যেন সেই বহু প্ৰতীক্ষিত সময়খিনি আহি গ'ল। ভু ভু শব্দ কৰি চাৰি পাঁচখন এম্বেচেদৰ গাড়ী আহি বজাৰৰ মাজতেই ৰৈ গ'ল। গাড়ীৰ পৰা কেইজমান গণ্যমান্য ব্যক্তি নামি সভাঘৰলৈ ৰাওনা হ'ল। স্থানীয় ডেকা কেইজনে আগবাঢ়ি আহি তাৰে থুলন্তৰ চেহেৰাৰ এজনক মালা পিন্ধাই আগবঢ়াই লৈ গ'ল। বজাৰৰ মানুহবোৰ সভাঘৰত গোট খালে। মাছ বজাৰখন প্ৰায় জনশূন্য হৈ পৰিল। মাত্ৰ মতলেব বহি থাকিল বৰো মাছটো সমুখত লৈ। মতলেবে ধাৰণা কৰি ল'লে যে মিটিং শেষ হ'লেই মানুহবোৰে বজাৰ-সমাৰ কৰিব। আৰু সন্ধিয়াৰ আগে আগে মিটিংখনো নিশ্চয় শেষ হ'ব। কিন্তুসময় পিছতেই সভাঘৰ একেবাৰে কঁাহ পৰি জীণ যোৱা যেন হ'ল। স্বয়ং মন্ত্ৰী মহোদয়ে ৰাইজক নমস্কাৰ জনাই ভাষণ দিব ধৰিছে। ৰাইজে যেন নিজকে পাহৰি মন্ত্ৰীৰ আবেগপূৰ্ণ ভাষণত নিজকে বিলাই দিছে। বহুসময় ধৰি মন্ত্ৰীয়ে ভাষণ দিলে। মন্ত্ৰীৰ সকলোবোৰ কথা মতলেবে নুবুজিলে যদিও যিখিনি বুজিলে তাৰ অৰ্থ হ'ল--ৰাইজে এইবাৰো যোৱাবেলিৰ নিৰ্বাচনৰ দৰে তেওঁক নিৰ্বাচনত জয়যুক্ত কৰাব লাগে। যোৱা পাঁচটা বছৰত বহুতো অনিবাৰ্য কাৰণত তেখেতে ৰাইজক দিয়া প্ৰতিশ্ৰুতি পালন কৰিব নোৱাৰিলে। তাৰ বাবে তেওঁ বহুত দুখ প্ৰকাশ কৰিলে। এইবেলিও যদি সহৃদয় ৰাইজে তেওঁক সেৱা কৰাৰ সুযোগ দিয়ে তেতিয়া নাওকটা নদীৰ বান্ধটো বন্ধাই দিবই। কাৰণ প্ৰতিবছৰে বানে অঞ্চলটোৰ দুখীয়া ৰাইজক দিয়া দুখ-দুৰ্গতি তেখেতে সহি থাকিব নোৱাৰে। বান্ধটো সম্পূৰ্ণকৈ বন্ধোৱা হৈ গ'লে ৰাইজৰ দুখ-দুৰ্গতি নোহোৱা হ'ব। এয়া মন্ত্ৰী মহোদয়ৰ লৌহ-প্ৰতিশ্ৰুতি।

গধূলিৰ আগে আগে মিটিং শেষ হ'ল। বহু মানুহ সভাঘৰৰ পৰা ওলাই বজাৰত গোট খালে। মতলেবৰ গাত যেন তেতিয়াহে তং আহিল। তাৰ চকুৰ দৃষ্টি যেন এইবাৰ বেছি ধুনাই মাছটোৰ ওপৰেৰে বাগৰি দোকানৰ চোলা কেইটাৰ ওপৰত পৰিব ধৰিলে। মন্ত্ৰী মহোদয়ে লৰা-ঢপৰা কৰি ৰাইজক বাৰে বাৰে নমস্কাৰ জনাই গাড়ীত উঠি বহিল। এখন এখনকৈ কেবাখনো গাড়ী মন্ত্ৰীৰ গাড়ীৰ আগে আগে চাৰিচকাৰ ওপৰেৰে বাগৰি গুচি গ'ল। মতলেবক অবাক কৰি ক'লা আইনাৰ বগা এম্বেছেদৰ গাড়ীখন মতলেবৰ মাছটোৰ ওচৰতেই ৰৈ গ'ল। দীঘল দঢ়ীয়া যুৱক এজনে খপ্ জপ্ কৈ গাড়ীৰ পৰা নামি আহিল মতলেবৰ ফালে। কঁহুৰা বনডালত ধৰি মাছটো এবাৰ এনেয়ে দাঙি চালে। পকেটৰ পৰা দহটকীয়া নোট তিনিখন উলিয়াই মতলেবক আগবঢ়াই দিলে। মতলেবে টকাখিনি নলৈ মুখৰ ফালে চাই থকা দেখি দঢ়ীয়া যুৱকজনে ক'লে "ন'হ'ব নেকি? হ'বদে অ' হ'বদে। কিমান নো ওজন? মন্ত্ৰীয়ে খাব, মন্ত্ৰীয়ে—বুজা নাই? কিমানে এনেয়ে এনে বৌনাহ মন্ত্ৰীৰ ঘৰত দি থৈ যায়। তই খবৰ নেপাৱ? অকল বৌৱেই নহয় দেই হে···· হে···হে; পিছে হেৰি নহয়, মন্ত্ৰীৰ ল'ৰাটোৱে আকৌ বৌ মাছৰ মাথাটো বৰ ভাল পায়। ল, ল, টকাখিনি ল; মন্ত্ৰীৰ আক বেলেগত মিটিং আছে।" এইবুলি মতলেবৰ জৰাজীৰ্ণ চোলাটোৰ জেপত টকা কেইটা জোৰকৈ গুচি দি গাড়ীৰ পিছৰ ঢাকনিখন খুলি মাছটো সুমুৱাই থৈ ঘটংকৈ ঢাকনিখন বন্ধ কৰি দিলে যুৱকজনে। অপ্ৰত্যাশিত ঘটনাটো যেন খুব কম সময়তেই ঘটি গ'ল। মতলেবে তং ধৰিবই নোৱাৰিলে।

মতলেবৰ মূৰৰ ওপৰত ধূলি উৰুৱাই থৈ গাড়ীখন গুচি গ'ল। মতলেব একে ঠাইতে নিৰ্বাক হৈ ৰ'ল। জেপৰ পৰা টকাকেইটা উলিয়াই লৈ সি বহুসময় টকা কেইটালৈ চাই থাকিল। তাৰ কৰ্ণকুহৰত তেতিয়াও বাজি আছিল দঢ়ীয়া যুৱকজনৰ সেইষাৰ কথা "পিছে হেৰি নহয় মন্ত্ৰীৰ ল'ৰাটোৱে আকৌ বৌ মাছৰ মাথাটো বৰ ভাল পায়।" এটা দীঘল হুমুনিয়াহ কাঢ়ি টকা কেইটা জেপত ভৰাই লাহে লাহে গৈ দোকানত প্ৰবেশ কৰিলে। ৰতনবাবুৰ দোকানত কিন্তু নহয়, গিয়াছুদ্দিনৰ দোকানত; য'ত দুই কিলো চাউল, আধা কিলো আটা, আৰু আধা লিটাৰ তেল কিনোতেই তাৰ জেপৰ পইচাখিনি সাং হ'ব।

দোকানখনৰ পৰা ওলাই ভাৰাক্ৰান্ত মন লৈ সি ঘৰলৈ উভতিল কান্ধত ৰৱণীৰ বোজাটো লৈ। এবাৰ এনেয়ে ৰতনবাবুৰ দোকানৰ ফালে চাই পঠিয়ালে। দেখিবলৈ পালে ওপৰত ওলোমাই থোৱা ৰং-বিৰঙৰ চোলা কেইটাই তালৈ বিদ্ৰূপৰ হাঁহি মাৰি তেতিয়াও ৰতাহত নাচি আছে। □□

[ গল্পলেখক শ্ৰীতালুকদাৰ, আমাৰ মহাবিদ্যালয় আলোচনীৰ চতুৰ্থ সংখ্যাৰ যুগ্ম-সম্পাদক আছিল।]

সম্পাদকদ্বয়—




নয়নমনি কলিতা
স্নাতক ২য় বর্ষ (কলা)

গেটৰ ওচৰত গাড়ীৰ ষ্টাৰ্ট বন্ধ কৰি হৰ্ণটো বজাই দিলোঁ। কিছুসময়ৰ পিছতে আগকালৰ দুৱাৰখন মেল খালে। গাড়ীখন ষ্টেণ্ড কৰি আগবাঢ়ি গলোঁ। এগৰাকী অপূৰ্ব সুন্দৰী নাৰী। নীলাভ সাজযোৰে শুৱাই পৰা ধুনীয়া কোমল মুখখনিত সামান্য বিষণ্ণতাৰ আভা। কপাল আৰু শিৰৰ সেন্দুৰৰ ফোঁটে মুখখনি খুব পবিত্ৰ কৰি তুলিছে।

: তেখেত নাই। —কোমল কণ্ঠস্বৰ এটি ওলাই আহিল।

: আপুনি……………?

: মোৰ নাম অনুপম—অনুপম চৌধুৰী। মই অনিৰ্বাণৰ………

: অ' আপুনিয়েই অনুপম চৌধুৰী।

মোৰ উত্তৰ শেষ নহওঁতেই মানুহগৰাকী উৎফুল্লিত হৈ পৰিল। ''আহক-আহক ভিতৰলৈ—বহক,'' ভিতৰলৈ মাতি নি বহিবলৈ দি ক'লে—

: আপোনাৰ 'Life history' মোৰ মুখস্থ হৈ গৈছে। এওঁ প্ৰায়েই কয় আপোনাৰ কথা। বৰ্তমান পিছে ঘৰত নাই। হঠাতে কাৰোবাৰ 'চিৰিয়াচ কেচ' এটা চাবলৈ গৈছে। আহি পাবহি এতিয়া। আপুনি হাত-ভৰি ধুই লওক। 'কাঞ্চা' অ' কাঞ্চা' বুলি চিঞৰি কমা ভিতৰলৈ সোমাই গ'ল।

ড্ৰয়িং ৰুমটোত এনেয়ে চকু ফুৰালোঁ। সুন্দৰ ৰুচিবোধৰ পৰিচয় ফুটি উঠিছে। বেৰত থকা পোষ্টাৰ বোৰৰ ভিতৰত এখন পোষ্টাৰ খুব ভাল লাগিল। কেইটামান ঘোঁৰাৰ পোৱালি আৰু এটা লাইন-'BORN FREE'। অলপ পিছতেই ৰুমা সোমাই আহিল। ট্ৰে এখনৰ সৈতে। মোক চাহ খাবলৈ দি পুনৰ উধাতু খাই ভিতৰলৈ সোমাই গ'ল। ভিতৰৰ পৰা ভাঁহি অহা মাতত বুজিলোঁ—চাহ কৰি উঠি 'গেচ'টো বন্ধ কৰিব পাহৰিছে। চাহ খাই উঠাৰ পিছত মোক ভিতৰলৈ মাতি নি আত্মীয়া কোঠা এটা দেখুৱাই দি কাপোৰ-কানি সলাবলৈ ক'লে।ময়ো কাপোৰ-কানি সলাই বাথৰুমৰ ভিতৰলৈ সোমাই দুৱাৰখন বন্ধ কৰাৰ কেইমুহূৰ্তমানৰ পিছতেই বাহিৰৰ পৰা দুৱাৰত টকিওৱাত উচপ খাই উঠিলোঁ—"কোন ?"

: ওলা, ওলা—তোক বহুদিন দেখাই নাই। সোনকালে ওলা—

—অনিৰ্বাণৰ মাতত হাঁহি উঠি গ'ল।

বহুদিনৰ বিৰতিত লগ পাই দুই বন্ধুৱে বহু কথাই পাতিলোঁ। ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আৰু অৱশেষত ব্যক্তিগত জীৱনলৈ উভতি আহিলোঁ।

: ঐ, এইজনী চপাবৰ কিমান দিন হ'ল ? আমি দেখোন গমকেই নাপালোঁ। নে পলুৱাই আনিলি ?

: ধেৎ, তোৰো যে আৰু কথা—। কিয় পলুৱাই আনিম ? তাৰ মানে তই চিঠিখন নাপালি নেকি ? আচ্ছা হঠাতেই সুধিলি যে !

: কিয় ? ল'ৰা-ছোৱালী ? নে Family planning ?

: Please stop.

: কিয় ? উৎকণ্ঠাৰে সুধিলোঁ।

: ৰুমাই শুনিলে নাৰ্ভাছ হ'ব। —লক্ষ্য কৰিলোঁ অনিৰ্বাণ ভাগি পৰিছে।

: কি হ'ল ? নিমাত হৈ গলি যে ?

: নাই নাই—এনেয়ে—মই পাহৰিয়েই গৈছিলোঁ আজি জৰুৰী মিটিং এখন আছে। বানপানীৰ পিছত হ'ব পৰা সম্ভাব্য বেমাৰ প্ৰতিৰোধ সম্পৰ্কে। তই অলপ বহ। মই এঘণ্টাৰ ভিতৰতে ঘূৰি আহিম।

'ৰুমা'—'ৰুমা'—

এমুখ হাঁহিৰে ৰুমা ওলাই আহিল।

: মোক মাতিছিলা—?

: অ' কাকাক বজাৰলৈ পঠিয়াই দি কি কি বস্তু লাগে আনিব দিবা। জৰুৰী মিটিং এখন আছে। মই যাবই লাগিব।

—তাৰ পিছত হাঁহি হাঁহি ধেমালিৰ সুৰতে সি ক'লে—

: তই বহ। ৰুমাৰ লগত কথা পাত আৰু জিৰণিও ল। সাৱধান কিন্তু! এই এঘণ্টাতে দুখান্ত হ'বলৈ চেষ্টা নকৰিবি ...........

অনিৰ্বাণৰ হাঁহিৰ সমৰ্থনত ময়ো হাঁহিলোঁ যদিও কথাষাৰৰ অৰ্থ কিন্তু বুজিব নোৱাৰিলোঁ—। আনফালে ৰুমাই—

: এই নিলাজ! অনিৰ্বাণৰ কথা শেষ কৰিবলৈ নিদি লাজতে ৰঙা-চিঙা পৰি ৰুমা ভিতৰলৈ সোমাই গ'ল।

ৰুমা ৰন্ধাবঢ়াত ব্যস্ত হৈ পৰিল।

'প্ৰান্তিক' খনতে চকু ফুৰাই এটা ঘণ্টা পাৰ কৰি দিলোঁ।

: ৰুমা—ৰুমা—

চিঞৰি চিঞৰি আনিৰ্বাণ সোমাই আহিল। ঘড়ীটোলৈ চাই দেখিলোঁ ৰাতি সাত বাজিছে মাথোন।

: আৰে, আহিলিয়েই দেখোন! মিটিং........

: আমাৰ 'ছাৰ' হঠাতে ক'ৰবালৈ যাব লগা হ'ল। মিটিংখন কাইলৈ হ'ব। বাৰু খোৱা-বোৱা—ৰুমা! চিঞৰি চিঞৰি অনিৰ্বাণ ভিতৰলৈ সোমাই গ'ল।

: ৰুমা আৰু মোৰ মাজৰ সম্পৰ্ক তই কি বুলি ভাবিছ? এটা অবাঞ্চিত প্ৰশ্নত উচপ খাই উঠিলোঁ।

: What......... ? ইয়াৰ অৰ্থ ?

: সঁচাই অনুপম! ৰুমা—মাত্ৰ লোকদৃষ্টিতহে মোৰ পত্নী। এজনী সমাজ স্বীকৃত স্ত্ৰী। কিন্তু আচলতে ৰুমা মোৰ বান্ধৱী, কেৱল এজনী অন্তৰংগ বান্ধৱী।

: মই একো বুজিব পৰা নাই!

: বুজিবি। অথনি সুধিছিলি নহয় সন্তানৰ কথা! খুব কষ্ট কৰি ইহা যেন লাগিল অনিৰ্বাণক—এক আচৰিত সুন্দৰ আৰু স্নিগ্ধ হাঁহি—ঠিক ৰুমাই ইহাৰ দৰে।

তাৰ পিছত অনিৰ্বাণে অনৰ্গল কৈ গৈছিল—এক জীয়া ইতিহাস—এটা বাস্তৱ ঘটনা—মই বাক্‌ৰুদ্ধ হৈ অপলক নেত্ৰে চাই আছিলোঁ তাৰ চকুলৈ।

বৃদ্ধ মা-দেউতাৰ এৰাব নোৱাৰা ইচ্ছাৰ বাবেই বিয়াত সন্মতি দিছিলোঁ। মোৰ কিন্তু সমূলি ইচ্ছা নাছিল। ছোৱালী তেওঁলোকেই চাইছিল। বিশেষকৈ মা ছোৱালীৰ প্ৰশংসাত পঞ্চমুখ। মোৰ পছন্দ কৰাৰ সুবিধাই নাছিল, আগ্ৰহো নাছিল।

পবিত্ৰ ক্ষণ এটিত দৰাৰ বেশেৰে—ৰুমাইতৰ চোতালত পিয় হলোঁ। সময় বাগৰিল—এটা সময়ত কইনা চোতাললৈ লৈ আহিল। তেতিয়ালৈ মই ৰুমাক দেখা নাই। মাত্ৰ হাতদুখন ওলাই থকা দেখি দৃষ্টি নিক্ষেপ কৰি দেখিলোঁ—হাতত কোনো অলংকাৰ নাই—সুধাৰ ফুলৰ মালা মাথোন। সময়বোৰ কাৰো বাধা নামানি আগুৱাই গৈ থাকে। মোৰ মনটো যেন কিবা এটা ৰহস্যৰ মাজলৈ সোমাই গৈছিল। হঠাতে এবাৰ যেতিয়া মুখখনলৈ চালোঁ, দেখিলোঁ তেওঁ মোৰ ফালে একেথৰে চাই আছে। কিবা এটা যেন ক'ব খুজিছে। তেতিয়া ভাবিলোঁ—মনস্তাত্ত্বিক বিশ্লেষণৰ সময় এয়া নহয়। সেই সময়ত বৈদিক নীতি-নিয়মখিনি মানি উদ্দেশ্য পৰিপূৰ্ণ কৰাহে আচল কাম। ইয়াকে ভাবি এজন মানসিক চিকিৎসক হিচাপে মনত উথলি উঠা ভাববোৰ জোৰকৈ দমাই ৰাখি পুৰোহিতৰ নিৰ্দেশ পালন কৰি গলোঁ।

এটি চৰম মুহূৰ্তত যেতিয়া ৰুমাৰ শিৰত সেন্দূৰ বোলাই দিব খুজিছিলোঁ—ঠিক তেতিয়াই—তেতিয়াই 'Oh-G-O-D' বুলি আৰ্তনাদ কৰি ৰুমা অচেতন হৈ ঢলি পৰিল।

ৰভাতলীত হুলুস্থুল লাগিল। মই বোবা হৈ গ'লোঁ। তাৰ পিছত ৰুমাক মেডিকেলত ভৰ্তি কৰোৱা হ'ল।

ডাক্তৰী ৰিজাল্ট আহিল। ভয়ানক 'মেণ্টেল ষ্ট্ৰ'ক'ৰ পৰিণতি সেয়া। তাইৰ কিবা মৰ্মান্তিক বেদনা আছিল। মই বুজি পাইছিলোঁ। দুখবোৰ তাই হজম কৰিব পৰা নাছিল। কিন্তু চেষ্টা কৰিছিল—তাইৰ চৰিত্ৰৰ এইটোৱেই দোষ। মানুহৰ মনৰ বেদনা অপ্ৰকাশৰ পৰিণতি কিমান দুৰ্বিসহ তাই সিদিনাহে বুজিছিল।

যি হওক ভগৱানৰ ইচ্ছাত তাই সোনকালে সুস্থ হৈ উঠিল। মেডিকেলৰ চীফ্ চাৰ্জনৰ পৰা গম পালোঁ—ৰুমাই হেনো অকলশৰীয়াকৈ মোক লগ পাব বিচাৰিছে। সেয়েহে মেডিকেলৰ পৰা ঘৰলৈ লৈ অহাৰ দিনা মই গাড়ীখন লৈ তাইক আনিবলৈ গ'লোঁ। এটা সময়ত মেডিকেলৰ পৰা ঘৰমুখে আগুৱাবলৈ ধৰিলোঁ।—যাত্ৰী মাথোন ৰুমা আৰু মই। এটি মুহূৰ্তত তাই হঠাতে ক'বলৈ ধৰিলে: কিয় নাজানো—তোমাক খুব বিশ্বাসী যেন লাগিছে। সকলোবোৰ কথা খুলি ক'বলৈ মনটো আজি উদ্বাউল হৈ উঠিছে। মোৰ এটা ভুল হ'ল—তোমাক সকলোবোৰ কথা আগতেই ক'ব লাগিছিল। কিন্তু সেই সুবিধাটো নাপালোঁ। কেৱল মা-দেউতাৰ পছন্দতে তুমি বহু দূৰ আগুৱাই আহিলা। নয়ো ঘৰৰ আৰু মা-দেউতাৰ সন্মানৰ খাতিৰত নীৰৱে থাকি চট্ফটাই আছিলোঁ।

ৰুমাই হুকহুকাই কান্দিছিল। তা[illegible] গাড়ীৰ খিৰিকিৰে মুক্ত আকাশ খনিলৈ চা[illegible] কিছুপৰ নীৰৱে থাকি আৱেগভৰা কণ্ঠে[illegible] কৈ গৈছিল।

ঃ বিয়াৰ দিনা উদ্ভৱহোৱা সেই অনাকাংক্ষী[illegible] পৰিস্থিতিৰ বাবে মোক ক্ষমা নকৰিবা জানে[illegible] বিবাহ মণ্ডপত সেইদৰে তোমাক অসন্মান কৰা[illegible] মানসিকতা মোৰ নাছিল। কিন্তু...কিন্তু তুমি[illegible] কোৱাচোন হিন্দু নাৰীয়ে স্বজ্ঞানে দুজনৰ সেন্দু[illegible] শিৰত বোলাব পাৰেনে ?

আজি এবছৰৰ আগতে মোৰ কপাল আৰু শিৰ দগমগ তেজৰ ৰঙা বোলে উজ্বলাই তুলিছিল। অৰ্থাৎ মই বিবাহিতা—অৱশে[illegible] আমাৰ বিয়া সমাজৰ স্বীকৃত নহয়, নতুবা কোনো মন্দিৰৰ পূজাৰীয়েও আমাৰ সাক্ষী দিব নোৱাৰে। আমি দুয়ো দুয়োৰে সাক্ষী —সেয়ে আমাৰ দুটি পবিত্ৰ আত্মাৰ মিলন। সুদৃঢ় প্ৰতিজ্ঞাৰে আমি দুয়ো এক হৈ পৰিছিলোঁ .... ..........

ঃ সেইজন কোন ? কথা শেষ হ'বলৈ নিদি মই প্ৰশ্ন কৰিলোঁ। যদিও মই তেওঁৰ কথাবোৰ সহজভাৱে লবলৈ চেষ্টা কৰিছিলোঁ তথাপি নিজকে লজ্জিত অনুভৱ কৰিছিলোঁ।

ঃ অবিনাশ—মোৰ অবিনাশ—মাত্ৰ মোৰচেপা কণ্ঠেৰে তাই কৈছিল মোৰ কাৰণে অবিনাশ কেতিয়াও 'বিনাশ' হৈ যাব নোৱাৰে। আচলতে দুটা দেহৰ পাৰ্থক্যৰ বাহিৰে আমি এটাই আছিলোঁ আৰু আছোঁ এতিয়াও।

ডিব্ৰুগড়ত এটা প্ৰশিক্ষণ লৈ থকা সময়তে এদিন মোলৈ লেখিছিল, "এইবাৰ বিছুত তোমাক আচৰিত উপহাৰ এটা দিম" —ময়ো লোভ সামৰিব নোৱাৰি তেখেতৰ আকাংক্ষিত সময়ৰ এটি মুহূৰ্তত ধৰা দিছিলোঁ। তেতিয়াই...

: কি লাগিব কোৱা ? তেখেতৰ প্ৰশ্নত মই থৰ হৈ গৈছিলোঁ। কোনো উত্তৰ নিদি তলমূৰকৈ ভৰিৰ নখেৰে মাটিত কিবা লেখিব খুজিছিলোঁ।

: কোৱানা আৱেগ বিজড়িত মাতেৰে অবিনাশ এখোজ আগুৱাই আহিছিল।

: কি দিবা ? উত্তৰত নীৰৱে থাকি মোক চকু মুদিবলৈ দিহিল। তাৰ পিছত—

: তাৰ পিছত কি হ'ল ?

: তাৰ পিছত চকু মেলি দেখিলোঁ বহুত তেজ! অবিনাশৰ বুকুৰে তেজ নিগৰি আছে। কিয় নাজানোঁ মই মাত্ৰ কঁপিছিলোঁ। ডিঙিটো শুকাই গৈছিল।

এটি পবিত্ৰ ক্ষণত তেখেতৰ বুকুৰ এটোপাল তেজ মোৰ শিৰত বোলাই দি প্ৰতিশ্ৰুতি দিছিল— পবিত্ৰতাৰ বাবে ভগৱানক সাক্ষী কৰিবা। আজিৰ পৰা তুমি মোৰ বাক্‌দত্তা। সমাজে স্বীকৃতি দিয়া সেই মাহেন্দ্ৰক্ষণটিলৈ নীৰৱে অপেক্ষা কৰি থাকিবা। আৰু মাত্ৰ এটা বছৰ। পিছ মুহূৰ্ততে মই তেওঁৰ ভৰি চুই সেৱা কৰি মোৰ সমস্ত সঁপি দিছিলোঁ।

কমা নীৰৱ হৈ গৈছিল।

কেতিয়া ঘৰ আহি পালোঁ গমকে নাপালোঁ। বাৰান্দাত বান্ধি থোৱা 'এল্‌ছেচিয়ান্' কুকুৰটোৰ ভুক্‌ভুকনিতহে বাস্তৱলৈ উভতি আহিলোঁ।

আচল কথা কি জান অনুপম— প্ৰেমক কেৱল পাপ আৰু পংকিলতাৰ দৃষ্টিৰে চোৱাটো অনুচিত। আনহাতে সাহসৰ অনুপস্থিতিত প্ৰেম বৰ্তি নাথাকে। কমাৰ কথাবোৰ শুনি মোৰ ভাব হৈছিল যেন—এপাহি পদুম ফুলক জোৰকৈ ভৰিৰে গছকি পেলাব খোজা হৈছে। মই দৃঢ় হৈছিলোঁ অবিনাশৰ লগত কমাৰ বিয়াৰ বন্দোবস্ত কৰাই দিবলৈ। কাৰণ জোৰকৈ সেইজনী ছোৱালীক বিয়া কৰাই তাইৰ নিষ্পাপ পবিত্ৰ হৃদয়খন ভাঙি চূৰমাৰ কৰি দিয়াটো পাপ হ'ব আৰু ভৱিষ্যতে কমা এক বিকৃত মানসিক ৰোগী হোৱাৰ সম্ভাৱনা ও নুই কৰিব নোৱাৰি।

: তেন্তে কমা এতিয়াও তোৰ ঘৰত কিয় ?

: কমা আৰু মোৰ সম্মিলিত ইচ্ছাত কমাক মই স্বীকৃতি দিছো স্ত্ৰী হিচাপে মাত্ৰ সমাজৰ চকুতহে। কিন্তু মোৰ বাবে তাই বান্ধৱী! Really Anupam — মাত্ৰ বান্ধৱীহে! অবিনাশৰ বাবে পুহি ৰখা একোৱেই মই তাইৰ পৰা দাবী কৰা নাই আৰু নকৰোঁ।

: ইয়াৰ অন্তৰ্নিহিত উদ্দেশ্য ? কমাৰ বাবে ইমান ত্যাগ কিয় ?

: সঁচাই তোৰ প্ৰশ্নটোৰ উত্তৰ মোৰ বাবেও কঠিন। কিন্তু মোৰ বিবেকৰ নিৰ্দেশমতে

এজন মানসিক চিকিৎসক হিচাপে ৰোগীক প্রয়োগ কৰা এটা Treatment. জানইতো—মানর সেৱাই আচল ধর্ম। তাতে আকৌ চিকিৎসক। গতিকে....

কথাবাৰ শেষ কৰিবলৈ নিদি আকৌ সুধিলোঁ: অবিনাশ বর্তমান ক'ত ?

: ব্যৱসায়জনিত কাৰণত আজি এমাহ ধৰি বোম্বেত আছে। অহা মাহত আহি পাব। সিও মোৰ বন্ধু। তুমাহমানৰ আগতে ঘটনা-ক্রমে তাৰ লগত বন্ধুত্ব গঢ়ি উঠিছে। বোম্বেৰ পৰা আহিলে বাহিৰে বাহিৰে মোৰ ইয়ালৈ আহিবলৈ টেলিগ্রাম কৰিছোঁ।

: গল্প শেষ নহ'বই নেকি ? ভাত-পানী খাই লওক। পিছতো কথা পাতিব পাৰিব।

—কুমাৰ চিঞৰতহে যেন বাস্তৱলৈ ঘূৰি আহিলোঁ। কেতিয়া এঘাৰ বাজিল ক'বকে নোৱাৰিলোঁ। ইমান সময়ে চিনেমা এখনহে চাই আছিলোঁ।

দুয়ো পাৰ্কৰ পৰা আহি খাই সমুখৰ বাৰান্দাত জিৰণি লৈছোঁ।

: Comment please ? অনির্বাণৰ প্রশ্ন।

: মোৰ ভাষা নাই ভাই ! তইঁতৰ নিস্কলুষ আৰু Understanding অৰ মাজত মই অবাক হৈছোঁ। সঁচাই ভাই তোৰ প্ৰতি শ্ৰদ্ধা উপজিছে। আচৰিত তই !

আবেলি দুয়ো বজাৰলৈ ওলাই গ'লোঁ। উভতি আহোঁতে সন্ধিয়া হ'ল। ভিতৰলৈ সোমাই গৈ দেখিলোঁ শ্রীকৃষ্ণৰ বিশ্ব-বিমোহন মূৰ্তিটোৰ কাষত চাকি এগছি জ্বলাই কুমাই প্রার্থনা কৰি আছে। ছাকিগছৰ সমুখত কুমাক দেৱী যেন লাগিছিল। মই থৰ হৈ চাইছিলোঁ। এটা সময়ত কিবা ভাবি সেওঁতাত হাত বুলাই দিলে। টেমাটোত আছিল সেন্দুৰ। ★

# অনিৰ্বাণ

মঞ্জৰীয়ে ভবা নাছিল তাইৰ জীৱনলৈ এনে এটা দিন আহিব বুলি, কিয়নো তাইৰ মনৰ নিভৃত কোণত সেইটো দিনৰ মধুৰ স্মৃতিয়ে আজিও খেলা কৰি আছে; যিটো দিনৰ মধুৰ সপোন প্ৰতিজনী গাভৰুৱে দিনে ৰাতিয়ে অজানিতে দেখে। অ' সেইদিনা আছিল মঙ্গলবাৰ, মাঘমাহ .... আধাভঙা আইনাখনত মুখখন চাই চুলিকোছা ভালকৈ বান্ধিব খোজোঁতেই চোতালত তাইৰ দেউতাকক ওচৰৰে গাঁৱৰ বিৰজুৱে পুতেক ৰামালৈ তাইক নিয়াৰ প্ৰস্তাৱ এটা আগবঢ়াইছিল। তাই কাণপাতি দেউতাকে কি কয় শুনিবলৈ চেষ্টা কৰিছিল আৰু তাইৰ কাণে যিটো শুনি ভাল পায় তাকেই দেউতাকে বিৰজুক কৈছিল। এটা চেপা উত্তেজনাত তাইৰ হাত ভৰিবোৰ থৰক বৰক হৈছিল আৰু দেউতাকে চিঞৰি চিঞৰি মতাত তাই সন্তৰ্পণে লাজ লাজকৈ বিৰজুৰ ওচৰত থিয় হৈছিল। তাৰ পিছত মাজত এটা সপ্তাহ ....। মাঘমাহৰ পূৰ্ণিমাৰ দিনা বিশ তাৰিখ বুধবাৰে ৰাতি ৰামাইহঁতৰ গাঁৱৰ কিছুমান চিনাকি অচিনাকি মানুহ সিহঁতৰ ঘৰলৈ আহিছিল। মানুহৰ সেই সৰু দলটোৰ আগত ৰামাই মূৰত শুধ



অৰ্পণা দাস
স্নাতক, ২য় বৰ্ষ ( কলা )

বগা পাগুৰী, বগা পাঞ্জাবী আৰু চুৰীয়া এখন পিন্ধি দৰা সাজি আহিছিল। আৰু তাইকো ওচৰৰে পেহীয়েকে টিক্‌টিকিয়া ৰঙা শাৰী এখন জোৰকৈ পিন্ধাই কপালত ডাঙৰকৈ এটা সেন্দুৰৰ ফোট দি কইনা সজাইছিল। এটা ঘড়ী আৰু এখন চাইকেল দৰাক যৌতুক হিচাপে দি দেউতাকে তাইক ৰামাৰ হাতত অৰ্পণ কৰিছিল। তেতিয়াই তাই বিধাতাক মনে মনে প্ৰাৰ্থনা কৰিছিল.... সিঁহতৰ মিলন যেন যুগমীয়া হয়।

বিয়াৰ ছমাহ পিছত এদিন ৰামাৰ দেউতাকে আগতে কাম কৰা অসমৰ এজন ধনী ব্যৱসায়ী হৰি কাকতিৰ চিঠি এখন বজাৰৰ পৰা ঘূৰি আহোঁতে ৰামাই তাৰ উৰলি যাব ধৰা পাঞ্জাবীটোৰ পকেটত ভৰাই আনিছিল। লগত পাঁচশ টকাৰ মনিঅৰ্ডাৰ এখন। চিঠিখন ডাকযোগে আহিছিল। সন্ধিয়া ওচৰৰে গুস্তামী মিন্নাক মাতি আনি চিঠিখন পঢ়ি শুনোৱা হ'ল। চিঠিখনৰ সাৰমৰ্ম হ'ল ঠিকাদাৰ কাকতিয়ে ৰামাৰ বাপেকক কেইজনমান মানুহ লৈ অসমলৈ তেওঁৰ তালৈ ইটা বনোৱা কাম কৰিবলৈ মাতিছে, যিমান পাৰে সোনকালে গ'লে ভাল হয়। সেইদিনা সন্ধিয়া ঠিক কৰি পেলাইছিল যে অহা ৰবিবাৰে সিঁহতে অসমলৈ যাত্ৰা কৰিব।

...তাইৰ ঠিক মনত আছে, ৰামাহঁত যাবৰ দিনা তাই এখন এহাত মান বহল ৰঙা পাৰীৰ শাৰী পিন্ধিছিল আৰু কপাল খনৰ আধাই সেন্দুৰেৰে ৰঞ্জিত হৈ আছিল। আধা ৰাতিতেই উঠি তাই শহুৰেক আৰু গিৰিয়েক ৰামাক খুৱাই-বুৱাই তুলিছিল। যাবৰ পৰত সিঁহতৰ সৰু কোঠাটোৰ ভিতৰত ৰামাই তাই আগবঢ়াই দিয়া চুপাৰি তুটুকুৰামান ল'বলৈ হাতখন আগবঢ়াই দি কিছুসময় তাইলৈ থিৰ চকুৰে চাইছিল। কেইটামান মুহূৰ্ত পাৰ হৈছিল .... .... তেতিয়াই দেউতাকে বাহিৰত ৰামা বুলি চিঞৰা শুনি সি খপ্‌জপ্‌কৈ তাইৰ পৰা চুপাৰি এটুকুৰা লৈ বাওঁহাতখনেৰে তাইৰ মূৰত হাত বুলাই দি "আহোঁনেই" বুলি লাহেকৈ কৈ বাহিৰলৈ ওলাই আহিছিল। শহুৰেকৰ ততাতৈয়াত সিঁহত আটাইকেইজন আগবাঢ়িব লৈছিল। ৰামাই মাক আৰু সৰু ভায়েকটোক মাত লগাই তাইলৈ কেৰাহিকৈ চাই সিঁহতৰ লগত আগবাঢ়িছিল। নেদেখা হোৱালৈকে বাপেকে গম নোপোৱাকৈ সি মনে মনে চাৰি পাঁচবাৰ ঘূৰি ঘূৰি তাইলৈ চাই গৈছিল। তাই নিঠৰ হৈ দুৱাৰমুখত থিয় হৈ আছিল। বুকু ভাঙি আহিব খোজা কান্দোনটোক মনেৰে কোনোমতে হেঁচা দি ৰাখিব পাৰিছিল যদিও চকু দুটাক বাধা দিব নোৱাৰিছিল। জৰ্‌জৰ্‌কৈ চকুপানী বৈ ৰামাৰ ছবিখন তাইৰ আগত অস্পষ্ট হৈ পৰিছিল। কিয় জানো তাইৰ বুকুখনে কিবা এটা হেকৰাৰ দৰে হাহাকাৰ লগাই দিছিল। ঘৰ সোমাই তাই 'হনুমানজীৰ'ৰ ফটোখনৰ ওপৰত মূৰদোৱাই আঠু কাঢ়ি প্ৰাৰ্থনা কৰিছিল।

চাৰিদিন ৰেলত কটাই গুৱাহাটীত উপস্থিত হৈ ৰামাহঁতে দৰঙৰ ওচৰত মিছামাৰী গাঁৱৰ হৰি কাকতিৰ ট্ৰাকেৰে গৈছিল।

আগতে কোনো কাহানিও ঘৰৰ বাহিৰত নথকা বাবেই নেকি ৰামাৰ অন্তৰত উগুল-থুগুল ভাব এটাই অনবৰতে খেলা কৰি থাকিল....। বাৰে বাৰে তাৰ মৰমৰ মঞ্জৰীজনীলৈ, মাক আৰু সৰু ভায়েকটোলৈ মনত পৰি থাকিল। ঘৈণী-য়েকলৈ সঘনাই চিঠি লেখিলে—তাইৰ স্বাস্থ্য, খোৱা লোৱা, মাকৰ কথা ইত্যাদি ইত্যাদি। তায়ো তালৈ চিঠি লেখিছিল। বিহাৰৰ পৰা অসমলৈ আহিবলগীয়া সেই নিৰ্দিষ্ট চিঠিখনৰ বাবে তাৰ এটা সপ্তাহ এটা যুগ যেন ভাব হৈছিল। এদিন তাৰ ভীষণ জ্বৰ উঠিছিল। জ্বৰত সি ভ্ৰম বকিছিল ....... তাৰ ঘৈণীয়েক, ...হ'বলগীয়া ল'ৰাটো ইত্যাদিৰোৰ কথা। কাকতিয়ে আনি দিয়া পিল চাৰিটা বাপেকে মূৰ শিতানত বহি তাক খুৱাই দিছিল। আৰু ষ্টিলৰ চেইনডালৰ "হনুমানজী"ৰ ফটো থকা সৰু লকেটটো খামোচ মাৰি ধৰি সি মুখেৰে কিবা বিৰবিৰাইছিল। সম্পূৰ্ণ এক সপ্তাহ পিছতহে সি গা-টঙাব পাৰিছিল। তাৰ পিছত আকৌ সেই গতানুগতিক জীৱন। সিহঁতৰ অসমলৈ আহিবৰ পাঁচমাহ হৈ গৈছিল আৰু মাত্ৰ এমাহ পিছত সি তাৰ দেশলৈ, ঘৈণী-য়েকৰ ওচৰলৈ মাকৰ কাষলৈ যাব পাৰিব। তেতিয়া ছাগে তাৰ ঘৈণীয়েকে এটা নতুন ৰূপ ল'ব। দিন ৰাতিৰ ছেদ ভেদ নোহো-ৱাকৈ বোকাৰে লুতুৰি পুতুৰি হৈ বোকা খচি খচি সি কেৱল তাৰ ঘৈণীয়েকৰ ওচৰ পোৱা ক্ষণটোকে গণি আছিল। তাৰ উদ্যম দেখি কুৰকানইতে তাক জোকাইছিল।

শীতৰ জঠৰতা এৰি প্ৰকৃতিয়ে এটা নতুন পোছাক পৰিধান কৰিছিল। অসমৰ বৰদৈচিলাৰ কোবত আউলী বাউলী হৈ বহাগীয়ে যেন ভেমপাতি ৰবযাক মাতি আনিছিল। বৰদৈচিলাৰ অহংকাৰ মসিমূৰ কৰিবলৈ। ৰামাহঁতৰ কাম শেষ হৈছিল। কাকতিৰ ওচৰত হিচাপ নিকাচ কৰি বহাগ মাহৰ সাত তাৰিখটো সিহঁতে দেশলৈ উভতি যোৱাৰ দিন ঠিক কৰিছিল। সাত তাৰি-খটো আহিবলৈ মাজত মাত্ৰ দুদিন বাকী। তাৰ বাৰে বাৰে ঘৈণীয়েকলৈ মনত পৰিছিল। সিহঁত আহিবৰ দিনা তাইৰ চলচলীয়া চকু দুটা, ৰঙা সূৰ্য্যৰ বাঙলী কিৰণৰ দৰে সেন্দুৰেৰে ৰঞ্জিত হৈ থকা তাইৰ সৰু বগা কপালখন, ৰঙা পাৰিৰ বগা শাৰীখন ... তাৰ খুব মনত পৰিছিল। অৱশেষত সাত তাৰিখটো আহি পাইছিল। নিচেই পুৱাতে সিহঁতে কাকতিৰ পৰা বিদায় লৈ গুৱাহাটী অভিমুখে বাহ ধৰিছিল। বাপেকে ইতিমধ্যে ঘৰলৈ চিঠি লেখিছিল যে বাৰ তাৰিখ মানে সিহঁতে ঘৰ পাবগৈ।

মঞ্জৰীৰ হৃদয়খন খৌকি-বাখৌ ভাবেৰে পৰিপূৰ্ণ হৈছিল। অন্তৰৰ মাজত হেজাৰ হেজাৰ তগৰ কামিনী কাঞ্চন ফুলি-ছিল। কেচুৱাটোলৈ বাৰে বাৰে চাই তাই গিৰিয়েকৰ নাকটো আৰু কপালখনৰ সাদৃশ্য মনত পেলাইছিল। দুষ্যন্তলৈ শকুন্তলাই অধীৰ আগ্ৰহেৰে অপেক্ষা কৰাৰ দৰে তায়ো গিৰিয়েক অহালৈ আগ্ৰহেৰে অপেক্ষা কৰি আছিল। বাৰ তাৰিখটো পাৰ হৈ গৈছিল

তাৰ পিছত এদিন এদিন কৈ তিনি দিন। ১৬ তাৰিখে ৰাতি পুৱাবলৈ বেছি সময় নাছিল। হঠাতে বাহিৰত কিবা এটা হুলুস্থূল শুনি তাই কেচুৱাটোক লৈ বাহিৰলৈ ওলাই আহিছিল। বাহিৰৰ চোতালখন চুবুৰীয়া মতা মানুহেৰে ভৰি পৰিছিল। ইমান বিলাক মানুহনো কেতিয়া জমা হ'ল তাই গমেই পোৱা নাছিল। কেচুৱাটোৱে ৰৰকৈ কান্দি আছিল সেইকাৰণেই বোধহয়। আচলতে মানুহবোৰেও একো কোৱা নাছিল। বাৰান্দাত জ্বলি থকা টিপ চাকিটোৰ ক্ষীণ পোহৰত তাই লক্ষ্য কৰিছিল সকলোৰে মলিয়ন মুখবোৰ। ই কি! শাহুৱেকে চোতালত বাগৰি বাগৰি ইনাই বিনাই কান্দিব ধৰিছে? কিয়? শাহুৱেকে বোধহয় তাইক দেখা নাছিল। ঘূৰেঁাতে তাইক দেখা পালে কিজানি! খুব জোৰেৰে চিঞৰি উঠিল। তাইৰ সৰু দেওৰেকটোৱে গুস্তানীৰ কঁকালত সাৱটি ধৰি তাৰ পাঞ্জাবীটোৰ তলত মুখখন গুজি থিয় হৈ আছিল। কোনোৱে তাইক একো কোৱা নাছিল। তাইৰ চকুহুটাই মানুহ বিলাকৰ মাজত কাৰোবাক যেন বিচাৰি আছিল। হঠাতে কুৰবানক দেখা পাই তাই চিঞৰি উঠিছিল। কুৰবান ককাই কি হৈছে?

তাইৰ প্ৰশ্নৰ উত্তৰত মিন্নাই চি ভয়ঙ্কৰ কথাটো কৈছিল, সেইটো হ'ল চৌ-নত তাইৰ গিৰিয়েকক ট্ৰাকে চেপি মাৰিলে। কথাটো শুনাৰ পিছতো তাই শাহুৱেকৰ দৰে বাগৰি বাগৰি কান্দিব পৰা নাছিল। এজাক প্ৰচণ্ড ধুমুহাই যেন তাইৰ অন্তৰৰ গভীৰতম প্ৰদেশত প্ৰৱেশ কৰি সেন্দুৰীয়া সপোনবোৰ ভাঙি চিঙি আজুৰি পেলাইছিল। বিজুলী চিক্‌মিকনিৰ দৰে হঠাতে তাইৰ কপালৰ ৰঙা ফোঁটটো, শাৰীখনৰ ৰঙা ৰংটো নোহোৱা হৈ গোটেইখন বগা হৈ গ'ল। তাই ওচৰতে থকা খুটাটোত ধৰি লাহে লাহে বহি পৰিছিল। সেইদৰে বহু সময় অতিবাহিত হৈছিল। এটা সময়ত ঘৰৰ মানুহে সেৱা কৰি ৰামাক শেষ বিদায় দিবলৈ কৈছিল। কিন্তু তাইৰ কোনো প্ৰতিক্ৰিয়া প্ৰকাশ পোৱা নাছিল এইদৰে কিছুসময় অতিবাহিত হোৱাৰ পিছত হঠাতে তাইৰ কোলাৰ কেচুৱাটোৱে কান্দিবলৈ ধৰিলে। এই কান্দোনতহে যেন তাই সম্বিত ঘূৰাই পালে। তেতিয়া আৰু থিৰেৰে থাকিব নোৱাৰিলে। তাই হুক হুককৈ কান্দি উঠিল আৰু কেচুৱাটি বুকুৰ মাজত জোৰেৰে সাৱটি ধৰিলে .... ...।

★★




সুৰেশ কলিতা
স্নাতক , ২য় বৰ্ষ (কলা)

স্বচ্ছ কাচৰ গিলাচটোত পৰি জল-মলাই উঠিল ৰঙীন পানীয়খিনি ।

সমীৰে ৰঙীন পানীয়খিনিলৈ স্থিৰ দৃষ্টিৰে চাই ৰ'ল । অন্তৰৰ সকলো দুখ শোক পাহৰি থাকিবলৈ এইখিনিয়েই একমাত্ৰ মাধ্যম নেকি ? সি ভাবিলে । জীৱনত নোপোৱাৰ বেদনাতকৈ পায়ো হেৰুওৱাৰ বেদনা হয়তো বেছি গভীৰ, বেছি যন্ত্ৰণাদায়ক ।

জীৱনৰ দুখ-দৈন্যৰ পৰা মুক্তি লভিব-লৈকে হয়তো বহুতে আশ্ৰয় লয় মদৰ, কোনোৱে কৃত্ৰিম হাঁহিৰ । মদ আৰু কৃত্ৰিম হাঁহিৰ মাজেদিয়েই আৰম্ভ হয় একোটা অভি-নয় ভৰা কৃত্ৰিম জীৱন ।

আজি দুদিন ধৰি সমীৰে চেষ্টা কৰিছে সেই ৰঙীন পানীয়খিনি গলাধঃকৰণ কৰি-বলৈ । কিন্তু সি পৰা নাই । কিবা এক

অজান শক্তিয়ে তাক যেন বাধা দি আহিছে। আজি দুদিন ধৰি চেষ্টা কৰিছে সেই ৰঙীন পানীয়খিনি নিঃশেষ কৰি দিবলৈ। কিন্তু সি পৰা নাই।

আজিও সমীৰে চেষ্টা কৰিছে তাৰ অন্তৰৰ বেদনাখিনি পাহৰিবলৈ। গিলাচত বাকিলোৱা ৰঙীন পানীয়খিনি শেষ কৰিবলৈ। তাৰ হৃদয় গভীৰ বেদনাৰে জৰ্জৰিত, তাৰ মনৰ সকলো আশা-আকাংক্ষা ঠুনুকা কাচৰ দৰে ভাঙি চুৰমাৰ হৈ গৈছে। মদৰ ভক্ত সি কোনো দিনেই হোৱা নাছিল। কিন্তু আজি সি চেষ্টা কৰিছে মদ খাবলৈ। তাৰ অন্তৰৰ বেদনাবোৰ পাহৰিবলৈ সি নানান প্ৰকাৰে চেষ্টা কৰিছিল। কিন্তু সি বিফল হ'ল। সেয়েহে আজি শেষ উপায় হিচাপে মদৰ আশ্ৰয় ল'ব খুজিছে। আজি গোটেই পৃথিৱীক পাহৰি এক গভীৰ নিচাত ডুবি থাকিব বিচাৰিছে। কিন্তু এতিয়ালৈকে কিয় মদখিনি খাব পৰা নাই, সি নিজেই নাজানে।

কিন্তু আজি সি ঠিক কৰিছে সি মদ খাবই। তাৰ বাবে আজি এই মদ নামৰ জুলীয়া পদাৰ্থখিনিৰ খুব প্ৰয়োজন। আগৰ আদৰ্শবান 'সমীৰ' নামৰ মানুহটোৰ ঠাইত আজি সি জন্ম দিব এটা নতুন সমীৰৰ। সেই উদ্দেশ্যেই হাতত গিলাচ তুলি লৈ স্থিৰ দৃষ্টিৰে চাই ৰ'ল ৰঙীন পানীয়খিনিলৈ।

সমীৰ কলিতা, দুৰ্নীতিৰ ভঁৰাল পি, ডব্লিউ, ডি, নামৰ সেই কুখ্যাত বিভাগটোৰ সহকাৰী অভিযন্তা। পাহাৰীয়া এই চহৰ খনত থকা গড়কাপ্তানী বিভাগৰ কাৰ্যবাহী অভিযন্তাৰ পৰা অফিচৰ পিয়নলৈকে সকলোৱে জানে সমীৰ কলিতাই ঘোচ নাখায় বুলি। দুৰ্নীতিক কাহানিও সি আশ্ৰয় দিয়া নাই। সেয়েহে অফিচৰ এভাগ কৰ্মচাৰী আৰু ঠিকাদাৰৰ মাজত সি অপ্ৰিয়।

এই চহৰখনৰ পৰা বহু দূৰৈৰ সেউজপুৰ নামৰ এখন গাঁৱত সমীৰৰ ঘৰ। দেউতাক অৱসৰপ্ৰাপ্ত এজন সৈনিক। সিহঁত তিনিটা ককাই ভাই আৰু দুজনী ভনী। এজন ভায়েক আৰু এজনী ভনীয়েক সৰুতে ঢুকাইছে। দেউতাকে সৰুৰে পৰাই নিজৰ সন্তান কেইটাক আদৰ্শবান সৎ নাগৰিক হিচাপে গঢ়ি তুলিবলৈ আপ্ৰাণ চেষ্টা কৰি আহিছে।

বহুদিনৰ বিৰতিত এবাৰ বহাগ বিহুত কেইদিনমান সৰহীয়াকৈ ছুটী লৈ সি ঘৰলৈ গৈছিল। কিন্তু ঘৰ পায়েই তাৰ সকলো আশা, মনৰ আনন্দ মাটি হৈ গৈছিল। আদৰ্শ পৰিয়ালটোৰ ইতিমধ্যে মৃত্যু ঘটিছিল। হেৰাই গৈছিল আদৰ্শবান দেউতাকৰ আদৰ্শ। ভায়েকটোৰ উচ্চাকাংক্ষা বাস্তৱৰ নিৰ্ঠুৰ আঘাতত ভাঙি থানবান্ হৈ গ'ল। ভনীয়েক জনীয়ে ভুল পথ বাছি ল'লে।

ঘৰ পোৱাৰ পিছত ঘৰৰ পৰিস্থিতিয়ে সমীৰক হতাশ কৰি তুলিছিল। দেউতাকৰ কথাই, ভায়েকৰ ব্যৱহাৰে, ভনীয়েকৰ উত্তপ্ত কথাই তাক বিমূঢ় কৰি তুলিছিল। মাত্ৰ এটা নিশা ঘৰত কটাই পিছদিনাই সেউজপুৰ এৰিবলৈ বাধ্য হৈছিল।

ঘৰৰ পৰা আহোঁতে দেউতাক, ভায়েক আৰু ভনীয়েকজনীৰ কথাই সমীৰক ৰৰকৈ আমনি কৰিছিল। অহৰহ তাৰ কাণত বাজি থাকিল কিছুমান নিষ্ঠুৰ বাক্য।

দেউতাকে কৈছিল—সমীৰ, যুগৰ লৈতে খোজ মিলাবলৈ শিক। ধৰ্ম যুধিষ্ঠিৰ হৈ আৰু লাভ নাই।

ঘৰলৈ নিশা পলমকৈ ঘূৰি অহা ভায়েকটোৰ মুখত সি শুনিবলৈ পাইছিল—আদৰ্শ-আদৰ্শ কৰি কি লাভৰে! ইঞ্জিনিয়াৰ মানুহ, টকা ঘটিব লাগে। আদৰ্শেৰে পেট নভৰে বুজিছ! ভায়েকৰ মুখৰ পৰা অহা গোন্ধটোৱে সমীৰক বুজাই দিলে যে সি মদ খাই আহিছে।

নতুনকৈ কেৰাণীৰ চাকৰি যোগাৰ কৰি লোৱা ভনীয়েকক কোনোবা 'ছাৰ'ৰ জীপৰ পৰা নামি মাজনিশা ঘৰ সোমাওঁতে সমীৰে ধমকি দিয়াত তাই উত্তৰ দিছিল—দাদা, মই ডাঙৰ হৈছোঁ। যেনেকৈয়ে নহওঁক চাকৰি এটা গোটাইছোঁ। তোমাৰ টকাৰ আৰু মোৰ দৰকাৰ নাই।

সমীৰ স্তব্ধ হৈ গৈছিল। কলৈ গ'ল দেউতাকৰ আদৰ্শ? ভায়েকটো, ভনীয়েকজনী কিয় অবাটে গ'ল? তাৰ মনটো হাহাকাৰ কৰি উঠিছিল। পিছদিনাই সি সেউজপুৰ এৰিছিল। মাকৰ চকুপানী আৰু দেউতাকৰ বিস্মিত অৱস্থাৰ মাজতে বিচুৰ দিনাই সমীৰে ঘৰ এৰিছিল।

সি ভাবিছিল, ঘৰত পোৱা আঘাতৰ পিছত হয়তো মৰমীৰ ওচৰতেই কিছু শান্তনা বিচাৰি পাব। মৰমীৰ সান্নিধ্যই হয়তো ঘূৰাই দিব তাৰ হেৰুওৱা মনোবল। কিন্তু....

গিলাচটোত থকা পানীয়খিনিলৈ আকৌ এবাৰ ভালকৈ চালে সমীৰে। ৰঙীন পানীয়খিনিত জিলিকি উঠিল তাৰ চিনাকি আপোন মৰমীৰ মুখখন। যাক লৈ সি সপোন দেখিছিল এক নতুন জীৱন গঢ়াৰ।

সমীৰে কামকৰা বিভাগীয় কাৰ্যালয়টোত কাম কৰা মিচেচ্ ফুকনৰ একমাত্ৰ দুহিতা মৰমী। সকতে দেউতাকক হেৰুওৱা এই ছোৱালীজনী মাকৰ খুব মৰমৰ। তাই পঢ়ে গাঁৱৰ একমাত্ৰ কলেজখনত।

বহুতেই কয় মৰমী তেনো গাওঁখনৰ ছোৱালীবোৰৰ ভিতৰত অনন্যা। ববকাট চুলিৰে নীলা এযুৰি চকুৰে মৰম লগা ছোৱালীজনী। সকতে দেউতাকক হেৰুওৱা বাবেই নেকি জানো তাই খুব গহীন।

এবছৰৰ ঘনিষ্ঠতাই সিহঁতক আৰু আপোন কৰি তুলিছিল। সমীৰে বহুত সপোন দেখিছিল। ভাল লাগিছিল তাইৰ চিন্তাধাৰাক। সমীৰক তাই প্ৰেৰণা দিছিল? হেজাৰ বাধা নেওচি সৎপথে আগুৱাই যাবলৈ। অন্যায়ক তায়ো মনে প্ৰাণে ঘৃণা কৰিছিল। বৰ্তমান সমাজ ব্যৱস্থাৰ ওপৰত তাই বিক্ষুব্ধ। তাইৰ সেই মানসিকতা গঢ়ি উঠাত ইন্ধন যোগাইছিল সমীৰ কলিতা নামৰ লিখকজনৰ লেখাই।

মৰমীৰ প্ৰেৰণাই তাক সাহস দিছিল। সি উপলব্ধি কৰিছিল সিহঁত দুয়োটাৰ মাজত গভীৰ আন্তৰিকতা গঢ় লৈ উঠিছে। সিহঁত দুটাৰ ভালপোৱাই গতি কৰিছিল গভীৰৰ পৰা গভীৰতলৈ।

ঘৰৰ পৰা আহত মন এটাৰে যেতিয়া মৰমীৰ সান্নিধ্য বিচাৰি সি সিহঁতৰ ঘৰলৈ গৈছিল, সেইদিনা মিচেচ্ ফুকনে কোৱা কথা-কেইটা এতিয়াও তাৰ কাণত বাজি আছে — মৰমীৰ বিয়াৰ ঠিক হৈছে। ল'ৰা নগাঁৱৰ দাঙুল বৰুৱা, বন বিভাগৰ এজন জ্যেষ্ঠ কৰ্মী। ভাল ঘৰৰ ল'ৰা। বিয়াখন খুব লৰালৰিকৈ পাতিব লগা হ'ল। তুমি মোৰ ঘৰৰ ল'ৰাৰ নিচিনা। বিয়াখনত সহায় কৰি দিবা। অ' মৰমী মোমায়েকৰ তালৈ গৈছে, বিয়া তাৰ পৰাই হ'ব।

সমীৰে মৰমীহঁতৰ ঘৰৰ পৰা নীৰৱে আঁতৰি আহিছিল। তাৰ অশান্তি বাঢ়ি গৈহে থাকিল। তাৰ চাৰিওফালে এক শূন্যতাই বিৰাজ কৰিছে। এই শূন্যতাখিনি আঁতৰাই ৰাখিবলৈ তাৰ কিবা এক মাধ্যমৰ প্ৰয়োজন। ঠিকেই তাক অলপ মদৰ প্ৰয়োজন, সি আজি মদ খাবই। তাৰ আদৰ্শৰ পতন ঘটাব। আগৰ সমীৰৰ মৃত্যু ঘটাই সি জন্ম দিব এক নতুন সমীৰৰ। সি মাতি মদ খাব। ভেটি খাব, গুৱাহাটীত মাটি ল'ব, দুমহলীয়া ঘৰ সাজিব। পৃথিৱীত এতিয়াও সি বহুত কৰিবলৈ বাকী আছে। এইবোৰ যুগ ধৰ্ম মানি দেউতাকৰ মুখত সি হাঁহি বিৰিঙাব।

মদৰ গিলাচটো হাতত তুলি ল'লে। চিনাকি মুখ কেইখনে ৰঙীন পানীয়খিনিৰ মাজৰ পৰা তালৈ চাই হাঁহিছে, তাক ইতিকিং কৰিছে। চকু মুদি পানীয়খিনি সি ডিঙিত বাকি দিলে। তাৰ বুকুখন চমচমাই গ'ল। সি গিলাচটোলৈ চালে — শূন্য। সি গিলাচটো আকৌ ভৰ্তি কৰি ল'লে।

বটলটো শেষ কৰি সি টলংটপংকৈ গৈ তাৰ ডায়েৰীখন টান মাৰি আনিলে। ডায়েৰীৰ পাত লুটিয়াই — ১৯৯০ চনৰ ২৩ অক্টোবৰৰ পাতটোত সি থৰক-বৰকলৈ ৰঙা চিয়াঁহীৰে লেখিলে— "সমীৰ কলিতা...... এটা আদৰ্শৰ আজি মৃত্যু হ'ল"। ৰঙা ৰঙা আখৰ কেইটা তাৰ নিচাযুক্ত চকুত ক্ৰমান্বয়ে ডাঙৰৰ পৰা ডাঙৰ হৈ আহিল।

□ □

[অনুবাদ গল্প]



মূল : বঙলা গল্প 'দু' চোখের আঁধারে'
গল্পকাৰ : অসিত মৈত্ৰ
অনুবাদক : কমল চন্দ্ৰ পাঠক
স্নাতক, ৩য় বৰ্ষ (কলা)

# দুচকুৰ এন্ধাৰত

সিদিনা সুৰাপানৰ পৰিমাণ অলপ বেছিয়ে হৈছিল । অনেকদিন পিছত পুৰণি স্কচ-হুইস্কিৰ স্বাদ পাই নিজকে আৰু ধৰি ৰাখিব নোৱাৰিলোঁ । কিন্তু এইটো নহয় যে মই একেবাৰে বেহুচ হৈ পৰিম । সেই দিনা আকৌ বৰষুণো কিনকিনিয়াকৈ আৰম্ভ হৈছিল । বেছ জাৰো পৰিছিল । পাহাৰৰ ওপৰৰ এই সৰু চহৰখনত জাৰ মোৰ বাৰমাহৰ সংগী । কিন্তু সিদিনাখন যেন সকলো মাত্ৰা

অতিক্ৰম কৰিছিল। মেৰিয়ামৰ বাংলোৰ পৰা বাহিৰ হৈ ৰাস্তাত ভৰি দিয়েই ভাব হ'ল বৰফৰ দৰে শীতল বতাহ জাকে যেন পোনে পোনে আহি হাড়ত বিন্ধিছে। গাড়ীৰ সকলো খিৰিকি বন্ধ কৰা আছিল বুলিয়েই বোধহয় ভিতৰত বহি ইয়াৰ অস্তিত্ব অনুভৱ কৰা নাছিলোঁ। মোৰ কাষৰ চিটত গা এৰি দি লতাই ৰেডিঅ'টো বজাই দিলে। গীটাৰৰ চুইট্ মেল'ডিয়ে গাড়ীৰ ভিতৰত লহৰ খেলিব ধৰিলে। ইমান সুমধুৰ সুৰ কাণত ঝংকাৰিত হ'লে দেহৰ অন্য অনুভূতি বিলাক আপোনা-আপুনি শিথিল হৈ আহে। লতাও সেই সুৰৰ আবেশত সম্মোহিত হৈ পৰিল। হঠাৎ যেন ছন্দপতন ঘটি গ'ল আকস্মিকভাৱে। বিস্ফাৰিত নেত্ৰে লতাই আৰ্তনাদ কৰি উঠিল 'শেখৰ, ঈশ্বৰৰ দোহাই........ সাৱধান..! কিন্তু তেতিয়া আৰু একো কৰিবলগীয়া নাছিল। সকলো যেন আয়ত্বৰ বাহিৰ হৈ গৈছে। ভাব হ'ল মই যেন চালকৰ আসন এৰি জাপ মাৰি ওপৰলৈ উঠি গৈছোঁ। কাঁচ ভগাৰ এটা প্ৰচণ্ড জন্ জন্ শব্দই মোৰ কাণত আঘাত কৰিলে। তাৰ পিছৰ পৰা লতাই আৰু মোৰ লগত কথা কোৱা নাই! নাই..নাই, আমাৰ মাজত যে কোনো কাজিয়া হৈছে ভুলতে এনে একো নাভাবিব। নহ'লে মোৰ প্ৰতি মিচাকৈয়ে অবিচাৰ কৰা হ'ব। বিয়াৰ পিছৰ পৰা কোনো কাৰণতে আমাৰ মাজত কেতিয়াও মনোমালিন্য ঘটা নাই। প্ৰকৃততে আমাৰ এই প্ৰেম স্বৰ্গীয়।

আপোনালোকৰ মনত প্ৰশ্নৰ উদ্ভ হ'ব পাৰে তেনেহ'লে মোৰ লগত কিয় কথা নকয়। সেইটো কেৱল অভিমান শুক্ পোৱাৰ বাবেই। হঠাতে ইমান ডাঙৰ এনেকুৱা এটা আঘাতে তাইৰ বাক্শক্তি কাঢ়ি নিছে। বহুতৰ জীৱনতে এনে ঘটনা ঘটি থাকে। অৱশ্যে সুস্থ হৈ উঠিলে নিশ্চয় তেওঁ মোৰ লগত কথা ক'ব। কুসুম কোমল দুহাতেৰে মোৰ ডিঙিত ধৰি আকৌ আগৰদৰে মৰম যাচিব। সকলোবোৰ তেতিয়া আকৌ সহজ হৈ পৰিব।

নাই, ডাক্তৰক আৰু মই নামানো। তেওঁলোকৰ অত্যাচাৰ মই আৰু সহ্য কৰিব নোৱাৰোঁ। তেনেহ'লে আকৌ তেওঁলোকে মোৰ কাষৰ পৰা মোৰ লতাক আঁতৰাই লৈ যাব। দুৰ্ঘটনাৰ ঠিক পিছতো তেওঁক লৈ গৈছিল। তেওঁলোকৰ মন্তব্য, আমি এতিয়া পৃথকে পৃথকে থকাই ভাল। নিৰ্বোধ ভূতৰ দল সকলো। কি বুজিবে যে তেওঁলোকে ডাক্তৰী পাছ কৰিছে বুজা টান! আমাৰ বাবে কোনটো ভাল, কোনটো বেয়া সেইটো তেওঁলোকে জানিব কেনেকৈ।

লতাৰ ওচৰলৈ আজিকালি আৰু কোনোৱে দেখা কৰিবলৈ নাহে। মোৰ ওচৰলৈ যিসকল আহে, তেওঁলোকো সংখ্যাত বৰ কম। সেয়েহ'লেও তেওঁলোকে কেতিয়াও মোৰ ওচৰত তেওঁৰ নাম উল্লেখ নকৰে। হয়তো তেওঁলোকৰ ধাৰণা, লতাৰ নাম শুনিলে মোৰ আকৌ দুৰ্ঘটনাৰ কথা মনলৈ আহিব!

তাৰ ফলত মই স্বাভাৱিকতে বিচলিত হ'ম। মযো তেওঁক অতিথিসকলৰ সমুখলৈ নানো। দৈবাৎ পৰিচিত কোনো আহিলেও মই লতাক নি ভিতৰৰ কোঠাত লুকুৱাই ৰাখোঁ। তেওঁৰ যেতিয়া বাক শক্তিয়েই লুপ্ত হৈ গৈছে, পাঁচজনৰ ওচৰত বোবাৰ দৰে বহুৱাই ৰাখি লাভ কি! এতিয়া তেওঁৰ যি একান্ত প্ৰয়োজন, সেয়া হ'ল মোৰ আন্তৰিক ভাল-পোৱা। সেই বিষয়ত মই কোনো কাৰ্পণ্য নকৰোঁ। মোৰ শুশ্ৰূষাৰ ক্ষেত্ৰতো কোনো ত্ৰুটি নাই বুলি মোৰ দৃঢ় বিশ্বাস।

শীঘ্ৰে তেওঁ আকৌ আৰোগ্য হৈ উঠিব। তাৰ পিছত আমি আকৌ সেই স্বপ্ন ভৰা ৰঙীন দিন বিলাক ফিৰাই পাম। প্ৰাণোচ্ছলতাৰে লতাই হাঁহি হাঁহি ঘুৰি ফুৰিব। মাজে মাজে গুণ গুণকৈ গান গাব আপোনমনে। তেওঁৰ ৰক্তিম অধৰ প্ৰান্তত শুভ্ৰ জ্যোৎস্নাৰ দৰে হাঁহি বিৰিঙিব। মাজে সময়ে সুচতুৰ কটাক্ষ-দৃষ্টিৰে তেওঁ মোৰ সৰ্বাংগ অৱশ কৰি দিব। সুৰাপানৰ বিহ্বল মুহূৰ্তত তেওঁৰ তীক্ষ্ণ নখৰ আঁচোৰত মই ক্ষত বিক্ষত হৈ পৰিম!

কিমানদিন তেওঁৰ কণ্ঠস্বৰ মই শুনা নাই। ভাব হয় যেন যুগ-যুগান্তৰৰ ব্যৱধান। দূৰ অতীতৰ কোনোবা এক মুহূৰ্তত লতাই মোৰ কান্ধত ধৰি কাণে কাণে কৈছিল, —মোক তুমি শেষ কৰি দিয়া শেখৰ! তোমাৰ বুকুৰ মাজত মোক লীন কৰি দিয়া। মই অপলকনেত্ৰে তেওঁৰ ফালে চাই আছিলোঁ। তেওঁৰ চকুৰ মণি দুটা সঁচাই গভীৰ ক'লা। ঠিক যেন অমাৱস্যাৰ ঘন এন্ধাৰ। তিনি সপ্তাহ আগতে যিদিনাখন এই দুৰ্ঘটনাটি ঘটিছিল, সিদিনা পৃথিৱীখন তেওঁৰ চকুৰ ক'লা মণিৰ নিচিনাই গভীৰ এন্ধাৰে আবৰি আছিল। একসপ্তাহ আগতে যিদিনা মই তেওঁক গোপনে কফিনৰ ঢাকনি খুলি তুলি আনিছিলোঁ, সেই দিনাৰ আকাশ-খনো আলকাতৰাৰ দৰে ডাঠ এন্ধাৰে আবৰা আছিল। তেতিয়া মোৰ পক্ষে ঘন অন্ধকাৰৰেই প্ৰয়োজন আছিল বেছি। কাৰণ লতাক লৈ আহিবৰ সময়ত আন কোনোবাই মোক দেখা পাওক সেইটো মই বিচৰা নাছিলোঁ। বাহিৰৰ পাঁচজনলোকে হয়তো এই কামটোক ভিন্ন চকুৰে চাব! কিন্তু লতাক যে মই কিমান গভীৰভাৱে ভাল পাওঁ সেইকথা তেওঁলোকে বুজিব কেনেকৈ!

একমাত্ৰ মই জানো, মোৰ এই ভালপোৱা অসীম...অনন্ত... !

□ □

[সাক্ষাৎকাৰ]

# অভিনেতা শ্ৰীযুত জীৱেশ্বৰ ডেকাদেৱৰ সৈতে কেইটিমান অন্তৰঙ্গ মুহূৰ্ত..............



সেই দিনটো ইং ১৯৯০ চনৰ ৮ ডিচেম্বৰ। বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ ১৯৯০-৯১ চনৰ বাবে নতুনকৈ গঠন হোৱা ছাত্ৰ একতা সভাখনৰ শপত গ্ৰহণৰ আনন্দমুখৰ আৰু হুলস্থুলীয়া পৰিবেশ ! তেনে এটি ক্ষণতেই প্ৰস্তাৱটো মোলৈ আগবঢ়োৱা ব্যক্তি দুগৰাকী হ'ল মহাবিদ্যালয়ৰে অধ্যাপক মাননীয় এম, হবিব উল্লাহ দেৱ আৰু মাননীয় অধ্যাপক ৰঞ্জিত কুমাৰ বৰাদেৱ। ময়ো সতীৰ্থ নাজিম হিকমতৰ লগত আলোচনা কৰি সিদ্ধান্ত লৈ পেলাই-ছিলোঁ। সেইদিনাই সন্ধিয়া আমি লগ ধৰি-ছিলোঁ অসমৰ ভ্ৰাম্যমান নাট্য-জগতৰ আলোড়ন সৃষ্টিকাৰী অভিনেতা শ্ৰীজীৱেশ্বৰ ডেকাদেৱক নগৰবেৰা 'ঠাকুৰীয়া ফিল্ড'ৰ আৱাহন থিয়েটাৰৰ মঞ্চৰ জিৰণি কোঠাত। অসমৰ ৰাইজৰ ভূয়সী প্ৰশংসা লাভ কৰিবলৈ সমৰ্থ হোৱা মঞ্চ অভিনেতা জীৱেশ্বৰ ডেকাৰ ঘৰ নলবাৰী জিলাৰ বেলশৰ গাৱঁত। এশৰো অধিক নাটকত অভিনয় কৰা শ্ৰীডেকাই স্কুলত পঢ়ি থকা অৱস্থাৰ পৰাই মঞ্চাভিনয়ৰ যোগেদি ৰাইজৰ সমাদৰ লাভ কৰিছিল। আমি বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ আলোচনী সম্পা-

দক হিচাপে মহাবিদ্যালয়ৰ তৰফৰ পৰা তেখেতলৈ আদৰণি জনাই তেখেতৰ অভিনয় জীৱনৰ সতে জড়িত বিভিন্ন অভিজ্ঞতা সমূহৰ বিষয়ে জানিবলৈ প্ৰশ্নবাণ নিক্ষেপ কৰিছিলোঁ :

? আপোনাৰ অভিনয় জীৱনৰ পাতনি কেতিয়াৰ পৰা আৰম্ভ হয় ?

: অভিনয় বুলিলে গোটেই জীৱনটোৱে অভিনয়। পিছে মঞ্চৰ অভিনয় নে চোতালৰ অভিনয় ? অৱশ্যে মঞ্চৰ অভিনয় ১৯৬৯ চনত 'স্মৃতি নাট্যমন্দিৰ' নামৰ তিনিফাল মুকলি মঞ্চৰ জৰিয়তে পাতনি মেলোঁ। ইয়াৰ পিছত ভাগ্যদেৱী থিয়েটাৰ, আৰু এইদৰেই অভিনয়ৰ পাতনি ঘটে।

? এইক্ষেত্ৰত প্ৰেৰণা ক'ৰপৰা পাইছিল ?

: আচলতে মই নিজেই যেতিয়া গম পাওঁ যে এইডাল গছ, এইটো সূৰ্য, এইখন আকাশ, এইটো ঘৰ, তেতিয়াৰে পৰা মই নিজেই কিবাকিবি কৰি থাকোঁ। কাপোৰখন, গামোচাখন মেৰিয়াই অভিনয় কৰিছিলোঁ। কৰবাত নাটক হ'লে চাবলৈ যাওঁ ; তাত ৰজাজনৰ পৰা বুঢ়াজনে কেনেকুৱা অভিনয় কৰে তাক ভালদৰে চাওঁ আৰু পিছদিনা নিজেই কৰিবলৈ চেষ্টা কৰোঁ। এনেদৰে প্ৰেৰণা পাইছিলোঁ।

? অসমৰ বৰ্তমান ভ্ৰাম্যমান নাট্যদলৰ ভূমিকা সম্পৰ্কে আপোনাৰ মন্তব্য কেনে ? ই ক্ৰমে উন্নতিৰ পথেৰে গতি কৰিছে নে অৱনতিৰ পিনে ?

: ভ্ৰাম্যমান মঞ্চজগতৰ ভূমিকা এতিয়া সুস্থ বুলি ক'ব লাগিব। অসমত ভ্ৰাম্যমান থিয়েটাৰৰ জন্ম হয় ১৯৬৩ চনত। তাৰ আগলৈ অসমৰ বিভিন্ন ঠাইত বিভিন্ন নাট্য মন্দিৰ যেনে 'বাণৰঙ্গ মঞ্চ', 'ভাস্কৰ নাট্য মন্দিৰ' আদি আছিল যদিও গাঁৱৰ চুকে-কোণে থকা লোকে থিয়েটাৰ বা নাটক কি এইটো বুজা নাছিল। ভ্ৰাম্যমান থিয়েটাৰৰ নাট্যাভিনয় চাই সৰ্বসাধাৰণ ৰাইজে মঞ্চ কি, নাটক কেনেকুৱা আৰু থিয়েটাৰ কি বুজি পোৱা হ'ল। তাৰ জৰিয়তে আমাৰ আহ্বায়ক কমিটিবোৰে গাঁৱে-ভূঞে, নগৰে-চহৰে ভ্ৰাম্যমান থিয়েটাৰৰ জৰিয়তে স্কুল, কলেজ, ক্লাব, লাইব্ৰেৰী আদি নিৰ্মাণৰ সুবিধা পাইছে। আমাৰ মানুহৰ এটা ভুল ধাৰণা আছে যে যিকোনো সামাজিক অনুষ্ঠানে চৰকাৰী পৃষ্ঠপোষকতা নোপোৱাকৈ সমাজৰ উন্নতি সাধিব নোৱাৰে। কিন্তু চৰকাৰী পৃষ্ঠপোষকতা নোহোৱাকৈও ভ্ৰাম্যমান থিয়েটাৰে যে সমাজৰ উন্নতিত অৰিহণা যোগাইছে এই কথা সকলোৱে একেমুখে স্বীকাৰ কৰিছে। সেইবাবে আমি ভ্ৰাম্যমান থিয়েটাৰ দলসমূহে বৰ্তমান ৰাইজৰ আস্থাভাজন হৈ জনপ্ৰিয়তা লাভ কৰিবলৈ সমৰ্থবান হৈছোঁ।

? ভ্ৰাম্যমান নাট্যদলৰ এজন সক্ৰিয় শিল্পী হিচাপে আপুনি কেনেধৰণৰ নাটক ইয়াৰ উপযোগী বুলি ভাবে ? কিয় ভাবে ?

: ভ্ৰাম্যমানৰ প্ৰযোজকসকলৰ প্ৰথম দৃষ্টিভঙ্গী হ'ল ব্যৱসায়। ইয়াৰ দ্বাৰা পইচা আহিব লাগিব, ব্যৱসায় চলিব লাগিব। পইচা আহিলে ডেৰশজন মানুহক দিব পৰা হ'ব। যদি পইচা নাহে বা শিল্পী সকলে পইচা

আনিব নোৱাৰে, তেনেহ'লে থিয়েটাৰ কিদৰে পৰিচালনা কৰিব ? গতিকে ভ্ৰাম্যমান থিয়েটাৰৰ প্ৰযোজক সকলে মূলতে কিদৰে পইচা আহে সেইটো ভালদৰে চায়।

তাৰ পিছত বিভিন্ন ধৰণৰ নাটক ল'ব লাগিব, যাতে দৰ্শক সকলে ভালদৰে লয়। আমাৰ সমাজত এচাম দৰ্শকে ভাল নাটক বিচাৰে আৰু আনচামে বেয়া নাটক বিচাৰে। ভালনাটক কৰিবলৈ গ'লে আনচামে কয় "ইহঁতক ধৰি বান্ধি থ"। এইবাৰ আমি ড° ভবেন্দ্ৰনাথ শইকীয়াৰ 'দিগন্তৰ' নামৰ নাটক এখন লৈছিলোঁ। নাটকৰ কাহিনীভাগ ভাল, উচ্চস্তৰৰ। 'হল'টো যেতিয়া দৰ্শকেৰে পৰিপূৰ্ণ হয়, তাৰে দুজনমানেহে ক'ব নেকি ভাল নাটক এখন চালোঁ, আনহাতে আনচাম দৰ্শকৰ ওজৰ-আপত্তি থাকিবই। গতিকেই ভাল নাটক কিদৰে কৰিব ? আৰু ইয়াৰ আগতে কহিনুৰ থিয়েটাৰে 'মাটিৰ মানুহ', 'শৰাগুৰিৰ চাপৰি,' আদি উচ্চ সাৰমৰ্ম থকা নাটক লৈছিল, কিন্তু সেইবছৰ তেওঁলোকে পইচাই নাপালে।

মোৰ ব্যক্তিগত মত হ'ল—প্ৰযোজকসকল এক হ'ব লাগে। লগ হৈ তেওঁলোকে আলোচনা কৰিব লাগে যে আটাইকেইজনে একোখনকৈ উদ্দেশ্যধৰ্মী নাটক কৰিব লাগে। এখন ল'ব লাগে সৰ্বসাধাৰণে ভালপোৱা, আনখন ল'ব লাগে পইচা আৰ্জিব পৰা।

? ভ্ৰাম্যমান নাট্যদলৰ দুই এখন নাটকৰ কাহিনীৰ গাঁথনিত পূৰ্বৰ নাটকৰ কাহিনী তথা চৰিত্ৰৰ সামান্য ইফাল-সিফাল কৰি জোৰা-তাপলি মৰাৰ এক প্ৰৱণতা গা কৰি উঠিছে। এই সম্পৰ্কে আপোনাৰ অভিমত কি ?

: কথাটো একেবাৰে অসত্য বুলি ক'ব নোৱাৰি। এনে প্ৰৱণতা চলি থাকিলে নাট্যকাৰেতো বেছি ভালেই পাব, অধিক টকা পাব প্ৰযোজক সকলৰ পৰা। কিন্তু প্ৰযোজকসকলে লয় কিয় এনেধৰণৰ নাটক ? প্ৰযোজকসকলে সকলোবোৰ দিশ চিন্তা কৰি এনেধৰণৰ নাটক প্ৰত্যাখ্যান কৰিব লাগে। যি ঠাইত এনেধৰণৰ নাটক মঞ্চস্থ কৰা হয় তাৰ জনসাধাৰণে প্ৰযোজকসকলক প্ৰশ্ন কৰিব লাগে। আৰু এনেধৰণৰ নাটক পুনৰ নকৰিবলৈ সকীয়াই দিব লাগে। মোৰ মতে যদি সঁচাকৈয়ে এনেধৰণৰ নাটক মঞ্চস্থ কৰে, দৰ্শকসকলে নাটক নাচাই প্ৰেক্ষাগৃহৰ পৰা ওলাই আহিব লাগে।

? অ.গ.প. চৰকাৰে যোৱা ৩ বছৰৰ বাবে ভ্ৰাম্যমান নাট্যদল সমূহৰ কোনো অভিনেতা-অভিনেত্ৰীক এতিয়ালৈ পুৰস্কৃত নকৰাটোৱে নাট্যদল সমূহৰ অভিনয় প্ৰতিভাৰ নিস্প্ৰভতাকে সূচাইছে বুলি ভাবে নেকি ? নে চৰকাৰৰ গাফিলতি বুলি আপুনি ভাবে ?

: বিগত চৰকাৰ বুলিয়েই নহয়। 'নটসূৰ্য বঁটা', 'অতুলচন্দ্ৰ হাজৰিকা বঁটা' দিলে ৮৭ত। কেৱল '৮৭' বছৰটোৰ বাবেহে দিছে। ৮৮, ৮৯, ৯০, এই তিনিবছৰ কোনো বঁটা দিয়া নাই। দিয়া নাই মানে আমি বুজিছোঁ - মানে ভিতৰুৱা কথা কিছুমানো গম পাইছোঁ হয়তো মিছাও হ'ব পাৰে অথবা উৰাবাতৰিও

হ'ব পাৰে ; তেওঁলোকে যিটো গ্ৰুপ বান্ধি দিছিল বিচাৰক হিচাপে, তেওঁলোকৰ মাজত মতানৈক্য হৈছে। অ.গ.প. চৰকাৰৰ জন-প্ৰিয়তা বঢ়াবৰ বাবে যদিও বিচাৰকৰ গ্ৰুপটো বান্ধি দিছিল, তাৰ পিছত অ.গ.প. চৰকাৰৰ নিজৰ ভিতৰতে খাম-খেয়ালি তথা কন্দল লাগিল। তেওঁলোক তাতে ব্যস্ত হৈ থাকিল।

ইপিনে অ.গ.প. চৰকাৰে পইচা নাই বুলিও কয়। আনহাতে জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম দিৱস কলিকতাত পাতে, তথা সত্যজিৎ ৰায়ৈ 'শঙ্কৰদেৱ বঁটা' আগ-বঢ়ায়। এইদৰে লাখ লাখ টকা খৰচ কৰি বহুতো অনুষ্ঠান চৰকাৰে পাতিছে, কিন্তু ভ্ৰাম্য-মান থিয়েটাৰৰ নামত ২০ হাজাৰ বা ৩০ হাজাৰ টকা দিব নোৱাৰে। আমি বুজিছোঁ যে চৰকাৰে আমাক 'নেগ্‌লেক্ট' কৰিছে।

? বহু বছৰৰ ভ্ৰাম্যমানৰ অভিজ্ঞতাৰে আপুনি ইয়াৰ উত্তৰোত্তৰ উন্নতিকল্পে কেনে-ধৰণৰ পৰামৰ্শ আগবঢ়াব খোঁজে ?

: ভ্ৰাম্যমান নাট্যদল চলিয়ে থাকিব। কিন্তু ইয়াৰ কিছু পৰিবৰ্তন কৰি থাকিব লাগিব। আমি ভ্ৰাম্যমানৰ অভিজ্ঞতাৰে গম পাইছোঁ যে আমাৰ অসমত নাটক বা মঞ্চৰ বিশেষ 'ফৰ্ম্‌লা'বোৰ দেখুৱাব পৰা 'টেকনিচি-য়ান' নাই। সেয়ে বাহিৰৰ পৰা যদি এনে ধৰণৰ 'টেকনিচিয়ান' আনি নাটক বা মঞ্চৰ 'ফৰ্ম্‌লা' বোৰ দেখুৱাব পাৰে তেতিয়া হ'লেহে ভ্ৰাম্যমান নাট্যদল সমূহ আৰু অধিক উন্নতিৰ পথত অগ্ৰসৰ হ'ব। তদুপৰি আমি দৰ্শকসকলে বিচৰা মতে নাটক, নৃত্য—নাটিকা আদি দেখুৱাব পাৰিব লাগিব।

? অসমৰ ভ্ৰাম্যমান নাট্যদল সমূহৰ সাফল্য বহু পৰিমাণে নাট্যকাৰৰ ওপৰত নিৰ্ভৰ কৰে বুলি আমি ভাবোঁ। এই ক্ষেত্ৰত অসমৰ কোনজন নাট্যকাৰক আপুনি উপ-যুক্ত বা সফল বুলি ভাবে ?

: ড° ভবেন্দ্ৰ নাথ শইকীয়াই উন্নত চিন্তা তথা নতুন আঙ্গিকেৰে সমাজৰ তথা পৰি-বেশৰ লগত খাপ খুৱাই নাটক বিলাক লেখে। ৰাইজে আদৰি লয়। দ্বিতীয়তে, মহেন্দ্ৰ বৰঠাকুৰৰ নাটকো ৰাইজে ভাল পায়। তেওঁৰ নাটক ৰেডিঅ'তো প্ৰচাৰ হৈয়েই থাকে। তৃতীয়তে, ব্যৱসায়ী দিশত ভৱেন বৰুৱাৰ নাটকে যথেষ্ট সাফল্য লাভ কৰিছে। তেওঁৰ নাটক চাই মানুহে বেয়া বুলি কয়, কিন্তু তেওঁৰ নাটকৰ প্ৰদৰ্শনীত সদায় 'হাউচফুল' হৈয়েই থাকে।

আমাৰ ভ্ৰাম্যমান থিয়েটাৰৰ নাটক-বোৰ সমাজ সংস্কাৰ কৰিব পৰা, মানুহৰ জীৱন সম্পৰ্কে ধাৰণা দিব পৰা নাটক হ'ব লাগে। কিন্তু প্ৰযোজক সকলে অলপ গভীৰ ভাবে চিন্তা কৰি নাটকবোৰ নলয়।

? অসমৰ নাট্যজগতত সহ-অভিনয়ৰ পাতনি মেলাৰ বহু বছৰ হোৱা সত্বেও আজিও ভ্ৰাম্যমানৰ অভিনেত্ৰী সকলৰ প্ৰতি সমাজৰ দৃষ্টি মলনি নোহোৱাৰ গুৰিতে কি কাৰণ থাকিব পাৰে বুলি আপুনি ভাবে ?

: আমি দেখোন ভাল মন্তব্যই শুনো অভি-নেত্ৰী সকলৰ বিষয়ে। অৱশ্যে আদিতে

অন্ধবিশ্বাস, কুসংস্কাৰেৰে পৰিপূৰ্ণ অসমীয়া সমাজখনে তেনে মন্তব্য কৰাটো একো আচৰিত নাছিল। কিন্তু বৰ্তমান সমাজ ব্যৱস্থাৰ বহুল পৰিবৰ্তনে মানুহৰ মানসিকতাৰো পৰিবৰ্তন সাধিছে। দুই এজন পুৰণি মানুহে হয়তো এতিয়াও তেনে মন্তব্য কৰিব পাৰে।

? আপুনি প্ৰথম অভিনয় কৰা নাট্যদল, নাটক আৰু চৰিত্ৰৰ নাম কি ? এতিয়ালৈকে আপুনি অভিনয় কৰা কোনটো নাট্যদলৰ, কোনজন নাট্যকাৰৰ, কোনখন নাটকৰ, কি চৰিত্ৰৰ অভিনয় কৰি পূৰ্ণ সন্তুষ্টি লাভ কৰিছে ?

: প্ৰথম অভিনয় কৰা নাট্যদল আছিল স্মৃতি নাট্যসংঘ। নাটকখন ... ....'চকুলো' আছিল নেকি ! চৰিত্ৰ সম্পৰ্কে মনত নাই।

মই মকুন্দ থিয়েটাৰৰ মহেন্দ্ৰ বৰঠাকুৰ ৰচিত 'দধীচি' নাটখনত 'নন্দ পাঠক'ৰ ভাওত অভিনয় কৰি পূৰ্ণ সন্তুষ্টি লাভ কৰিছোঁ। মোৰ চৰিত্ৰটো আছিল নব্বৈ বছৰীয়া এজন বৃদ্ধৰ। মহাত্মা গান্ধীৰ আদৰ্শেৰে অনুপ্ৰাণিত। সেই বৃদ্ধজনে সমাজখনক সেই নীতিৰেই গঢ়িব খোঁজে। এই চৰিত্ৰটোৰ বাবেই মই ১৯৮৭ চনত অসম চৰকাৰৰ পৰা 'নটসূৰ্য বঁটা' লাভ কৰিছোঁ।

? বৰ্তমান ভ্ৰাম্যমান দলৰ কোনকিজন অভিনেতা-অভিনেত্ৰীৰ ভৱিষ্যতৰ সম্ভাৱনা উজ্জ্বল বুলি আপুনি ভাবে ?

: এই কথাটো মই নিৰীক্ষণ কৰি আছোঁ। এতিয়া ক'ব পৰা নাযায়। এনেয়ে মাজে সময়ে ভাবোঁ। আমাৰ মৃত্যুৰ পিছত যদি মালাডাল দিয়ে আচলতে বেয়া নহ'ব। কিয়নো জীয়াই থাকোঁতে মালাডাল দি যাওঁ বুলি কাৰোবাক যদি মালা পিন্ধাই উঠাই দিলোঁ, কিন্তু কিছুদিন পিছতে যদি তেওঁ অপকৰ্ম কৰি সমাজৰ বিৰাগভাজন হয় ? সেয়ে আমাৰ মৃত্যুৰ পিছত সি হয় হ'ব। এতিয়া এই কথাটো নকওঁ। কেতিয়াবা কাৰোবাক দেখি যদি কিছু আশাবাদী হওঁ, কিন্তু পিছমুহূৰ্ততে সেই আশা ত্যাগ কৰিবলগীয়া হয়। গতিকে চাওঁচোন বাৰু পিছলৈ কি হয়।

নাট্যজগতৰ লগত সম্পৰ্ক থকা বিভিন্ন দিশ সম্পৰ্কে আপোনাৰ পৰা জানিবলৈ পাই আমি অতিশয় আনন্দিত। ব্যস্ততাৰ মাজতো আমাৰ প্ৰশ্ন সমূহৰ উত্তৰ দিয়াৰ বাবে আপোনালৈ অশেষ কৃতজ্ঞতা থাকিল। সদৌ শেষত আমি বি.প্ৰ.চ. মহাবিদ্যালয়ৰ আলোচনী সম্পাদনা সমিতিৰ তৰফৰ পৰা আপোনাৰ সুস্বাস্থ্য আৰু উজ্জ্বল ভৱিষ্যৎ কামনা কৰিছোঁ। ধন্যবাদ।

: ধন্যবাদ।

(সাক্ষাৎ গ্ৰহণ কৰিলে আলোচনী সম্পাদক সৌৰভ ভাগৱতীয়ে)

# ছাত্র একতা সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ বিষয়ববীয়া সকলৰ প্ৰতিবেদনৰাজি ঃ

# উপ-সভাপতিৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণীতে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা আৰু মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়ে মোৰ নিচিনা অভাজনক ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰূপে মনোনীত কৰি ছাত্ৰ-ছাত্ৰীসকলৰ সেৱা কৰাৰ সুযোগকণ দিয়াৰ বাবে মই সংশ্লিষ্ট সকলোলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মই মোৰ কাৰ্যকালত কিমানখিনি পাৰদৰ্শিতা দেখুৱাব পাৰিছোঁ-নোৱাৰিছোঁ সেইটো আপোনাসবৰ বিচাৰ্যৰ বিষয়. তথাপি মই মোৰ কৰ্তব্যৰ প্ৰতি অৱহেলা কৰিছোঁ-বুলি মনে নধৰে। তৃণ-মূল পৰ্যায়ৰ পৰা মই সকলো ছাত্ৰ-ছাত্ৰীৰে সমস্যাসমূহৰ বিষয়ে মহাবিদ্যালয় পৰিচালনা সমিতিৰ দৃষ্টিগোচৰ কৰাত সচেতন আছিলোঁ আৰু সেইবোৰৰ আশু সমাধানকল্পে মোৰকালৰ পৰা যৎপৰোনাস্তি চেষ্টা কৰি আহিছোঁ।

মোৰ কাৰ্যকালৰ পাতনিতে নানা খেল-ধেমালিৰে উছৱমুখৰ পৰিবেশত কলেজ সপ্তাহ অতিবাহিত হৈ যায়। সকলো খেল-ধেমালি, সাংস্কৃতিক অনুষ্ঠান আদিৰ মোৰ ভূমিকা (Role) যাতে একতা সভাৰ অইন দহজন কৰ্ণধাৰতকৈ কোনো গুণে কম নহয় তাৰ প্ৰতি মই সদা সচেতন আছিলোঁ। ছাত্ৰ-একতা সভাৰ সাধাৰণ সম্পাদক শ্ৰীসুৰেশ কলিতা প্ৰমুখ্যে আন সকলো বিভাগৰে কাম-বোৰ নিয়াৰিকৈ চলাই নিব পৰাকৈ সম্পাদকবৃন্দলৈ মই পাৰ্যমানে সহায়ৰ হাত আগবঢ়াই আহিছোঁ।

মহাবিদ্যালয়ৰ জ্যেষ্ঠ-কণিষ্ঠ সকলো ছাত্ৰ-ছাত্ৰীৰ সৈতে মই একাত্ম হৈ কাম কৰাৰ

ওপৰত গুৰুত্ব দিছিলোঁ। সেয়ে উপ-সভাপতিৰ দায়িত্ব আৰু কৰ্তৃত্বক ৰাজনৈতিক প্ৰভাৱৰ আহিলাৰূপে মই কেতিয়াও গণ্য কৰা নাছিলোঁ। তাৰ ঠাইত ইয়াক এজন দায়িত্বশীল ছাত্ৰৰ কৰণীয় কৰ্তব্য বুলি লৈছিলোঁ।

অসম আন্দোলন তথা দেশৰ সকলো জ্ঞাত-অজ্ঞাত ছহিদৰ স্মৃতিত 'ছহিদ দিবস'ৰ সেই তাৎপৰ্যপূৰ্ণ দিনটোত অলেখ বীৰ ছহিদৰ যুগান্তকাৰী চানেকিৰে নিৰ্মিত মহাবিদ্যালয়ৰ 'ছহিদ-বেদীত' মাল্যাৰ্পণ কৰিবলৈ পাই মই কৃতাৰ্থ মানিছোঁ।

এইখিনিতে মই মাননীয় অধ্যক্ষ মহোদয়ৰ সহানুভূতিশীল আৰু উদাৰ মনৰ কথা-খিনি নকলে ভুল কৰা হ'ব। তেখেত সচাঁকৈ এজন কৰ্তব্যনিষ্ঠ, আদৰ্শবান শিক্ষক আৰু প্ৰশাসক। সেয়ে অধ্যক্ষ মহোদয়লৈ মোৰ ভক্তিপূৰ্ণ কৃতজ্ঞতাৰ অঞ্জলি আগবঢ়াইছোঁ।

লগতে এই সুযোগতে অধ্যাপক এম. হবিব উল্লাহ ছাৰ, বন্ধুবৰ্গ ক্ৰমে শ্ৰীমান সঞ্জীৱ কুমাৰ দাস, এম, আব্দুল হাই নাগৰি আৰু আব্দুল হাইয়ে প্ৰতিটো পদক্ষেপতে মোলৈ আগবঢ়াই অহা দিহা-পৰামৰ্শ আৰু সহ-যোগিতাৰ শলাগ নল'লে মোৰ প্ৰতিবেদন অসম্পূৰ্ণ হৈয়ে ৰ'ব।

সাম্প্ৰতিক অসমত 'অপাৰেশ্বন বজ্ৰ-ৰংগ' অভিযানত যিসকল সামৰিক অত্যাচাৰত বলি হৈছে তেখেত সকলৰ যাতনা আৰু ত্যাগৰ প্ৰতি মোৰ শ্ৰদ্ধা নিবেদিছোঁ।

শেষত দেশৰ, মহাবিদ্যালয়ৰ সকলো সমস্যাৰ আশু সমাধান কামনা কৰিছোঁ আৰু সমূহ অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ মাৰ্জনা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

**'জয় আই অসম'**
**আবু খহিদুল ইছলাম**
উপ-সভাপতি।

***

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতেই অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত যি সকলৰ তেজেৰে অসমৰ মাটি তুমুৰলি হ'ল সেই-সকল অসমৰ বীৰ সন্তানলৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ।

ইং ১৯৯০-৯১ বৰ্ষটোৰ বাবে মোক বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ পদৰ [illegible] দায়িত্ব অৰ্পণ কৰি ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱীসকলৰ সেৱা কৰাৰ সুযোগকণ দিয়াৰ বাবে অধ্যক্ষ মহোদয়, শিক্ষাগুৰুসকল আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

কাৰ্যভাৰ গ্ৰহণ কৰিয়েই গতানুগতিকতা পৰিহাৰ কৰি এক বিশেষত্বৰ সৃষ্টি কৰাৰ আঁচনিৰে সাধাৰণ সম্পাদকৰ দায়িত্বত মনোনিবেশ কৰিছিলোঁ। জীৱনৰ এয়া মোৰ প্ৰথম অভিজ্ঞতা আৰু সেয়ে নতুন পদৰ অৱস্থাত যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছিলোঁ। ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলৰ বহুমূলীয়া পৰামৰ্শ সাৰোগত কৰি বিশেষত্বৰ সৃষ্টি কৰিব বিচৰা আঁচনিখন কিমানখিনি কাৰ্যকৰী কৰিব পাৰিলোঁ বা কৰি আছোঁ তাৰ বিচাৰ বিশ্লেষণ আপোনালোকেই কৰিব।

**মহাবিদ্যালয় সপ্তাহ সমাৰোহ :**

এইবেলি মহাবিদ্যালয়ৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ সমাৰোহ ১৭-১২-৯০ইং তাৰিখৰ পৰা ২২-১২-৯০ ইং তাৰিখলৈ বিভিন্ন কাৰ্যক্ৰমণিকাৰে পালন কৰা হয়। ইং ১৭-১২-৯০ তাৰিখে ৰাতিপুৱা ৮ বজাত মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত দেৱপ্ৰসাদ শইকীয়াদেৱে মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰি মহাবিদ্যালয় সপ্তাহ উদ্বোধন কৰে। মহাবিদ্যালয় খেল পথাৰত ক্ৰীড়া প্ৰতিযোগিতা সমূহ, মহাবিদ্যালয়ৰ অস্থায়ী প্ৰেক্ষাগৃহত সাংস্কৃতিক প্ৰতিযোগিতা, সাহিত্য, সংগীত, তৰ্ক, কুইজ আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়। মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাত প্ৰতিযোগী ছাত্ৰ-ছাত্ৰীসকলে নিজ নিজ দক্ষতা

প্ৰদৰ্শন কৰি 'সপ্তাহ সমাৰোহ' আকৰ্ষণীয় কৰি তোলে। উক্ত সপ্তাহৰ সামৰণিৰ দিনা ইং ২২-১২-৯০ তাৰিখে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মাননীয় শ্ৰীযুত কেশৱ ঠাকুৰীয়াদেৱৰ পৌৰোহিত্যত বঁটা বিতৰণী আৰু মুকলি সভা অনুষ্ঠিত হয়। উক্ত সভাত বকো জৱাহৰলাল নেহেৰু মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী, অধ্যাপক শ্ৰীযুত মদন কাকতিদেৱ আৰু নগৰবেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত গোবিন্দ চন্দ্ৰ নাথদেৱ ক্ৰমে, মুখ্য অতিথি আৰু নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে। তেওঁলোকে ছাত্ৰ-ছাত্ৰী সকলক নিয়মিত অধ্যয়নৰ উপৰিও খেলা-ধূলা, সাহিত্য আৰু সাংস্কৃতিক দিশত একাগ্ৰতীয়া হৈ অমূল্য ছাত্ৰ জীৱন সফল কৰি তুলি ভৱিষ্যৎ কৰ্ম জীৱনত একোজন সু-নাগৰিক ৰূপে প্ৰতিষ্ঠা লাভ কৰিবলৈ আহ্বান জনায়। তদুপৰি বিজয়ী প্ৰতিযোগী সকলৰ মাজত বঁটাসমূহ বিতৰণ কৰি মাননীয় অতিথিদ্বয়ে আমাক অনুপ্ৰাণিত আৰু কৃতাৰ্থ কৰে। সেয়ে এই ছেগতে ছাত্ৰ একতা সভাৰ হৈ মই তেখেত সকললৈ আন্তৰিক কৃতজ্ঞতাৰ শৰাই নিবেদন কৰিছোঁ।

**বিভিন্ন উৎসৱ আৰু অনুষ্ঠান পালন:**

আন আন বছৰৰ দৰে এইবেলিও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ দ্বাৰা সৰস্বতী পূজা আৰু ফাতেহা-ই-দোৱাজ-দাহম উৎসৱ দুটি যথাৰীতিৰে পালন কৰা হয়।

**জাতীয় সেৱা আঁচনি শিবিৰ:**

ইং ২৮-১২-৯০ তাৰিখৰ পৰা ৩১।১২।৯০ তাৰিখলৈ চাৰি দিনীয়া কাৰ্যসূচীৰে আমাৰ মহাবিদ্যালয়ৰ জাতীয় সেৱা আঁচনি শিবিৰ অনুষ্ঠিত হয়। উক্ত শিবিৰত এশজন ছাত্ৰ স্বেচ্ছাসেৱকে অংশ গ্ৰহণ কৰে। কিন্তু উক্ত শিবিৰত এজনীও ছাত্ৰী স্বেচ্ছাসেৱিকাই অংশ গ্ৰহণ নকৰাটো চিন্তনীয় বিষয়। মই ছাত্ৰী বান্ধৱীসকলক আনুষ্ঠানিক শিক্ষাৰ লগতে অনানুষ্ঠানিক শিক্ষাৰ কাৰ্যসূচীসমূহত সক্ৰিয় অংশগ্ৰহণৰ বাবে আহ্বান জনাইছোঁ।

**নৱাগত আদৰণি সভা:**

ইং ১৯৯১ চনৰ নৱাগত আদৰণি সভাখনি ইং ২৪-৯-৯১ তাৰিখ মঙ্গলবাৰে অতি সৌষ্ঠৱপূৰ্ণ পৰিবেশত অনুষ্ঠিত হৈ যায়। এই উপলক্ষে আগদিনা সমাজসেৱা গোটৰ দ্বাৰা মহাবিদ্যালয়ৰ বাট-পথ আৰু চৌহদ পৰিষ্কাৰ কৰা হয়। সভাৰ দিনা পুৱাৰ ভাগত মহাবিদ্যালয়ৰ প্ৰৱেশদ্বাৰত থকা ছহিদ বেদীত পশ্চিম কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি, শ্ৰীজয়ন্ত তালুকদাৰৰ বন্তি প্ৰজ্বলনেৰে ছহিদ-তৰ্পণ অনুষ্ঠান পালন কৰা হয়। মহাবিদ্যালয় চৌহদত মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে অধ্যক্ষ শ্ৰীযুত দেৱপ্ৰসাদ শইকীয়াদেৱে। ইয়াৰ পিছত মহাবিদ্যালয়ৰ ৰসায়ন বিভাগৰ প্ৰবক্তা, ড° আবুল বাছাৰৰ পৰিচালনাত ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ চিনাকি-পৰ্ব অনুষ্ঠান আকৰ্ষণীয় ভাবে পাৰ হৈ যায়। দিনৰ ভাগত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি শ্ৰীযুত কেশৱ

ঠাকুৰীয়াৰ পৌৰোহিত্যত মুকলি সভা আৰম্ভ হয়। সভাৰ আৰম্ভণীতে মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ প্ৰবক্তা শ্ৰীনীলকমল বৰদলৈ দেৱৰ দ্বাৰা ৰচিত আৰু সুৰাৰোপিত উদ্বোধনী গীতেৰে পুৰণি ছাত্ৰই নৱাগতলৈ আদৰণি জনায়। উক্ত সভাত অসমৰ শিক্ষামন্ত্ৰী মাননীয় ডাঃ ভূমিধৰ বৰ্মনদেৱ আৰু মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা বাঘবৰ বিধান সভা সমষ্টিৰ বিধায়ক আৰু অসম ৰাজ্যিক চৰ উন্নয়ন কৰ্তৃপক্ষৰ সভাপতি, মাননীয় দিলদাৰ ৰেজ্জা মহোদয়ে ক্ৰমে মুখ্য অতিথি আৰু বিশিষ্ট অতিথি ৰূপে যোগদান কৰে। তদুপৰি নগৰবেৰা আঞ্চলিক মৌজা কমিটিৰ সভাপতি মাননীয় শ্ৰীযুত পঞ্চানন মেধিদেৱো উক্ত সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। মুখ্য অতিথি মহোদয়ক সম্বোধি মহাবিদ্যালয়ৰ অধ্যক্ষ, শিক্ষক গোটৰ সম্পাদক আৰু ছাত্ৰ একতা সভাৰ তৰফৰ পৰা সাধাৰণ সম্পাদকে বিভিন্ন অভাৱ-অভিযোগ আৰু দাবী সম্বলিত একোখনি আবেদন পত্ৰ প্ৰদান কৰে। মুখ্য অতিথিৰ ভাষণত মাননীয় শিক্ষামন্ত্ৰীদেৱে মহাবিদ্যালয়ৰ অভাৱ-অভিযোগৰ প্ৰতি গুৰুত্ব সহকাৰে বিবেচনা কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। বিশিষ্ট অতিথি মাননীয় দিলদাৰ ৰেজ্জা মহোদয়ে তেখেতৰ ভাষণৰ অন্তত প্ৰীতিৰ চিন স্বৰূপে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ কেইবিধমান খেলৰ সামগ্ৰী আনুষ্ঠানিক ভাবে আগবঢ়ায়।

**শ্ৰীযুত কৃষ্ণকান্ত শৰ্মাদেৱলৈ সম্বৰ্ধনা :**

উত্তৰ কামৰূপৰ চামতা নিবাসী, ৰাজ্যিক পুৰস্কাৰপ্ৰাপ্ত, নগৰবেৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় উদ্যোক্তা কমিটিৰ প্ৰাক্তন সভাপতি তথা উক্ত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অবৈতনিক অধ্যক্ষ, শ্ৰীযুত কৃষ্ণকান্ত শৰ্মাদেৱক ইং ১৫/১১/১৯ তাৰিখ শুকুৰবাৰে মহাবিদ্যালয় পৰিচালনা সমিতি, শিক্ষক গোট আৰু ছাত্ৰ একতা সভাৰ যৌথ উদ্যোগত সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি শ্ৰীকেশৱ ঠাকুৰীয়াদেৱৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাত উপস্থিত সমজুৱাৰ মাজৰ পৰা শ্ৰীযুত শৰ্মা দেৱৰ প্ৰাক্তন ছাত্ৰ আৰু বৰ্তমানৰ সমাজ সেৱক বহুকেইজন বক্তাই তেখেতৰ শিক্ষকতা, শিক্ষাৰ প্ৰসাৰ, সমাজ সংগঠন আৰু উন্নয়ন আদি বহুমুখী প্ৰতিভাৰ বিষয়ে কৃতজ্ঞতাৰে সোঁৱৰে। উক্ত সভাত শ্ৰীযুত শৰ্মাদেৱক সম্বৰ্ধনা পত্ৰ এখনি শৰাই আৰু আন কেইপদমান সামগ্ৰী আগবঢ়াই সন্মান যচা হয়। সম্বৰ্ধনাৰ প্ৰত্যুত্তৰত শৰ্মাদেৱে তেখেতৰ একালৰ কৰ্মস্থান আৰু সেৱাৰ থলী নগৰবেৰাৰ বহু স্মৃতি মধুৰ অভিজ্ঞতা সুঁৱৰি উদ্যোক্তা আৰু উপস্থিত সমজুৱালৈ শুভাশীষ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

**মহাবিদ্যালয়ৰ অভাৱ অভিযোগ :**

ইং ১৯৭২ চনতে স্থাপিত আমাৰ মহাবিদ্যালয়খনি বয়সৰ কালৰ পৰা যৌৱনপ্ৰাপ্ত হ'লেও নানান অভাৱ-অভিযোগে যেন ইয়াক যৌৱনৰ স্বাভাৱিক বিকাশৰ পৰা এতিয়াও বঞ্চিত কৰি ৰাখিছে। মহাবিদ্যালয়ৰ অলেখ অভাৱ-অভিযোগৰ কেইটামানহে তলত উল্লেখ কৰিছোঁ আৰু সেই সমস্যাবোৰৰ আশু সমাধানৰ বাবে

সংশ্লিষ্ট কর্তৃপক্ষৰ কাৰ্যকৰী ব্যৱস্থা দাবী কৰিছোঁ।

১। মহাবিদ্যালয়ৰ বিভিন্ন বিষয়ৰ সন্মানৰ পাঠ্যক্ৰমৰ পাঠদানৰ বাবে প্ৰয়োজনীয় সংখ্যক অধ্যাপকৰ নিযুক্তি প্ৰদান।

২। মহাবিদ্যালয় গ্ৰন্থাগাৰ আহল বহল ৰূপে সজোৱা আৰু প্ৰয়োজনীয় কিতাপৰ যোগান ধৰা।

৩। মহাবিদ্যালয়ত দৰ্শন, সংস্কৃত আৰু হিন্দী বিষয় প্ৰবৰ্তন কৰি কলা শাখাটোৰ পূৰ্ণাঙ্গ ৰূপ দিয়া।

৪। মহাবিদ্যালয়ৰ অমঞ্জুৰীপ্ৰাপ্ত বিজ্ঞান শাখালৈ ঘাটি মঞ্জুৰী অনুদান আঁচনি আগবঢ়োৱা।

৫। ছাত্ৰ-ছাত্ৰী সকলক দেশসেৱাৰ মনোভাৱত উদ্বুদ্ধ কৰাৰ বাবে মহাবিদ্যালয়ত এন. চি চি. আৰু নেভিগেট ছুটাৰ প্ৰবৰ্তন কৰা।

৬। খেলা-ধূলা, সংগীত আৰু সাংস্কৃতিক দিশৰ বিকাশৰ বাবে লাগতিয়াল সা-সামগ্ৰী যোগান ধৰা।

৭। মহাবিদ্যালয়ৰ ছাত্ৰ আৰু ছাত্ৰীৰ স্বকীয়া আৰু পূৰ্ণাঙ্গ জিৰণি কোঠা নিৰ্মাণ কৰা।

৮। মহাবিদ্যালয়ৰ স্থায়ী আৰু পূৰ্ণাঙ্গ প্ৰেক্ষাগৃহ নিৰ্মাণ কৰা।

৯। সংশ্লিষ্ট আটাইৰে চাহিদা পূৰাব পৰাকৈ খোৱাপানী, প্ৰস্ৰাৱগাৰ আৰু শৌচাগাৰৰ ব্যৱস্থা কৰা।

**ব্যক্তিগত দুআষাৰ :**

সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব বহন কৰাৰ সময়ছোৱাত মোৰ কাম কাজৰ বিচাৰৰ ভাৰ মাননীয় শিক্ষাগুৰুসকলৰ আৰু সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীৰ ওপৰত। মোৰ কাৰ্যকালত সৰ্বতোপ্ৰকাৰে দিহা-পৰামৰ্শ আৰু সহায়-সহযোগ আগবঢ়োৱা বাবে পূজনীয় অধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ সভাপতি, শ্ৰীযুত দেৱপ্ৰসাদ শইকীয়াদেৱ, কাৰ্যকৰী সভাপতি, অধ্যাপক নিৰোদ বৰণ দাসদেৱ, অধ্যাপক এম. হবিব উল্লাহ মহোদয়, অধ্যাপক শ্যামাচৰণ ঠাকুৰীয়া, অধ্যাপক নিৰ্মল কলিতা, অধ্যাপক আমজাদ হুছাইন. ছাত্ৰ একতা সভাৰ উপ-সভাপতি, আবু খহিদুল ইছলাম আৰু সহকাৰী সাধাৰণ সম্পাদক, শ্বাহ ইউনুচ ৰহমাতুল্লাহলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তদুপৰি পূজনীয় শিক্ষাগুৰুসকল, বিভিন্ন বিভাগৰ তত্ত্বাৱধায়ক মণ্ডলী, ছাত্ৰ একতা সভাৰ বিষয়ববীয়া আৰু সদস্য সকল, সমূহ ছাত্ৰ-ছাত্ৰী, ছাত্ৰীনিবাসৰ আৱাসিকবৃন্দ মহাবিদ্যালয়ৰ কাৰ্যালয় সহায়ক আৰু কৰ্মচাৰীবৃন্দৰ পৰা সততে পোৱা সক্ৰিয় সহায়-সহযোগিতা মোৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব। মোৰ কাৰ্যকালত বিভিন্ন প্ৰকাৰে সহায় সহযোগ আগবঢ়োৱা বাবে বন্ধুবৰ সৰ্বশ্ৰী নয়নমণি, ৰূপনাথ, উৎসৱ, ধনেশ্বৰ, বিপুল, স্বাহাব, কুতুব, নাজিম হিকমত, আৰু বান্ধৱী ক্ৰমে হিমানী, নন্দিতা, শিবা, নিভা, ৰত্না, ৰাণু আৰু কনকলতালৈ মোৰ প্ৰীতিপূৰ্ণ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ।

সদৌ শেষত সমূহ অনিচ্ছাকৃত ভুল ভ্ৰান্তিৰ বাবে সংশ্লিষ্ট আটাইৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয় আই অসম।

জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়।

জয়তু ছাত্ৰ একতা সভা।

শ্ৰীসুৰেশ কলিতা।
সাধাৰণ সম্পাদক।
ছাত্ৰ একতা সভা।

# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণীতেই সেই মহান ব্যক্তিসকললৈ মোৰ আন্তৰিক হিয়াভৰা কৃতজ্ঞতা যাচিছোঁ, যিসকলে মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় 'ছাত্ৰ একতা সভাৰ' ১৯৯০-৯১ ইংৰাজী চনৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে সেৱা আগবঢ়াবলৈ সুযোগ দান কৰে। সাধাৰণতে সহকাৰী সাধাৰণ সম্পাদকৰ কামৰ হেঁচা কম থাকে। তথাপিও এক মহান দায়িত্ব নিৰৱচ্ছিন্ন ভাবে পালন কৰি যাব লাগে।

আমাৰ এই মহান অনুষ্ঠানটোত বিভিন্ন সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা লাভ কৰিবলৈ আহে। সেই ভিন ভিন সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত যোগসূত্ৰ স্থাপন কৰা একমাত্ৰ মাধ্যম হৈছে ছাত্ৰ একতা সভাখন। ছাত্ৰ একতা সভাই আয়োজন কৰা বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠান আদিয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত ভ্ৰাতৃত্ববোধ গঢ়ি তোলে। ছাত্ৰ-ছাত্ৰীৰ মাজত ঐক্য-সমন্বয় ৰক্ষা কৰাটো ছাত্ৰ একতা সভাৰ এটা গুৰুত্বপূৰ্ণ দায়িত্ব। ছাত্ৰ জীৱনটো হ'ল সংগ্ৰামী আৰু প্ৰতিযোগিতামূলক জীৱন। ছাত্ৰ জীৱনৰ সেই সুন্দৰ পটভূমিত বিভিন্ন ধৰণৰ বং সানি দিবলৈ ইউনিয়নৰ দায়িত্ব অপৰিসীম।

কিতাপ পঢ়াৰ বাহিৰেও শাৰীৰিক, মানসিক বিকাশ লাভ কৰাটো ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ আন এটা গুৰুত্বপূৰ্ণ লক্ষ্য। ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীৰ সেই গতিময় জীৱনক উজ্জ্বল কৰি তুলিবলৈ ছাত্ৰ একতা সভাই বিভিন্ন ক্ষেত্ৰত অসমৰ্থ হৈ পৰে। কিয়নো আমাৰ এই মহাবিদ্যালয়খন অতি পিছপৰা আৰু গাৱঁলীয়া অঞ্চলত অৱস্থিত। তদুপৰি ইয়াত অধ্যয়ন কৰা প্ৰায়বোৰ ছাত্ৰই দুখীয়া। প্ৰয়োজনীয় অৰ্থৰ অভাৱত সেই অভাৱখিনি পূৰণ কৰিব নোৱাৰি।

**বিভিন্ন উৎসৱ উদ্‌যাপন :**

আমাৰ কাৰ্যকালত 'মহাবিদ্যালয় সপ্তাহ সমাৰোহ'ৰ উপৰিও ধৰ্মীয়-সাংস্কৃতিক অনুষ্ঠান আদিও পালন কৰা হয়। ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলৰ সহায়-সহযোগ

আৰু অংশগ্ৰহণৰ দ্বাৰা সেই অনুষ্ঠানসমূহ আকৰ্ষণীয়ৰূপত সমাধা হয়।

**সৰস্বতী পূজা :**

চিৰাচৰিত প্ৰথা অনুসৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত ইং ২০-১-৯১ তাৰিখ ৰবিবাৰে আড়ম্বৰপূৰ্ণ আৰু ভক্তিপূৰ্ণভাবেৰে সৰস্বতী পূজা উদ্‌যাপন কৰা হয়। প্ৰতিমা আনয়ন, প্ৰতিমা স্থাপন, পূজা অৰ্চনা, প্ৰসাদ বিতৰণ আৰু প্ৰতিমা বিসৰ্জন আদি কাৰ্যসূচীৰ মাজেৰে অনুষ্ঠানটিৰ সামৰণি পৰে।

**ফাতেহা-ই-দোৱাজ-দাহম :**

ইং ২২-৯-৯১ তাৰিখ ৰবিবাৰে মহাবিদ্যালয়ৰ আৰবী বিভাগৰ মুৰব্বী, অধ্যাপক মাননীয় এম. হবিব উল্লাহ মহোদয়ৰ পৌৰোহিত্যত ফাতেহা-ই-দোৱাজ-দাহম উপলক্ষে পবিত্ৰ নবী উৎসৱ পালনাৰ্থে এখনি সভা অনুষ্ঠিত হয়। মুকলি সভাৰ প্ৰাক্-কালত নগৰবেৰা আঞ্চলিক বজাৰ মছজিদৰ ইমাম, জোনাব ক্বাৰী মঃ ওমৰ ফাৰুক চাহাবৰ পৰিচালনাত মিলাদ মহাফিল অনুষ্ঠিত হয়। মুকলি সভাৰ শুভাৰম্ভ কৰা হয়, মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী, অধ্যাপক মাননীয় আব্দুল ছামাদ আলী মহোদয়ৰ উদ্বোধনী ভাষণেৰে। উক্ত অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী সকলে কোৰআন পাঠ, গজল আৰু জিকিৰ আদি পৰিবেশন কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত দেৱপ্ৰসাদ শইকীয়াদেৱ, নিৰ্দিষ্ট বক্তাদ্বয়, ক্ৰমে অধ্যাপক আব্দুল মজিদ আৰু অধ্যাপক ড° আবুল বাছাৰ আৰু মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি সোনতলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ আলহাজ কেৰামত আলী চাহাবে দিনটোৰ তাৎপৰ্য সম্পৰ্কে বিবৰি কয়। ভাষণ প্ৰসংগত তেখেতসকলে মহাপুৰুষজনাৰ শিক্ষাৰে নিজৰ জীৱন গঢ় দিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আহ্বান জনায়।

মোৰ দায়িত্ববোৰ সুপৰিচালিত ভাবে চলাই নিয়াত দিহা পৰামৰ্শ দিয়া শিক্ষাগুৰু সকললৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই ছেগতেই সাধাৰণ সম্পাদক শ্ৰীসুৰেশ কলিতা, সৌৰভ, মিজানুৰ আৰু বাবৰে আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে মই চিৰ ঋণী।

এই গুৰু দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত মই আপোনালোকক কিমানখিনি কৃতিত্ব দেখুৱাব পাৰিলোঁ সেয়া আপোনালোকৰ বিচাৰ্য।

সদৌ শেষত মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ অবাঞ্ছিত ভুল-ক্ৰুটিৰ বাবে ক্ষমা বিচৰাৰ লগতে এই অনুষ্ঠানটোৰ ভৱিষ্যতৰ শুভ কামনা কৰি প্ৰতিবেদনৰ সামৰণি পেলাইছোঁ।

**শ্বাহ ইউনুছ ৰহমাতুল্লাহ**
**সহকাৰী সাধাৰণ সম্পাদক।**

# সাহিত্য বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



[সৌৰভ ভাগবতী]



[নাজিম হিকমত আলী আহমেদ]

প্ৰতিবেদন লেখাৰ প্ৰাৰম্ভণীতে মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীলৈ আমাৰ আন্তৰিক প্ৰণিপাত আৰু অভিনন্দন যাচিছোঁ। বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ দৰে গৌৰৱমণ্ডিত শিক্ষানুষ্ঠান এখনৰ সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদকৰ এই গধুৰ দায়িত্ব অৰ্পণ কৰাত আমি কৃতাৰ্থ। এই গুৰু দায়িত্ব পালন কৰাত আমি কিমানদূৰ সফলতা অৰ্জন কৰিছোঁ সেয়া সংশ্লিষ্ট আটাইৰে বিচাৰ্য।

মহাবিদ্যালয় সপ্তাহৰ সাহিত্য প্ৰতিযোগিতাৰ জৰিয়তে আমি আমাৰ কাৰ্যভাৰ চলোৱাৰ পাতনি মেলোঁ। আমাৰ বিভাগৰ তত্বাৱধায়ক অধ্যাপক, মাননীয় এম, হবিব উল্লাহ আৰু মাননীয় নগেন্দ্ৰ নাৰায়ণ দেৱান ছাৰদ্বয়ৰ সহায় সহযোগিতাৰে ইং ১৭/১২/৯০ তাৰিখৰ পৰা ইং২২/১২/৯০ তাৰিখলৈ মহাবিদ্যালয় সপ্তাহৰ কাৰ্য-ক্ৰমণিকা চলাই যাওঁ। মহাবিদ্যালয় সপ্তাহত তেখেত সকলৰ পৰামৰ্শই আমাক যি উৎসাহ আৰু উদ্দীপনা যোগাইছিল সেয়া চিৰস্মৰণীয়।

সাহিত্যই মানুহক ঐক্য, শান্তি আৰু প্ৰগতিৰ পথত আগুৱাই নিয়ে। সাহিত্য হ'ল মানুহৰ জীৱনৰ সঙ্গী স্বৰূপ। যেনেকৈ সঙ্গী বা লগৰীয়া এজন থাকিলে কোনো বিপদ-আপদৰ পৰা ৰক্ষা পাব পাৰি বা তেওঁৰ মৃত্যু হ'লেও বন্ধুজনে তেওঁৰ একাত্ম সাহচৰ্যৰ স্মৃতিচাৰণ কৰি অনুপ্ৰাণিত হয়, তেনেকৈ সাহিত্যই সাহিত্যিকৰ অনুপস্থিতিক স্মৰণ কৰাই তেওঁৰ সৃষ্টিৰে সত্যপথৰ সন্ধান দিয়ে। গতিকে সাহিত্য হ'ল মানুহৰ জীৱনৰ অগ্ৰগতিৰ প্ৰথম সোপান। সাহিত্যই

মানুহৰ মনৰ পৰা সংকীৰ্ণতা, অন্ধবিশ্বাস আৰু কুসংস্কাৰ আঁতৰাই এখন সুস্থ সবল সমাজ গঢ়ি তোলাত সহায় কৰে।

মহাবিদ্যালয় সপ্তাহ প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীসকলৰ অংশগ্ৰহণৰ সম্পৰ্কত কিছু বিচাৰ-বিশ্লেষণ কৰাৰ প্ৰয়োজন আছে। প্ৰায়ভাগ ছাত্ৰ-ছাত্ৰীৰ লেখাৰ পৰা আমি জানিব পাৰিছোঁ, যে কেৱল মহাবিদ্যালয় সপ্তাহত তেওঁলোকৰ লেখাৰ জৰিয়তে সাহিত্য চৰ্চাৰ পাতনি মেলে। কিন্তু সেইবোৰ লেখা সৰ্বাঙ্গ সুন্দৰ আৰু পূৰ্ণ নহয় বাবে তাক আমি অকপটে স্বীকাৰ কৰি সাহিত্য চৰ্চাৰ অনুশীলনৰ পথাৰত একাগ্ৰচিত্তে মনোনিবেশ কৰিব লাগে। তেতিয়াহে সাহিত্যিকৰ আসনত অধিষ্ঠিত হোৱাৰ প্ৰতিশ্ৰুতি উজ্জ্বল হৈ উঠিব। যি কি নহওক, মহাবিদ্যালয় সপ্তাহ সমাৰোহত সাহিত্য বিভাগৰ প্ৰতিটো বিভাগত ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ অনুপাতে প্ৰতিযোগীৰ সংখ্যা যথেষ্ট দেখা নগলেও, প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীৰ সঁহাৰি একেবাৰে নুই কৰিব নোৱাৰি। এই বছৰ মহাবিদ্যালয় সপ্তাহত যথেষ্ট প্ৰতিযোগিতাৰ ব্যৱস্থা ৰখা হৈছিল যদিও, প্ৰতিযোগীৰ সংখ্যা তাকৰ হোৱা হেতুকে দুই-এটা প্ৰতিযোগিতা কাৰ্যসূচীৰ পৰা বাদ দিয়া হৈছিল। আশা ৰাখিছোঁ আগলৈ ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন প্ৰতিযোগিতাত অধিক উৎসাহেৰে যোগদান কৰি সাহিত্য বিভাগটো সজীৱ কৰি তুলিব। মহাবিদ্যালয় সপ্তাহত আমাৰ কাৰ্যত অতিকৈ সহায় সহযোগিতা আগবঢ়োৱা মাননীয় অধ্যাপক বীৰেন্দ্ৰ কুমাৰ দাস, অধ্যাপক ৰঞ্জিত কুমাৰ বৰা, অধ্যাপিকা কল্যাণী দাস, অধ্যাপক নীলকমল বৰদলৈ, অধ্যাপক নুৰ আলম, অধ্যাপিকা নুৰণ নাহাৰ বেগম আৰু অধ্যাপক বিপুল শৰ্মা বৰপূজাৰীদেৱলৈ আমাৰ শ্ৰদ্ধাঞ্জলি যাচিছোঁ। বন্ধুবৰ আয়নাল, নজমুল, খহিদুল, হোমেন, ৰজৰঙ্গ, কন্দৰ্প, ৰাজেন, দ্বীপেন, হুমায়ুন, আব্দুল, আনোৱাৰ, আলতাব, বান্ধৱী অঞ্জু, ৰেজিনা, শিৱা, হিমানী, মফিদা, প্ৰমুখ্যে আটাইলৈ আমাৰ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয় সপ্তাহ সমাৰোহত সাহিত্য বিভাগৰ প্ৰতিযোগিতাত শ্ৰেষ্ঠ প্ৰতিযোগী হিচাপে পৰিগণিত শ্ৰীকমল পাঠকলৈ আমাৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

পৰিশেষত সাহিত্য আৰু আলোচনী বিভাগৰ গুৰু দায়িত্ব আমাৰ ওপৰত অৰ্পণ কৰি ছাত্ৰ একতা সভাৰ জৰিয়তে সেৱা কৰাৰ সুযোগ প্ৰদান কৰা বাবে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাগুৰুসকল আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা নিৱেদন কৰিছোঁ। আমাৰ কাৰ্যকালত বিভাগটো পৰিচালনাত হোৱা অনিচ্ছাকৃত ত্ৰুটি-বিচ্যুতিৰ বাবে সংশ্লিষ্ট সকলোৰে ওচৰত বিনম্ৰভাৱে ক্ষমা বিচাৰিছোঁ। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মনত সাহিত্য চৰ্চাৰ ভাব জাগৰিত হওক, মহাবিদ্যালয়ৰ আলোচনীৰ সৰ্বাঙ্গ সুন্দৰ বছৰেকীয়া প্ৰকাশ অব্যাহত থাকক—এই শুভ কামনাৰে আমাৰ প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

"জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়"
"জয়তু মহাবিদ্যালয় ছাত্ৰ একতা সভা"

বিনয়াৱনত,

**সৌৰভ ভাগৱতী**
**নাজিম হিকমত আলী আহমেদ**
**সম্পাদকদ্বয়,**
সাহিত্য আৰু আলোচনী বিভাগ।

# সংগীত বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



জয়জয়তে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিভাগীয় সম্পাদক বাছনিত মোক সংগীত বিভাগৰ সম্পাদক হিচাপে বাছনি কৰাত অধ্যক্ষ মহোদয় তথা শিক্ষাগুৰুসকললৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ। লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ প্ৰীতিভৰা ওলগ জনাইছোঁ।

সংগীত সুকুমাৰ কলাৰ অন্যতম অঙ্গ। সংগীতৰ দৰে সূক্ষ্ম-সংবেদনশীল সাধনাৰ লগত জড়িত বিভাগ এটাৰ গুৰু দায়িত্ব মোৰ ওপৰত ন্যস্ত কৰি মোক যি এক অগ্নিপৰীক্ষাৰ মাজলৈ আগুৱাই দিয়া হ'ল, তাত সফলতাৰে উত্তীৰ্ণ হোৱাৰ আনন্দকণ বিচাৰি পাই নিজকে ধন্য মানিছোঁ।

সংস্কৃতিৰ বহল পৰিধিৰ অটল গৰ্ভত কিমান মণি মুকুতা ভৰি আছে ভাবিলেই আচৰিত লাগে। সংস্কৃতিৰ বহল ক্ষেত্ৰত বাট বুলি ছাত্ৰ-ছাত্ৰীসকলক কেনে পথেৰে আগবঢ়াই নিব পাৰিছোঁ, ফুলাম পথ নে কণ্টকিত, সেই কথা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলৰ বিচাৰ্যৰ বিষয়।

ঐক্য-সম্প্ৰীতি জীয়াই ৰখা আৰু সমন্বয় গঢ়ি তোলাৰ ক্ষেত্ৰত শিল্পীসকলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। 'শিল্পী হৈছে ৰাইজৰ বুকুৰ কুটুম। শিল্পীয়ে যেনেকৈ ৰাইজৰ হৃদয় সাম্ৰাজ্য জয় কৰিব পাৰে, সেই স্বাধীনতা আন কাৰোৱেই নাই।

যোৱা ১৭ ডিচেম্বৰ '৯০ৰ পৰা ২২ ডিচেম্বৰ '৯০লৈ আমাৰ 'মহাবিদ্যালয় সপ্তাহ'ত বিভিন্ন গীত-মাতৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়।

**মহাবিদ্যালয়ৰ সংগীত বিভাগত দেখা দিয়া অভাৱ-অভিযোগ সম্পৰ্কে দুআষাৰ :**

মহাবিদ্যালয়ৰ অন্যান্য অভাৱ-অভিযোগবোৰৰ লগতে সংগীত বিভাগৰ প্ৰয়োজনীয় সামগ্ৰীৰ পূৰণাৰ্থে মৌখিকভাৱে মহাবিদ্যালয় কৰ্তৃপক্ষক জনোৱা হৈছিল যদিও এতিয়াও ইয়াৰ অভাৱ দূৰ কৰিব পৰা নাই। আমাৰ ছাত্ৰ-ছাত্ৰীৰ এটা যে শিল্পীসুলভ মন আছে সেইটো মহাবিদ্যালয় সপ্তাহত গম পোৱা গৈছে। মই ভাবোঁ প্ৰয়ো-

জনীয় সকলোখিনি সুবিধা দিব পাৰিলে তেওঁলোকে নিশ্চয় এই দিশত কৃতিত্ব অৰ্জন কৰিব পাৰিব। কিন্তু এইটো বৰ দুখৰ বিষয় আমাৰ সঙ্গীত বিভাগত প্ৰয়োজনীয় সা-সুবিধাৰ অভাৱ। সঁজুলি বুলিবলৈ মাত্ৰ এটা হাৰম'নিয়াম, এযোৰ তবলা আৰু এটা মাত্ৰ ঢোলক। মহাবিদ্যালয়ৰ সংগীত সাধনাৰ মঞ্চখনক সৰ্বাঙ্গ সুন্দৰ ৰূপ দিয়াৰ প্ৰথম আৰু অপৰিহাৰ্য চৰ্তটো হ'ল সা-সঁজুলিৰ অভাৱ দূৰীকৰণ।

প্ৰতিবছৰে মহাবিদ্যালয়ত বাৰ্ষিক অধিবেশন পতা হয়। অস্থায়ীভাবে তৈয়াৰ কৰা প্ৰায় খোলা মঞ্চতেই সাংস্কৃতিক প্ৰতিযোগিতাসমূহ চলোৱা হয়। স্থায়ী প্ৰেক্ষাগৃহ এটা থাকিলে সুকলমে সকলো কামেই চলাই নিব পৰা গ'লহেঁতেন। সেয়ে এটি প্ৰেক্ষাগৃহ নিৰ্মাণৰ প্ৰস্তুতিৰ বাবে কৰ্তৃপক্ষই চকু দিব বুলি আশা কৰিলোঁ। লগতে মোৰ পৰৱৰ্তী সম্পাদকে এইবোৰ অভাৱ শীঘ্ৰে পূৰণ কৰিবলৈ মহাবিদ্যালয় কৰ্তৃপক্ষৰ সৈতে আলোচনা চলাব বুলি আশা কৰিলোঁ।

সদৌশেষত মোৰ কাৰ্যকালৰ সময়ছোৱাত মাননীয় অধ্যক্ষ শ্ৰীযুত দেৱপ্ৰসাদ শইকীয়াদেৱ, অধ্যাপক শ্ৰীযুত ৰঞ্জিত কুমাৰ বৰা, (তত্বাৱধায়ক), শ্ৰীযুত বীৰেন্দ্ৰ কুমাৰ দাস, শ্ৰীযুত উমেশ চন্দ্ৰ দাস, শ্ৰীযুত শ্যামাচৰণ ঠাকুৰীয়া, মঃ আমজাদ হুছাইন, এম, হবিব উল্লাহ আৰু অধ্যাপিকা শ্ৰীমতী গধূলি ঠাকুৰীয়া (কলিতা) প্ৰমুখ্যে মহোদয়-মহোদয়া সকলে বিভিন্ন দিহা-পৰামৰ্শৰে মোক উৎসাহিত কৰাৰ কাৰণে আৰু ভুল ক্ৰুটিবোৰ আঙুলিয়াই দিয়াৰ বাবে তেখেত সকলৰ ওচৰত মই চিৰঋণী। যি সকল ছাত্ৰ ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোক অকৃপণ ভাবে বিভিন্ন দিশত সহায় কৰিলে সেই সকল ক্ৰমে— দুলাল, কৈলাশ, অমিয়, চিত্ত, ৰাজেন, হোসেন, সৌৰভ, কন্দৰ্প, মৃত্তিকা, জোনালী, বৰ্ণালী, অৰ্পণা, আৰু মনীষা আদিৰ ওচৰত মই চিৰকৃতজ্ঞ।

এই কালছোৱাত মোৰ অজানিতে হোৱা সকলো ভুলৰ বাবে আপোনালোক আটাইৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰাৰ লগতে আমাৰ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

"জয় আই অসম"
শ্ৰীভুবনেশ্বৰ মেধি
সম্পাদক,
সংগীত বিভাগ।

# সাংস্কৃতিক বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



[ শ্ৰীদ্বীপেন মেধি ]



[ মঃ ৰৌফচাহাব আলী ]

চিৰ চেনেহী আই অসমীৰ মুক্তিৰ দাবীত নিজৰ বুকুৰ কেঁচা তেজেৰে অসমী আইৰ বুকু ৰাঙলী কৰা বীৰ ছহিদ সকলোলৈ সশ্ৰদ্ধ প্ৰণাম আৰু শ্ৰদ্ধাঞ্জলি জনাই আমি আমাৰ বিভাগৰ সম্পাদকীয় প্ৰতিবেদনৰ ওৰণি গুচালোঁ। সংস্কৃতি মানুহৰ আত্মা স্বৰূপ। সংস্কৃতি অবিহনে কোনো এটা জাতি পৰিচয়হীন। ইয়াক লৈহে মানুহে নাইবা কোনো এটা জাতিয়ে নিজক মানুহ হিচাপে, জাতি হিচাপে পৰিচয় দিব পাৰে।

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ দৰে এখন গৌৰৱোজ্জ্বল মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ সম্পাদকৰ দৰে এটা গুৰু দায়িত্ব আমাৰ ওপৰত ন্যস্ত কৰা বাবে আমি নিজকে ধন্য মানিছোঁ। লগতে সকলো শুভাকাংক্ষীলৈ আমাৰ আন্তৰিক শ্ৰদ্ধা আৰু মৰম শ্ৰেণীবিশেষে যাচিছোঁ।

সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰিয়েই আমি মহাবিদ্যালয়ত "মহাবিদ্যালয় সপ্তাহ" পালন কৰিছিলোঁ। ইয়াৰ কাৰ্য-ক্ৰমণিকা চলিছিল ইং ১৭।১২।৯০ তাৰিখৰ পৰা ইং ২২/১২/৯০তাৰিখলৈ। আমাৰ বিভাগৰ ভাৰ-প্ৰাপ্ত অধ্যাপক আছিল মাননীয় শ্ৰীযুত নিৰ্মল কলিতাদেৱ। এই ক্ষেত্ৰত কলিতাদেৱৰ সহায়-সহযোগিতা, উৎসাহ-উদ্দীপনা আৰু মৰম সনা কথাবোৰ পাহৰাটো আমাৰ পক্ষে অসম্ভৱ।

মহাবিদ্যালয় সপ্তাহত ছাত্ৰ-ছাত্ৰীসকলে বিশেষকৈ সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতা সমূহত যিদৰে অংশ গ্ৰহণ কৰিব বুলি আমি

আশা কৰিছিলোঁ, আমি ভবাৰ দৰে হোৱা নাছিল। কিয়নো প্ৰতিযোগীৰ সংখ্যা আছিল নিচেই তাকৰীয়া। ছাত্ৰ-ছাত্ৰীসকলে যেন এইবোৰৰ প্ৰতি অকনো মনোযোগেই দিব নোখোজে। ফলত আমাৰ প্ৰতিযোগিতাসমূহ মনোৰঞ্জক আৰু উৎকৃষ্টমানৰ নহ'ল। সংখ্যাধিক প্ৰতিযোগীৰ লগত প্ৰতিযোগিতা কৰি কোনো এটা পুৰস্কাৰ লাভ কৰি যি এক সুকীয়া আনন্দ পোৱা যায়, ঠিক সেইখিনি আনন্দ আমাৰ এই মুষ্টিমেয় প্ৰতিযোগীৰ মাজত পোৱা নাযায়। সেয়েহে আমি আশা ৰাখিছোঁ যাতে ভৱিষ্যতে এইখিনি আনন্দ পাবলৈ, এক মধুৰ অভিজ্ঞতা লাভ কৰিবলৈ ছাত্ৰ-ছাত্ৰী সকল আগবাঢ়ি আহি প্ৰতিটো প্ৰতিযোগিতাতে যোগদান কৰে। কিন্তু ইয়াতেই এটা কথা মন কৰিব লাগিব যে সংগীত, নৃত্য আদিৰ প্ৰতি মানুহৰ মন আকৰ্ষণ কৰিবলৈ হ'লে প্ৰথমতে লাগিব বিভিন্ন ধৰণৰ বাদ্য সামগ্ৰী। কিন্তু আমাৰ মহাবিদ্যালয়ত তবলা এযোৰ, হাৰমনিয়াম এটা, ঢোল এটা আৰু খোল এটা এইখিনি সাধাৰণ বাদ্য যন্ত্ৰৰ বাহিৰে বাকী কোনো বাদ্য সামগ্ৰী নাই। গতিকে এইখিনি গতানুগতিক বাদ্য সামগ্ৰীয়ে জানো আজিৰ যুগৰ ছাত্ৰ-ছাত্ৰীক সংগীত নৃত্যৰ প্ৰতি আকৰ্ষণ কৰিব পাৰে? আকৌ আমি এটা কথা প্ৰতিযোগীসকললৈ ক'ব বিচাৰিছোঁ যে তেওঁলোকে যেন যি প্ৰতিযোগিতাত যোগদান কৰে তাৰেই লগত খাপ খোৱা পোছাক-পাতি ব্যৱহাৰ কৰে। ইয়াৰ অন্যথাই সেই গীত নৃত্য ইত্যাদিৰ মৰ্যাদা বহু পৰিমাণে ক্ষুণ্ণহোৱা যেন লাগে।

আমাৰ কাৰ্য-ভাৰৰ ভিতৰত আমি সৰস্বতী পূজাত "খৰচৰ অনুপাতে মূলধনৰ পৰিমাণ কম"—এনে এক সমস্যাৰ মাজেৰেও ভাল ধৰণেই-উলহমালহেৰে পালন কৰোঁ।

সদৌ শেষত আমাৰ কাৰ্য-কালত আমি কি ধৰণেৰে আপোনালোকক সেৱা কৰিলোঁ, আপোনালোকে আমাৰ পৰা বিচাৰিছিল কি, কিন্তু পালে কি ইয়াৰ বিচাৰৰ ভাৰ আপোনালোকৰ ওপৰত এৰি দিলোঁ। বিভিন্ন কাম-কাজত ছাঁটোৰ দৰে লাগি থাকি সহায় সহযোগিতা কৰা বাবে কন্দৰ্প, চন্দ্ৰ, ধনেশ্বৰ, ৰাজেন, সৌৰভ, হোমেন আৰু সুৰেশ প্ৰমুখ্যে বন্ধু কেইজনৰ কথা যদি উল্লেখ নকৰোঁ তেতিয়া হ'লে তেওঁলোকৰ ওচৰত চিৰদিনলৈ অকৃতজ্ঞ হৈ ৰ'ম।

সৰ্বশেষত, মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, আৰু অধ্যাপক-অধ্যাপিকাসকললৈ আমাৰ ভক্তিভৰা সেৱা যাচিলোঁ। অজ্ঞাতে হোৱা ভুল-ভ্ৰান্তিৰ বাবে আটাইৰে ওচৰত ক্ষমা প্ৰাৰ্থনাৰে আমাৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

শ্ৰীদীপেন মেধি
ম: ৰৌফচাহাব আলী
সম্পাদকদ্বয়,
সাংস্কৃতিক বিভাগ।

# তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



মই মোৰ বিভাগীয় প্ৰতিবেদন লেখাৰ আগমুহূৰ্তত জাতীয় ছহিদসকললৈ শ্ৰদ্ধা নিৱেদিছোঁ।

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদক হিচাপে গুৰু দায়িত্বভাৰ মোৰ ওপৰত অৰ্পণ কৰা বাবে মহাবিদ্যালয়ৰ পূজনীয় অধ্যক্ষ মহোদয়, মাননীয় অধ্যাপক-অধ্যাপিকামণ্ডলী আৰু ছাত্ৰ-ছাত্ৰী সকললৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ দায়িত্বৰ ভিতৰত আছিল অসমীয়া আৰু ইংৰাজী তৰ্ক, আকস্মিক বক্তৃতা, কুইজ আৰু আলোচনা চক্ৰ। মহাবিদ্যালয় সপ্তাহ বছৰে বছৰে পাতিবলগীয়া উৎসৱ হিচাপে পাতিলেই আৰু সপ্তাহটো কোনোৰকমে পাৰ হৈ গ'লেই যেন দায়-দায়িত্ব শেষ, এনে এটা ভাবেৰে মহাবিদ্যালয় সপ্তাহ উৎসৱ পতাৰ কোনো সাৰ্থকতা নেদেখোঁ। ছাত্ৰ-ছাত্ৰীৰ প্ৰতিযোগীসুলভ মনৰ অভাৱ আৰু অনীহা ভাবে উৎসৱৰ সৌষ্ঠৱ লাঘৱ কৰা যেন হৈছিল। উৎসৱৰ সৌষ্ঠৱ বৃদ্ধি কৰে, সৰহ সংখ্যক প্ৰতিযোগীৰ যোগদানেহে। প্ৰতিযোগী অবিহনে তেনে উৎসৱ কি গতিৰে চলিব বা কি ৰূপ ল'ব সি সহজে অনুমেয়। মহাবিদ্যালয় সপ্তাহ সমাৰোহৰ ইংৰাজী আৰু অসমীয়া তৰ্ক প্ৰতিযোগিতাত অতি কম সংখ্যক প্ৰতিযোগীৰ যোগদানেই এই বিষয়ত ছাত্ৰ-ছাত্ৰীৰ উদাসীন মনোভাবৰেই পৰিচয় দাঙি ধৰে। ছাত্ৰ-ছাত্ৰীৰ বছৰি বৰ্দ্ধিত সংখ্যা অনুপাতে প্ৰতিযোগীৰ অভাৱ কিয়? নে প্ৰকৃত অনুশীলনৰ অভাৱ? এই দিশ সমূহো বিচাৰ্যৰ বিষয়। ছাত্ৰ-ছাত্ৰী সকলেও চিন্তা-চৰ্চা কৰা উচিত যে বৰ্তমান শিক্ষাৰ পৰিসৰ অকল পুথিগত জ্ঞান আহৰণেই নহয়। অকল পুথিগত জ্ঞানেই ছাত্ৰ-ছাত্ৰী সকলৰ জীৱনৰ পূৰ্ণতা আনি দিব নোৱাৰে। আশাকৰোঁ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ একোটা প্ৰতিযোগীসুলভ মন গঢ়ি উঠিব। প্ৰতিজন ছাত্ৰ-

ছাত্ৰীয়ে বিভিন্ন বিভাগৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি নিজস্ব প্ৰতিভা বিকাশ কৰিব। ছাত্ৰ-ছাত্ৰী সকলে নিশ্চয় জানে যে কোনেও ৰৰটো হৈ নোপোজে। চিন্তা-চৰ্চা আৰু অনু-শীলনেহে আগবাঢ়ি যোৱাত সহায় কৰে।

প্ৰতিবেদন লেখিবলৈ গৈ বহুত কিবা কিবি লেখিবলগীয়া হ'ল। তাৰ বাবে মই ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলৰ ওচৰত ক্ষমা বিচাৰিছোঁ। মোৰ এই কাৰ্য-ভাৰ চলাই নিয়াত শিক্ষাগুৰুসকল ক্ৰমে, অধ্যাপক ৰঞ্জিত কুমাৰ বৰা, অধ্যাপিকা কল্যাণী দাস, অধ্যাপক ভাৰত কলিতা, অধ্যাপক এম. হবিব উল্লাহ, অধ্যাপক নিৰ্মল চন্দ্ৰ ভোই, অধ্যাপক বীৰব্ৰত দাস চৌধুৰী আৰু ড° আবুল বাছাৰ মহোদয় সকলে বিচা-ৰক হিচাপে আৰু বিভিন্ন দিহা-পৰামৰ্শেৰে সহায় কৰা বাবে মই তেখেত সকলৰ ওচৰত চিৰ কৃতজ্ঞ। এই বিষয়ত তত্বাৱধায়ক হিচাপে আদিৰে পৰা অন্তলৈকে প্ৰতিটো কাম নিয়াৰিকৈ চলোৱাত দিহা-পৰামৰ্শ, উপদেশ দিয়াৰ উপৰিও নিজে কিছুমান দিশত আগবঢ়ুৱা হৈ প্ৰকৃত পথ-প্ৰদৰ্শকৰ আদ-ৰ্শেৰে মোক অনুপ্ৰাণিত কৰাৰ বাবে অধ্যাপক শৰৎ কুমাৰ মেধিদেৱৰ প্ৰতি অকিলনে ভক্তি-পুৰ্ণ কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ। দুজন অকৃত্ৰিম বন্ধু, কন্দৰ্প দাস আৰু আব্দুল হামিদ চৌধুৰীয়ে মোৰ কাৰ্যত যি সহায় আগবঢ়ালে তাৰ বাবে তেওঁলোক মোৰ স্মৃতিৰ মানস পটত যুগমীয়া হৈ ৰ'ব।

সদৌশেষত সকলোবোৰ অজা-নিতে হোৱা ভুল-ত্ৰুটিৰ ক্ষমা বিচাৰি মোৰ প্ৰতিবেদন সামৰিছোঁ।

জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়।
জয়তু মহাবিদ্যালয় ছাত্ৰ একতা সভা।

শ্ৰীদীপক কুমাৰ চৌধুৰী।
সম্পাদক,
তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ।

# সাধাৰণ ক্ৰীড়া বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



জয়জয়তে অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণ আহুতি দিয়া ছহিদসকললৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

ইং ১৯৯০-৯১ চনৰ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ ক্ৰীড়া বিভাগৰ সম্পাদকৰ দায়িত্ব কিমান দূৰ সফলতাৰে বহন কৰিছোঁ সেইটো আপোনালোকৰ বিচাৰ্য। অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰিছোঁ। ইং ১৯৯০-৯১ চনৰ মহাবিদ্যালয় সপ্তাহৰ সাধাৰণ ক্ৰীড়া বিভাগৰ খেলসমূহত ছাত্ৰ-ছাত্ৰী সকলে সহায়-সহযোগিতা কৰি আৰু তেওঁলোকৰ নিজৰ নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰি মোক কৃতাৰ্থ কৰে।

বিভিন্ন অসুবিধা সত্বেও মই মহাবিদ্যালয়ৰ এই বিভাগৰ খেলসমূহ অনুষ্ঠিত কৰিছোঁ। বিভিন্ন খেলৰ সামগ্ৰীৰ অভাৱৰ বাবে আমাৰ ছাত্ৰ-ছাত্ৰীসকল কিছুমান খেলৰ পৰা বিৰত থাকিবলগীয়া হৈছে। সেয়েহে মোৰ বিশেষ অনুৰোধ, ভবিষ্যতে যাতে এনেবোৰ অসুবিধা পূৰণ কৰিবলৈ মহাবিদ্যালয় কৰ্তৃপক্ষই ব্যৱস্থা হাতত লয় আৰু ছাত্ৰ ছাত্ৰী সকলক নিজৰ পাৰদৰ্শিতা অৰ্জন কৰিবলৈ সমৰ্থ কৰে। মহাবিদ্যালয়ৰ খেলা-ধূলাৰ ক্ষেত্ৰত যি নিম্নতম সুবিধা পোৱা গৈছে সেইখিনি এখন মহাবিদ্যালয় হিচাপে যথেষ্ট নহয়। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক খেলৰ বিভিন্ন সুবিধা কৰি খেল প্ৰশিক্ষকৰ সহায়ত প্ৰশিক্ষণ দিলে ভবিষ্যতে ছাত্ৰ-ছাত্ৰী সকলে বিশেষ সুনাম অৰ্জন কৰিবলৈ সক্ষম হ'ব বুলি মোৰ দৃঢ় বিশ্বাস।

সদৌশেষত আমাৰ কাৰ্যকাল-ছোৱাত বিভিন্ন ধৰণে দিহা-পৰামৰ্শ দি সহায়-সহযোগিতা কৰা বাবে মাননীয় অধ্যক্ষ, শ্ৰীযুত দেৱপ্ৰসাদ শইকীয়াদেৱ মোৰ বিভাগৰ তত্বাৱধায়কদ্বয়, অধ্যাপক, মাননীয় শ্ৰীবিপ্লৱ কুমাৰ নাগ আৰু শ্ৰীনীৰেন বৰাদেৱ আৰু মাননীয় শিক্ষাগুৰুসকল সহযোগী ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

: জয় আই অসম :

শ্ৰীশৈলেন ঠাকুৰীয়া
সম্পাদক,
সাধাৰণ ক্ৰীড়া বিভাগ।

# লঘুখেল বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



ইং ১৯৯০-৯১ বছৰৰ বাবে বি প্ৰ.চ. মহাবিদ্যালয়ৰ লঘুখেল বিভাগৰ সম্পাদকৰূপে মনোনীত কৰি মোক, ছাত্ৰ একতা সভাৰ সেৱা কৰাৰ সুযোগ দিয়াৰ বাবে সংশ্লিষ্ট আটাইলৈ মোৰ হিয়াভৰা শ্ৰদ্ধাঞ্জলি আৰু আন্তৰিক কৃতজ্ঞতা নিবেদন কৰিছোঁ।

সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰি উক্ত বিভাগটোৰ কাম কিমানখিনি সুচাৰুৰূপে পৰিচালনা কৰিব পাৰিছোঁ সেয়া আপোনালোকৰ বিচাৰ্য।

আমাৰ মহাবিদ্যালয়ত প্ৰতিবছৰে সাহিত্য, কলা আৰু খেল-ধেমালি আদি প্ৰতিযোগিতাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক আৰু শাৰীৰিক দিশৰ উৎকৰ্ষ সাধনৰ মানসেৰে মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন প্ৰতিযোগিতাত নিজৰ অভিৰুচি অনুযায়ী যোগদান কৰে।

লঘু-খেল বিভাগৰ ভিতৰত মুখ্যতঃ ৰিং, ডবা আৰু বেডমিণ্টন প্ৰতিযোগিতা অনুষ্ঠিত হয়। এখন মহাবিদ্যালয় হিচাপে লঘু-খেল প্ৰতিযোগিতা এইখিনিতে সীমিত থকাত মই দুখিত। আধুনিক আৰু বৈজ্ঞানিক চিন্তাচৰ্চাৰ অভাৱ হেতুকে আমাৰ খেলৰ মানদণ্ড এতিয়াও অনুন্নত অৱস্থাতে আছে। আমাৰ দৰে ভিতৰুৱা অঞ্চলৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ খেলৰ মানদণ্ড নিম্নগামী হোৱাটোত আচৰিত হ'বলগা একো নাই নিশ্চয়। অৱশ্যে এইখিনিতে উনুকিয়াব পাৰি যে বিভিন্ন প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণৰ হাৰ তাকৰীয়া হোৱাটো ভাবিবলগীয়া বিষয়। সেয়ে এই খেল বিভাগটোৱে যাতে বৰ্তমান যুগৰ খেলৰ গতিৰ সৈতে সংগতি ৰাখি সম্প্ৰসাৰণ লাভ কৰিব পাৰে তাৰ বাবে তৎপৰ হ'বলৈ ভৱিষ্যত কৰ্মকৰ্তা সকললৈ মই বিনম্ৰ গোহাৰি জনাইছোঁ।

মোৰ কাৰ্যকালত অনুষ্ঠিত প্ৰতিযোগিতাসমূহত মোৰ লগে ভাগে থাকি যিসকলে বিভিন্ন ধৰণৰ সহায় সহযোগ আগবঢ়ালে সেইসকলৰ ভিতৰত খোৰতে এম, সোনা উল্লাহ, ধনেশ্বৰ, সুমেজ, প্ৰহ্লাদ, বান্ধৱী বস্তি আৰু জানমণিৰ নাম উল্লেখ নকৰি নোৱাৰিলোঁ।

সদৌশেষত মোৰ প্ৰতিটো কামত দিহা পৰামৰ্শ দি সহায় কৰাৰ বাবে পূজনীয় অধ্যক্ষ ছাৰ আৰু ভাৰপ্ৰাপ্ত অধ্যাপক বিপুল শৰ্মা বৰপূজাৰী ছাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা নিবেদিছোঁ। লগতে মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকালৈকো শলাগৰ শৰাই আগবঢ়াই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

বি প্ৰ.চ.মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনাৰে—

আকন্দ শ্বাহজাহান আলী
সম্পাদক,
লঘু খেল বিভাগ।

# ক্ৰিকেট খেল বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



আৰম্ভণীতে অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণ আহুতি দিয়া অমৰ ছহিদ সকললৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

ইং ১৯৯০—৯১ চনৰ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ক্ৰিকেট খেল বিভাগৰ সম্পাদকৰ দায়িত্ব কিমান দূৰ কৃতকাৰ্যতাৰে পালন কৰিছোঁ সেইটো আপোনালোকৰ বিচাৰ্য। আন্তৰিকতাৰে দায়িত্ব পালন কৰা সত্বেও অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিছোঁ। ইং ১৯৯০-৯১ চনৰ মহাবিদ্যালয় সপ্তাহত আন্তঃ শ্ৰেণী ক্ৰিকেট প্ৰতিযোগিতা পতা হৈছিল। এই প্ৰতিযোগিতাত স্নাতক মহলাৰ সন্মিলিত দল বিজয়ী হয় আৰু উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিক ৰানাৰ্চ আপ হয়। এই প্ৰতিযোগিতাখনত খেলৰ মানদণ্ড উচ্চ পৰ্যায়ৰ নাছিল যদিও অতি নিম্ন পৰ্যায়ৰো নাছিল।

আমাৰ মহাবিদ্যালয়ত খেলা-ধূলাৰ ক্ষেত্ৰত বহুতো অসুবিধা আছে। অসুবিধাৰ মাজতো যিখিনি সুবিধা পোৱা যায় তাক ছাত্ৰ-ছাত্ৰীসকলে উপভোগ কৰাত অপাৰগ। আকৌ, আমাৰ মহাবিদ্যালয়ত খেল প্ৰশিক্ষকৰ অভাৱত খেলুৱৈসকলে পাৰদৰ্শিতাৰে খেল প্ৰদৰ্শন কৰিব নোৱাৰে, অৰ্থাৎ বিভিন্ন অসুবিধাৰ বাবে খেলৰ নীতি-নিয়মৰ বিষয়ে অজ্ঞ। খেলৰ সামগ্ৰী যিখিনি আছে সেয়া এখন মহাবিদ্যালয়ৰ বাবে যথেষ্ট নহয়। এইবোৰ কাৰণতে আমাৰ মহাবিদ্যালয়ে খেলা-ধূলাত সুনাম অৰ্জন কৰিব পৰা নাই আৰু প্ৰতিভাসম্পন্ন খেলুৱৈৰ বিকাশ হোৱা নাই। গতিকে এই সমস্যাবোৰৰ গুৰুত্বলৈ লক্ষ্য ৰাখি মহাবিদ্যালয় কৰ্তৃপক্ষই বৰ্তমান খেলা-ধূলা সম্পৰ্কীয় দুখজনক অৱস্থাৰ পৰা মুক্ত কৰাৰ যথোচিত ব্যৱস্থা হাতত ল'ব বুলি আশা ৰাখিছোঁ। সুযোগ সুবিধা পালে আমাৰ মহাবিদ্যালয়ৰ খেলুৱৈসকলেও নিশ্চয় অধিক পাৰদৰ্শিতা দেখুৱাব পাৰিব বুলি মোৰ বিশ্বাস।

সদৌশেষত, মোৰ কাৰ্যকালছোৱাত বিভিন্ন ধৰণে দিহা পৰামৰ্শ দি সহায় কৰা বাবে মাননীয় অধ্যক্ষ শ্ৰীযুত দেৱপ্ৰসাদ শইকীয়াদেৱ আৰু মোৰ বিভাগৰ তত্বাৱধায়ক অধ্যাপক শ্ৰীবীৰব্ৰত দাস চৌধুৰীদেৱ, শিক্ষাগুৰু সকল, সহযোগী ছাত্ৰ ছাত্ৰী বন্ধু-বান্ধৱীসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

'জয় আই অসম'

শ্ৰীধৰ্ম্ম কান্ত ঠাকুৰীয়া।

সম্পাদক,

ক্ৰিকেট খেল বিভাগ।

# সমাজ সেৱা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতেই অসমৰ জাতীয় ছহিদসকলৰ পুণ্যস্মৃতিত শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ। ইং ১৯৯০-৯১ চনৰ ছাত্ৰ একতা সভাৰ কাৰ্য-নিৰ্বাহক পৰিষদৰ সমাজ সেৱা বিভাগৰ সম্পাদক ৰূপে নিৰ্বাচিত কৰাৰ বাবে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাগুৰুসকল আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছোঁ।

প্ৰত্যেকজন ব্যক্তিৰে দেশ, আৰু সমাজৰ প্ৰতি দায়বদ্ধ থকাটো নিতান্তই প্ৰয়োজন। ভাৰতৰ দৰে উন্নয়নশীল দেশ এখনৰ প্ৰগতিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে সীমিত ভাবে হ'লেও সমাজ সেৱাৰ জৰিয়তে ভালেখিনি অৰিহণা যোগাব পাৰে। সমাজ সেৱাৰ মনোভাব ছাত্ৰ অৱস্থাৰ পৰাই গঢ়ি তুলিব লাগে।

সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মহাবিদ্যালয়খনৰ অন্ততঃ কিছু দিশত নতুন পদক্ষেপ ল'ম বুলি ভাবিছিলোঁ। কিন্তু পৰিতাপৰ বিষয়, ভবাৰ দৰে সকলোখিনি কাৰ্য ক্ষেত্ৰত পৰিণত ন'হল। প্ৰথম পদক্ষেপ হিচাপে মহাবিদ্যালয় সপ্তাহত যি সেৱা আঁচনি হাতত লওঁ, এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ যি পাৰদৰ্শিতা সেয়া সঁচাকৈ প্ৰশংসনীয়।

আমাৰ মহাবিদ্যালয়ত 'জাতীয় সেৱা আঁচনি' গোট আছে। এই গোটৰ অধীনত যোৱা ইং ২৯।১২।৯০ তাৰিখৰ পৰা ইং ৩১।১২।৯০ তাৰিখলৈ মহাবিদ্যালয়ৰ চৌহদকে ধৰি নগৰবেৰা অঞ্চলৰ কিছুমান ঠাইত নানা ধৰণৰ সামাজিক উন্নয়নমূলক কাম কৰা হয়।

মোৰ কাৰ্য-কালৰ সময়ছোৱাত কিদৰে সেৱা আগবঢ়ালোঁ। সেয়া সংশ্লিষ্ট আটাইৰে বিচাৰ্য। মোক বিভিন্ন সময়ত দিহা পৰামৰ্শ দি সহায় কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত দেৱপ্ৰসাদ শইকীয়াদেৱ, অধ্যাপক শ্ৰীযুত নিৰোদ বৰণ দাস, তত্ত্বাৱধায়ক অধ্যাপক আমজাদ হুছাইন, অধ্যাপক নিৰ্মল কলিতা, অধ্যাপক বীৰেন্দ্ৰ কুমাৰ দাস, অধ্যাপক শাহ আলম, অধ্যাপক শ্যামাচৰণ ঠাকুৰীয়া, আৰু অধ্যাপক শৰৎ চন্দ্ৰ মেধিদেৱলৈ শ্ৰদ্ধাৰ শৰাই নিবেদন কৰিছোঁ। লগতে মোৰ কাৰ্যকালত বিশেষ ভাবে সহায়-সহযোগিতা আগবঢ়োৱা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকললৈ কৃতজ্ঞতা জনাইছোঁ।

সদৌশেষত বি.প্ৰ.চ. মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনাৰে প্ৰতিবেদন সামৰিলোঁ।

'জয় আই অসম'
শ্ৰীহোমেন মেধি।
সম্পাদক,
সমাজ সেৱা বিভাগ।

# গুৰুখেল বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতেই অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণ আহুতি দিয়া বীৰ ছহিদসকললৈ মোৰ ভক্তি-অঞ্জলিৰে শ্ৰদ্ধা নিবেদিছোঁ। ইং১৯৯০-৯১ চনৰ বৰ্ষটোৰ বাবে গুৰু-খেলবিভাগৰ দায়িত্ব অৰ্পণ কৰা বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা তথা অধ্যক্ষ মহোদয়লৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

পুথিগত শিক্ষাৰ উপৰিও বৰ্তমান সময়ত খেল-ধেমালিও শিক্ষাৰ এটি অবিচ্ছেদ্য অংগ হৈ পৰিছে। শাৰীৰিক আৰু মানসিক বিকাশ সাধন কৰাৰ উপৰিও ক্ৰীড়াই জাতি এটাৰ প্ৰাণ চাঞ্চল্যৰ স্বাক্ষৰ বহন কৰে। দেখা যায়, খেলা-ধূলাৰ জৰিয়তে বহু ৰাষ্ট্ৰই আন্তৰ্জাতিক মঞ্চত নিজস্ব জাতীয় মৰ্যাদা প্ৰতিপন্ন কৰিবলৈ সমৰ্থবান হৈছে। কিন্তু দুৰ্ভাগ্যবশতঃ ভাৰতবৰ্ষ এখন বিশাল দেশ হোৱা সত্বেও খেলা-ধূলাৰ মানদণ্ড যথেষ্ট নিম্নমানৰ হৈয়ে আছে।

সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিয়েই মই 'মহাবিদ্যালয় সপ্তাহ' উপলক্ষে আয়োজিত খেল-ধেমালিবোৰ পৰিচালনা কৰিবলগীয়া হৈছিল। যিসকল ছাত্ৰ-ছাত্ৰীয়ে খেল-ধেমালিবোৰৰ জৰিয়তে নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰিলে, সেইসকললৈ মই অভিনন্দন জ্ঞাপন কৰিছোঁ। উল্লেখযোগ্য যে আমাৰ খেলুৱৈ ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰিবলৈ দৰ্শক ছাত্ৰ-ছাত্ৰীৰ অভাৱ পৰিলক্ষিত হৈছিল। তদুপৰি উপযুক্ত খেল সামগ্ৰীৰ অভাৱ, উপযুক্ত অনুশীলনৰ অভাৱ আদিৰ বাবে খেলৰ মানদণ্ড উন্নত হোৱা নাছিল। সেয়ে মই মহাবিদ্যালয় কৰ্তৃপক্ষক আমাৰ খেলুৱৈ ছাত্ৰ-ছাত্ৰীসকলক আৱশ্যকীয় খেলৰ সামগ্ৰীবোৰ যোগান ধৰিবলৈ আবেদন জনালোঁ।

সদৌশেষত খেল-ধেমালি পৰিচালনা কৰাৰ ক্ষেত্ৰত পদে পদে দিহা-পৰামৰ্শ দিয়া বাবে তত্বাৱধায়ক অধ্যাপক মাননীয় ড° আবুল বাছাৰ ছাৰলৈ মোৰ অকৃত্ৰিম শ্ৰদ্ধা নিবেদিছোঁ। তদুপৰি যি সকল ছাত্ৰ ছাত্ৰী বন্ধু-বান্ধৱীয়ে মোৰ কাৰ্য পৰিচালনাত সহায়-সহযোগিতা আগবঢ়ালে তেওঁলোকলৈও মোৰ কৃতজ্ঞতা নিবেদন কৰিলোঁ। লগতে মোৰ কাৰ্যকালত সংগঠিত বিভিন্ন ভুল-ভ্ৰান্তিৰ ক্ষমা বিচাৰি প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

জয় আই অসম

শ্ৰীধীৰাজ কুমাৰ বৰ্মন।

সম্পাদক, গুৰুখেল বিভাগ।

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকীয় প্ৰতিবেদন



ইংৰাজী ১৯৯০-৯১ বছৰটোৰ বাবে বি.প্ৰ.চ, মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে মনোনীত কৰি ছাত্ৰ বন্ধুসকলৰ প্ৰতি কিঞ্চিৎ সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে সংশ্লিষ্ট আটাইলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয় এখনৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ বাবে ছাত্ৰ জিৰণি কোঠাৰ ভূমিকা উদাহ কৰিব পৰা বিধৰ নহয় নিশ্চয়। ছাত্ৰ জিৰণি কোঠাৰ অভাৱ-অভিযোগৰ কথা উল্লেখ নকৰি, প্ৰায় সাতশ ছাত্ৰৰ অৱসৰ বিনোদৰ উপযোগীকৈ পৰিবেশ, খেলা-ধূলা আৰু অধ্যয়নৰ নিতান্ত লাগতিয়াল সামগ্ৰীৰ নিয়মিত যোগান ধৰি উক্ত কোঠাৰ অৱস্থিতি আৰু প্ৰয়োজনীয়তা সাৰ্থক কৰি তুলিবলৈ মহাবিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত মোৰ প্ৰতিবেদনৰ আৰম্ভণীতে টানি অনুৰোধ জনালোঁ।

ইং ১৯৯০-৯১ চনৰ মহাবিদ্যালয় সপ্তাহ সমাৰোহ ১৭ ডিচেম্বৰ ,৯০ৰ পৰা ২২ ডিচেম্বৰ ৯০লৈ ছদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হয়। পৰম্পৰাগত ভাবে চলি অহা ছাত্ৰ জিৰণি কোঠাৰ অধীনৰ প্ৰতিযোগিতাসমূহ এইবেলি তত্বাৱধায়ক হিচাপে পৰিচালনা কৰে গণিত বিভাগৰ প্ৰবক্তা টিকেন পাটোৱাৰীদেৱে। তেখেতৰ নিষ্ঠাপূৰ্ণ সহায়ৰ বাবে এইছেগতে তেখেতলৈ মোৰ আন্তৰিক কৃতজ্ঞতা নিবেদন কৰিলোঁ।

মই প্ৰত্যক্ষ কৰিলোঁ যে মহাবিদ্যালয় সপ্তাহ প্ৰতিযোগিতাত প্ৰতিযোগীসকলে নাম দাখিল কৰিয়েই ক্ষান্ত থাকে। সময়ত উপস্থিত হবলৈ বহুতে অনীহা প্ৰকাশ কৰে। ফলত প্ৰকৃত প্ৰতিযোগীৰ সংখ্যা তাকৰ হৈ পৰে। গতিকে এই প্ৰতিবেদনৰ যোগেদি ছাত্ৰ-বন্ধুসকলক অনুৰোধ জনাওঁ যাতে সৰহ সংখ্যক প্ৰতিযোগীৰ সক্ৰিয় অংশগ্ৰহণেৰে মহাবিদ্যালয় সপ্তাহ সমাৰোহৰ অয়োজন সফল কৰি তোলে।

আমাৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অনুপাতে খেলাৰ সামগ্ৰী তেনেই কম। সেয়ে খেলৰ সামগ্ৰী পৰ্যাপ্ত পৰিমাণে মজুত আৰু যোগান ধৰাৰ ব্যৱস্থা কৰিবলৈ কৰ্তৃপক্ষক মই টানি অনুৰোধ জনাইছোঁ। বিগত কাৰ্যকালৰ ভিতৰত মই কি কৰিলোঁ, কি নকৰিলোঁ সেইটো আপোনালোকৰ বিচাৰ্য। মোৰ ফালৰ পৰা চেষ্টাৰ অকনো ত্ৰুটি কৰা নাছিলোঁ। মোৰ কাৰ্যকালত বিশেষ ভাবে সহায় কৰা সুৰেশ, নয়নমণি, ৰূপনাথ, নাজিৰ, ধনেশ্বৰ আৰু কুতুবুদ্দিন প্ৰমুখ্যে বন্ধুসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা আগবঢ়ালোঁ। পূজনীয় শিক্ষাগুৰুসকল আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ কৃতজ্ঞতা নিবেদন কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু বি প্ৰ চ. মহাবিদ্যালয় !

জয়তু বি.প্ৰ.চ. মহাবিদ্যালয়

ছাত্ৰ একতা সভা !!

স্বাহাব উদ্দিন

সম্পাদক, ছাত্ৰ জিৰণি কোঠা।

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদকীয় প্ৰতিবেদন



ইংৰাজী ১৯৯০-৯১ বৰ্ষটোৰ বাবে ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে মোক মনোনীত কৰি মহাবিদ্যালয়ৰ ছাত্ৰীসকলক সেৱা কৰাৰ সুযোগ দিয়াৰ বাবে সংশ্লিষ্ট আটাইলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছতে ভাবিছিলোঁ ছাত্ৰী জিৰণি কোঠাৰ সমস্যাসমূহ সমাধান কৰি ইয়াক নতুন ৰূপত সজাম। কিন্তু কৰ্তৃপক্ষৰ মৌনতাই মোৰ সেই অভিলাষ পূৰ্ণ কৰাত বাধাৰ সৃষ্টি কৰিলে। আমাৰ ছাত্ৰী জিৰণি কোঠাটো ছাত্ৰীৰ সংখ্যা অনুপাতে যথেষ্ট সৰু হৈছে। দুই চাৰিখন বেঞ্চ আৰু এখন কেৰম বোৰ্ডৰ বাহিৰে খেলৰ সামগ্ৰী, বাতৰি কাকত, আলোচনী আদি নাই। মোৰ প্ৰতিবেদনৰ জৰিয়তে বিভাগীয় কৰ্তৃপক্ষক আবেদন জনাওঁ যাতে অতি সোনকালে এই অভাৱসমূহ মোচন কৰি ছাত্ৰীসকলক কৃতাৰ্থ কৰে। মোৰ পৰৱৰ্তী সম্পাদিকালৈ অনুৰোধ ৰ'ল তেওঁ যেন এই অভাৱসমূহ পূৰণ কৰাৰ কাৰণে কৰ্তৃপক্ষৰ লগত যোগাযোগ ৰাখে।

আন বছৰৰ দৰে মোৰ কাৰ্যকালতো ছাত্ৰী জিৰণি কোঠাৰ তৰফৰ পৰা মহাবিদ্যালয় সপ্তাহত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা প্ৰতিযোগীৰ সংখ্যা তেনেই তাকৰ আছিল। প্ৰতিযোগীৰ সংখ্যা কম হ'লে প্ৰতিযোগিতাৰ মানদণ্ড নিশ্চয় নিম্নগামী হয়।

সকলো সময়তে মোক আন্তৰিকতাৰে দিহা-পৰামৰ্শ দিয়া ছাত্ৰী জিৰণি কোঠাৰ তত্বাৱধায়িকা অধ্যাপিকা গধূলি ঠাকুৰীয়া (কলিতা) বাইদেউলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলোঁ। মোৰ কামত অধিক সহায় আগবঢ়োৱা বন্ধু নাজিম হিকমত আৰু কুতুব উদ্দিনলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ। যিসকল শিক্ষাগুৰু আৰু বন্ধু-বান্ধৱীয়ে মহাবিদ্যালয় সপ্তাহৰ সকলো দিশ সুকলমে চলাই নিয়াত সহায় কৰিলে তেওঁলোকক কৃতজ্ঞতাৰে সুঁৱৰিছোঁ। সদৌশেষত মোৰ জ্ঞাত-অজ্ঞাত ভুলৰ ক্ষমা বিচাৰি আৰু মহাবিদ্যালয়ৰ উত্তৰোত্তৰ শ্ৰীবৃদ্ধি আৰু ছাত্ৰী জিৰণি কোঠাৰ পূৰ্ণতা কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

মিছ ৰোহিলা বেগম।
সম্পাদিকা,
ছাত্ৰী জিৰণি কোঠা।

# BIMALA PRASAD CHALIHA COLLEGE

# MAGAZINE

## Nagarbera, Kamrup (Assam)

**Session : 1990-91**

**Volume-V**

Joint In-charge :
Prof. M. Habib Ullah
Prof. Nagendra Nr. Dewan.

Joint Editor :
Saurav Bhagabati
Nazim H.A. Ahmed

## EDITORIAL BOARD

**President :**
Principal Deba Prasad Saikia.

**Joint In-charge :**
Prof. M. Habib Ullah.
Prof. Nagendra Nr. Dewan

**Advisers :**
Prof. Bharat Ch. Kalita
Prof. Nirmal Ch. Bhoi
Prof. Shyamacharan Thakuria.

**Joint Editor :**
Saurav Bhagabati.
Nazim Hikmat Ali Ahmed

**Members :**
Suresh Kalita
Sanjib Kr. Das
Mirza Gausal Azam Mustafi
Miss Niva Kalita
Kandarpa Das


★ ★ ★

# English Section

Contents | Page | Contributors


| Contents | Page | Contributors |
|---|---|---|
| [Poems] | | |
| Divine Light | : 1 : | Prof. Abdus Salam |
| Standing by a window | : 2 : | Kamal Ch. Pathak |
| Our Living Society | : 3 : | Shajahan Ali Ahmed |
| The Holy Soul | : 4 : | Md. Aynal Hoque |
| The Autumn | : —: | Prof. Bharat Ch. Kalita |
| [Essays] | | |
| Sister Nivedita : A Great Educator | : 5 : | Prof. Birabrata Das Choudhury |
| Collegiate Teaching : Problems and Prospectives | : 11 : | Prof. Bibhuti Bhusan Panda |
| Trends in Modern English Drama | : 16 : | Prof. Nirmal Ch. Bhoi |
| Metaphysical Poetry : Its' Quality and Contents | : 24 : | Dhiraj Kumar Barman |
| [Others] | | |
| Results of the College Week Festival/Session : 1990-91 | : 28-38 : | |
| List of Teaching, Non–Teaching & Employees' Staff | : 39 : | |
| List of College G. B. | : 41 : | |
| Executive Committee of the Students' Union | : 42 : | |


□□□

# Divine Light

**Abdus Salam**
**Lecturer, Deptt. of Arabic.**

Passing the heathen dark community
A divine light sprang in the desert country,
The light is nothing except the eternal favour,
That is nothing but monarch for ever.
Did the light cover only through Arab ?
No, the beam of light diffused far and wide,
Did the light find thy orphan ?
Yes, it found us orphan rocking in the cradle.
So the light appeared being the parents of the world,
To broaden the faith transcendental.
Faced the menaces to fight in battle,
Fundamental means to invade foe.
Helped the Spiritual power non but He (light)
A thousand detester from right and left
Continued action that they liked,
Eut the talent of the light could stop.
Acknowledged their past crime committed,
Then the light became so clear and well,
It bestowed new feeling here and there,
And offered a straight means to attain care (of God)
The encomiasts Bakar Ali and Slave Bilal;
Further Ziad, Khadiza followed the light by Gabriel.
And Gabriel showed the dauntless way,
For 'Islam' began to tour far and away. ★

# Standing by a window

Mr. Kamal Ch. Pathak.
T.D.C. 3rd year (Arts)

Standing by a window,
A snow-white face
Glanced at me with her
Covetous eyes and it
Startled me, as I felt,
In my inner heart.
As the sun-rise illuminated
The sky, she lifting the green.
Curtain showed me a Robin,
And I only stared sharply at her;
She, probably felt ashamed and
    Passed the window
    With little feet,
    like a little girl.
She was fiddling while I was
Sitting under the green-wood tree,
And I stepped towards the window,
And an epistle I found there lying
On the ground and where it was
Written—
"No, no kishore ! excuse me, please"
And I was about to extinguish—
While the green—curtain was dancing
In the breeze and finding no mean,
I only wept and the epistle was
full of tears. ★

# Our Living Society

**Shajahan Ali Ahmed.**
**T.D.C. Ist Year (Arts)**

I wandered in an evening
Through a town street,
I stopped, suddenly seeing a beggar
Half naked, frail and broken,
He was walking from door to door
For a crust of bread,
A piece of rag to wear
And nothing more.
What a pity!
What a severe struggle for existence!
My heart shivered in pathos
But I could not turn my face,
And strangely enough,
I saw a sky kissing mansion,
Just near the beggar's broken hut.
Surrounded by flowers
Red, white and all colours.
No dirt, No squalor, No poverty
Nothing but smile prevailed—there
Heaven! hell! what wonderous words!
I could not differntiate one from the other
As I found the both standing together;
As this the society we live in?
Unknowingly I spoke these words
And they echo'd repeatedly in my ear. ★

# The Autumn

**Bharat Ch.Kalita**
**Lecturer, Deptt. of Geography**

(i)

The soft earth wakes up
In lilly's bloom and
Dew's drops
The soft sky dances
In swan's wings and
white cloud.
The breath of Autumn like
The lady of a love
With purity and grace.

(ii)

I see her dark green hair
With deep blue eyes in spring,
Her white fringe (chadar)
dances in the air
As if she invites me from the
core of her heart.
Oh ! Autumn, my beloved,
I love you most.
I love you best !! ★

# The Holy Soul

**Md. Aynal Hoque**
**H. S. 2nd year (Arts)**

The holiest thing is the human soul
that runs through every one,
And fair work of nature it is,
which no one easily understands.
Every creature posses this
And it is concealed in his thought,
Death devours the human body
Leaving this soul untouched.
No importance of a man
if he loses his soul,
Hardly can he recover holiness
If at all falls in hell.
It blooms in the human heart
like a flower in the plant,
All that we need to care
Is keep it ever fresh. ★



A vie v of the 'Reading Corner' of the College Library where students are in serious persuits.



Mrs. Kalyani Das, Head, Deptt. of English is inaugurating the maiden issue of the College Wall-magazine "Falgu" on 18-2-91 for the session 1990-91.

## Jems of the College....



Miss Dipali Devi
1st Class 1st with Distinction in Mathematics Major in 1989, G. U.



Bishnuram Talukdar
2nd Class 2nd in Geog. Major in 1989, G.U.



Shahidul Islam
2nd Class 4th in History Major in 199o, G. U.



Abdul Wakil Ansary
2nd Class 4th in Arabic Major in 199o, G.U.



Habib Shahidul Islam
2nd Class 5th in Arabic Major in 199o, G.U.



Jasim Uddin Ahmed
2nd Class 3rd in Arabic Major in 199o, G.U.



Habibar Rahman
2nd Class 6th in Assamese Major in 199o, G.U.

# THOSE WHO SHINE IN THE
## COLLEGE WEEK FESTIVAL 1990-91...



Kamal Ch. Pathak
Best literary Competitor
of the year 1990-91



Abdul Motleb
Best Athlete
of the year 1990-91



Kalpana Baishya
Best lady Athlete
of the year 1990-91



Jutika Das
Best Singer
of the year 1990-91



Arpana Das
Best Actress
of the year 1990-91



Niranjan Kalita
Best Actor
of the year 1990-91

# SISTER NIVEDITA : A GREAT EDUCATOR

Mr. Birabrata Das Choudhury
Lecturer, Deptt. of Mathematics

As a thinker and worker in the field of education, Nivedita's Contribution has been great. Her writings on this subject are inspiring and thought provoking. If applied today, they can help educationist to solve many problems.

Born on October 28, 1867 in a family called Noble who were of Scottish descent but had been settled in Ireland, Margaret Elizabeth noble (who was later given the beautiful name 'Nivedita' by Swami Vivekananda in India) entered the teaching profession at the age of seventeen. To the last day of her life she remained an ideal and efficient teacher.

Before Nivedita met Swami Vivekananda in 1895, she was well known in the field of education in London. On the Swamiji's invitation she came to India in January 1898 and started a school in Calcutta in November of the same year. In the nine intervening months she got acquainted with her new surroundings. In Swami Vivekananda what she found was a greater educator than herself. She wrote later "I had to learn what was wanted to determine where I myself stood, to explore the very world of which my efforts were to become a part. The one thing I knew was, that an educational effort must begin at the stand point of the learner and help him to develop in his own ways."

Her ideas on education did not undergo any vital changes after coming to India but they were restructered to suit the needs of the Indian people. Swami Vivekananda's dynamic and creative teaching on philosophy, reli-

gion and education had great influence on her, "He was not an educational reformer, He did not believe in tit-bit reforms, he was a worker at foundations" as Nivedita has put it.

She started her work earnestly, she taught the little girls reading and writing and introduced painting, claywork and sewing. Nivedita had to face financial problem to run the school as she was poor herself which lead to the closure of the school; in 1899 she went back to America to collect funds for the school. In 1902 she came back and reopened the school which is now known as 'Ramkrishna Sarada Mission Sister Nivedita Girl's School'.

At first there were very poor attendance in the school for which she used to go from house to house and with folded hands she stood before the parents saying "You may be displeased with me, but I beg of you to allow this girl to come to school. The women of your family go to the Ganga for bath or Kalighat regularly. Why can't you send this girl for a few hours even ? "Her sweet and persuasive ways won the hearts of the parents and they become more conscious about their daughter's attendance at school. Another difficulty arose before her was the early marriage of girls. She expanded her educational activities by opening a women's section where women came to learn a little reading and writing and geography, sewing and needle work. This experiment proved a great success.

Compared to the educational institutions run by the Christian Missonaries and the govt. Nivedita's work was small but not insignificant. Her school was the first national school on modern lines which gave its pupils social and political consciousness. When the singing of the song 'Bandemataram' was banned by the govt., she introduced it in her school as a daily prayer. When the swadeshi movement started she

came forward to boycott foreign goods and encouraged her pupils to do the same.

Nivedita's major contribution in the field of education was in giving ideas, in making people think and act in consonance with the needs of the times. In 1904 we had a Universities Act on the basis of Universities Commission appointed in 1902 by Lord Curzon. Nivedita reacted sharply against ist illiberal provisions and remarked "We have had a Universities Commission lately which has done its very best to kill all education and especially all seiences of education. This is the point in Indias wrongs that fires me, the right of India to be India, the right of India to knowledge" she went on lecture tours all over India and spoke on the educational problem in India. She termed this problem as the problem of Problems. She told her audience " My object is to make you think and think on the educational problem. I have come here to help you in thinking out for yourself for I have a belief in the power of right thoughts. It is for you to determine the aims and functions of education .......... No nation can be great unless it gets an education of the right kind. you must learn to find out the education you require in this country. If India will not find out what she requires let her be doomed and well she may sink into the deep sea and be forgotten. India I hope is not made of that stuff." With those inspiring lectures swinging between hope and despair sister Nivedita went on telling the people not to sit-back but to work hard and remake the meaning of education.

Nivedita wrote many papers and delivered lectures on all aspects of education. Here are a few of her statements which show the forcefulness of her thinking. "Education is above all things a moral function and concerned with man, primarily as a moral being. Education in reality means training of the will. Unless we train the feeling and choice our man is not educated. He is only decorated with certain

intellectual tricks that he has learnt to perform. By these tricks he can earn his bread, he cannot appeal to the heart or give life, he is not a man at all, he is a clever ape"

Her conception of education extended through all degrees from the lowest to the highest grade. It included eduoation for women as well as man; It included secular as well as religions education; technical education as well as higher research. She was against the idea that the aim of education is only to help students to get better jobs. She however puts emphasis on the growth of character of a child.

Sister Nivedita was always at student's call, her influence spread widely amongst students. All her thoughts on education were purely meant to accelerate the energies of the student world in right direction and that direction was, according to her, 'the development of the child for the good, not of himself only but of 'Jana-desha-dharma', the people, the country and the national ideal. She used to inspire the student community by her lectures in sweet voice. Addressing the Hindu Boy's Association in Patna in 1904, she said "The students should always ask themselves what India expected of them .... .... It is the first duty of a boy to eat well and sleep well and his next duty is to play well ... ... the good of your character should be your true aim. Do not seek it by literary persuits or clever writings of articles or oratory ....... think that the whole country is your country and your country needs work. Struggle for knowledge, for strength, for happiness and prosperity. Let all these be your aim in life. By no means be found sleeping when cry comes for battle."

Before Independence some educationist put great emphasis on the place of foreign culture in true education, Nivedita vehemently opposed the idea of giving at the begining. "For", she said "It is in his own community

that the individuals is to inhere. Here we come on the crime of those who educate an Indian girl to be an ornament of English or French society...... By a false education she has been made critical of her own people and their institutions without herself fulfilling the ideal of any other. It is not by teaching an Indian girl French or the piano but by enabling her to think about India that we really educate her and make her one with whom the world's greatest minds are proud to be associated". She even refused to take charge of Rabindranath Tagore's daughter's education when he requested Nivedita to give his daughter an English-based education and good grounding in English. She said to Tagore, "what good is it to force education down the throat ? I don't like to subject child to steam-roller of regimentation which goes by the name of English education in India". She tried to combine the best that was in the western educational system with that which was good in the Indian way of life. Besides formal education, Nivedita insisted on cultivating and upholding the values of general religious and cultural traditional education that was prevalent in Indian homes.

The fundamental idea behind all her thought was that education was to make the pupils love their motherland and serve here. In her writings on education Nivedita reiterated the sentiments of Swami: "We must surround our children with the thought of their nation and their country. The centre of gravity must lie for them outside the family. We must demand from them sacrifices for India, Bhakti for India, learning for India, the ideal for its own sake. We must teach them about India, in school and at home ............ Burning love, love without a limit. Love that seeks only the good of the beloved and has no thought of self, this is the passion that we must demand for them".

Nivedita once complained in India "the educational problem is the problem of problem, but unfortunately in India people have no

keen feeling about the complexity of the problem". She wrote and spoke on different aspects of education primary, secondary, university and women's education, training in arts and technology and scientific education. All that she said still stands today as a great contribution and inspiration to the field of education.

Throughout her very short life (she died at the age of 44) she fought for human values in education among Indian and nationalist values against her own people. In her writings and work with many groups, she was a dynamic force against British collonialism and an inspiration to recognise the 'mantra' of her 'Guru' Swami Vivekananda, that above all, we must love India.

□□□

# COLLEGIATE TEACHING : PROBLEMS AND PROSPECTIVES

Mr. Bibhuti Bhusan Panda
Lecturer, Deptt. of Education

Teaching is a tough business. A successful teacher, if not careful, may lose substantially. It is the society that loses for the teachers and this loss is irreparable. Infact the most vilified aspect of education today is teaching. What is the Lacuna of present day teaching then ? A layman, if asked, may point out a few. Teaching involves two things. Firstly, the teacher would have to satisfy the objective of the society and secondly, she would have to fulfil the instructional objectives. While the latter comes first the former is kept as the broader framework. Teaching depends upon pre-formulation of educational objectives, creation of proper learning environmet, adequate preparation of teachers, meaningful presentation and interaction and evaluation of instruction. But what happens in our colleges ? These have become breeding grounds of future unemployeds. One educationist has aptly remarked "Sometimes these colleges seem to be academic mellas, a place of pleasurable experiences and enjoyment." The size of the classes in our colleges is so big that hardly it can be called having any learning environment. Infact no sound instruction can be imparted to a class consisting of more than 100 or 125 students. In this situations the students are reduced to roll numbers having no personal contact with the teacher. Sometimes the classes are unmanageable. The most ridiculous thing is that the teacher will have to shout not to speak, to vomit the golden letters of the sacred text books.

The second thing that concerns us is the content to be tought. The average syllabus of the colleges is unnecessarily lengthy and lacks sound planning. Infact, a cursory glance at it would show how various topics are assembled unimaginatively and unscientifically. The golden rule is to finish the courses as quick as possible. In this bizarre situation what a teacher can do except playing longjumps in finishing the courses. What matters is not the size of the syllabus but the organised body of knowledge or discipline we want to impart to the students. Hence this stránge mania of having lengthy syllabuses should be discarded fort hwith. I think we have failed to develop the habit of self-reading or Swaadhyayan. A pupil having a delicate reading habit can çomplete most of the ordinary part of the syllabus himself. Hence, sufficient thought should be directed in designing meaningful, systematic ahd sound syllabus. The vagaries of the big syllabus does not end with it. It compels the teachers to take five to six classes a day without having proper intervals. As a result, the minds of the students are packed with voluminous unorganised informations which lead to intellectual suffocation. Again it is a negation of all psychological principle to teach five to six periods a day at the tertiary stage. If the syllabus will have manageable size then the duration of period can be increased and we can have maximum 3/4 periods when learning can be enjoyable for both the teacher and the student Besides we can have more tutorial classes which are more psychological, meaningful and productive.

The carriculam planners must create such situation when learning can be a symbiotic process of theory and practice. Field work, group discussion, seminars, project work and educational tours should be the main modes of teaching and learning at the major stage. While coming to teacher's preparation, some of our teachers come to the class

